DP905

CONTENTS

DECEMBER SESSION

NO. 5

Dated, the 23rd December, 2011

		Page
1.	Questions and Answers	3
2.	Discussion on Zero Hour Matter	321
3.	Call Attention Notice	329
4.	Matter under Rule 301	334
5.	Statement by Minister	336
6.	Miscellaneous	339
7.	Consideration and Passing of Government Bills	341
8.	Laying of Accounts and Report	394
9.	Announcement From the Chair	395
10.	Statement By Minister	397
11.	Ruling from the Chair	398
12.	Valedictory Speech	400
13.	Adjournment	403
14.	Annexures – I to XXXI	404

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Friday, the 23rd December, 2011.

The House met at 9.00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Pranab Gogoi, Speaker in the Chair.

STARRED QUESTIONS AND ANSWERS
(To Which Oral Replies Were Given)

Mr. Speaker : Now, Starred Question No. 81, Hon'ble Member, Shri Banendra Kr. Muchahary.

বিষয় ঃ পক্ষী অভয়াৰণ্য।

শ্ৰীবনেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে সুধিছে ঃ

*৮১। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত বৰ্তমান চৰকাৰে পক্ষী অভয়াৰণ্য কৰাৰ পৰিকল্পনা লৈছে নেকি?

(খ) যদি লৈছে গৌৰীপুৰ সমষ্টি তথা BTAD ৰ অন্তৰ্ভুক্ত পৰতঝোৰা মহকুমাৰ প্ৰস্তাৱিত সাৰেশ্বৰ বিল পক্ষী অভয়াৰণ্য (Proposed Sareswar Beel Bird Sanctuary) প্ৰস্তাৱটো কেতিয়াকৈ Bird Sanctuary হিচাপে ঘোষণা কৰা হ'ব জনাবনে?

* Speech not corrected

শ্রীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বন্যপ্রাণী (সংৰক্ষণ) আইন ১৯৭২ মতে পক্ষী অভয়াৰণ্য বুলি কোনো অভয়াৰণ্য নাই। কিন্তু কিছুমান অভয়াৰণ্যত পক্ষীৰ সংখ্যা অধিক হোৱা কাৰণে আৰু বিভিন্ন প্রজাতিৰ পক্ষীৰ ওপৰত বিশেষ গুৰুত্ব দিয়াৰ কাৰণে কিছুমান অভয়াৰণ্যক পক্ষী অভয়াৰণ্য কোৱা হয়।

(খ) গৌৰীপুৰ সমষ্টি তথা BTAD ৰ অর্ন্তভুক্ত পর্বতঝোৰা মহকুমা ৪৭৮ হেক্টৰ এলেকা সাৰেশ্বৰ বিল অভয়াৰণ্য হিচাপে অধিসূচনা জাৰি কৰিবৰ কাৰণে বন্যপ্রাণী (সংৰক্ষণ) আইন ১৯৭২ ৰ ধাৰা ১৮ মতে প্রস্তাৱ ৰাজ্য চৰকাৰৰ বিবেচনাধীন হৈ আছে।

*** শ্রীৰনেন্দ্র কুমাৰ মুছাহাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে মোৰ প্রশ্নৰ উত্তৰত কৈছে যে বন্যপ্রাণী আইন মতে পক্ষী অভয়াৰণ্য বুলি কোনো অভয়াৰণ্য নাই। 'খ' প্রশ্নৰ উত্তৰত কৈছে বি টি এ ডি ৰ অন্তর্ভূক্ত সাৰেশ্বৰ বিল অভয়াৰণ্য হিচাপে অধিসূচনা জাৰি কৰিবৰ কাৰণে ৰাজ্য চৰকাৰৰ বিবেচনাধীন হৈ আছে। বি টি এ ডিয়ে ইতিমধ্যে ২০০৬ চনত সাৰেশ্বৰ বিলখনক অভয়াৰণ্য হিচাপে ঘোষণা কৰিছে। কিয়নো এই বিলখনত নানা ধৰণৰ স্থানীয় পক্ষীয়ে বিচৰণ কৰে লগতে ইয়ালৈ পৰিভ্রমী পক্ষীও বহু ঠাইৰ পৰা আহে। আমি দেখিবলৈ পাইছো ইয়াত থকা স্থানীয় পক্ষীয়ে হওঁক বা পৰিভ্রমী পক্ষী বিলাক চিকাৰীৰ দ্বাৰা নিধন হয়। ইয়াক অভয়াৰণ্য বুলি ঘোষণা নকৰা কাৰণে চোৰাং চিকাৰীয়ে বহুত পক্ষী নিধন কৰে। এই পক্ষী নিধন ৰোধ কৰাৰ কাৰণে অতি সোনকালে ইয়াক অভয়াৰণ্য ঘোষণা কৰিব লাগে।

*** শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্রীৰনেন্দ্র কুমাৰ মুছাহাৰী ডাঙৰীয়াই যিটো প্রশ্নৰ উত্থাপন কৰিছে

*** Speech not Corrected**

সেইটো অত্যন্ত জৰুৰী প্ৰশ্ন— ইতিমধ্যে এই সাৰেশ্বৰ বিলৰ সংক্ৰান্তত বি টি চি য়ে অধ্যাদেশ জাৰি কৰিছে। বন্যপ্ৰাণী (সংৰক্ষণ) আইন ১৯৭২ মতে ৰাজ্য চৰকাৰৰ অনুমোদন নোহোৱাকৈ এনে ধৰণৰ অধ্যাদেশ জাৰি কৰিব নোৱাৰে। মাননীয় অধ্যক্ষ মহোদয়, আমি এই ক্ষেত্ৰত অতি কম সময়ৰ ভিতৰতে সকলোখিনি কাম কৰি অধ্যাদেশ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিম।

Mr. Speaker : Now, Starred Question No. 82, Hon'ble Member, Sri Keshab Mahanta.

বিষয় ঃ পশুপালনৰ ধন।

শ্ৰীকেশৱ মহন্তই সুধিছে ঃ

*** ৮২। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) কেন্দ্ৰীয় চৰকাৰৰ কি কি আঁচনিৰ জৰিয়তে কিমান ধন পশুপালন বিভাগক ২০০৬ চনৰ পৰা বৰ্তমানলৈ দিয়া হৈছে? (বৰ্ষ ভিত্তিত বিতং তথ্য দিব)

(খ) এই ধনৰ দ্বাৰা কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? এই আঁচনি সমূহৰ পৰা কি কি আন্তঃগাঠনি গঢ়ি তোলা হৈছে আৰু কিমান নিবনুৱাক সংস্থাপিত কৰা হৈছে? (তথ্য সহকাৰে জনাব)

(গ) ইয়াৰ উপৰিও পশুধন উৎপাদনৰ বাবে নিবনুৱা সকলৰ সহায় হব পৰাকৈ কি কি আঁচনি চৰকাৰে গ্ৰহণ কৰিছে? ব্ৰইলাৰ কুকুৰা চৰাই পোহা নিবনুৱা সকলক চৰকাৰে কি আঁচনিৰ জৰিয়তে উপকৃত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে অনুগ্ৰহ কৰি জনাবনে?

(ঘ) অসমত প্ৰতিদিনে ব্ৰইলাৰ কুকুৰা চৰাইৰ চাহিদা কিমান আৰু এই চাহিদা পুৰাবলৈ কিমান বাহিৰৰ পৰা আমদানি কৰা হয় আৰু কিমান অসমতে উৎপাদন হয়? (বিতং তথ্য দিব) ইয়াৰ পাইকাৰী আৰু খুচুৰা মূল্য কিমান? এই মূল্য নিৰ্ধাৰণৰ ক্ষেত্ৰত চৰকাৰৰ ভূমিকা কি?

(ঙ) কলিয়াবৰ সমষ্টিৰ অন্তর্গত হাঁহ প্রজনন কেন্দ্র পশু চিকিৎসালয়, পশু উপ-স্বাস্থ্য কেন্দ্রকে ধৰি কি কি প্রতিষ্ঠান আছে অনুগ্রহ কৰি জনাবনে?

(চ) এই প্রতিষ্ঠান সমূহত কিমান বিষয়া কর্মচাৰী আছে আৰু কিমান পদ খালী আছে? (প্রতিটো পদৰ বিপৰীতে বিতং তথ্য দিব)

(ছ) ব্যৱহাৰৰ অনুপযোগী হৈ থকা ইয়াৰ গৃহ সমূহ পুনৰ নির্মাণ কৰা বা নতুন আন্তঃগাঠনি কৰাৰ কিবা আঁচনি বিভাগে গ্রহণ কৰিছে নেকি? যদি কৰিছে ইয়াৰ বাবে ধার্য্য কৰা ধনৰ পৰিমাণ আঁচনিৰ বিপৰীতে উল্লেখ কৰিবনে?

শ্রীখৰ ছিং ইংতি (পশুপালন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০৬-০৭ বর্ষৰ পৰা পশুপালন বিভাগে কেন্দ্রীয় চৰকাৰৰ পৰা পোৱা ধনৰ পৰিমাণ আঁচনি অনুসাৰে সংযোজনা—'ক' ত দিয়া হ'ল। **(See Annexure- I)**

(খ) এই ধনৰ দ্বাৰা ৰূপায়িত আঁচনি আৰু আন্তঃগাঠনি সমূহৰ এখন তালিকা সংযোজনা—'খ' ত সংলগ্ন কৰি দিয়া হৈছে। (See Annexure- II) এই আঁচনি সমূহৰ সকলোবোৰ পোনপতীয়াকৈ নিবনুৱাক সংস্থাপন দিয়াৰ বাবে ৰূপায়ণ কৰা হোৱা নাই। তথাপি ইয়াৰদ্বাৰা যথেষ্ট সংখ্যক নিবনুৱাই কর্মসংস্থাপন পাইছে। এই আঁচনি সমূহৰ যোগেদি ২০০৬-০৭ বর্ষৰ পৰা এতিয়ালৈকে প্রায় ১৫,০০০ জন নিবনুৱা যুৱক-যুৱতীয়ে কর্মসংস্থাপন পাইছে।

(গ) কেন্দ্রীয় চৰকাৰৰ আঁচনিৰ উপৰিও পশুধন উৎপাদনৰ যোগেদি নিবনুৱাসকলৰ সহায় হব পৰাকৈ বিভাগে গ্রহণ কৰা আঁচনি সমূহৰ তালিকা (২০০৬-০৭ বর্ষৰ পৰা বর্তমানলৈ) সংযোজনা 'গ' ত দিয়া হ'ল। **(See Annexure- III)**

ব্রইলাৰ কুকুৰা পোহা নিবনুৱাসকলৰ বাবে মুখ্য মন্ত্রীৰ 'অসম বিকাশ যোজনা' আৰু মুখ্য মন্ত্রীৰ কর্মসংস্থাপন আঁচনিৰ অধীনত ২ (দুই)খন আঁচনিৰ

যোগেদি প্ৰায় ৬০ জন যুৱকক ২ (দুই) কোটি টকা ব্যয় সাপেক্ষে উপকৃত কৰা হব। তদুপৰি বিভাগৰ নিজা পামসমূহৰ যোগেদিও এই সকল যুৱকক সুলভ মুল্যত ব্ৰইলাৰৰ পোৱালী যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে।

২০০৯-১০ বিত্তীয় বৰ্ষত "Cattle Induction Programme" নামৰ এখন আঁচনিৰ দ্বাৰা গাই গৰু পালনৰ যোগেদি আত্মনিৰ্ভৰশীল হবলৈ ইচ্ছুক লোকৰ বাবে উন্নতমানৰ বৰ্ণশংকৰ গাই গৰু ৩৩% ৰাজসাহায্য সহ ৬ (ছয়) খন জিলা সামৰি ২৫০ জন হিতাধিকাৰীক উপকৃত কৰাৰ ব্যৱস্থা কৰা হৈছে। এই জিলাকেইখন হ'ল— যোৰহাট, নগাওঁ, দৰং, শোনিতপুৰ, কামৰূপ আৰু ধুবুৰী।

(ঘ) অসমত প্ৰতিদিনে গড়ে ৩৬ মেট্ৰিকটন ব্ৰইলাৰ কুকুৰাৰ মাংসৰ প্ৰয়োজন হয়। (২০০৯-১০ জন সংখ্যা অনুযায়ী)

ৰাজ্যখনত ২০০৯-১০ বছৰৰ হিচাপত প্ৰতিদিনে ১৪ মেট্ৰিকটন ব্ৰইলাৰ মাংস উৎপাদন হয়। সেয়েহে প্ৰায় ২২ মেট্ৰিকটন ব্ৰইলাৰ মাংস গড়ে প্ৰতিদিনে ৰাজ্যৰ বাহিৰৰ পৰা আমদানি কৰা হয়।

বৰ্তমান ব্ৰইলাৰ মাংসৰ পাইকাৰী মূল্য ৬৫.০০ টকাৰ পৰা ৭০.০০ টকা পৰ্য্যন্ত আৰু খুচুৰা মূল্য ৮০.০০ টকাৰ পৰা ১০০.০০ টকা যদিও সময়ে সময়ে এই মূল্যৰ পৰিবৰ্তন হয়।

বৰ্তমানলৈ কুকুৰাৰ মাংসৰ মূল্য নিৰ্ধাৰণৰ ক্ষেত্ৰত চৰকাৰে কোনো নীতি নিৰ্ধাৰণ কৰা নাই।

(ঙ) কলিয়াবৰ সমষ্টিৰ অন্তৰ্গত পশুপালন বিভাগৰ অধীনস্থ প্ৰতিষ্ঠান সমূহৰ তালিকা আৰু এই প্ৰতিষ্ঠান সমূহৰ বিপৰীতে কৰ্মৰত বিষয়া, কৰ্মচাৰীৰ সংখ্যা তথা প্ৰতিটো প্ৰতিষ্ঠানৰ বিপৰীতে থকা খালী পদৰ ৰিতং তথ্য সংযোজনা 'ঘ' ত দিয়া হ'ল।

(চ) উক্ত প্ৰশ্নটোৰ উত্তৰ সংযোজনা 'ঘ' ত দিয়া হৈছে।

(See Annexure- IV)

(ছ) ব্যৱহাৰৰ অনুপযোগী হৈ থকা ইয়াৰ গৃহসমূহৰ পুনৰ নির্মাণৰ বাবে তলত দিয়া ব্যৱস্থা সমূহ গ্রহণ কৰা হৈছে।

১। কলিয়াবৰৰ হাঁহ প্রজনন কেন্দ্রৰ ঘৰসমূহ ভাঙি নতুনকৈ আধুনিক ধৰণৰ এটি প্রজনন কেন্দ্র নবনির্ম্মাণ কৰিবৰ বাবে উত্তৰ পূৱ পৰিষদক ১২ কোটি টকাৰ এটি প্রস্তাৱ দিয়া হৈছে।

২। হাটবৰ পশু সম্প্রসাৰণ বিষয়াৰ কার্য্যালয়টি কেন্দ্রীয় চৰকাৰৰ ESVHD আঁচনিৰ অধীনত ২০১১-১২ বর্ষত পুনৰ নির্ম্মাণ কৰা হব। ইয়াৰ বাবে ১৪.৯০ লাখ টকাৰ ব্যয়ৰ অনুমোদন দিয়া হৈছে।

৩। কুঁৱৰীটোল ৰাজ্যিক পশু চিকিৎসালয়ৰ গৃহটি ইতিমধ্যে ESVHD আঁচনিৰ (২০১০-১১) অধীনত পুনৰ নির্মাণৰ কাম কৰি থকা হৈছে। ইয়াৰ বাবে ১৪.৯০ লাখ টকাৰ অনুমোদনৰ বিপৰীতে বাজেটত টকা ধার্য্য কৰা হৈছে।

* **শ্রীকেশৱ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বহুদিন মাননীয় পশুপালন বিভাগৰ মন্ত্রী মহোদয়ক দেখিবলৈ পোৱা নাই— আজি দেখিবলৈ পাম বুলি ভাবিছিলো কিন্তু আজিও দেখা নাপালো। যা হওক আজি মই কৰা প্রশ্নৰ উত্তৰ ইয়াত দিছে। আমি দেখিবলৈ পাইছো পশুপালন বিভাগে পশুধনৰ কাৰণে যেনে ধৰণৰ ব্যৱস্থা লব লাগিছিল সেই ধৰণৰ ব্যৱস্থা গ্রহণ কৰা নাই। এই পশুধন উৎপাদনৰ ক্ষেত্রত চৰকাৰে বিহিত ব্যৱস্থা গ্রহণ কৰি আমাৰ যি সকল নিবনুৱা আছে তেওঁলোকক সংস্থাপনৰ ব্যৱস্থা কৰিব পাৰে, ইয়াৰ এটা বহুল প্রচাৰৰ প্রয়োজন হৈছে। ইয়াৰ বহুল প্রচাৰ হলে নিবনুৱা সকল অৱগত হব। পশুপালন বিভাগে বিভিন্ন ধৰণৰ আঁচনি গ্রহণ কৰি সেইবোৰ কার্য্যকৰী কৰিলে নিবনুৱা সকল উপকৃত হব। এতিয়া আমি পশুপালন বিভাগৰ যিবিলাক আঁচনি আছে তাৰ অস্তিত্ব দেখিবলৈ পোৱা নাই। আমি ব্রইলাৰ কুকুৰাৰ কথাই কবলৈ বিচাৰিছো। আমাৰ অসমত ব্রইলাৰৰ চাহিদা অনুপাতে উৎপাদন কম। এইটো গুৰুত্বসহকাৰে লৈ উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্রত ব্যৱস্থা গ্রহণ কৰিব লাগে। আৰু নিবনুৱা সকলক সংস্থাপনৰ ব্যৱস্থা লব লাগে।

*** Speech not Corrected**

* **শ্রীনীলমণি সেন ডেকা (মন্ত্রী) ঃ** মাননীয়, অধ্যক্ষ মহোদয়, মাননীয় পশুপালন বিভাগৰ মন্ত্রী মহোদয় বিশেষ অসুবিধা হোৱাৰ কাৰণে বিধানসভাত উপস্থিত থাকিব নোৱাৰা কাৰণে আজি মই তেখেতৰ হৈ প্ৰশ্নৰ উত্তৰ দিবলৈ ওলাইছো। আজি মাননীয় বিধায়ক, শ্ৰীকেশৰ মহন্ত ডাঙৰীয়াই যি পৰামৰ্শ আগবঢ়াইছে সেইখিনি ঠিকেই হৈছে। ইতিমধ্যে আমি জানো অসমৰ বিভিন্ন অঞ্চলত যিবিলাক পশুপালন বিভাগৰ চিকিৎসালয় আছে সেইবিলাক অত্যন্ত বেয়া হৈ আছে তাত কৰ্মচাৰী থাকিব নোৱাৰে। এই হস্পিটেল বিলাকৰ যিবিলাক মেৰামতি কৰিব নোৱাৰে সেইবিলাক নতুনকৈ বনাবৰ কাৰণে ব্যৱস্থা হাতত লোৱা হৈছে। আমাৰ এই বিভাগে ৬৫ খন হস্পিটেল লোৱাৰ কথা। এইটো স্কীমত লোৱা হৈছে। ১৭ খন হস্পিটেলৰ বাউন্দেৰী ওৱাল দিয়া হব আৰু চতুৰ্থ শ্ৰেণীৰ কোৱাৰ্টাৰ কৰা হব। ইতিমধ্যে ব্ৰইলাৰ মাংসৰ চৰ্টেজৰ কথা কৈছে। অধ্যক্ষ মহোদয়, আমাৰ ব্ৰইলাৰ মাংসৰ যিখিনি চৰ্টেজ আছে সেইখিনি পূৰণ কৰাৰ বাবে আমাৰ পশুপালন বিভাগে ইতিমধ্যে বহু ব্যৱস্থা গ্ৰহণ কৰিছে লগতে ব্ৰইলাৰ ফাৰ্মৰ লগত জড়িত নিবনুৱা সকলৰ সংস্থাপনৰ বাবেও বিভাগে বিভিন্ন আঁচনি লৈছে।

মাননীয় অধ্যক্ষ ঃ আপুনি বিভাগৰ গোটেই ষ্টেটমেন্ট দিব নালাগে, উত্তৰটো দিয়ক।

* **শ্ৰীকেশৰ মহন্ত ঃ** অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন কৰিছিলো, সেইটোৰ উত্তৰ নাপালো। মই সুধিছিলো যে ব্ৰইলাৰ ফাৰ্মৰ লগত জড়িত যিখিনি নিবনুৱা যুৱক আছে তেওঁলোকক এনকাৰেজ কৰাৰ বাবে বিভাগে কিবা সাহায্য বা চাব্চিডি আদি দিয়াৰ ব্যৱস্থা কৰিছে নেকি? যদি কৰা নাই তেতিয়াহলে ব্যৱস্থা কৰিব নেকি? ইয়াৰোপৰি আমাৰ কলিয়াবৰ সমষ্টিত যিকেইটা চাৰ্ভ চেন্টাৰ আছে সেই কেইটাৰ অৱস্থা জৰাজীৰ্ণ। এচ ডি অ অফিচ নাই। অধ্যক্ষ মহোদয়, কলিয়াবৰত কেন্দ্ৰীয় হাঁহ প্ৰজনন তথা গবেষণা কেন্দ্ৰ এটা ১৯৭৯ চনতে স্থাপন কৰা হৈছিল। এই কেন্দ্ৰটো অকল আমাৰ অসমৰে নহয়, গোটেই উত্তৰ পূৰ্ব্বাঞ্চলৰ এটা বৃহৎ অনুষ্ঠান। এই গৱেষণা কেন্দ্ৰলৈ ১৯৮৮ চনৰ পাছৰ পৰা খাকী কেম্বেল হাঁহ যোৱা নাই। বিভাগৰ

* Speech not Corrected

সঞ্চালকলৈ বহুবাৰ লিখি লিখিও তাৰ সঁচ নিৰ পৰা নাই। এই গবেষণা কেন্দ্রটোত বিষয়া নাই, মেনেজাৰ নাই। নগাওঁৰ এ আৰ ও জনকে ইয়াৰ চার্জ দি থৈছে। মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কলিয়াবৰত পশুপালন বিভাগৰ যি চাব চেণ্টাৰ সমূহ আছে সেইবোৰ একেবাৰে জৰাজীর্ণ হৈ আছে, সেইবোৰ উন্নয়নৰ বাবে বিভাগে বিশেষ কিবা ব্যৱস্থা কৰিব নেকি? দ্বিতীয়তে, এচ ডি অ ৰ কার্য্যালয়ৰ বাবে তাত মাটিবাৰী আছে। গতিকে তাত কার্য্যালয়টো স্থাপন কৰাৰ বাবে বিভাগে ব্যৱস্থা গ্রহণ কৰিব নেকি মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

* **শ্রীনীলমণি সেন ডেকা (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, কলিয়াবৰত থকা কেন্দ্রীয় হাঁহ প্রজনন তথা গবেষণা কেন্দ্রটোৰ বাবে ২০০২ চনতে এন ই চিৰ ফালৰ পৰা ৪৩ লাখ টকা খৰছ কৰা হৈছে। দ্বিতীয়তে, কলিয়াবৰৰ হাঁহ প্রজনন কেন্দ্রৰ ঘৰসমূহ ভাঙি নতুনকৈ আধুনিক ধৰণৰ এটি প্রজনন কেন্দ্র নবনির্ম্মাণ কৰিবৰ বাবে উত্তৰ পূৰ পৰিষদক ১২ কোটি টকাৰ এটি প্রস্তাৰ দিয়া হৈছে। ইতিমধ্যে পশুপালন বিভাগে পলট্রিফার্ম আঁচনিকে ধৰি বিভিন্ন উন্নয়নমূলক আঁচনি হাতত লৈছে।

* **শ্রীকেশৰ মহন্ত ঃ** অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যিবিলাক জৰাজীর্ণ কার্য্যালয় আছে সেইবোৰ নির্ম্মাণ কৰাৰ বাবে ব্যৱস্থা গ্রহণ কৰিব নেকি?

* **শ্রীনীলমণি সেন ডেকা (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, ইতিমধ্যে পর্যায়ক্রমে কৰাৰ বাবে ব্যৱস্থা গ্রহণ কৰা হৈছে।

* **শ্রীআব্দুল ৰহিম খান ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বৰপেটাত এখন পশু চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ কথা চিন্তা কৰিছে নেকি? কাৰণ নামনি অসমৰ ভিতৰত বৰপেটা জিলাতেই বেছি মাছ উৎপাদন হয়। গতিকে বৰপেটাত এখন পশু চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ ব্যৱস্থা লব নেকি?

*** Speech not Corrected**

* শ্রীনীলমণি সেন ডেকা (মন্ত্রী) ঃ এই বিষয়ে মই বিভাগৰ মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিম।

* শ্রীপ্রশান্ত ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীৰ বাহিৰে অসমৰ কতো শ্লটাৰ হাউচ নাই। গতিকে মন্ত্রী মহোদয়ে অসমৰ অন্য ঠাই বিলাকতো শ্লটাৰ হাউচ খোলাৰ বাবে ব্যৱস্থা গ্রহণ কৰিব নেকি?

* শ্রীনীলমণি সেন ডেকা (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, ইমান বিলাক চাপ্লিমেন্টৰী কৰিছে যে মই উত্তৰ দিয়াই অসুবিধা হৈছে। মই বিভাগৰ মন্ত্রীও নহয়।

* **Shri Sirajuddin Ajmal** : Mr. Speaker Sir, for everything we should go to the root of the problem. If you remember Sir, 30 years back in our childhood we used to see in our villages thousands of cows, buffallows, chicken and other such animals which we do not see now-a-days in abundance, these are dwindling. We can hardly see any of these animals in the villages. These are our requirement.

Mr. Speaker : What is your question?

* **Shri Sirajuddin Ajmal** : Mr. Speaker Sir, my question is this that such animals are not available, the birth rate has gone down. Whether Government is aware of this and whether Government will take any positive action to increase the birth rate of such animals which are required for the society. Moreover, Sir, Hon'ble Animal Husbandry and Veterinary Minister is also not available in the House today. I have also not seen him in the House during the last 5 years. I would like to request him through you Mr. Speaker Sir, to make him available in the House at least when

*** Speech not Corrected**

the matters relating to his Department are raised in the House.

শ্রীনীলমণি সেন ডেকা (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যি ঠাইত বহিছে সেই ঠাইৰ পৰা বিভাগীয় মন্ত্রীক দেখা পোৱা অসুবিধা হয়। আজি তেখেঁতে বিশেষ অসুবিধা বশতঃ উপস্থিত থাকিব নোৱাৰে বুলি মাননীয় অধ্যক্ষ মহোদয়ক জনাইছে আৰু আমাকো জনাইছে। লগতে মাননীয় সদস্যজনে যোৱা ৫ বছৰে সদনত উপস্থিত নাই বুলি যিটো কথা কৈছে সেইটো শুদ্ধ নহয়।

Mr. Speaker : Now, Starred Question No. 83, Hon'ble Member, Shri Jadav Ch. Deka.

বিষয় ঃ পশু চিকিৎসালয় মেৰামতি।

শ্রীযাদৱ চন্দ্র ডেকাই সুধিছে ঃ

***৮৩। মাননীয় পশুপালন ও পশুচিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) কমলপুৰ সমষ্টিৰ অন্তর্গত কৰৰা পশুচিকিৎসালয়খনৰ জৰাজীর্ণ অৱস্থাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, গ্রাম্যাঞ্চলৰ বসতিপূর্ণ সমষ্টিটোৰ জৰাজীর্ণ পশু চিকিৎসালয়খন ৰাইজৰ বৃহত্তৰ স্বার্থত মেৰামতি কৰিবনে?

(গ) যদি কৰে, চলিত নে আগন্তুক বিত্তীয় বর্ষত কৰিব?

শ্রীখৰ ছিং ইংতি (পশুপালন ও পশুচিকিৎসা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

*** Speech not Corrected**

(খ) পুঁজি আৱন্টন সাপেক্ষে উক্ত পশু চিকিৎসালয়খন পুনৰ নির্মানৰ কামটো লোৱাৰ বাবে বিবেচনা কৰা হব।

(গ) আগন্তুক বিত্তীয় বর্ষত আৱন্টিত পুঁজিৰ পৰিমাণ সাপেক্ষে মেৰামতিৰ বিষটো বিবেচনা কৰা হব।

মাননীয় অধ্যক্ষ ঃ শ্রীযাদব চন্দ্র ডেকা।

শ্রীযাদব চন্দ্র ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ মই পাইছো। গতিকে মোৰ সুধিবলগীয়া নাই।

Mr. Speaker : Now, Starred Question No. 84, Hon'ble Member, Shri Moinuddin Ahmed.

বিষয় ঃ মীন বিভাগৰ আঁচনি।

শ্রীমইন উদ্দিন আহমেদে সুধিছে ঃ

*** ৮৪। মাননীয় মীন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) যোৱা পাঁচ বছৰত জলেশ্বৰ বিধান সভা সমষ্টিত মীন বিভাগৰ জৰিয়তে চৰকাৰী ভাৱে কি কি আঁচনি ৰূপায়িত কৰা হৈছে?

(খ) উক্ত আঁচনিৰ অধীনত উপকৃত হোৱা হিতাধিকাৰীৰ নাম, ঠিকনা, অনুদানৰ পৰিমাণ সহকাৰে সদনৰ মজিয়াত দাখিল কৰিব?

(গ) আঁচনি সমূহ ৰূপায়ণত চৰকাৰী নীতি নির্দেশনাৱলী সমূহ সদনৰ মজিয়াত দাখিল কৰিব?

শ্রীবসন্ত দাস (মীন বিভাগৰ মন্ত্রী (স্বতন্ত্র)) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা পাঁচ বছৰত জলেশ্বৰ বিধান সভা সমষ্টিত মীন বিভাগৰ জৰিয়তে চৰকাৰী ভাৱে নিম্ন লিখিত আঁচনি সমূহ ৰূপায়ণ কৰা হৈছে—

(A) অসম কৃষি সামর্থবর্দ্ধক প্রকল্পৰ অধীনত ৰূপায়িত আঁচনি ঃ

(১) ৰাজহুৱা পুখুৰী উন্নয়ন।

(২) গাহৰিৰ লগত মাছ পালন।

(৩) ব্যক্তিগত পুখুৰী উন্নয়ন।

(৪) ধাননিৰ লগত মাছ পালন।

(B) ৰাজ্যিক পৰিকল্পনাৰ অধীনত ৰূপায়িত আঁচনি—

(৫) মীন পালক উন্নয়ন সংস্থাৰ অধীনত ব্যক্তিগত পুখুৰীৰ উন্নয়ন।

(৬) পৰিত্যক্ত জলাশয় উন্নয়ন।

(৭) মাছপোনা প্ৰতিপালন পুখুৰীৰ উন্নয়ন।

(৮) মহিলাৰ নির্দ্ধাৰিত আঁচনি।

(৯) আত্ম-সহায়ক গোটৰ জৰিয়তে স্ব-নিয়োজন।

(১০) মুখ্যমন্ত্রীৰ বিশেষ স্ব-নিয়োজন আঁচনি।

(C) ৰাষ্ট্রীয় কৃষি বিকাশ যোজনাৰ অধীনত ৰূপায়িত আঁচনি—

(১১) পুৰণি পুখুৰীৰ উন্নয়ন।

(১২) মাছপোনা প্ৰতিপালন/পালন পুখুৰীৰ উন্নয়ন।

(১৩) নতুন ভঁৰাল পুখুৰী খনন।

(খ) আঁচনি সমূহৰ অধীনত উপকৃত হোৱা হিতাধিকাৰীৰ নাম, ঠিকনা, অনুদানৰ পৰিমাণ সহকাৰে তালিকা ১ ৰ পৰা ১৩ লৈ সংলগ্ন কৰা হ'ল।

(See Annexure- V)

(গ) আঁচনি সমূহ ৰূপায়ণৰ বাবে চৰকাৰী নীতি নিৰ্দেশনাবলী সমূহ ১ ৰ পৰা ২২ লৈ সংলগ্ন কৰা হ'ল।

(See Annexure- V)

* শ্রীমইন উদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত ১৩ খন আঁচনি লোৱা বুলি কৈছে। ৰাজহুৱা পুখুৰী উন্নয়নৰ বাবে যি আঁচনি আছে মোৰ সমষ্টিত আজি চাৰি বছৰে তাৰ একো কাম নহ'ল। মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত কিবা ব্যৱস্থা লব নেকি জনাবনে?

* শ্রীবসন্ত দাস (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সদস্য জনে যি কথা কৈছে, অহা ৩০ তাৰিখে মই নিজে ধুবুৰীলৈ যাম। যাওঁতে গোৱালপাৰা হৈ যাম। তেতিয়া তেখেতৰ তাত সোমায়, মই নিজে চাম আৰু সেইমতে ব্যৱস্থা লম।

* শ্রীমইন উদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক সমালোচনা কৰিব খোজা নাই। কিন্তু মীন বিভাগৰ আঁচনি বিলাক ৰূপায়ণৰ ক্ষেত্ৰত কিছুমান আসোঁৱাহ আছে। পোনা মাছ পালনৰ আঁচনিখন ভালদৰে সফল হোৱা নাই। ব্যক্তিগত পুখুৰী উন্নয়নৰ যিখন আঁচনি আছে তাৰ কাৰণে পইচা দিয়া হয়। কিন্তু যি পায় সি পায়ে থাকে, বাকী বিলাকে নাপায়। এইবিলাক ৰূপায়ণৰ বাবে কিবা বেলেগ পৰিকল্পনা আছে নেকি মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো।

* শ্রীবসন্ত দাস (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মীন বিভাগৰ তৰফৰ পৰা বহুতো নতুন আঁচনি হাতত লোৱা হৈছে। এই ক্ষেত্ৰত সংবাদ মাধ্যমকো অৱগত কৰা হৈছে। সদস্য জনৰ কথাটো মই চাম।

মাননীয় অধ্যক্ষ ঃ শ্রীআব্দুৰ ৰহিম খান।

* শ্রী আব্দুৰ ৰহিম খান ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বৰপেটা জিলাত অসমৰ ভিতৰতে আটাইতকৈ বেছি মৎস্য উৎপাদন হয়। মীন বিভাগে বৰপেটাত বিজ্ঞান সম্মত পোনা মাছৰ উৎপাদন কেন্দ্ৰ স্থাপন কৰিব নেকি?

* Speech not Corrected

* **শ্রীবসন্ত দাস (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্রশ্নটো ৰিলেটেড নহয়। আজি অলপ দিনৰ আগতে মই বৰপেটালৈ গৈছিলো। মাননীয় সদস্য জনো মোৰ লগত আছিল। যদি প্রয়োজন হয় তেতিয়া ব্যৱস্থা গ্রহণ কৰিম।

মাননীয় অধ্যক্ষ ঃ শ্রীৰঞ্জিত দাস।

শ্রীৰঞ্জিত দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মীন বিভাগটো এটা গুৰুত্বপূর্ণ বিভাগ প্রয়াত হিতেশ্বৰ শইকীয়াৰ দিনৰে পৰা এই বিভাগত যথেষ্ট আঁচনি লোৱা হৈছে। আজি আমাৰ ইয়াত ইমান স্কোপ থকাটো অন্ধ্রৰ পৰা মাছ আনিব লগা হয়। অসমৰ খাল, বিল, নদীত মৎস্য পালনৰ ব্যৱস্থা কৰি ইয়াৰ উৎপাদন বঢ়োৱাৰ ব্যৱস্থা মন্ত্রী মহোদয়ে কৰিব নেকি?

* **শ্রীবসন্ত দাস (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মীন বিভাগৰ ফালৰ পৰা ২০০৭-০৮ ত মাছৰ উৎপাদন যথেষ্ট বাঢ়িছে। অন্ধ্রৰ মাছ অহাটো ঠিক নহয়। ২০১০-১১ ত আমাৰ উৎপাদন ২৩২ মেট্রিকটন হৈছে। অসমত যিখিনি স্কোপ আছে আন ঠাইত নাই। মই এই ক্ষেত্রত আপোনালোকৰ সহায় সহযোগিতা আশা কৰিছো, লগতে আমাৰ বাজেট বাঢ়িলে এই ক্ষেত্রত ব্যৱস্থা লব পাৰিম।

Mr. Speaker : Now, Starred Question No. 85, Hon'ble Member, Shri Rafiqul Islam.

বিষয় ঃ B.R.G.F. Fund.

শ্রীৰফিকুল ইছলামে সুধিছে ঃ

*** ৮৫। মাননীয় পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) ২০০৬-০৭ ৰিত্তীয় বর্ষৰ পৰা আজিলৈকে বৰপেটা জিলা পৰিষদত

* Speech not Corrected

B.R.G.F. ৰ অধীনত কিমান ধন মোকলাই দিয়া হৈছে? (বিত্তীয় বৰ্ষ অনুযায়ী মোকলাই দিয়া ধনৰ পৰিমাণৰ তথ্য সদনত জনাব)

(খ) ২০০৬-০৭ বৰ্ষৰ B.R.G.F ৰ অধীনত ৰূপায়িত কৰা আঁচনিৰ বিতং তথ্যৰ লগতে আঁচনিৰ প্ৰাক্কলন সদনৰ মজিয়াত দাখিল কৰিবনে?

(গ) বৰপেটা Z.P ৰ বাবে অনুমোদিত B.R.G.F. ধন চৰকাৰৰ হাতত জমা আছেনে?

(ঘ) যদি আছে, কোন কোন বিত্তীয় বৰ্ষৰ ধন জমা আছে?

(ঙ) উক্ত ধন ৰাশি চৰকাৰে জমা ৰখাৰ কাৰণ কি আৰু জমা থকা ধন কেতিয়া মোকলাই দিব?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) B.R.G.F. শিতানত বৰপেটা জিলাৰ তলত উল্লেখিত আঁচনিৰ কাৰণে অসম চৰকাৰে ২০০৭-০৮ ত ৭.৫০ কোটি ২০০৯-১০ ত ৫.৫৬ কোটি, ২০১০-১১ ত ১২.২২ কোটি টকা মোকলাই দিছে আৰু ২০১১-১২ ত ৯.৭৭ কোটি টকাৰ FOC পঠাই দিয়া হৈছে।

(খ) ২০০৬-০৭ বৰ্ষত অনুমোদিত আঁচনিৰ তালিকা ও অগ্ৰগতিৰ তালিকা Annexure 'A' ত গাঠি দিয়া হ'ল। **(See Annexure- VI)**

(গ) ৯.৭৭ কোটি টকাৰ FOC draw কৰাৰ পিচত চৰকাৰৰ হাতত কোনো ধন নাথাকিব।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) প্ৰশ্ন নুঠে।

*** শ্রীৰফিকুল ইছলাম ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে উত্তৰত কৈছে যে বি আৰ জি এফ শিতানত বৰপেটা জিলাত ২০০৭-০৮ ত ৭.৫০ কোটি, ২০০৯-১০ ত ৫.৫৬ কোটি, ২০১০-১১ ত ১২.২২ কোটি টকা মোকলাই দিছে আৰু ২০১১-১২ ত ৯.৭৭ কোটি টকাৰ এফ ও চি পঠিওৱা হৈছে বুলি কৈছে। অধ্যক্ষ মহোদয়, চাৰিবাৰ পইছা দিয়াৰ পিছতো এবাৰহে বৰপেটা জিলা পৰিষদে পইছা পাইছে। এইটো কিহৰ কাৰণে হৈছে মন্ত্রী মহোদয়ে জনাব নেকি?

*** শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যজনক ধন্যবাদ জনাইছোঁ যে বি আৰ জি এফ আঁচনি সম্পর্কে আজি মোক বিতংভাবে জনোৱাৰ সুবিধা দিয়াৰ বাবে। অন্যান্য আঁচনিৰ দৰে বি আৰ জি এফ আঁচনিতো কেন্দ্রীয় চৰকাৰে এলোকেচন দিয়ে। টকা এলোকেচন দিয়াৰ পিছত আমি এনুৱেল প্লেন কৰিব লাগে, তাৰ পিছত ডি পি আৰ পিছত ৰাজ্য চৰকাৰৰ যি এখন কমিটি আছে সেই কমিটিয়ে কেন্দ্রলৈ পঠিয়াই দিয়ে আৰু সেইমতে কেন্দ্রই বছৰি পইছাখিনি দিয়ে। যোৱাবাৰৰ পৰা কেন্দ্রই আমাক এলোকেচন দিছে। এইবাৰ আমি টকা মোকলাই দিছোঁ। কিন্তু হয়তো ট্রেজাৰীত কিবা অসুবিধা হোৱা বাবে টকাখিনি পোৱা নাই। কিবা যদি অসুবিধা হৈছে আপুনি আহিব, আমি চাই দিম। এলোকেচন দিয়াৰ ফলত এইবাৰৰ পৰা কোনো লেপচ্ নহয়। এইবাৰৰ পৰা ৰাজ্য চৰকাৰক জনাব নালাগে, পোনপটীয়াকৈ কেন্দ্রীয় চৰকাৰক জনালেই হ'ল।

*** শ্রীৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে কৈছে যে পইচাটো সময় মতে দিয়া হৈছে। বৰপেটা জিলাত চাৰি বছৰত এবাৰহে পালে। ২০০৬-০৭ ৰ পিছত পইচা পোৱা নাই। চাৰি বছৰত এবাৰ পইচা পাইও সেই পইচাখিনি জিলা পৰিষদ সমূহে খৰচ কৰিব নোৱাৰে। বৰপেটা জিলাৰ ৩০% টকা পকেটত যায়। ৫০% জিলা পৰিষদে পায় আৰু ৩০% আঞ্চলিকে পায়।

*** শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱা কথাটো সত্য নহয়। জিলা পৰিষদ সমূহৰ পৰা সকলোৱে

*** Speech not Corrected**

ভাগ বিচাৰে এম. এ. লে. কো ভাগ লাগে। সেইকাৰণে তৃণমূল পৰ্যায়ত পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিক দিয়া হয়।

শ্ৰীশ্বেৰমান আলি আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ তথ্যৰ পৰা বুজা যায় যে—

Sir, Govt. of Assam did not release the fund in that financial year. This is true that, Assam is a very backward State till to-day. Is not it the duty of the Minister to look after this matter?

শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কি কাৰণে পলিচিৰ কথা সুধিছে বুজা নাই। তেখেতে এই কথাখিনি আধা পঢ়িছে। এতিয়াও এলোকেচন অহা নাই ভাৰত চৰকাৰৰ পৰা। এতিয়াও ২০১১-২০১২ টো আমি পাবলৈ বাকী আছে। এইখিনি অসম চৰকাৰৰ ফালৰ পৰা দিয়া হৈছে। এইটো এটা ভুল মেছেজ যাব। ২০১১-১২ ৰ টো এতিয়াও ৰিলিজ হোৱা নাই।

শ্ৰীশ্বেৰমান আলী আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীমহোদয়ে ভুল তথ্য দাঙি ধৰিছে। Generally, in case of Central Government sponsored schemes, Government of India at first makes allocation and sanction of first instalment of the allocated fund. Subsequent sanction and release of fund by Government of India depends upon timely submission of utilisation certificates and other reports. Government of India allocated 13.06 crore during 2006-07 to Barpeta district, but due to non-utilisation and hence non-submission of U.C. of the said fund, Government of India did not sanction and release any fund during 2007-08 and 2008-09. একেদৰে ২০০৯-১০ চনত ভাৰত চৰকাৰে মোকলাই দিয়া ধন অসম চৰকাৰে সম্পূৰ্ণৰূপে খৰচ কৰিব নোৱাৰা হেতুকে ২০১০-১১ চনত উক্ত আঁচনিৰ অধীনত বৰপেটাৰ বাবে ভাৰত চৰকাৰে কমকৈ টকা মোকলাই দিছে।

শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ ভাৰত চৰকাৰে টকা কমকৈ দিছে বুলি ক'ত লিখা আছে? মিডিয়াই চাই আছে .....

Shri Sherman Ali Ahmed : Hon'ble speaker Sir, this is true. BRGF is a 100% Centrally sponsored scheme and Government of Assam need not pay a single coin. Assam is a very backward state till today. In that case, is it not the duty of the hon'ble Minister to see that not only the entire allocated fund under BRGF is released but also to endeavour to get release of additional fund under BRGF?

* **শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ** এইটো কুইজ নহয় যে আপোনাৰ প্রতিটো প্রশ্নৰ উত্তৰ দি থাকিম?

শ্বেৰমান আলী আহমেদ ঃ Hon'ble Speaker Sir, মই কোৱা কথাখিনি মন্ত্রী মহোদয়ে দিয়া উত্তৰতে লিখা আছে।

মাননীয় অধ্যক্ষ মহোদয়, বাঘবৰ সমষ্টিৰ মন্দিয়াত BRGF আঁচনিৰ অধীনত প্রায় ১ কোটি টকা ব্যয়েৰে ধাৰা উদ্যোগ নির্মানৰ কথা আছিল। One crore is not a small amount, Speaker Sir, ১ কোটি টকা খৰচ কৰি যি কাম কৰা হ'ল, সেইয়া অতি নিম্নমানৰ হৈছে আৰু ধাৰা উদ্যোগটো স্থাপন কৰাৰ পিছৰে পৰা বন্ধ হৈ আছে। মই যোৱা বিধান সভাতো এই ধাৰা উদ্যোগটোৰ কথা উলিয়াইছিলো। কিন্তু তাৰ কোনো ব্যৱস্থা নহ'ল। অকল এই ধাৰা উদ্যোগেই নহয়, BRGF আঁচনিৰ অন্তর্গত প্রতিটো আঁচনিতে ব্যাপক দুর্নীতি হৈছে। গতিকে অধ্যক্ষ মহোদয়, এই অধিবেশনতে BRGF আঁচনি সমূহৰ তদন্ত কৰিবলৈ এখন সদন কমিটি গঠন কৰি দিয়াৰ ব্যৱস্থা গ্রহণ কৰক।

* **শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটোৰ কাৰণে আমাৰ ইয়াত জিলা পৰিষদ সমূহ আছে, ডি, পি, চি আছে আৰু চি, এচ এইবোৰৰ দায়িত্ব আছে। কেন্দ্রীয় চৰকাৰৰ ফালৰ পৰা অহা পইচা খিনি যদি খৰচ

* Speech not Corrected

কৰিব পৰা নাযায় লেপ্‌চ হৈ যায়, তেন্তে কেন্দ্রীয় চৰকাৰে পইচা কমাই দিয়ে। পইচাটো পাবৰ কাৰণে আমি আগতীয়াকৈ প্রক্রিয়া হাতত লব লাগে। মাননীয় সদস্য গৰাকী এই ক্ষেত্রত অবগত নহয় কাৰণে কথাখিনি কৈছে। এইক্ষেত্রত কোনো দূর্নীতি হোৱা নাই প্রয়োজন হলে সদস্য গৰাকীয়ে চচিয়েল অডিত এটা কৰি গোটেই কথাখিনি স্পেচিফিক হিচাবত দেখুৱাই দিয়ক। আজি তেখেত সকলে ইয়াত ডঃ মনমোহন সিং ডাঙৰীয়াক ভাল বুলি কব তাত গৈ কংগ্রেছক গালি পাৰিব। এইটো কেনে ধৰণৰ কথা।

* **শ্রীমনোৰঞ্জন দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, বি, আৰ, জি, এফৰ ওপৰত আলোচনা হৈ আছে। এই আঁচনিত অন্তর্ভুক্ত বিভিন্ন কাম-কাজৰ লগতে তাত এই বিশ্বমহাবীৰ হ'ল নির্মাণ কৰা কাৰণে ব্যৱস্থা লৈছে। কিন্তু এই হ'লটো ক'ত নির্মাণ কৰা আৰু কোন ঠাইত নির্মাণ কৰা হ'ব তাৰ কোনো উল্লেখ নাই। তাৰোপৰি, যিটো কমিটি গঠন কৰা হৈছে, সেই কমিটিত জিলা পৰিষদৰ সভাপতিৰ লগত তেওঁৰ সাংগোপাংগো সকল বহি থাকে। তেওঁলোকক সুধিলে একো নকয় আৰু বহি থাকে। গতিকে আমি বি, আৰ, জি, এফ ফান্ড উলিয়াই দিয়াৰ ক্ষেত্রত ক'ত কেনে ধৰণৰ আঁচনি লোৱা হৈছে, সেই বিষয়ে স্পষ্টকৈ জানিব পৰা নাই।

মাননীয় অধ্যক্ষ ঃ আপুনি মূল প্রশ্নটোলৈ আহক।

* **শ্রীমনোৰঞ্জন দাস** ঃ অডিট কমিটি যিটো আছে, তাত স্থানীয় মানুহক লৈ গঠন হব লাগে। ৰাইজৰ লগত থকা মানুহ তাত থাকিব লাগে।

* **শ্রীৰকিবুল হুছেইন (পঞ্চায়ত মন্ত্রী)** ঃ সাংগোপাংগো এই কথা বিলাক আচলতে নাহে। জিলা পৰিষদৰ সদস্য বা সভাপতি তেওঁলোক নির্বাচিত সদস্য। আগতে এই ক্ষেত্রত আপত্তি উঠিছিল, সেই কাৰণে জিলা পৰিষদৰ সভাপতিক এই কমিটিৰ সভাপতি হিচাপে দিয়া হৈছে। আৰু কেবিনেট মন্ত্রী সদস্য হিচাপে তেওঁৰ কাষতে বহি থাকে। আমি আচলতে বিকেন্দ্রীকৰণ কৰিবলৈ বিচাৰিছো। তাৰ মাজতো যদি কৰবাত খেলিমেলি বা পদ্ধতি ভুল হয় সেইটো আমি দূৰ কৰিবলৈ চেষ্টা কৰিম।

*** Speech not Corrected**

Mr. Speaker : Starred Question No. 86, Hon'ble Member, Shri Prabin Hazarika.

বিষয় ঃ মীন বিভাগৰ ঋণ।

শ্রীপ্রবীন হাজৰিকাই সুধিছে ঃ

*** ৮৬। মাননীয় মীন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) যোৱা ২০০৬ চনৰ পৰা ২০১১ চনলৈ বিশ্বনাথ সমষ্টিৰ অন্তর্গত কিমানজন হিতাধিকাৰীক মীন বিভাগৰ ঋণ আৰু চৰকাৰী সাহায্য আগবঢ়োৱা হ'ল? (প্রতিটো বছৰৰে আঁচনিৰ বাবে ধার্য্য কৰা টকা আৰু হিতাধিকাৰীৰ তালিকা দিব)

(খ) যোৱা ৫ টা বছৰৰ ভিতৰত কোন কোন ঠিকাদাৰে কিমান কাম কৰিলে আৰু কিমান কাম আধৰুৱা হৈ থাকিল তাক জনাবনে?

(গ) এই দিশত মীন বিভাগৰ আঁচনিৰ টকা সঠিক ভাৱে ৰূপায়িত নকৰাৰ অভিযোগ উঠিছে, বিষয়টো সঁচানে?

(ঘ) যদি সঁচা, তেন্তে কোন কোন এলেকাত হৈছে?

শ্রীবসন্ত দাস (মীন বিভাগৰ মন্ত্রী (স্বতন্ত্র)) উত্তৰ দিছে ঃ

(ক) মীন বিভাগৰ পৰা ঋণ দিয়াৰ ব্যৱস্থা নাই। যোৱা ২০০৬ চনৰ পৰা ২০১১ চনলৈ বিশ্বনাথ সমষ্টিত মীন বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনিৰ চৰকাৰী সাহায্য, প্রতি বছৰে ধার্য্য কৰা টকাৰ পৰিমাণ আৰু হিতাধিকাৰীৰ তালিকা ক্রমে প্র-পত্র নং ১ (পৃষ্ঠা ১ ৰ পৰা ৩ লৈ) আৰু ২ ত (পৃষ্ঠা ১ ৰ পৰা ২৮ লৈ) সংলগ্ন কৰি দিয়া হ'ল। **(See Annexure- VII)**

(খ) যোৱা ৫ টা বছৰত বিশ্বনাথ বিধান সভা সমষ্টিত ঠিকাদাৰে কৰা কাম আৰু ঠিকাদাৰৰ নাম তলত উল্লেখ কৰা হ'ল—

(১) মাছমৰীয়া লোকৰ গৃহ নির্দ্ধাৰিত ১৩ টা গৃহৰ নির্ম্মান কার্য্য সম্পূর্ণ হৈছে।

ঠিকাদাৰৰ নাম ঃ মঃ আব্দুল কালাম।

(২) মহকুমা মীন উন্নয়ন বিষয়াৰ কার্য্যালয়ৰ নির্ম্মানৰ কাম সম্পূর্ণ হৈছে।
ঠিকাদাৰৰ নাম ঃ আৰ. এন. এন্টাৰপ্রাইজ।

(৩) মহকুমা মীন উন্নয়ন বিষয়াৰ কার্য্যালয়ৰ চৌহদৰ বেৰৰ কাম সম্পূর্ণ হৈছে।
ঠিকাদাৰৰ নাম ঃ শ্রীউজ্বল হাজৰিকা।

(৪) মহকুমা মীন উন্নয়ন বিষয়াৰ কার্য্যালয়ৰ কুৱা খন্দাৰ কাম সম্পূর্ণ হৈছে।
ঠিকাদাৰৰ নাম ঃ শ্রীপ্রশান্ত হাজৰিকা।

(৫) মহকুমা মীন উন্নয়ন বিষয়াৰ কার্য্যালয়ৰ পানী ভাণ্ডাৰৰ কাম সম্পূর্ণ হৈছে।
ঠিকাদাৰৰ নাম ঃ শ্রীপ্রশান্ত হাজৰিকা।

(৬) মহকুমা মীন উন্নয়ন বিষয়াৰ কার্য্যালয়ৰ বিজুলী সংযোগ কাম সম্পূর্ণ হৈছে।
ঠিকাদাৰৰ নাম ঃ শ্রীসোমন্ত ভূঞা।

(৭) চৌকিদাৰৰ বাস গৃহ নির্ম্মানৰ কাম সম্পূর্ণ হোৱা নাই।
ঠিকাদাৰৰ নাম ঃ আৰ. এন. এন্টাৰপ্রাইজ।

(গ) বিষয়টো বিভাগৰ দৃষ্টি গোচৰ হোৱা নাই।

(ঘ) প্রশ্ন নুঠে।

* **শ্রীপ্রবীন হাজৰিকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মীন বিভাগত ঋণ দিয়াৰ ব্যৱস্থা নাই বুলি কৈছে, আগৰ সময়ত অসম বিকাশ যোজনাকে ধৰি বা

*** Speech not Corrected**

৭-৮ টা এজেঞ্চিৰ জৰিয়তে ৰাজসাহায্য দিয়া হৈছিল। আগৰ মন্ত্ৰী ডাঙৰীয়াই বিশ্বনাথত যথেষ্টখিনি কাম কৰিছিল। এই সমষ্টিটোত শতকৰা ৯০ ভাগ মানুহেই অনুসূচীত জাতি আৰু অতি দুখীয়া লোক। এই সকলৰ অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি আগতে মই এই বিষয়ে উত্থাপন কৰিছিলো। কিন্তু কোনো ফল নধৰিলে। গতিকে মই অনুৰোধ কৰিব বিচাৰিছো। মাননীয় মন্ত্ৰী মহোদয়ে যাতে নিজে এবাৰ তাঁলৈ গৈ গোটেই কথা খিনি তদন্ত কৰি চায়। তেওঁলোকৰ কবলগীয়া যথেষ্টখিনি কথা আছে। তাত মীন বিভাগৰ আচনিৰ কথা সঠিকভাৱে ৰূপায়ণ নকৰাৰ অভিযোগ উঠিছে। গতিকে এই বিলাক তদন্ত কৰি বিহীত ব্যৱস্থা লবলৈ অনুৰোধ জনালো।

*** শ্ৰীবসন্ত দাস (মীন মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ আহ্বানৰ প্ৰতি সহাৰি জনাই এই জানুৱাৰী মাহতে মই যাবলৈ চেষ্টা কৰিম।

Mr. Speaker : Now, Starred Question No. 87, Hon'ble Member, Shri Anamul Haque.

Sub : G.P Secretaries.

Shri Anamul Haque asked.

***87. Will the Minister of Panchayat and Rural Development be pleased to state :**

a) How many numbers of G.P Secretaries are required for the State?

b) What is the actual number of man in position at present?

c) If there is a shortage, what remedial measures are being taken by the department?

*** Speech not Corrected**

Shri Rockibul Hussain (Minister of Panchayat & Rural Development Department) replied :

a) 2202 Numbers.

b) 1880 Numbers.

c) Steps are being taken for filling up of the vacant posts.

*** শ্রীএনামুল হক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত এৰকোজন জি, পি চেক্রেটাৰীয়ে দুখন বা তাতোধিক গাওঁ পঞ্চায়তত কার্য্যনির্বাহ কৰিআছে। আনকি ৮/১০ বছৰ ধৰি সেই একে ঠাইতে কাম কৰি আছে। ফলত বিভিন্ন ক্ষেত্ৰত দুর্নীতিত লিপ্ত হোৱা দেখা গৈছে। গতিকে জি, পি ৰ চেক্রেটাৰী সকলক বদলিকৰণৰ ব্যৱস্থা লবনে?

*** শ্রীৰকিবুল হুছেইন (পঞ্চায়ত মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, কথাতো অসত্য নহয়। ২০০৬ টা পঞ্চায়ত আছে, ১৮৮০ খন জি, পি আছে। আমাৰ ৩২২ জন মানুহ কম আছে। মাননীয় মুখ্যমন্ত্রী মহোদয়ে ২৭৪ টা পদ সৃষ্টি কৰিছিল আৰু বিত্ত বিভাগেও ইয়াক অনুমোদন জনাইছে। সেইখিনি হৈ গলে গাওঁ পঞ্চায়ত বিলাকৰ সমস্যা বহুখিনি সমাধান হব। এই সম্পর্কত যদি হাইকোর্টলৈ যোৱা যায় তেতিয়া অসুবিধা হব। সেই কাৰণে এই প্রক্রিয়াতো খৰতকীয়াকৈ কৰিবলৈ চেষ্টা কঁৰা হৈছে। মাননীয় সদস্য গৰাকীয়ে যিটো ৭/৮ বছৰ একেৰাহে একেখন ঠাইতে জি, পিৰ চেক্রেটাৰী সকলে কাম কৰি আছে বুলি কৈছে, আচলতে এটা ব্লকত ইমান দিন থাকিব নোৱাৰে। সেইটো এতিয়া ইমপ্লিমেন্ট কৰি থকা হৈছে যদিও এতিয়াও হোৱা নাই। ৭/৮ বছৰ একেলগে থকা সকলক বদলিকৰণৰ ব্যৱস্থা লোৱা হব।

*** শ্রীকমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো মোৰ সমষ্টিত জি, পি এচ এচ ৰ সচিবসকল ৭/৮ বছৰ ধৰি একে ঠাইতে কার্য্য নির্বাহ কৰি আছে। বদলিৰ

* Speech not Corrected

ব্যৱস্থা হোৱা নাই। মন্ত্রী মহোদয় অবগতনে?

*** শ্রীবকিবুল হুছেইন (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়া, বিশেষভাৱে মোক জনালে বদলিৰ ব্যৱস্থা লম।

শ্রীশ্বেৰমান আলী আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়া, মই যোৱা বিধানসভাতো প্রশ্নটো উত্থাপন কৰিছিলো। মোৰ সমষ্টিত পঞ্চায়ত সচিব সকলা কার্য্যালয়ত উপস্থিত নাথাকে। **As a result, people have to run after the Panchayat Secretaries even to their residence for their day-to-day work and thereby face a lot of difficulties.** পঞ্চায়ত কার্য্যালয়ত গৰু-ছাগলী সোমাই থাকে। মোৰ সমষ্টিত ১৯ টা পঞ্চায়ত আছে। এই সম্পর্কে মই CEO, Barpeta Zilla Parishad আৰু ৰবপেটাৰ D.C. ক লিখিত অভিযোগ দিছিলো। কিন্তু আজিলৈ একো ব্যৱস্থা কৰা হোৱা নাই। মই আপোনাৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাম যাতে গোটেই অসমতে পঞ্চায়ত সচিব আৰু সভাপতি সকলা নিয়মিতভাৱে কার্য্যালয়লৈ যোৱাৰ ব্যৱস্থা কৰে আৰু যাতে সাধাৰণ বাইজে সভাপতি, সচিবৰ পিছে পিছে ঘুৰি ফুৰিব নালাগে।

*** শ্রীবকিবুল হুছেইন (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়া, গোটেই অসমত দুই হেজাৰ দুশ খন গাওঁ পঞ্চায়ত আছে। সেই পঞ্চায়ত সমূহৰ বেছি সংখ্যকৰে ঘৰ নাই। কার্য্যালয়ৰ গৃহ নথকাৰ বাবে কিছু অসুবিধাৰ সৃষ্টি হৈছে। ঘৰ বিলাক সম্পূর্ণ কৰিবৰ কাৰণে চেষ্টা কৰি থকা হৈছে। এই কাৰণে এই প্রশ্নটো উৎত্থাপন হৈছে। মই সমূহ অসমৰ জনসাধাৰণকে জনাব বিচাৰিছো যে ক্ষমতা বিকেন্দ্রীকৰণৰ কাৰণে বাৰে বাৰে কৈ আহিছো। কাৰণ দিশপুৰৰ পৰা ক্ষমতা জিলালৈ যায় তাৰ পিছত উন্নয়ন খণ্ড সমূহলৈ যায়। উন্নয়ন খণ্ডতে সীমাবদ্ধ নাবাখি তৃণমূলা পর্য্যায়লৈ বিকেন্দ্রীকৰণ কৰিবলৈ বিচাৰিছো। গোটেই পঞ্চায়তবে গৃহৰ ব্যৱস্থা কৰিবলৈ চেষ্টা কৰি আছো যাতে ভালকৈ কার্য্যালয় চলে। তাৰ কাৰণে পুৰবকায়স্থ কমিটি গঠন কৰি দিয়া হৈছে। যাতে পঞ্চায়ত সভাপতি, সচিব, আঞ্চলিকৰ সদস্য

সদস্যাসকল, ব্লকৰ জুনিয়ৰ ইঞ্জিনীয়াৰ আৰু যি কৰ্মচাৰী থাকে সকলোৱে একেলগে বহি সুকলমে কাম কৰিব পাৰে। আমি কেবিনেটতো এই বিষয়টো আলোচনা কৰিছো। পুৰকায়স্থ কমিটিৰ প্ৰতিবেদন পোৱাৰ পিছত সকলো ব্যৱস্থা কৰিব পৰা হব। প্ৰত্যেক কার্য্যালয়তে বহী থকিব। তাত উপস্থিতি লিখা থাকিব যাতে মানুহে বিচাৰি পাব পাৰে। বিচাৰি নাপালে আমাক জনাব ব্যৱস্থা লম। এই গোটেই ব্যৱস্থাখিনি হৈ উঠাৰ পিছত আমাৰ বিধায়ক সকলৰো ক্ষমতা কমিব। তৃণমূল পর্য্যায়ত ক্ষমতা শক্তিশালী হব।

*** শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, অফিচাৰৰ ওপৰত অভিযোগ দিয়া হৈছে। ব্যৱস্থা লব নেকি?

*** শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অনুসন্ধান নকৰাকৈ ব্যৱস্থা লব পৰা নাযায়। লিখিত আকাৰে বিশেষভাৱে অভিযোগ দিলে বিষয়টো চোৱা হব।

*** ডাঃ ৰুমী নাথ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ বৰখলা সমষ্টিত ১৭ খন জি পি এছ এছ আছে। জি পি এছ এছ সচিবসকলক বদলি কৰা হৈছে তাৰ কাৰণে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো।

Mr. Speaker : Now, Starred Question No. 88, Hon'ble Member, Shri Padma Hazarika.

বিষয় ঃ জব কার্ড হিতাধিকাৰী।

শ্ৰীপদ্ম হাজৰিকাই সুধিছে ঃ

*** ৮৮। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমত বর্তমান কিমান জব কার্ড হিতাধিকাৰী আছে? প্ৰতিটো উন্নয়ন খণ্ড ভিত্তিত পৃথকে পৃথকে তথ্য দিবনে?

*** Speech not Corrected**

(খ) এই জবকার্ড হিতাধিকাৰী সকলক নিয়ম অনুযায়ী এশ দিনৰ কাম দিয়া হৈছেনে? যদি হোৱা নাই, কিয় হোৱা নাই?

(গ) বর্তমান অসমত জব কার্ড হিতাধিকাৰীয়ে লাভ কৰা কামৰ গড় অনুপাত কি আৰু ভাৰতৰ অন্য ৰাজ্যৰ তুলনাত অসমৰ গড় অনুপাতৰ পার্থক্য কিমান?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত বর্তমান ৩৮,৩৯,০৭৬ জব কার্ড হিতাধিকাৰী পৰিয়াল আছে।

উন্নয়ন খণ্ড ভিত্তিত পৃথক পৃথক তথ্য পৰিশিষ্ট 'ক' ত সংলগ্ন কৰা হৈছে। **(See Annexure- VIII)**

(খ) জব কার্ড হিতাধিকাৰী সকলক নিয়ম অনুযায়ী এশ দিনৰ কাম দিব পৰা হোৱা নাই। কাৰণ জবকার্ড প্রাপ্ত হিতাধিকাৰীসকলে কাম দাবী কৰিলেহে কাম দিয়া হয়। কেৱল জবকার্ড প্রাপ্তিয়ে জব কার্ড হিতাধিকাৰীজনক এশ দিনৰ কাম লাভৰ স্বত্ব প্রদান নকৰে।

(গ) বর্তমান ২০১১-১২ ত নবেম্বৰ শেষ পর্যন্ত অসমত জবকার্ড হিতাধিকাৰীয়ে লাভ কৰা কামৰ গড় অনুপাত প্রায় ২১ দিন।

ভাৰতৰ অন্য ৰাজ্যৰ তুলনাত অসমৰ গড় অনুপাতৰ পার্থক্য দেখুৱাবলৈ ভাৰতৰ অন্য ৰাজ্যৰ জবকার্ড হিতাধিকাৰীয়ে লাভ কৰা কামৰ গড় অনুপাতৰ সূচী পৰিশিষ্ট 'খ' ত সংলগ্ন কৰা হৈছে।

(See Annexure- IX)

* **শ্রীপদ্ম হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি দেখা পাইছো যে জব কার্ডৰ হিতাধিকাৰীসকলে নিয়ম অনুযায়ী পোৱা নাই। গোটেই ৰাজ্যখনতে ২১ দিনৰ কাম পাইছো। ঠায়ে ঠায়ে ১৪ দিনো কাম পাইছে। এই আঁচনিখন সম্পূর্ণকৈ

*** Speech not Corrected**

ৰূপায়িত হবলৈ হলে এশ দিন কাম সম্পূৰ্ণকৈ পাব লাগিব। তেতিয়াহে আমি লক্ষ্যত উপনীত হব পাৰিম। এই লক্ষ্যত উপনীত হবৰ কাৰণে কামবিলাক সঠিকভাৱে হৈছে নে নাই চোৱা চিতা কৰিব লাগিব। তেতিয়া নিশ্চয় লক্ষ্যত উপনীত হব পৰা যাব। এই আঁচনিখন যিহেতু কেইবছৰমান আগৰ পৰাই চলি আছে বৰ্তমানো একে অৱস্থাতে আছে। এশ দিনৰ কৰ্মদিনৰ লক্ষ্যত উপনীত হবৰ কাৰণে ব্লক পৰ্য্যায়ত কমিটি আছে। আমাৰ ৰাজ্যত ২১ দিন কৰ্মদিনৰ পৰিবৰ্তে ৫০ দিনলৈকে বৰ্দ্ধিত কৰিবৰ কাৰণে পদক্ষেপ লবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

*** শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ** মাননীয় সদস্যগৰাকীয়ে গঠনমূলক পৰামৰ্শ দিয়াৰ কাৰণে ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, এশ দিনৰ কামৰ বিষটো এনেধৰণৰ— কোনোবা হিতাধিকাৰীয়ে জব কার্ডৰ কাম বিচাৰিলে দৰ্খাস্ত দিব লাগে। দৰ্খাস্ত দিয়াৰ ১৫ দিন পিছত কাম দিব লাগিব। জব কার্ডৰ কামৰ ক্ষেত্ৰত সন্তুষ্ট নহয় বুলি উৎথাপিত হৈছে। কোনোবাই কাম বিচাৰিলে কাম দিলেও তেওঁলোকে কাম নকৰাকৈ আছে। এজন লোকে কামটো কৰি আছে কামটো সম্পূৰ্ণ নকৰাকৈ কেতিয়াবা অন্য কামলৈ গুছি যায়। তেতিয়া তেওঁৰ কৰ্মদিন সম্পূৰ্ণ নহয়। ৬/৭ বছৰ ধৰি জব কার্ডৰ কাম চলি আছে। এম আই এছ চিষ্টেমটো গতিশীল কৰিবলৈ আমি ব্যৱস্থা গ্ৰহণ কৰিছো। এই কামৰ কাৰণে জিলাই জিলাই নিৰ্দেশনা দিয়া হৈছে। আপোনালোকৰ সহযোগীতাত কাম কৰিব লাগিব। কামৰ লগত কম্প্ৰমাইজ নহয়। এইখন এখন ইউ পি য়ে চৰকাৰৰ প্ৰধান মন্ত্ৰী, ইউ পি এৰ অধ্যক্ষা চোনিয়া গান্ধীৰ নিশ্চিত আঁচনি। এইখিনি কৰাৰ ক্ষেত্ৰত আন্তৰিকতাৰে গ্ৰহণ কৰিছো।

*** শ্ৰীযাদৱ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনৰেগা আঁচনিত কিছু লাকুনা আছে। আমাৰ অঞ্চলত জব কার্ডৰ (৬০/৪০) চিস্কটি ফৰটি ৰেচিও চলি আছে। জব কার্ডৰ কাম পোৱা নাযায়। পঞ্চায়ত সভাপতিয়ে ট্ৰাকৰ পৰা কমিচন বিচাৰে। এনৰেগা আঁচনি সঠিক ভাৱে হৈছে নে নাই মন্ত্ৰী মহোদয় অৱগত নে?

*** শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কামৰ

*** Speech not Corrected**

কাৰণে এখন এষ্ট্ৰ আছে। সেই এষ্ট্ৰ অনুসৰি আমি কাম কৰিব লাগিব। এই কাম বিলাকৰ কাৰণে ট্ৰাক ব্যৱহাৰ কৰা হয়। ট্ৰাক ব্যৱহাৰ নকৰি গৰুৰ গাড়ী, ঘোঁৰা গাড়ী ব্যৱহাৰ কৰিব পাৰি। বিশেষভাৱে অভিযোগ পালে ব্যৱস্থা লব পৰা হব। চিল্কটি ফৰটি ৰেচিওটো আমি মেইন্টেইন কৰিব লাগিব, নহলে চেণ্ট্ৰেল গভৰ্ণমেণ্টে কৈফিয়ত তলব কৰিব। কৰ্ম দিন ৫০/৫০ কৰিবৰ কাৰণে এটা প্ৰস্তাৱ পঠোৱা হৈছে। চিল্কটি ফৰটি গোটেই ভাৰতবৰ্ষতে হৈ আছে।

(Starred Question Nos. 89 to 100 could not be taken up for disposal as the question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies there to.)

বিষয় ঃ জব কার্ড থকা বনুৱাৰ সংখ্যা।

ডাঃ দুৰ্লভ চন্দ্ৰ চমুৱাহি সুধিছে ঃ

* ৮৯। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ বিধান সভা সমষ্টিত কিমানজন Job Card থকা বনুৱা আছে? (নগাওঁ সদৰ সমষ্টিৰ প্ৰতিজন Job Card থকা বনুৱাৰ প্ৰতি পঞ্চায়ত ভিত্তিত তেওঁলোকৰ নাম, ঠিকনা সহ সদনৰ মজিয়াত দাখিল কৰিব)

(খ) প্ৰতিজন Job Card থকা বনুৱাই ২০০৯-২০১০, ২০১০-২০১১ ৰ পৰা বৰ্তমানলৈকে প্ৰতিটো বিত্তীয় বৰ্ষত মুঠ কিমান টকাকৈ মজুৰি পাইছে জনাবনে? (নগাওঁ সদনৰ বিধান সভা সমষ্টিত)

(গ) নগাওঁ বিধান সভা সমষ্টিত এতিয়াও কিমানজন বনুৱাই Job Card ৰ বাবে আবেদন কৰি অপেক্ষাৰত অৱস্থাত আছে? (তেওঁলোকৰ নাম, ঠিকনা পঞ্চায়ত ভিত্তিত সদনত দাখিল কৰিব)

(ঘ) এই অপেক্ষাৰত Job Card আবেদনকাৰী সকলক অতি সোনকালে Job Card দিয়াৰ ব্যৱস্থা কৰিবনে? যদি কৰে, কেতিয়া আৰম্ভ কৰিব?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)) মহোদয়ে উত্তৰ দিছে ঃ

(ক) নগাওঁ বিধান সভা সমষ্টিত খাগৰিজান আৰু পাখিমৰীয়া উন্নয়ন খণ্ড দুটা অন্তর্ভূক্ত আছে। খাগৰিজান উন্নয়ন খণ্ডত ৫৮২০ জন আৰু পাখিমৰীয়া উন্নয়ন খণ্ডত মুঠ ৬৮৬৬ জন Job Card থকা বনুৱা আছে।

পঞ্চায়ত ভিত্তিত Job Card থকা বনুৱাৰ নাম, ঠিকনা আদি তলত দিয়া ৱেবচাইটত উল্লেখ কৰা আছে —

WWW.nrega.nic.in

(খ) খাগৰিজান আৰু পাখিমৰীয়া উন্নয়ন খণ্ড দুটাত Job Card থকা বনুৱাই ২০০৯-১০, ২০১০-১১ ৰ পৰা বৰ্তমানলৈকে প্ৰতিটো বিত্তীয় বৰ্ষত মুঠ কিমান টকাকৈ মজুৰি পাইছে, তাৰ বিৱৰণ তলত দিয়া হ'ল ঃ

উন্নয়ন খণ্ড	২০০৯-১০	২০১০-১১	২০১১-১২
১) খাগৰিজান	৭২.৩১৫ লাখ	২৮.৩৯৫ লাখ	২২.৪৯৩ লাখ
২) পাখিমৰীয়া	৪৫.৩১৭ লাখ	৬২.১৯৭ লাখ	২৭.১৪৯ লাখ
মুঠ =	১১৭.৬৩২ লাখ	৯০.৫৯২ লাখ	৪৯.৬৪৪ লাখ

প্ৰতিজন Job Card থকা বনুৱাই কিমান টকাকৈ মজুৰি পাইছে তাৰ তথ্য সংগ্ৰহ কৰি থকা হৈছে।

(গ) নগাওঁ বিধান সভা সমষ্টিৰ অন্তর্গত উন্নয়ন খণ্ড দুটাত Job Card ৰ বাবে আবেদন কৰি অপেক্ষাৰত অৱস্থাত থকা এজনো বনুৱা নাই।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় ঃ এনৰেগা আঁচনি ৰূপায়ণ ও জব কার্ড।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

*** ৯০। মাননীয় পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) যোৱা বিত্তীয় বর্ষত ৰৰপেটা জিলাত এনৰেগা আঁচনিৰ বাবে কিমান পুঁজিৰ আবন্টন দিয়া হৈছিল?

(খ) আবন্টিত পুঁজিৰ কিমান ধন খৰচ হৈছিল?

(গ) এতিয়ালৈকে কিমান পুঁজি জমা আছে আৰু কিয় ব্যয় হোৱা নাই?

(ঘ) জিলাখনত বর্ত্তমানলৈ কিমান জব কার্ড শ্রমিক আছে?

(ঙ) কিমানজন শ্রমিকৰ বেংকত একাউন্ট কৰোৱা হৈছে?

(চ) কিমানজন শ্রমিকে আঁচনিৰ অধীনত যথা নিয়মত কাম পাইছে?

(ছ) কিমানজন শ্রমিকে ১০০ দিনৰ কাম পাইছে?

(জ) কমিচন নোপোৱাকৈ বিভাগটোৱে প্রয়োজনীয় আঁচনি ৰূপায়ণ নকৰি যথাযথ ব্যৱহাৰ নকৰাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(ঝ) যদি জ্ঞাত, কি ব্যৱস্থা লৈছে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা বিত্তীয় বর্ষ ২০১০-১১ ত ৰৰপেটা জিলাত এনৰেগা আঁচনিৰ বাবে আৱন্টিত পুঁজিৰ তথ্য তলত উল্লেখ কৰা হ'ল—

(১)	কেন্দ্রৰ সাহায্যৰ অংশ	=	১৮৩৫.৯৯ লাখ
(২)	ৰাজ্যিক সাহায্যৰ অংশ	=	২৩৫.৩৩ লাখ
(৩)	মিশ্রিত অন্যান্য আয়	=	৬.৩১ লাখ
	মুঠ	=	২০৭৭.৬৩ লাখ

(খ) বৰপেটা জিলাত যোৱা বিত্তীয় বৰ্ষত opening balance লৈ এনৰেগা আঁচনিৰ অন্তৰ্গত মুঠ ৪০৫৭.৪৮৫৬২ লাখ টকা উপলব্ধ আছিল আৰু মুঠ ৩১৮০.৪০৮৫৮ লাখ টকা ব্যয় কৰা হৈছিল।

(গ) বৰপেটা জিলাৰ এনৰেগা আঁচনিৰ নামত চলিত বৰ্ষৰ এতিয়ালৈকে ৮৮৪.৬৪৯১৯ লাখ টকা জমা আছে।

এনৰেগা আঁচনিৰ অধীনত কামৰ দাবী অনুযায়ী কাম দিয়া হৈছে আৰু সেই অনুপাতে জিলাখনত ব্যয় কৰি থকা হৈছে।

(ঘ) যিহেতু জব কার্ড পৰিয়াল ভিত্তিত দিয়া হয়, গতিকে পৰিয়াল হিচাপে বর্তমানলৈ বৰপেটা জিলাত জব কার্ড প্রাপ্ত ২৪৯১৫৩ সংখ্যক পৰিয়াল আছে।

(ঙ) বেংক আৰু পোষ্ট অফিচ সহ মুঠ ১৮৭০৮২ টা একাউন্ট খোলা হৈছে।

(চ) এনৰেগা আঁচনিৰ অধীনত বৰপেটা জিলাত চলিত বিত্তীয় বৰ্ষত ৩২৪৭০ টা পৰিয়ালে যথা নিয়মত কাম পাইছে।

(ছ) বিত্তীয় বর্ষ ২০১০-১১ ত মুঠ ১১৩৮ টা পৰিয়ালে আৰু চলিত বিত্তীয় বৰ্ষত মুঠ ৪৫৮ টা পৰিয়ালে ১০০ দিনৰ কাম পাইছে।

(জ) অবগত নহয়।

(ঝ) প্রশ্ন নুঠে।

বিষয় ঃ শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্র।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

*** ৯১। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) অসমৰ ভাষা, সাহিত্য, সংস্কৃতি ৰক্ষণাবেক্ষণ আৰু বিকাশৰ বাবে অসম চুক্তিৰ আধাৰত গঢ়ি তোলা হৈছিল শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্র। এতিয়া এই কলাক্ষেত্রৰ বিকাশৰ বাবে চৰকাৰে কি কি নতুন আঁচনি গ্রহণ কৰিছে জনাবনে?

(খ) সত্রীয়া সংস্কৃতিৰ বিকাশ, পৰিবৰ্দ্ধন আৰু আন্তঃৰাষ্ট্রীয় পর্য্যায়ত ইয়াৰ প্রচাৰৰ বাবে কি কি কার্য্যকৰী ব্যৱস্থা গ্রহণ কৰিছে জনাবনে?

(গ) কলাক্ষেত্রত আন্তর্জাতিক গুণ সম্পন্ন এক আধুনিক প্রেক্ষাস্থল নির্মাণৰ ব্যৱস্থা হাতত লোৱা হৈছিল। বর্তমান উক্ত প্রেক্ষাগৃহ নির্মাণৰ ব্যৱস্থা কি পর্য্যায়ত আছে জনাবনে? উক্ত ব্যৱস্থা সম্পূর্ণ কৰিবৰ বাবে বর্তমান বিভাগে কি ব্যৱস্থা গ্রহণ কৰিছে জনাবনে?

(ঘ) অসমৰ বাৰে ৰহনীয়া সংস্কৃতিৰ গৱেষণা কৰা, শিক্ষা গ্রহণ কৰা আদিৰ ক্ষেত্রত চৰকাৰে বিশেষ জলপানিৰ ব্যৱস্থা কৰাৰ বিষয়ে কিবা সিদ্ধান্ত লৈছে নে? যদি লোৱা নাই, ভৱিষ্যতে লবনে?

(ঙ) শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্রৰ বর্তমান পৰিচালনা সমিতি কেনে ভাৱে গঠন কৰা হৈছে তাক জনাবনে?

শ্রীমতী প্রণতি ফুকন (সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ ভাষা, সাহিত্য, সংস্কৃতি ৰক্ষণাবেক্ষণ আৰু শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্র বিকাশৰ বাবে সময় সাপেক্ষে চৰকাৰে নতুন নতুন আঁচনি লৈ আছে। অসমৰ ভাষা-সাহিত্য, সংস্কৃতি পৰিস্ফুট হোৱা উৎসৱ- পার্বন, পঞ্জীয়ণৰ আঁচনি গ্রহণ কৰা হৈছে।

কলাক্ষেত্রই মাজুলীত পোৱা সচিত্র পুথি ছপা আকাৰে প্রকাশ কৰি উলিওৱাৰ বাবে আগবঢ়োৱা এক প্রস্তাৱৰ অধীনত অসম চৰকাৰে ৪৫ লাখ টকা মঞ্জুৰী আগবঢ়াইছে। এই আঁচনিৰ অধীনত ভক্তিৰত্নাৱলী, ভাগৱত পুৰাণ, কীর্ত্তন, বনমালী দেৱ চৰিত্র (Transcript-1), বনমালীদেৱ চৰিত্র (Transcript-2) পাঁচখন পুথি প্রকাশৰ বাবে নির্বাচন কৰা হৈছে।

নতুন দিল্লীৰ ইন্দিৰা গান্ধী ৰাষ্ট্রীয় কলাকেন্দ্রৰ আর্থিক সাহায্যত ২০০৮ চনৰ পৰা পাণ্ডুলিপি সংৰক্ষণৰ এক আঁচনি চলি আছে। এই আঁচনিৰ অধীনত

মুঠ ২৬,৯৯৮ খন পুৰণি পাণ্ডুলিপি সংৰক্ষণ আৰু ডিজিটাইজেশ্যনৰ কাম সম্পন্ন কৰা হেছে।

(ঘ) অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোক সাংস্কৃতিৰ গৱেষণাৰ উপৰিও কলাক্ষেত্ৰত ইতিমধ্যে বক্তৃতানুষ্ঠান, গৱেষণাপত্ৰ পাঠ আৰু আলোচনাচক্ৰ আদিৰ লিখিত ৰূপত কিতাপ আকাৰে প্ৰকাশ কৰি উলিওৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হেছে।

(ঙ) অসম চৰকাৰৰ কৃষি বিভাগৰ অধীনত এখন ফ্লৰি কালচাৰৰ আৰ্হি উদ্যান কলাক্ষেত্ৰৰ আন্তৰ্জাতিক সন্মিলন কেন্দ্ৰৰ প্ৰাংগণত স্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰা হেছে।

(চ) কলাক্ষেত্ৰত ভাৰতীয় যাদুঘৰৰ উদ্যোগত প্ৰতিকৃতি বীথিকাৰ দ্বিতীয় পৰ্য্যায়ৰ কাম সম্পন্ন কৰা হেছে।

(ছ) কলাক্ষেত্ৰত স্থাপন কৰা শিশুবনত শিশু পুথিভঁৰাল, প্ৰেট্ৰোলিয়াম বীথিকা, পুতলা সংগ্ৰহালয়, সৌৰশক্তি চালিত আচ-বাৰ আদিৰ উন্নয়ন, কলাক্ষেত্ৰত গৰুগাড়ীৰে কলাক্ষেত্ৰ পৰিভ্ৰমণৰ ব্যৱস্থা আছে।

(জ) কলাক্ষেত্ৰৰ সাধাৰণ পৰিষদৰ পৰামৰ্শক্ৰমে মহাপুৰুষজনাৰ নামত শংকৰদেৱ সংগ্ৰহালয় স্থাপনৰ পৰিকল্পনা কৰা হেছে। মধুপুৰ সত্ৰৰ বেদখল কৰা মাটি উদ্ধাৰৰ ব্যৱস্থা, বৃন্দাৱনী বস্ত্ৰৰ তথ্য-চিত্ৰ প্ৰদৰ্শনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হেছে।

(ঝ) ২০১১-১২ বিত্তীয় বৰ্ষত প্লেন শিতানত ধাৰ্য কৰা প্ৰায় ২০ লাখ টকাৰে কলাক্ষেত্ৰৰ পূৰ্বজ্যোতি সংগ্ৰহালয়, ললিত কলা ভৱন, সাহিত্য আৰু সংগীত নাটক ভৱন আদিৰ ৰং আৰু নৱীকৰণ কৰাৰ বাবে গড়কাপ্তানি বিভাগৰ অভিযন্তাৰ দ্বাৰাই প্ৰস্তাৱ প্ৰস্তুত কৰি প্ৰেৰণ কৰা হেছে।

(ঞ) কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহ, চেমিনাৰ হল আদিৰ ভাড়া অপেচাদাৰী অনুষ্ঠানক ৰেহাই মূল্যত দিয়াৰ প্ৰস্তাৱ গ্ৰহণ কৰা হেছে।

(খ) শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সংবিধানত অসমৰ বিশিষ্ট আপৰুগীয়া সম্পদ সত্ৰীয়া সংগীতধাৰাৰ ৰক্ষণাবেক্ষণ, সংৰক্ষণ আৰু বিকাশ সাধনৰ বিষয়ে উল্লেখ আছে। এই উদ্দেশ্যে সত্ৰীয়া নৃত্য, ৰৱগীত, ভাওনা আদি ৰাষ্ট্ৰীয়

তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰচাৰ সুবিধাৰ্থে পঞ্জীয়ণৰ প্ৰক্ৰিয়া অব্যাহত আছে। বিশেষভাৱে পূৰ্বজ্যোতি নামৰ সংগ্ৰহালয়ত সত্ৰীয়া সংস্কৃতিৰ বিভিন্ন সম্পদ যেনে- ভাওনাৰ মুখা প্ৰমুখ্যে বিবিধ আহাৰ্য্য, বাদ্য-যন্ত্ৰ, গুৰু আসন তথা সত্ৰীয়া সংস্কৃতিৰ প্ৰতিনিধিত্বমূলক বহুমূলীয়া সামগ্ৰী দেশ-বিদেশৰ পৰ্যটকৰ দৰ্শনাৰ্থে যথাযোগ্যভাৱে সজাই ৰখা হৈছে। ঐতিহ্য উদ্যানৰ ভিত্তি চিত্ৰসমূহৰ মাজেৰেও উক্তকাৰ্য সম্পাদনত উল্লেখযোগ্য অৰিহণা যোগোৱা হৈছে।

(গ) শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৩০০, ৮০০ আৰু ১২৫০ খন আসন বিশিষ্ট আন্তৰ্জাতিক সন্মিলন কেন্দ্ৰটোৰ ৩০০ খন আসন বিশিষ্ট প্ৰেক্ষাগৃহ ২০০৬ চনৰ জানুৱাৰী মাহত মুকলি কৰা হয়। ১২৫০ খন আসন বিশিষ্ট প্ৰেক্ষাগৃহ ৯০% সম্পূৰ্ণ আৰু ৮০০ খন আসনৰ প্ৰেক্ষাগৃহৰ কাম Plinth level লৈকে হৈছে। মুঠ ২৮.৪০ কোটি টকা প্ৰকল্প ব্যয়ৰ আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ সন্মিলন কক্ষৰ বাবে ২০ কোটি টকা কেন্দ্ৰীয় চৰকাৰৰ DONER মন্ত্ৰালয়ৰ পৰা পোৱা হৈছে। প্ৰকল্পটো সম্পূৰ্ণ কৰাৰ বাবে মাননীয় মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত ২০১০-২০১১ বিত্তীয় বৰ্ষত ৯.০৪ কোটি টকা মুকলি কৰি দিছে। আন্তৰ্জাতিক সন্মিলন কেন্দ্ৰটোৰ বৈ যোৱা কামখিনি সম্পূৰ্ণ কৰিবলৈ সকলো ব্যৱস্থা লোৱা হৈছে।

(ঘ) অসমৰ বাৰেৰুহণীয়া সংস্কৃতিৰ গৱেষণা কৰা, শিক্ষা গ্ৰহণ কৰা আদিৰ ক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজে ৰাষ্ট্ৰীয় ললিত কলা একাডেমীৰ উদ্যোগত উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত ২০০৮ চনৰ পৰা চিত্ৰ আৰু ভাস্কৰ্য শিল্পীক গৱেষণামূলক কামৰ বাবে জলপাণিৰ ব্যৱস্থা কৰি আহিছে। কলাৰ বিকাশৰ দিশত উদগণি যোগোৱাৰ উদ্দেশ্যে কলাক্ষেত্ৰ ললিত কলা বিভাগত শিল্পীসকলক কাম কৰা যথাযোগ্য সুবিধা প্ৰদান কৰা হৈছে।

(ঙ) শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ পৰিচালনা সমিতি, অসম চৰকাৰৰ অধীসূচনা নং CAD/487/2008/Pt./15 dtd. 22.10.2008 অনুসৰি গঠন কৰা হৈছে। অধীসূচনা অনুযায়ী শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সাধাৰণ পৰিষদ খন হৈছে—

মুখ্যমন্ত্রী	—	সভাপতি
মন্ত্রী, সাংস্কৃতিক পৰিক্রমা	—	সদস্য
মুখ্য সচিব	—	সদস্য
আয়ুক্ত সচিব, বিত্ত বিভাগ	—	সদস্য
সচিব, সাংস্কৃতিক পৰিক্রমা বিভাগ	—	সদস্য
সঞ্চালক, সাংস্কৃতিক পৰিক্রমা	—	সদস্য

ইয়াৰোপৰি ১৪ জন সদস্যৰ ৩ জন শিল্প, সাহিত্য আৰু সংস্কৃতিৰ মুধাফুটা ব্যক্তি। (পৰিশিষ্ট 'ক') **(See Annexure- X)**

Sub : No. of Job Card Holders.

Shri Sirajuddin Ajmal asked.

***92. Will the Minister of Panchayat and Rural Development be pleased to state :**

a) How many Households have been registered under MNREGA in the State so far? (Please give the data separately for APL and BPL, Households (HH) District-wise).

(b) How many Job Card holders are there in the State and how many of them have been given 100 days employment as on today? (Please give the date District-wise).

(c) What are the approved categories of works under MNREGA? (Give the list).

(d) How many numbers of approved works have been taken under MNREGA in the State and how many of these have been completed as on today? (Please give the data District-wise).

(e) How many numbers of Block level programme officers have been appointed in the State? (Please give the list in details).

(f) Please give the latest progress of using biometric card system

for disbursement of wage under the MNREGA Scheme implementation in the State?

Sri Rockybul Hussain (Miniter of Panchayat & Rural Development) replied :

(a) A total of 3845189 Households have been registered under MGNREGA in the state so far.

Issue of Job Card under MGNREGA is open to everyone in rural areas and no separate data for APL and BPL is available.

(b) The details are enclosed at Annexure-A

(See Annexure- XI)

(c) As per Schedule I of the Act, the focus of the Mahatma Gandhi National Rural Employment Guarantee Scheme (MGNREGS) shall be on the following works:

(i) Water conservation and water harvesting;

(ii) Drought proofing, including afforestation and tree plantation.

(iii) Irrigation canals, including micro and minor irrigation works.

(iv) Provision of irrigation facility, plantation, horticulture, land development to land owned by households belonging to the SC/ ST, or to land of the beneficiaries of land reforms, or to land of the beneficiaries under the Indira Awas Yojana/ BPL families.

(v) Renovation of traditional water bodies, including de-silting of tanks.

(vi) Land development.

(vii) Flood-control and protection works, including drainage in waterlogged areas.

(viii) Rural connectivity to provide all-weather access. The construction of roads may include culverts where necessary, and within the village

area may be taken up along with drains. Care should be taken not to take up roads included in the PMGSY network under NREGA. No cement concrete roads should be taken up under NREGA. Priority should be given to roads that give access to SC/ST habitations.

(ix) Any other work that may be notified by the Central Government in consultation with the State Government.

(d) The work status for the year 2009-2010, 2010-2011 and the current year for the state is as follows:

Year	Works Taken Up	Works Completed
2009-2010	28036	918
2010-2011	53796	5791
2011-2012	63179	2425

(e) BDOs/ i/c BDOs have been appointed as Programme Officers for MGNREGA in the state.

(f) The system of using Biometric card for disbursement of wage under the MGNREA scheme is in process. For this programme 3 (three) Banks have selected i.e. State Bank of India, Central Bank of India and Assam Gramin Vikash Bank.

Sub : Panidihing Bird Sanctuary.

Shri Sushanta Borgohain asked:

***93. Will the Minister of Environment & Forests be pleased to state :**

What steps have been taken for the upgradation and protection of the Panidihing Bird Sanctuary?

Shri Rockybul Hussain (Minister of Environment & Forest) replied :

The following infrastructure development activities have been taken during 2010-11 for upgradation and better protection work of the Pani Dehing Bird Sanctuary.

1) Construction and maintenance of patrolling path

2) Construction of Anicut (Check dam).

3) Maintenance/improvement of camps for accommodation of staffs.

4) Publicity and awareness programme

5) Wireless network.

6) Providing drinking water facilities to staffs posted in the sanctuary.

7) Removal of water hyacinth (weed)

8) Desiltation of water bodies.

9) Maintenance of Building and Roads.

10) Regular patrolling duty by the staff for protection of Wildlife.

বিষয় ঃ BRGF আঁচনি।

শ্রীমনোৰঞ্জন দাসে সুধিছে ঃ

*** ৯৪। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) বৰপেটা জিলা পৰিষদৰ জৰিয়তে "BRGF 2007-08" ৰ অধীনত বজালী

উন্নয়ন খণ্ড এলেকাত, জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়তে এতিয়ালৈকে কি কি আঁচনি ৰূপায়ণ কৰিলে আৰু কি কি আঁচনি ৰূপায়ণ কৰি আছে। (প্ৰতিটো আঁচনিৰ নাম, ঠিকনা আৰু প্ৰতিটো আঁচনিৰ বিপৰীতে কিমান টকা ধাৰ্য্য কৰা হৈছে বিতং ভাৱে জনাব)

(খ) এই আঁচনিবোৰ ৰূপায়ণৰ বাবে "Construction Committee implementing Agency Executing Agency" আদি অনুমোদন কৰা হৈছে নে? (এনে কমিটি আদিৰ সভাপতি, সম্পাদক, সদস্য আদিৰ নাম প্ৰত্যেক আঁচনিৰ বাবে বিতংকৈ জনাব)

(গ) আঁচনিবোৰ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত স্থানীয় উপকৃত ৰাইজক কিমান দূৰ অৱগত কৰা হৈছে? ৰাইজক আগতীয়াকৈ নজনোৱাৰ কাৰণ কি? বা ৰাইজক আস্থাত নোলোৱাৰ কাৰণ কি?

(ঘ) আঁচনিবোৰৰ কোন কেইটা আঁচনি এতিয়াকৈ সম্পূৰ্ণ কৰা হ'ল আৰু সম্পূৰ্ণ হোৱা আঁচনিবোৰ কাৰ তত্বাৱধানত চমজাই দিয়া হৈছে।

(ঙ) এই আঁচনিৰ ভিতৰত কোন কেইটা আঁচনি Individual Beneficiary ৰ বাবে বা অনুষ্ঠানৰ বাবে লোৱা হৈছিল?
(ব্যক্তিগত হিতাধিকাৰী বা অনুষ্ঠান প্ৰতিষ্ঠানৰ নাম ঠিকনা বিতংভাৱে জনাব)

(চ) উপযুক্ত কৰ্ত্তৃপক্ষই আঁচনিবোৰ যথাযথ ভাৱে ৰূপায়ণ হৈছে নে নাই নিৰীক্ষণ বা পৰিদৰ্শন কৰি চাইছে নেকি?

(ছ) এই আঁচনিৰ ধন আবন্টন কৰাৰ ক্ষেত্ৰত গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ মাজত কিবা অনুপাত নিৰ্দ্ধাৰণ কৰা হয় নেকি?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) BRGF 2007-08 ৰ অধীনত বজালী উন্নয়ন খণ্ড এলেকাত, জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়তে ৰূপায়ণ কৰি থকা আঁচনি

সমূহৰ তালিকা আৰু প্ৰতিটো আঁচনিৰ বিপৰীতে ধাৰ্য্য কৰা ধনৰ পৰিমাণ Annexure- I ত দিয়া হৈছে। **(See Annexure- XII)**

(খ) এই আঁচনি ৰূপায়ণৰ বাবদ Construction Committee সমূহক অনুমোদন কৰা আছে। (তালিকা সংলগ্ন কৰি দিয়া হ'ল)। গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়তে ৰূপায়ণ কৰা আঁচনি সমূহক সংশ্লিষ্ট গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়তে বিভাগীয় ভাবে কৰিছে।

(গ) যিহেতু Construction Committee সমূহত ৰাইজ/পঞ্চায়তীৰাজ অনুষ্ঠান জড়িত হৈ আছে, সেয়েহে এই আঁচনি সমূহক ৰূপায়ণৰ ক্ষেত্ৰত স্থানীয় ৰাইজ অবগত বুলি ধৰা হৈছে। ৰাইজক আগতীয়াকৈ নজনোৱা বা ৰাইজক আস্থাত নোলোৱাৰ প্ৰশ্ন নুঠে।

(ঘ) যিহেতু প্ৰতিটো আঁচনিৰ বাবে নিৰ্ধাৰিত ধন সম্পূৰ্ণকৈ পোৱা হোৱা নাই, সেয়েহে কোনো আঁচনিয়ে সম্পূৰ্ণকৰণ হোৱা নাই। সম্পূৰ্ণ নোহোৱা আঁচনি চমজাই দিয়াৰ প্ৰশ্ন নুঠে।

(ঙ) Annexure- I ৰ Remarks কলমত দেখুওৱা হৈছে। ব্যক্তিগত হিতাধিকাৰীৰ তালিকা অতি দীঘলীয়া হোৱাৰ বাবে পৰৱৰ্তী কালত দিয়া হব।

(চ) আঁচনিবোৰ কাৰিকৰী বিষয়াৰ দ্বাৰা নিৰীক্ষণ বা পৰিদৰ্শন কাৰ্য্য গতানুগতিক ভাবে চলিয়েই থাকে।

(ছ) 2007-08 ইংৰাজী বৰ্ষৰ Action Plan প্ৰস্তুত কৰাৰ সময়ত অনুপাত ব্যৱস্থা প্ৰবৰ্তন হোৱা নাছিল সেয়েহে নিৰ্দিষ্ট অনুপাত নিৰ্ধাৰণ কৰা হোৱা নাই।

Sub : Criteria for construction of Road/Electricity etc. in Forest Reserve Area.

Shri Monilal Gowala asked:

***95. Will the Minister of Environment & Forests be pleased to state :**

State the Criteria for construction of Road/Electricity/P.H.E. etc. in the Forest Reserve Areas in public interest?

Shri Rockybul Hussain (Minister of Environment & Forests) replied :

The User Agency has to submit proposal for diversion of forest land for non-forestry purpose (Road/Electricity/P.H.E.) as per the provisions of Forest Conservation Act. 1980 and Guidelines issued there under for prior approval from the Government of India. Once the proposal is approved, the forest land is handed over to the User Agency for its proposed use.

বিষয় ঃ এনৰেগা আৰু ডি ডি পি ৰ আঁচনি।

শ্রীমজিবুৰ ৰহমানে সুধিছে ঃ

*** ৯৬। মাননীয় পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) নগাওঁ জিলা পৰিষদে এনৰেগাৰ অধীনত ২০০৯-১০ বৰ্ষত গ্রহণ কৰা Construction of Boxculvert with earthen approach road at Kaliadinga নামৰ আঁচনিখনৰ বিষয়ে চৰকাৰ জ্ঞাত নে? যদি জ্ঞাত, তেন্তে Boxculvert আৰু earthen approach road নির্মাণৰ বাবে প্রাক্কলনত ধার্য্য হোৱা পুঁজিৰ পৰিমাণ পৃথকে পৃথকে দিব? (প্রাক্কলনৰ কপি দিব)

(খ) উক্ত আঁচনিখনৰ সামগ্রী ক্রয় আৰু শ্রমিকৰ পাৰিশ্রমিকৰ বাবে তাৰিখ অনুযায়ী মোকলাই দিয়া পুঁজিৰ পৰিমাণ, প্রথম কিস্তিৰ পুঁজি ব্যয়ৰ শেষত কনিষ্ঠ অভিযন্তাই দাখিল কৰা ব্যৱহাৰিক প্রমাণ পত্র, কামৰ অগ্রগতিৰ প্রতিবেদন, ফটোগ্রাফ ও বিল-ভাওচাৰ দিবনে?

(গ) উক্ত আঁচনি খনৰ দ্বিতীয় কিস্তিত তাৰিখ ভিত্তিত মোকলাই দিয়া পুঁজিৰ তথ্য, কনিষ্ঠ অভিযন্তাৰ ব্যৱহাৰিক প্রমাণ পত্র, কামৰ অগ্রগতিৰ প্রতিবেদন, চুড়ান্ত ফটোগ্রাফ আৰু বিল-ভাওচাৰ দিবনে?

(ঘ) উক্ত আঁচনিৰ দ্বিতীয় কিস্তিৰ পুঁজি ব্যয় হোৱাৰ অন্তত Boxculvert নির্মাণ সম্পূর্ণ হৈছিল নে?

(ঙ) যদি Boxculvert নির্মাণ সম্পূর্ণ হৈছিল তেন্তে বর্ষ ২০১০-১১ ত একে স্থানতেই DDP শিতানত Slab culvert নির্মাণৰ বাবে কিয় পুনৰ ৪ (চাৰি) লক্ষ টকা মঞ্জুৰী দিয়া হ'ল? (DDP ৰ উক্ত আঁচনিখনৰ প্রাক্কলন বিলভাওচাৰ আৰু ব্যৱহাৰিক প্রমাণ পত্র ও ফটোগ্রাফ দিব)

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) জ্ঞাত।

Box Culvert ৰ বিপৰীতে প্রাক্কলনত ধার্য্য হোৱা পুঁজিৰ পৰিমাণ– ১০.০০ লাখ টকা। যদিও আঁচনিটোত earthen approach road অন্তর্ভুক্ত আছিল তথাপিও ধার্য্য হোৱা ১০.০০ লাখ টকা পর্যাপ্ত নোহোৱাৰ বাবে প্রাক্কলনৰ পৰা earthen approach road ৰ অংশ বাদ দি কেবল Box Culvert নির্মাণ কৰা হৈছিল।

প্রাক্কলনৰ কপি পৰিশিষ্ট 'ক' ত দিয়া হ'ল।

(খ) উক্ত আঁচনিৰ বিপৰীতে এটা কিস্তিতে সম্পূর্ণ টকা পোৱা হৈছিল আৰু সেইমতে কাম সম্পূর্ণ কৰা হয়। ইয়াৰ বিপৰীতে বিচৰা বিল ভাউচাৰ ও ফটোগ্রাফ পৰিশিষ্ট 'খ' ত গাঁঠি দিয়া হ'ল।

(গ) তথ্য সমূহ (খ) প্রশ্ন উত্তৰৰ পৰিশিষ্ট 'খ' ত দিয়া হৈছে।

(ঘ) উক্ত ১০.০০ লাখ টকাৰ এককালীন পুঁজিৰে প্রাক্কলনৰ মতে Box culvert ৰ কাম সম্পূর্ণ কৰা হয়।

(ঙ) উপৰোক্ত এনৰেগা আঁচনিৰ অধীনত ৰূপায়ণ কৰা আঁচনিৰ পুঁজিৰ পৰিমাণ পর্য্যাপ্ত নোহোৱাৰ বাবে জিলা উন্নয়ন পুঁজিৰ ২০১০-১১ আঁচনিৰ অধীনত কেবল earthen approach road ৰ কামৰ বাবেহে ৪.০০ লাখ টকা মুকলি কৰি দিয়া হৈছিল আৰু সেইমতে কাম সম্পূর্ণ কৰা হয়।

প্রাক্কলন বিল, ভাউচাৰ আৰু ফটোগ্রাফ পৰিশিষ্ট 'ঘ' ত গাঁঠি দিয়া হ'ল।

বিষয় ঃ স্মৃতিসৌধ নির্মাণ।

শ্রীমেম্বৰ গগৈয়ে সুধিছে ঃ

*** ৯৭। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) প্রয়াত বিশ্ববৰেণ্য গণ শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ জালুকবাৰীস্থিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত সমাধিক্ষেত্রত শিল্পী গৰাকীৰ সৃষ্টি ও কর্মৰাজি যুগমীয়া কৰাৰ উদ্দেশ্যে সমাধিক্ষেত্রৰ প্রাংগনত কলাক্ষেত্রৰ আর্হিত দর্শনার্থীৰ সুবিধার্থে (Light & sound) পোহৰ ও শব্দৰ সমাহাৰ হোৱা স্মৃতিক্ষেত্র নির্মাণৰ ব্যৱস্থা কৰা হৈছে নেকি?

(খ) যদি কৰা হৈছে, নির্মাণ আঁচনিৰ বিষয়ে চৰকাৰে বিতং ভাৱে সদনত জনাবনে?

শ্রীমতী প্রণতি ফুকন (সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বিশ্ববৰেণ্য শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ অনুপম সৃষ্টি দর্শন আৰু মহান শিল্পী গৰাকীৰ জীৱন পৰিক্রমাক স্থায়ী আৰু নান্দনিক ৰূপত প্রতিস্থা কৰিবলৈ ইতিমধ্যে চিন্তা আৰম্ভ কৰা হৈছে। ড° হাজৰিকাদেৱৰ সৃষ্টি চিৰযুগমীয়া ৰূপত প্রতিস্থা কৰাৰ ক্ষেত্রত ইতিমধ্যে বিজ্ঞজনৰ পৰা দিহা পৰামর্শ গ্রহণ কৰি থকা হৈছে আৰু পৰবর্ত্তী পর্য্যায়ত স্থপতিবিদৰ দ্বাৰা আর্হি

আদি প্রস্তুত কৰি প্রয়োজনীয় ধন ধার্য কৰি সুপৰিকল্পিতভাৱে যুগশ্রেষ্ঠ শিল্পী গৰাকীৰ স্মৃতি সৌধ নির্মাণ কৰা হ'ব।

(খ) ড° ভূপেন হাজৰিকাদেৱৰ সমাধিক্ষেত্রত হ্রস্বম্যাদী আঁচনি গ্রহণ কৰি দীর্ঘম্যাদী আঁচনি এখন বিশদভাৱে প্রস্তুত কৰা হ'ব।

বিষয় ঃ MGNREGA আঁচনি সম্পর্কে।

শ্রীশ্বেখ শাহ আলমে সুধিছে ঃ

*** ৯৮। মাননীয় পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) MGNREGA ৰ নামত গোৱালপাৰা জিলাৰ কোন কোন উন্নয়ন খণ্ডত কিমান টকা আবন্টন দিয়া হৈছে? (উন্নয়ন খণ্ডৰ নামৰ লগত আবন্টিত ধনৰ তালিকা দাখিল কৰিব)

(খ) গোৱালপাৰা জিলাৰ মুঠ ৮ খন উন্নয়ন খণ্ডত কিমানজন Job Card Holder আছে?

(গ) বিত্তীয় বর্ষ ২০০৯-১০ আৰু ২০১০-১১ ত জিলাখনৰ কোন কোন উন্নয়ন খণ্ডত কিমান টকাকৈ ধ্যর্য্য কৰা হৈছিল?

(ঘ) MGNREGA ৰ অধীনত গোৱালপাৰা Urban area ত কিমান টকা ব্যয় সাপেক্ষে প্রমোদ উদ্যানৰ নির্মাণৰ কাম চলি আছে?

(ঙ) উক্ত নির্মাণৰ বাবদ Material ৰ বাবদ কিমান আৰু Wage বাবদ মুঠ কিমান টকা খৰচ হৈছে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) এম. জি. এন. আৰ. ই. জিৰ অধীনত ২০১১-১২ বর্ষত বিভিন্ন উন্নয়ন খণ্ডলৈ

তলত দিয়া ধৰণেৰে ধন আবণ্টন দিয়া হৈছে।

i) বালিজানা — ৩৩৩.১৫ লাখ

ii) খৰমুজা — ১২০.২৭ লাখ

iii) জলেশ্বৰ — ২৮৫.২৬ লাখ

iv) ৰংজুলি — ১৮২.৪৯ লাখ

v) লক্ষীপুৰ — ২৩৭.৮২ লাখ

vi) মাটিয়া — ৩০৬.৮৮ লাখ

vii) কুশধোৱা — ১৮৬.২২ লাখ

viii) কৃষ্ণাই — ১১৫.৫৮ লাখ

(খ) গোৱালপাৰা জিলাত মুঠ ১৫১৩৬৬ জনৰ জৱকার্ড আছে।

(গ) এম. জি. এন. আৰ. ই জিৰ অধীনত ২০০৯-১০ বৰ্ষৰ আৰু ২০১০-১১ বৰ্ষৰ বিভিন্ন উন্নয়ন খণ্ডলৈ তলত দিয়া ধৰণে ধন আৱণ্টন দিয়া হৈছে।

উন্নয়ন খণ্ডৰ নাম	বৰ্ষ	
	২০০৯-১০	২০১০-১১
i) বালিজানা	৫০০.৫৪	৩৩৬.৪৫ লাখ
ii) খৰমুজা	৪৯০.০৬	২২৬.৮৯ লাখ
iii) জলেশ্বৰ	৬৮০.৯১	৪২৯.৬৩ লাখ
iv) ৰংজুলি	৪৩৭.৯৩	২৪৩.৪৩ লাখ
v) লক্ষীপুৰ	৪৮৯.০৪	২৭৩.৫৮ লাখ
vi) মাটিয়া	৪৮৭.৬৬	৩০১.৮১ লাখ
vii) কুশধোৱা	৪১০.৯৬	২২৩.৮১ লাখ
viii) কৃষ্ণাই	৪৩৫.৯৫	২৪১.৯১ লাখ

(ঘ) এম. জি. এন. আৰ্. ই. জিৰ আঁচনিৰ অধীনত কল্যাণপুৰ গাওঁ পঞ্চায়ত অন্তর্গত (ভালুকডুবিত) জিলা গ্রামোন্নয়ন অধীকৰণৰ ওচৰত লেণ্ড ডেভেলপমেন্ট আৰু প্লেনটেচন নামৰ আঁচনি এখনৰ কাম চলি আছে। আঁচনিটোত মুঠ আৱন্টিত ধনৰ পৰিমাণ ৫৭ লাখ টকা।

(ঙ) উক্ত আঁচনিত দৈনিক মজুৰিত খৰচ কৰা হৈছে ২৪৫৮৬৯০.০০ আৰু অন্যান্য সামগ্রীত খৰচ কৰা হৈছে ২৪৩২১৫২.০০ টকা আঁচনিখন সম্পূর্ণ হ'বলৈ এতিয়াও বাকী আছে।

বিষয় ঃ আদর্শ গাওঁ।

শ্রীৰনজিৎ কুমাৰ দাসে সুধিছে ঃ

*** ৯৯। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) অসমত চৰকাৰী স্বীকৃতিপ্রাপ্ত কিমানখন আদর্শ গাওঁ আছে?

(খ) উক্ত আদর্শ গাওঁ সমূহত চৰকাৰী ভাৱে কি কি বিশেষ আঁচনি ইতিমধ্যে ৰূপায়ণ কৰা হৈছে?

(গ) সৰভোগ সমষ্টিৰ অন্তর্গত চৰকাৰী স্বীকৃতি প্রাপ্ত আহোম পথাৰ গাৱঁত কি কি বিশেষ আঁচনি প্রদান কৰা হৈছে?

(ঘ) আদর্শ গাওঁ সমূহক লৈ চৰকাৰৰ কিবা নতুন পৰিকল্পনা আছেনে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) (খ) (গ) আৰু (ঘ) ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগে ১১০ খন গাওঁ আদর্শ গাওঁ বনাবলৈ চেষ্টা কৰি আছে। ইয়াৰ মাজত ১০০ খন গাওঁ প্রধান মন্ত্রী আদর্শ গ্রাম যোজনাৰ অধীনত লোৱা হৈছে। গ্রামোন্নয়ন বিভাগেও এই গাওঁবিলাকৰ মাজত গ্রামোন্নয়ন আঁচনি চলাই আছে।

বিষয় ঃ মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

*** ১০০। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনিৰ অধীনত জবকাৰ্ড প্ৰাপ্ত শ্ৰমিক সকলে দৈনিক কিমান টকা পাৰিশ্ৰমিক লাভ কৰে?

(খ) চৰকাৰ অৱগতনে যে ব্যক্তিগত খণ্ডত বা অন্যান্য ৰাজহুৱা খণ্ডত দিন হাজিৰা কৰা শ্ৰমিক সকলতকৈ MGNREGS ৰ অধীনত কাম কৰা জবকাৰ্ড প্ৰাপ্ত শ্ৰমিক সকলে বহু কম পাৰিশ্ৰমিক লাভ কৰে?

(গ) অসমৰ কোন কোন জিলাত কিমান জবকাৰ্ড প্ৰাপ্ত শ্ৰমিক আছে? তাৰ ভিতৰত কিমান জনৰ নামত বেংক একাউন্ট খোলা হৈছে? আৰু কিমান জন শ্ৰমিকে ১০০ দিনৰ কৰ্মৰ সুবিধা লাভ কৰিছে? (বিগত পাঁচ বছৰৰ তথ্য জিলা ভিত্তিক পৃথকে পৃথকে দাখিল কৰিব)

(ঘ) MGNREGS ৰ অধীনত চলিত বৰ্ষত কোন কোন জিলাত কিমান টকা আবন্টন দিয়া হৈছে আৰু এতিয়ালৈকে কিমান টকা খৰচ হৈছে? (বিভাগীয় গাইডলাইন সহ বিতং তথ্য দিব)

(ঙ) বিগত পাঁচ বছৰত জিলা ভিত্তিক শ্ৰমিক সকলে লাভ কৰা কৰ্ম দিনৰ তথ্য সদনত দাখিল কৰিবনে?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনিৰ অধীনত জবকাৰ্ড প্ৰাপ্ত শ্ৰমিক সকলে দৈনিক ১৩০ টকাকৈ পাৰিশ্ৰমিক লাভ কৰে।

(খ) জবকাৰ্ড প্ৰাপ্ত শ্ৰমিক সকলৰ দৈনিক হাজিৰা সময়ে সময়ে বৃদ্ধি কৰি ধৰ্য কৰা হৈছে।

(গ) উত্তৰ পৰিশিষ্ট 'ক' আৰু 'খ' ত সন্নিবিষ্ট কৰা হৈছে। (See Annexure- XIII)

(ঘ) উত্তৰ পৰিশিষ্ট 'গ' ত দিয়া হৈছে। (See Annexure- XIV)

(ঙ) উত্তৰ পৰিশিষ্ট 'ঘ' ত দিয়া হ'ল। (See Annexure- XV)

UNSTARRED QUESTIONS AND ANSWERS

বিষয় ঃ MGNREGA আঁচনিৰ টকা।

শ্রীফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

২০১। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) MGNREGA আঁচনিৰ অধীনত ২০০৮-২০০৯, ২০০৯-২০১০, ২০১০-১১ আৰু ২০১১-১২ চনৰ বাবে কিমান টকা কেন্দ্রীয় চৰকাৰে মোকলাই দিছে? (জিলা ভিত্তিত তথ্য দাখিল কৰিব)

(খ) উক্ত আঁচনিৰ অধীনত অসমত মুঠ কিমান গৰাকী Job Card Holder আছে আৰু মুঠ Job Card Holder ৰ কিমান গৰাকীয়ে ১০০ দিনৰ কর্ম সংস্থাপন পাইছে?

(গ) অসমত কিমান গৰাকীয়ে ভাট্টা বিচাৰি আবেদন কৰিছে আৰু কিমান গৰাকীক ভাট্টা প্রদান কৰা হৈছে?

(ঘ) ২০১১-২০১২ বিত্তীয় বর্ষত এতিয়ালৈ অসমত কিমান দিনৰ কর্ম সংস্থাপন দিয়া হৈছে?

(ঙ) ৰাজ্যিক অংশ বর্ষ অনুযায়ী কিমান টকা মোকলাই দিছে আৰু কিমান টকা মোকলাই দিবলৈ বাকী আছে? (বিত্তীয় বর্ষ অনুযায়ী তথ্য দাখিল কৰিব)

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) উত্তৰ পৰিশিষ্ট 'ক' ত সংলগ্ন কৰা হৈছে (আঁচনিৰ অধীনৰ মূল ধনৰ পৰিমাণত কেন্দ্ৰীয় আৰু ৰাজ্যিক অংশ সংযুক্ত হৈ আছে)।

(See Annexure- XVI)

(খ) MGNREGA আঁচনিৰ অধীনত অসমত মুঠ ৩৮৩৯০৭৬ টা Job Card holder পৰিয়াল আছে আৰু মুঠ ৬৯০১ টা Job Card holder পৰিয়ালে ১০০ দিনৰ কৰ্ম সংস্থাপন পাইছে।

(গ) অসমত বৰ্ত্তমানলৈকে কাকো ভাট্টা প্ৰদান কৰা হোৱা নাই।

(ঘ) ২০১১-১২ বিত্তীয় বৰ্ষত এতিয়ালৈ অসমত ১৭৫১৩৫১৬ দিনৰ কৰ্ম সংস্থাপন দিয়া হৈছে।

(ঙ) উত্তৰ পৰিশিষ্ট 'খ' ত দিয়া হৈছে। **(See Annexure- XVII)**

Sub : Building of Fishery Sub-Divisional Office.

Shri Kripa Nath Mallah asked:

202. Will the Minister of Fishery be pleased to state :

(a) Whether Government has received proposal of land for construction of permanent building of Sub-Divisional Fisheries Development Officer, Office at Ramkrishna Nagar from the Deputy Commissioner, Karimganj as requested by the Commissioner & Secretary, Fishery Department, Assam vide his letter No. FISH. 176/2011/01, Dated 07/07/2011?

(b) If so, whether handing over and taking over have been completed?

(c) If not, had the D.C, Karimganj been reminded to expedite the matter? (place copy of reminder letter if issued).

(d) Whether plan, estimate and drawings etc. for construcion of the proposed building have been prepared and necessary administrative Approval has been accorded?

(e) If so, what is the estimated cost?

(f) If not, will the Govt. instruct the concerned engineer to submit the estimate? (place copy of such instruction).

Shri Basanta Das (Minister of State (Ind), Fishery) replied :

(a) Government has not yet received any proposal for allotment of land for construction of permanent office building of Ramkrishna Nagar Sub-Divisional Fishery Development Officer.

(b) Does not arise.

(c) In this respect Deputy Commissioner, Karimganj has already issued a letter to the Circle Officer, Ramkrishna Nagar instructing him to furnish a proposal for allotment of land for the office building of SDFDO on 22/7/2011 (copy enclosed). In the meantime a reminder is issued to the Deputy Commissioner, Karimganj vide No. FISH.176/2011/3 dtd. 19/12/11 (Copy enclosed).

(See Annexure- XVIII)

(d) Does not arise. The plan estimates will be prepared as and when the land is allotted in the name of the SDFDO office.

(e) Does not arise.

(f) Does not arise.

বিষয় ঃ বনৰীয়া হাতীৰ উপদ্রপত সর্বশ্রান্ত হোৱা ৰাইজৰ সন্দর্ভত।

শ্রীৰাজেন বৰঠাকুৰে সুধিছে ঃ

২০৩। মাননীয় বন আৰু পৰিবেশ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯২ চনৰ পৰা বনৰীয়া হাতীৰ উপদ্রপত সর্বশ্রান্ত হোৱা দুখীয়া কৃষক ৰাইজৰ বাবে আজিলৈকে কেনে ধৰণৰ ক্ষতিপূৰণৰ ব্যৱস্থা গ্রহণ কৰা হৈছে?

(খ) বনৰীয়া হাতীৰ আক্রমণত মৃত্যু হোৱা ব্যক্তিৰ পৰিয়ালৰ বাবে কি ব্যৱস্থা গ্রহণ কৰা হৈছে?

শ্রীৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰে সময়ে-সময়ে জাৰি কৰা বিভিন্ন অধিসূচনা মর্ম্মে হাতীৰ উপদ্রপত সর্বশ্রান্ত হোৱা দুখীয়া কৃষক ৰাইজক ক্ষতিপূৰণৰ ব্যৱস্থা কৰা হৈছে। (অধিসূচনা সমূহ তালিকাসহ সদনত দাখিল কৰা হ'ল)।

(See Annexure- XIX)

(খ) বর্তমান বনৰীয়া হাতীৰ আক্রমণত মৃত্যু হোৱা ব্যক্তিৰ নিকটতম আত্মীয়ক এককালীন সাহায্য হিচাপে ১,০০,০০০/- (একলাখ) টকাকৈ আগবঢ়োৱা হৈছে।

বিষয় ঃ পশুধনৰ চিকিৎসা।

শ্রীজাহান উদ্দিনে সুধিছে ঃ

২০৪। মাননীয় পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত পশুধনৰ চিকিৎসাৰ বাবে কেইখন চিকিৎসালয়, চিকিৎসা কেন্দ্র, উপ চিকিৎসা কেন্দ্র আদি আছে? (সমষ্টি ভিত্তিত পৃথকে তালিকা দিব)

(খ) উক্ত পশুধন সেৱা কেন্দ্র সমূহত পর্য্যাপ্ত ডাক্টৰ, ফার্মাচিষ্ট তথা কর্মচাৰী আছেনে? (প্রতিটো কেন্দ্রৰ বিপৰীতে নিয়োজিত ডাক্টৰ ফার্মাচিষ্ট তথা কর্মচাৰীৰ নাম পদবী সহ উল্লেখ কৰি সদনত দাখিল দিব)

(গ) পশুধন চিকিৎসা কেন্দ্র সমূহৰ প্ৰায়বোৰ কেন্দ্ৰৰ গৃহ জহি খহি যোৱাৰ বিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, সেইবোৰ মেৰামতিৰ বাবে কি পদক্ষেপ হাতত লোৱা হৈছে?

(ঘ) ধুবুৰী সমষ্টিৰ চৰ এলেকা তথা ভিতৰুৱা বহু অঞ্চলত পশুধন স্বাস্থ্য সেৱা কেন্দ্ৰ নথকাৰ বাবে বহু পশুধন চিকিৎসা অবিহনে অকালতে মৃত্যুবৰণ কৰিবলগীয়া হোৱাৰ বিষয়ে চৰকাৰ অৱগত নে?

(ঙ) উক্ত চৰ অঞ্চল তথা ভিতৰুৱা অঞ্চল সমূহত বাইজ তথা পশুধন সমূহক সকাহ দিয়াৰ উদ্দেশ্যে পশুচিকিৎসা কেন্দ্ৰ স্থাপনৰ ব্যৱস্থা কৰিবনে?

(চ) যদি কৰে, তেন্তে কিমান দিনৰ ভিতৰত কৰিব?

(ছ) বৰ্ত্তমানে পশুধন সমূহৰ কল্যাণৰ অৰ্থে কি কি আঁচনি হাতত লৈছে? (আঁচনি সমূহৰ খতিয়ান দিব)

শ্ৰীখৰ ছিং ইংতি (পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী জিলাত পশুধন চিকিৎসাৰ বাবে ঃ—

১) পশু চিকিৎসা হস্পিতাল — ১ খন
২) পশুচিকিৎসালয় — ১৯ খন
৩) পশুচিকিৎসা উপকেন্দ্ৰ — ১৭ খন

<u>সমষ্টি ভিত্তিত সংখ্যা</u>

সমষ্টিৰ নাম	পশুচিকিৎসালয়	উপকেন্দ্ৰ
১) ধুবুৰী	৩ খন	২ খন
২) গৌৰীপুৰ	২ খন	২ খন
৩) গোলক গঞ্জ	১ খন হস্পিতাল ৩ খন চিকিৎসালয়	৪ খন
৪) বিলাসীপাৰা (পূব)	৩ খন	৫ খন

সমষ্টিৰ নাম	পশুচিকিৎসালয়	উপকেন্দ্ৰ
৫) বিলাসীপাৰা (পশ্চিম)	১ খন	২ খন
৬) মানকাচাৰ	৩ খন	২ খন
৭) দক্ষিণ শালমাৰা	৩ খন	
৮) জলেশ্বৰ	১ খন	

(খ) উক্ত পশুধন সেৱা কেন্দ্ৰ সমূহত পৰ্য্যাপ্ত ডাক্টৰ তথা কৰ্মচাৰী আছে। (প্ৰতিটো কেন্দ্ৰত নিয়োজিত বিষয়া কৰ্মচাৰীৰ নাম আৰু পদবীৰ বিতং তালিকা সংযোজনা 'ক' ত সংলগ্ন কৰা হ'ল।)

(See Annexure- XX)

(গ) পশুচিকিৎসা কেন্দ্ৰ সমূহৰ ভিতৰত কিছু সংখ্যকৰ গৃহ জহি-খহি যোৱাৰ বিষয়ে চৰকাৰ অৱগত। পুঁজিৰ আবন্টন সাপেক্ষে এইবোৰ পৰ্য্যায়ক্ৰমে মেৰামতিৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে বিলাসীপাৰা, ধুবুৰী, গৌৰীপুৰ আৰু গোলক গঞ্জৰ পশুচিকিৎসালয় কেইখনৰ পুনঃ নিৰ্মাণৰ কাম চলি আছে।

(ঘ) বৰ্তমান জিলাখনত থকা পশুচিকিৎসালয় আৰু উপকেন্দ্ৰ সমূহৰ জৰিয়তে জিলাখনত চৰ এলেকা সমূহ সামৰি পশুচিকিৎসা সেৱা আগবঢ়াই থকা হৈছে।

(ঙ) বৰ্তমান সময়ত এই সম্পৰ্কে পৰিকল্পনা নাই।

(চ) প্ৰশ্ন নুঠে।

(ছ) ধুবুৰী জিলাত পশুধন সমূহৰ কল্যাণৰ বাবে লোৱা আঁচনি সমূহৰ তালিকা সংযোজনা 'খ' ত সংলগ্ন কৰা হ'ল। **(See Annexure- XXI)**

বিষয় ঃ মীন পালন আঁচনি।

শ্ৰীনৰ কুমাৰ দলেই সুধিছে ঃ

২০৫। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ঢকুৱাখানা সমষ্টিত থকা ৰাজহুৱা বিল/পুখুৰীৰ সংখ্যা কিমান?

(খ) এই ৰাজহুৱা বিল/পুখুৰীবোৰত মীন পালনৰ বিশেষ আঁচনি বিভাগৰ দ্বাৰা প্ৰস্তুত অথবা ৰূপায়ণ কৰা হৈছে নেকি?

(গ) যদি হোৱা নাই, কেতিয়াৰ পৰা হ'ব?

শ্ৰীবসন্ত দাস (মীন বিভাগৰ মন্ত্ৰী (স্বতন্ত্ৰ)) য়ে উত্তৰ দিছে ঃ

(ক) ঢকুৱাখানা সমষ্টিত থকা ৰাজহুৱা বিল আৰু পুখুৰীৰ সংখ্যা ক্ৰমে ১৯ আৰু ১৭৮৭ টা।

(খ) এই ৰাজহুৱা বিল/পুখুৰীবোৰত মীন পালনৰ বাবে পৰ্য্যায়ক্ৰমে আঁচনি প্ৰস্তুত কৰি ৰূপায়ণ কৰি অহা হৈছে।

(গ) প্ৰশ্ন নুঠে।

বিষয় ঃ Slaughter House নিৰ্মাণ।

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

২০৬। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কোন কোন চহৰত পশুবধ কৰা (Slaughter House) ব্যৱস্থা আছে?

(খ) যদি নাই, তেন্তে চৰকাৰে Slaughter House নিৰ্মাণ কৰা ব্যৱস্থা হাতত লৈছে নেকি?

(গ) যদি লৈছে, কোন কোন চহৰত লৈছে?

শ্ৰীখৰ ছিং ইংতি (পশুপালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) পশুপালন ও পশু চিকিৎসা বিভাগৰ অধীনত কোনো চহৰতে পশুবধ কৰা (Slaughter House) ব্যৱস্থা নাই।

(খ) অসম পশুধন নিগমৰ অধীনত গুৱাহাটী, শিলচৰ, নাজিৰা আৰু যোৰহাটত পশুবধ কৰা (Slaughter House) ঘৰৰ ব্যৱস্থা কৰা হৈছে।

(গ) 'খ' ত দিয়া হৈছে।

Sub : Non-Payment of Pension, G.I.S., G.P.F. etc.

Shri Sherman Ali Ahmed asked :

207. Will the Minister of Environment & Forest be pleased to state:—

(a) Is it true that monthly pension including other pensionary benefits like Gratuity, GIS, GPF, leave encashment etc. have not been paid to Sherman Ali Ahmed, AFS (Retired) (on 30/09/2011) even after 15 (fifteen) months of his retirement?

(b) If so, the reasons of such delay?

(c) Would the Government take punitive measures against the officials, if any responsible for such delay of pension and pensionary benefits including G.I.S., G.P.F. etc.?

(d) Would the Government take necessary steps for payment of his monthly pension and other pensionary benefits including GIS, GPF etc. within a specific time-limit? If so, the exact time-limit may please be stated.

Shri Rockybul Hussain (Minister of Environment & Forest) replied :

(a) The monthly pension and other pensionary benefit in

respect of Shri Sherman Ali, AFS (Retired.) could not be finalized due to a vigilance case pending against him. In this connection, however we have obtained view of the PPG Department for release of all pensionary benefit. As per their views, only provisional pension has already been issued by this department. Regarding release of other benefits viz GIS, GPF, DCRG and Leave encashment etc., the file has already been sent to the PPG Department again for seeking their specific views. After receipt their views only those benefits can be released to the Shri Sherman Ali Ahmed.

(b) As stated in (a) above. Meanwhile in connection with the vigilance Case against Shri Sherman Ali Ahmed, Political Department has issued a letter to this department for asking Shri Sherman Ali Ahmed to appear before the Enquiry Officer of the Office of the Director of Vigilance & Anti Corruption. Since Shri S. Ali Ahmed is no longer an employee of this department, we have requested the Political Department to make correspondence with the Assembly Secretariate.

(c) The delay caused only for the Vigilance Case, and not due to any lapse in part of an officer.

(d) In connection with release of GIS, GPF Leave encashment etc., the file has been sent to PPG Department for obtaining their specifi views. After receipt of their views action may be taken accordingly.

Sub : Schemes under Fishery.

Sri Abdul Muhib Mazumdar asked :

208. Will the Minister of Fishery be pleased to state:—

(a) What are the ongoing Schemes under Fishery Department at Hailakandi? (Give the details)

(b) Whether there exists any yearly Targeted Action Plan comprising of all the schemes?

(c) Whether the office staff is made aware of the yearly Targeted Action Plan?

(d) Whether any scheme has been taken up under Development of derelict water bodies? If so, what is the status?

(e) Whether any women– specific Schemes has been taken up in Hailakandi or existing?

(f) Whether there is any scheme for development of Nursery/ Fish rearing at Hailakandi? (Give details).

(g) Whether there is any scheme for construction of Echo Hatchery has been taken up during last two years in Hailakandi ?

(h) Is there any exisiting EGS- Scheme? If so, what are the nos.?

Besides the above scheme, the scheme "Chief Minister's special Employment Generation programme" implemented with the following item-wise achievment during the year 2011.

Annexure-II

Scheme	No.	Water area (ha.)	Fund released (Rs. in lakh)
Chief Minister's special Employment Generation programme		–	
i) Male SHG under the scheme Tank Reservoir Fishery	5	2.50	3.55
ii) Female SHG under the scheme Tank Reservoir Fishery	3	1.50	2.13
iii) Boat	10	–	2.00
iv) Nets	65	–	1.72

(b) Yes, there exists yearly trargets Qagainst different schemes and the fund is released as per the fixed target.

(c) Yes, office staff are well aware of the annual target before

submitng proposal to the higher authority.

(d) Yes, status of derelict water bodies for both General and SCSP is shown under (i) & (ii) of reply (a) above. Executed properly and culture period is going on.

(e) Yes, during the year 2010-11 women empowerment Programme under fish seed farming (General) was taken up for 14 units covering water area of 2.00 ha. for an amount of Rs. 1.75 lakh, during the year 2010-11.

(f) Yes, Shown under reply Sl.No. (a)-(IV), executed properly.

(g) Yes, 2 nos. of Hatcheries has been constructed which are as follows :

Annexure-III

Name & Address	Year	Unit	Fund received (Rs. in lakh)
i) Abul Hussain Laskar, S/oAbdul Haque Laskar, Vill : Rangpur-II, P.O: Sahabad, Block-Katlicherra.	2009-10	1	2.00
ii) Noim Uddin Laskar, S/o Lt Latif Laskar, Vill: Mohanpur-II, Block: Algapur	2009-10	1	2.00

(h) Yes, there exists EGS Scheme during the year 2010-11 (Details at Annexture II)

(i) Yes, as mentioned under reply Sl No. (a)-(v). Execution of civil works is in progress.

বিষয় ঃ পশু চিকিৎসালয় মেৰামতি।

শ্রীআব্দুৰ ৰহমান আজমলে সুধিছে ঃ

২০৯। মাননীয় পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দক্ষিণ শালমৰা সমষ্টিৰ অধীনত কিমানটা পশু চিকিৎসালয় কেন্দ্র আৰু উপকেন্দ্র আছে?

(খ) এই পশু চিকিৎসালয় আৰু উপকেন্দ্র সমূহ গৰাখহনীয়াত ক্ষতিগ্রস্ত হোৱাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(গ) যদি জ্ঞাত, এই চিকিৎসালয় বিলাকৰ ঘৰ দুৱাৰ আৰু চিকিৎসকৰ আবাস গৃহ বিলাকৰ নির্মাণৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্রীখৰ ছিং ইংতি (পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) দক্ষিণ শালমৰা সমষ্টিৰ অধীনত ৩ (তিনি) খন পশু চিকিৎসালয় আছে আৰু কোনো পশু স্বাস্থ্য উপকেন্দ্র নাই।

(খ) হয়, চৰকাৰ জ্ঞাত।

(গ) চিকিৎসালয় সমূহৰ ঘৰ-দুৱাৰ আৰু চিকিৎসক সকলৰ আবাস গৃহবিলাকৰ নির্মাণৰ ব্যৱস্থা আৱণ্টিত পুঁজি সাপেক্ষে ব্যৱস্থা কৰা হ'ব।

বিষয় ঃ বালিৰ মহল।

শ্রীৰেকিবুদ্দিন আহমেদে সুধিছে ঃ

২১০। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ছয়গাওঁ বিধান সভা সমষ্টিত কিমানটা বন বিভাগৰ অধীনত বৈধ বালিৰ মহল আছে? ইয়াৰ পৰা চৰকাৰে কিমানকৈ ৰাজহ লাভ কৰি আছে? (বিতং তথ্য সহকাৰে জনাব)

(খ) বালিৰ মহল সমূহৰ বাবে নির্দিষ্ট অঞ্চল বিশেষে কিছুমান ব্যক্তিয়ে যথেষ্ট বিশৃংখলতাৰ সৃষ্টি কৰি অহাৰ বিষয়ে চৰকাৰ অৱগতনে?

(গ) যদি অৱগত, বালিৰ মহল সমূহ বন বিভাগে অতি কঠোৰ নীতিৰে পৰিচালনা কৰিবনে?

(ঘ) অবৈধ বালিৰ মহল সমূহৰ ক্ষেত্রত ব্যৱস্থা গ্রহণ কৰি চৰকাৰে ৰাজহ লাভ কৰাৰ ব্যৱস্থা কৰিবনে?

শ্রীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ছয়গাওঁ বিধান সভা সমষ্টিত ৪ টা বনবিভাগৰ অধীনত বৈধ বালি মহল আছে। এই মহলসমূহৰ পৰা চৰকাৰে বিগত পাঁচ বছৰত তলত দেখুওৱা ধৰণে ৰাজহ লাভ কৰে ঃ

ক্রম নং	মহলৰ নাম	ৰাজহ লাভ-					মুঠ	
		২০০৭-০৮	২০০৮-০৯	২০০৯-১০	২০১০-১১	২০১১-১২		
১	ছয়গাওঁ বালিৰ মহল নং ১	২,৮১,৪২৬/-	৩,৭৫,৭৬৪/-	৩৯,০০,৭৬৩/-	১৭,৭৬,৫১০/-	—	৬৩,৩৪,৮৬৩/-	নিবিদাৰ পৰা
						১,৬৬,০০০ /-	১,৬৬,০০০ /-	Minor Mineral (Concession) Rule, 1994 ৰ বিধিমতে দিয়া পাৰ্মিট
২	ছয়গাওঁ বালিৰ মহল নং ২	২১,০০,০০০/-	১৪,০১,১১০/-	১০,০০,৭৯২/-	—	—	৪৫,০১,৯০২/-	নিবিদাৰ পৰা
৩	খৰখৰি বালি মহল	৪,১০,০০০/-	৪,১০,০০০/-	৮৮,১৯০/-	২,৬৪,৫৭০/-	২,৬৪,৫৭০/-	১৪,৩৭,৩৩০/-	নিবিদাৰ পৰা
৪	জামবাৰী বালিমহল			৪,৪২,৩৫৫/-	২,৬৫,৪১৩	—	৭,০৭,৭৬৮/-	নিবিদাৰ পৰা
						১০,২৪,০০০/-	১০,২৪,০০০/-	Minor Mineral (Concession) Rule, 1994 ৰ বিধিমতে দিয়া পাৰ্মিট
						সৰ্বমুঠ	১৪১৭১৪৬৩/-	

(খ) বালিৰ মহল সমূহত কোনো ব্যক্তিয়ে কোনো ধৰণৰ বিশৃংখলতাৰ সৃষ্টি কৰাৰ দৃষ্টি গোচৰ হোৱা নাই। কিন্তু চৰকাৰী মাটি /পট্টা মাটিত Minor Mineral (Concession) Rule, 1994 ৰ অধীনত দিয়া বালিৰ অনুজ্ঞা পত্ৰৰ ক্ষেত্ৰত কোনো অঞ্চলত মুষ্টিমেয় দুস্কৃতিকাৰীয়ে মাজে সময়ে বিশৃংখলতাৰ সৃষ্টি কৰা পৰিলক্ষিত হয়।

(গ) বালিৰ মহল সমূহ সংশ্লিষ্ট চৰকাৰী নীতিৰে পৰিচালনা কৰি থকা হৈছে আৰু ওপৰোক্ত বিশৃংখলকাৰী সকলৰ ওপৰত বিভাগীয় নিয়ম মতে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(ঘ) কোনো ব্যক্তিকে অবৈধভাৱে বালিৰ মহল চলাবলৈ দিয়া হোৱা নাই। কিন্তু অবৈধভাৱে বালি সংগ্ৰহ/ সৰবৰাহ কৰাৰ ক্ষেত্ৰত বিভাগীয় নিয়ম অনুসৰি তেনে বালি সমূহ জব্দ কৰি নিলাম/ নিবিদা যোগে বিক্ৰী কৰি ৰাজহ সংগ্ৰহ কৰা হৈছে।

বিষয় ঃ IAY, Old Age Pension, Job Card and VCDC and TLCC.

শ্ৰীহিতেশ বসুমতাৰী য়ে সুধিছে ঃ

২১১। মাননীয় পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিটিচি এলেকাধীন অঞ্চল বিলাকৰ IAY, বৃদ্ধ পেঞ্চন, জব কার্ড ইত্যাদিবোৰ VCDC আৰু TLCC ৰ মাধ্যমেৰে কৰা হয়। কিন্তু VCDC আৰু TLCC অগণতান্ত্ৰিক ভাৱে গঠিত। গতিকে IAY, বৃদ্ধ

পেঞ্চন আৰু জৰ কার্ড বিতৰণ ব্যৱস্থা VCDC আৰু TLCC ক বাদ দি পোনপটীয়া ভাৱে কৰাৰ কিবা ব্যৱস্থা কৰা হৈছে নেকি?

(খ) যদি হোৱা নাই, তেতিয়াহলে কৰা হ'বনে?

(গ) এইটো সত্যনে, বৃদ্ধ পেঞ্চন বিটিচি এলেকাত ৩৬ মাহ ধৰি হোৱা নাই। কিন্তু অসমৰ আনবোৰ ঠাইত বৃদ্ধ পেঞ্চন নিয়মীয়া ভাৱে হৈছে?

(ঘ) যদি সত্য, কি কাৰণে বিটিচি অঞ্চলত নিয়মীয়া হোৱা নাই, জনাবনে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বিষয়টোৰ ওপৰত BTC Authority ৰ লগত যোগাযোগ কৰি থকা হৈছে।

(খ) BTC ৰ মতামত পোৱাৰ পিছত বিচাৰ বিবেচনা কৰা হব।

(গ) BTC এলেকাৰ সম্পূর্ণ তথ্য এতিয়াও পোৱা নাই।

(ঘ) তথ্য পালেহে বিবেচনা কৰিব পৰা হব।

বিষয় ঃ সংৰক্ষিত বনাঞ্চল।

শ্রীবলিন চেতিয়াই সুধিছে ঃ

২১২। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম অৰুণাচলৰ সীমান্তৰৰ্তী এলেকা সমূহত থকা বন বিভাগৰ সংৰক্ষিত বনাঞ্চল সমূহ বহু বছৰৰ পৰা মানুহৰ দ্বাৰা বে-দখল হৈ থকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে এই সংৰক্ষিত বনাঞ্চল সমূহ ৰক্ষনাবেক্ষণৰ বাবে চৰকাৰে অতি শীঘ্রে কিবা ব্যৱস্থা লৈছেনে?

(গ) যদি লয়, কি ব্যৱস্থা ল'ব অনুগ্রহ কৰি জনাবনে?

(ঘ) শদিয়াৰ কুণ্ডিল কলিয়া বনাঞ্চল, দেউপানী বনাঞ্চল আৰু নাহৰবাৰী বনাঞ্চল সমূহ প্রায় নিচিহ্ন হোৱাৰ পথত, এই বিষয় চৰকাৰ অৱগতনে?

(ঙ) এই বনাঞ্চল সমূহৰ ৰক্ষনাবেক্ষণৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিব, অনুগ্রহ কৰি জনাবনে?

শ্রীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অৱগত।

(খ) আৰু (গ) চুবুৰীয়া ৰাজ্য অৰুণাচল তথা নাগালেণ্ডৰ বেদখল প্রতিৰোধৰ বাবে মাননীয় উচ্চতম ন্যায়ালয়ত অৰুণাচল তথা নাগালেণ্ডৰ বিৰুদ্ধে গোচৰ তৰা হৈছে। মাননীয় উচ্চতম ন্যায়ালয়ে ইতিমধ্যে এখন তিনিজনীয়া স্থানীয় আয়োগ গঠন কৰিছে আৰু উক্ত আয়োগে সীমা চিনাক্ত কৰনৰ কাৰণে শুনানী গ্রহণ কৰি আছে। মাননীয় উচ্চতম ন্যায়ালয়ৰ ৰায়দানৰ পাছত যাবতীয় ব্যৱস্থা গ্রহণ কৰিবলৈ অসম চৰকাৰ বদ্ধপৰিকৰ।

(ঘ) শদিয়াৰ কুণ্ডিল কলিয়া বনাঞ্চল, দেউপানী বনাঞ্চল আৰু নাহৰবাৰী বনাঞ্চল সমূহৰ বিষয়ে ১৯৯০ চনৰ আগৰ পৰা কিছু অংশ বেদখল হৈ থকাতো চৰকাৰ অৱগত। এতিয়ালৈকে বহুবাৰ উচ্ছেদ অভিযান এইবোৰ বনাঞ্চলত কৰা হৈছে। কিছু সংৰক্ষিত বনাঞ্চলৰ অংশ উদ্ধাৰো কৰা হৈছে।

(ঙ) অসম চৰকাৰে বিভিন্ন উন্নয়নমূলক আঁচনিৰ দ্বাৰা বনানিকৰণৰ ব্যৱস্থা গ্ৰহণ কৰি আছে। বনাবৰণ (Forest Cover) এলেকা শ্ৰীবৃদ্ধিৰ কাৰণে বনকৰ্মচাৰী সকলে আৰু বনসুৰক্ষা বাহিনীৰ জোৱান সকলে তহলদাৰীৰ ব্যৱস্থা গ্ৰহণ কৰি আছে।

বিষয় ঃ পশু চিকিৎসালয় উন্নয়ন।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

২১৩। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া জিলাৰ ডিগবৈ আৰু মাৰ্ঘেৰিটা বিধান সভা সমষ্টিত বাপাপুং, পানবাৰী আৰু আগবন্ধাত পশু চিকিৎসালয় থকাটো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে বৰ্তমান এই পশু চিকিৎসালয় দুখন কেনে পৰ্য্যায়ত আছে?

(গ) ইয়াৰ উন্নয়নৰ বাবে বিভাগে কি কি ব্যৱস্থা হাতত লৈছে জনাবনে?

শ্ৰীখৰ ছিং ইংতি (পশুপালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) মেৰামতিৰ অভাৱত বৰ্তমান এই চিকিৎসালয় দুখন জৰাজীৰ্ণ অৱস্থাত আছে।

(গ) বৰ্তমান বাপাপুং পানবাৰীত থকা ডিগবৈ ৰাজ্যিক পশুচিকিৎসালয়খন নতুনকৈ পুনৰ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সাহায্যপ্ৰাপ্ত (ESVHD) আঁচনিৰ অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰস্তাৱ লোৱা হৈছে। আৰু আগবন্ধা প্ৰাথমিক স্বাস্থ্য

কেন্দ্রৰ কাম সংলগ্ন হৈ থকা আঞ্চলিক কৃত্রিম প্রজনন কেন্দ্র (RAIC) মাৰ্ঘেৰিটাৰ পৰা চলাই থকা হৈছে। এই উপকেন্দ্রৰ উন্নয়নৰ বাবে বৰ্তমান কোনো আঁচনি লোৱা হোৱা নাই।

বিষয় ঃ I.D. নং।

শ্রীউৎপল দত্তই সুধিছে ঃ

২১৪। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাৰনে ঃ

(ক) চৰকাৰ অৱগতনে, অসমত বসবাস কৰা দৰিদ্র সীমাৰেখাৰ তলত বাস কৰা লোক সকলক B.P.L. বা I.D নং দিয়াৰ বাবে নানা ধৰণৰ চৰকাৰী সুবিধা লাভ কৰি আছে?

(খ) যদি অৱগত, তেন্তে যি সকল লোকে এতিয়াও B.P.L. আৰু I.D নং পোৱা নাই, তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰিব নেকি?

(গ) যদি দিয়ে, কেতিয়াৰ পৰা আৰু কি ভিত্তিত দিব জনাবনে?

(ঘ) অসমত বৰ্ত্তমান B.P.L. আৰু I.D নং পোৱা লোক কিমান আছে? (জিলা ভিত্তিত তথ্য দাখিল কৰিব)

(ঙ) লক্ষিমপুৰ সমষ্টিত মুঠ কিমান গৰাকী B.P.L. আৰু I.D নং পোৱা লোক আছে জনাবনে? (তালিকা গাঠি দিব)

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) সমগ্র দেশৰ লগতে অসমতো "আর্থ সামাজিক আৰু জাতি পিয়ল, ২০১১"ৰ জৰিয়তে কাম আৰম্ভ কৰিবলৈ প্রস্তুতি হাতত লোৱা হৈছে।

(গ) পিয়লৰ কাম অহা ২০১২ চনত শেষ কৰাৰ বাবে লক্ষ্য নির্দ্ধাৰণ কৰা হৈছে। তাৰ পিছত গ্রাম্য আৰু পৌৰ এলেকাত থকা সকলো BPL পৰিয়ালৰ তালিকাখন প্রস্তুত কৰি উলিওৱা হ'ব।

(ঘ) ২০০২ চনতে অনুষ্ঠিত BPL Census অনুসৰি অসমৰ গ্রাম্য এলেকাত মুঠ ১৮,৭২,৮০৯ টা BPL পৰিয়াল আছিল।

জিলা ভিত্তিত তথ্য সদনত দিয়া হ'ল। (পৰিশিষ্ট 'ক')

(See Annexure-XXII)

(ঘ) সমষ্টি ভিত্তিত BPL তালিকা প্রস্তুত কৰা নহয়।

বিষয় ঃ গাওঁ পঞ্চায়ত আৰু V.C.D.C সংখ্যা।

শ্রীমুকুন্দ ৰাম চৌধুৰীয়ে সুধিছে ঃ

২১৫। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কলাইগাওঁ সমষ্টিৰ কলাইগাওঁ আৰু খৈৰাবাৰী উন্নয়ন খণ্ড দুটাৰ অধীনত কিমানটা গাওঁ পঞ্চায়ত আৰু V.C.D.C. আছে জনাবনে?

(সভাপতি আৰু V.C.D.C. সকলৰ নাম তালিকাত গাঠি দিব)

(খ) ২০১০-১১ চনত কলাইগাওঁ সমষ্টিত কিমানজন হিতাধিকাৰীৰ মাজত ইন্দিৰা যোজনাৰ গৃহ আবণ্টন দিয়া হ'ল, ইতিমধ্যে কিমানটা ঘৰ সম্পূর্ণ হৈছে জনাবনে?

(হিতাধিকাৰী সকলৰ নামৰ বিপৰীতে I.D নং সহ তালিকা দাখিল কৰিব)

(গ) মহাত্মা গান্ধী বাষ্ট্রীয় চড়ক যোজনাৰ অধীনত কিমানটা পথ অনুমোদন হৈছিল জনাবনে?

(পথ সমূহৰ নাম, অনুমোদিত ধনৰ পৰিমাণ, দৈর্ঘ আৰু বর্তমানলৈ কিমানটা পথ সম্পূর্ণ হৈছে (Block-wise) তালিকা দাখিল কৰিব)

(ঘ) ওপৰোক্ত পথ সমূহ ঠিকাদাৰৰ জৰিয়তে কৰা হৈছেনে, জৰ কার্ড থকা বনুৱাৰ দ্বাৰা কৰা হৈছিল জনাবনে? যদি জৰ কার্ড থকা বনুৱাৰ দ্বাৰা কৰোৱা হৈছিল, নামৰ তালিকা, জৰ কার্ড নং আৰু কিমান দিনৰ বাবে কৰোৱা হৈছিল সবিশেষ জনাই তালিকা জমা দিব?

(ঙ) টেঙাবাৰী গাওঁ পঞ্চায়তৰ অন্তর্গত টেঙাবাৰী চৌধুৰীপাৰা পথটি উন্নয়নৰ বাবে কিমান টকা অনুমোদন দিয়া হৈছিল জনাবনে? উক্ত পথটিৰ কাম কেতিয়াৰ পৰা আৰম্ভ কৰা হৈছিল আৰু কেতিয়াকৈ শেষ হব জনাবনে? কামটো জব কার্ড থকা বনুৱাৰ দ্বাৰা কৰোৱা হৈছেনে? যদি হৈছে, নাম আৰু জব কার্ড নং সহ তালিকা দাখিল কৰিবনে?

শ্রীৰকিবুল হুছেইন (গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কলাইগাওঁ সমষ্টিৰ কলাইগাওঁ খৈৰাবাৰী উন্নয়ন খণ্ডৰ অধীনত থকা গাওঁ পঞ্চায়ত ও VCDC ৰ সংখ্যা, সভাপতিৰ নাম উল্লেখ কৰি তলত দিয়া হ'ল—

কলাইগাওঁ—	VCDC –	14	
	G.P. –	10	
খৈৰাবাৰী—	VCDC –	5	

কলাইগাওঁ

গাওঁ পঞ্চায়তৰ নাম	সভাপতিৰ নাম
1. Lakhimpur	Makoni Saikia
2. Panbari	Nur Ambia Ahmed
3. Borbayan	Subhash Debnath
4. Rajapukhuri	Jahanara Begum
5. Sarutila	Hasmal Ali
6. Bhurargarh	Suntara Deka
7. Namkhola	Paneswar Kalita
8. Bherberibil	Rafika Begum
9. Quntala	Robita Deka
10. Tengabari	Padum Mahanta

কলাইগাওঁ উঃ খঃ

ভি চি ডি ছি ৰ নাম		সভাপতিৰ নাম
১) ভূয়াঘাট	—	শ্রীবাবুল কছাৰী
২) কছাৰীতল	—	শ্রীপদুম ৰাভা
৩) ভকতপাৰা	—	শ্রীহৰেণ বড়ো
৪) বালিপাৰা	—	শ্রীজগদীশ মণ্ডল
৫) নাগৰিপাৰা	—	শ্রীবকুল বড়ো
৬) কলাইগাওঁ টাউন	—	শ্রীসমৰেন্দ্র দাস
৭) নিজ কলাইগাওঁ	—	শ্রীসুনিল সৰকাৰ
৮) চেংগাপথাৰ	—	শ্রীলক্ষী বড়ো
৯) গেৰুৰা	—	শ্রীমোজামিল হক
১০) ঝাৰগাওঁ	—	শ্রীপ্রসেন নাৰ্জাৰী
১১) ডুমুৰুগুৰি	—	শ্রীপলব দেমাৰী
১২) টেপাখাট	—	শ্রীটংকেশ্বৰ বড়ো
১৩) ৰাণীপুখুৰী	—	শ্রীহবি আলী
১৪) মাজৰচুৰা	—	শ্রীমহিৰাম বড়ো

খৈৰাবাৰী উঃ খঃ

VCDC ৰ নাম		সভাপতিৰ নাম
১) খৈৰাবাৰী	—	শ্রীঅনিল বড়ো
২) কুহিয়াৰ কুচি	—	শ্রীবিনাৰাম বড়ো
৩) মকলিয়াপাৰা	—	শ্রীবাসু বসুমতাৰী
৪) ঝাৰগাওঁ	—	শ্রীশশীধৰ ডেকা
৫) নিজ চিনাকোনা	—	শ্রীসংনল বড়ো

(খ) ২০১০-১১ চনত কলাইগাওঁ উন্নয়ন খণ্ড (ওদালগুৰি জিলা) ৰ অধীনত ৮৪৯ সংখ্যক হিতাধিকাৰীৰ মাজত ইন্দিৰা আৱাস যোজনাৰ গৃহ আৱণ্টন

দিয়া হৈছে। ইয়াৰ ৭৩৪টা ঘৰ সম্পূৰ্ণ হৈছে।

সেইমতে খৈৰাবাৰী উন্নয়ন খণ্ডৰ অধীনত ৪৬৫ সংখ্যক হিতাধিকাৰীৰ মাজত ইন্দিৰা আৱাস যোজনাৰ গৃহ আৱণ্টন দিয়া হৈছে। ইয়াৰ ৩৯০ টা ঘৰ সম্পূৰ্ণ হৈছে।

হিতাধিকাৰী সকলৰ নামৰ বিপৰীতে ID নং সহ তালিকা পৰিশিষ্ট— ক আৰু খ ত ক্ৰমে গাঠি দিয়া হ'ল। **(See Annexure-XXIII)**

(গ) মহত্মাগান্ধী ৰাষ্ট্ৰীয় চড়ক যোজনা বুলি কোনো আঁচনি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ৰূপায়ণ নকৰে।

(ঘ) প্ৰশ্ন নাহে।

(ঙ) প্ৰশ্ন নাহে।

বিষয় ঃ উন্নয়ন খণ্ড পৰিবৰ্ত্তন।

শ্ৰীশৰৎ শইকীয়াই সুধিছে ঃ

২১৬। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰ জ্ঞাতনে, মাহমৰা বিধান সভা সমষ্টিৰ তিনিখন গাওঁ পঞ্চায়ত ক্ৰমে গড়গাওঁ, শিলাকুটি আৰু লাকুৰা এই কেইখন খেলুৰা উন্নয়ন খণ্ডৰ পৰা লাকুৰা খণ্ড উন্নয়নলৈ পৰিবৰ্তন বিচাৰি ২০০১ চনৰ পৰা চৰকাৰৰ লগত যোগাযোগ কৰিও আজিকোপতি কোনো সুফল পোৱা নাই?

(খ) যদি জ্ঞাত, তেন্তে এই পঞ্চায়ত তিনিখনক শিৱসাগৰ বিধান সভা সমষ্টিৰ অন্তৰ্গতৰ পৰা লাকুৰা খণ্ড উন্নয়নলৈ পৰিবৰ্তন কৰি উক্ত অঞ্চলবোৰৰ উন্নয়ন সম্ভৱ কৰি তুলিবনে?

(N.B.—Transfer of Jurisdiction of Development Block)

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) আৰু (খ) বিতং প্রস্তাৱ পালে বিবেচনা কৰা হব।

বিষয় ঃ ভুপেন হাজৰিকা সাংস্কৃতিক কেন্দ্র স্থাপন।

শ্রীকমলসিং নার্জাৰী য়ে সুধিছে ঃ

২১৭। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত বর্তমানে জিলা আৰু মহকুমা পর্য্যায়ত কিমানটা সাংস্কৃতিক কেন্দ্র আছে? উক্ত কেন্দ্র সমূহে সাংস্কৃতিক বিকাশত কি ভূমিকা পালন কৰিছে? (সবিশেষ তথ্য সহ দিব)

(খ) প্রতিখন জিলা আৰু মহকুমা সদনত একোখনকৈ ড° ভুপেন হাজৰিকা সাংস্কৃতিক কেন্দ্র মুকলি কৰি উক্ত কেন্দ্র সমূহ সক্রিয় কৰাৰ বিষয়ে চৰকাৰে বিবেচনা কৰিবনে?

(গ) প্রতিখন পঞ্চায়ত অথবা সমপর্য্যায়ৰ এলেকা সামৰি একোখনকৈ বিষ্ণু ৰাভা সাংস্কৃতিক মঞ্চ স্থাপন কৰি জিলা বা মহকুমা পর্য্যায়ৰ সাংস্কৃতিক কেন্দ্রৰ সৌজন্যত মাহেকত একোখনকৈ সাংস্কৃতিক অনুষ্ঠানৰ ব্যৱস্থা কৰা হ'বনে?

শ্রীমতী প্রণতি ফুকন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যত বর্তমানে সর্বমুঠ ৩৬ টা সাংস্কৃতিক কেন্দ্র আছে। এই সাংস্কৃতিক কেন্দ্রসমূহ জিলা বা মহকুমা ভিত্তিত স্থাপন কৰা হোৱা নাই।

এই সাংস্কৃতিক কেন্দ্রসমূহৰ জৰিয়তে সংশ্লিষ্ট অঞ্চল সমূহিৰ থলুৱা লোককৃষ্টি, গীত-নাট আদিৰ প্ৰশিক্ষণ কৰ্মশালা আৰু জনজাতীয় উৎসৱ অনুষ্ঠিত কৰি অহা হৈছে। সবিশেষ তথ্য পৰিশিষ্টি 'ক' ত সংস্থাপন কৰা হৈছে।

(খ) বৰ্তমানলৈকে চৰকাৰৰ হাতত তেনে কোনো প্ৰস্তাৱ নাই।

(গ) প্ৰতি বছৰে ২০ জুন তাৰিখে চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয় তথা ৰাজ্যখনৰ বিভিন্ন সাংস্কৃতিক কেন্দ্রসমূহৰ জৰিয়তে বিষ্ণুৱাভা দিবস উদ্‌যাপন কৰা হয়। গতিকে পৃথককৈ বিষ্ণুৱাভা সাংস্কৃতিক মঞ্চ স্থাপন কৰাৰ প্ৰস্তাৱ চৰকাৰৰ হাতত বৰ্তমানে নাই।

বিষয় ঃ অবৈধ কাঠৰ মিল আৰু গঁড় হত্যা।

শ্ৰীৰাজু চাহু য়ে সুধিছে ঃ

২১৮। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰ্তমান ডিব্রুগড় আৰু তিনিচুকীয়া জিলাত অবৈধ কাঠৰ মিল চলি থকাটো সত্যনে?

(খ) যদি সত্য, তেন্তে কেতিয়াকৈ এই অবৈধ মিল সমূহ বন্ধ কৰিব জনাবনে?

(গ) এইটো সত্যনে, বৰ্তমানেও গঁড় হত্যা হৈ আছে?

(ঘ) যদি সত্য, তেন্তে গঁড় হত্যা বন্ধৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে। অনুগ্রহ কৰি জনাবনে?

শ্ৰীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমান ডিব্রুগড় আৰু তিনিচুকীয়া জিলাত কোনো ধৰণৰ অবৈধ কাঠৰ মিল

চলি থকাৰ তথ্য নাই কিন্তু মাজে-সময়ে এনেধৰণৰ অবৈধ মিলৰ বিষয়ে সম্ভেদ পালে ভাঙি ব্যৱহাৰৰ অনুপযোগী কৰি পেলোৱা হয় আৰু দোষীৰ বিৰুদ্ধে যাবতীয় আইনগত ব্যৱস্থা গ্ৰহণ কৰা হয়।

(খ) প্ৰশ্ন নুঠে।

(গ) বিগত বছৰ সমূহতকৈ ক্ৰমান্বয়ে গঁড় হত্যাৰ সংখ্যা কমি আহিছে যদিও মাজে-সময়ে গঁড় হত্যা হৈ আছে।

(ঘ) গঁড় হত্যা বন্ধ কৰিবৰ বাবে চৰকাৰে সময়ে-সময়ে নানা ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে।

তলত উল্লেখ কৰা পদক্ষেপ সমূহ জনোৱা হ'ল।

(ক) 'বন্যপ্ৰাণী সংৰক্ষণ আইন' ১৯৭২ চনৰ ৫১ ধাৰা সংশোধন কৰি চোৰাং চিকাৰী বিলাকৰ শাস্তি বৃদ্ধি কৰা হৈছে যাতে আজীৱন কাৰাবাস পৰ্য্যন্ত হয়।

(খ) বন আৰু বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে প্ৰত্যেক বনকৰ্ম্মীক আগ্নেয়াস্ত্ৰ ব্যৱহাৰ কৰিব পৰা শক্তি প্ৰদান কৰা হৈছে।

(গ) দিনে-নিশাই বন কৰ্ম্মচাৰী, বন সুৰক্ষা বাহিনী আৰু গৃহৰক্ষী বাহিনীৰ জৰিয়তে পহৰাৰ ব্যৱস্থা কটকটীয়া কৰা হৈছে।

(ঘ) ওচৰ-চুবুৰীয়া গাওঁসমূহত অৰ্থনৈতিক উন্নয়ন সমিতি (Eco-Development Committee) গঠন কৰা হৈছে আৰু গাওঁবাসীক বন্যপ্ৰাণী ৰক্ষাৰ কামত তেখেতসকলৰ সহযোগ লোৱা হৈছে।

(ঙ) গঁড় থকা বন্যপ্ৰাণী অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানত Infrastructure যেনে-Wireless Communication, Anti-poaching Camp, Fire-arms, Boats, Vehicles, Road network ইত্যাদি উন্নত কৰা হৈছে।

(চ) সংলগ্ন বিভাগসমূহৰ মাজত জিলাভিত্তিত সংযোজন সমিতি গঠন কৰি তেওঁলোকৰ পৰা ফলপ্রসূ সহযোগ গ্রহণ কৰা হৈছে।

(ছ) বনাঞ্চলৰ ঠাই বিশেষে বৈদ্যুতিক বেৰ (Solar electric fencing) দিয়াৰ ব্যৱস্থা কৰা হৈছে।

(জ) বনাঞ্চলৰ দাঁতি কাষৰীয়া ৰাইজৰ মাজত বন্য জীৱ-জন্তু আৰু গছ-গছনি সংৰক্ষণৰ বাবে সজাগতা শিবিৰৰ ব্যৱস্থা লোৱা হৈছে।

বিষয় ঃ পশুধন সুৰক্ষা।

শ্রীদিলীপ মৰাণে সুধিছে ঃ

২১৯। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ বনাঞ্চল, ৰাষ্ট্রীয় উদ্যান সমূহত বর্তমান হাতী, গঁড়, ঢেকীয়াপতীয়া বাঘৰ সংখ্যা কিমান?

(খ) ২০০৬-২০১১ বর্ষত চোৰাং চিকাৰীৰ দ্বাৰা কিমানটা গঁড় হত্যা কৰা হ'ল? এই হত্যাৰ সৈতে জড়িত কিমানজন চোৰাং চিকাৰী কৰায়ত্ব কৰা হৈছে আৰু কিমানজন চোৰাং চিকাৰী দণ্ডিত কৰা হৈছে?

(গ) অসমৰ বন বিভাগৰ অধীনত মুঠতে কিমানজন বন-সুৰক্ষা কর্মী নিযুক্ত হৈছে?

(ঘ) কিমানজনৰ চাকৰি নিয়মীয়া আৰু কিমানজনে অস্থায়ী ভাবে কাম কৰি আছে? অস্থায়ী বন সুৰক্ষা কর্মীৰ দৰমহাৰ গাথনি কি?

(ঙ) কোন বনাঞ্চলত কিমানজন সুৰক্ষা কর্মীয়ে আৰু কোন ৰাষ্ট্রীয় উদ্যানত কিমানজন সুৰক্ষা কর্মীয়ে কাম কৰি আছে?

শ্রীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ বনাঞ্চল, ৰাষ্ট্রীয় উদ্যান সমূহত বর্তমান হাতী, গঁড়, ঢেকীয়া-পতীয়া বাঘৰ সংখ্যা তলত দিয়া হ'ল—

২০১১ চনৰ পিয়লমতে বনৰীয়া হাতীৰ সংখ্যা— ৫৬২০ টা।

২০০৯ চনৰ পিয়লমতে গঁড়ৰ সংখ্যা— ২২০১ টা।

২০১০ চনৰ গনণামতে ঢেকীয়াপতীয়া বাঘৰ সংখ্যা—১৪৩ টা।

(খ) ২০০৬-২০১১ বৰ্ষলৈ চোৰাং চিকাৰীৰ দ্বাৰা হত্যা হোৱা গঁড়ৰ সংখ্যা তলত দিয়া হ'ল—

২০০৬—০৯ টা।

২০০৭—২১ টা।

২০০৮—১৬ টা।

২০০৯—১৫ টা।

২০১০—০৭ টা।

২০১১—০৮ টা।

উক্ত হত্যাৰ লগত জড়িত কৰায়ত্ব কৰা চোৰাং চিকাৰীৰ সংখ্যা তলত দিয়া হ'ল—

২০০৯— ৩৫ টা।

২০১০— ৫৯ টা।

২০১১— ৬৮ টা।

কৰায়ত্ব কৰা চোৰাং চিকাৰীৰ গোচৰ সমূহ আদালতত বিচাৰাধীনহৈ আছে।

(গ) অসমৰ বন বিভাগৰ অধীনত বৰ্তমান ১ম অসম বন সুৰক্ষা বাহিনীৰ অধীনত ৭৭৮ জন বন সুৰক্ষা জোৱান (AFPF) কৰ্মৰত অৱস্থাত আছে আৰু ২য় অসম বন সুৰক্ষা বাহিনীৰ অধীনত ৭২৫ জন বন সুৰক্ষা জোৱান বিভিন্ন প্ৰশিক্ষণ কেন্দ্ৰত প্ৰশিক্ষণৰত অৱস্থাত আছে।

(ঘ) অসমৰ বন সুৰক্ষা বাহিনীত কোনো অস্থায়ী কৰ্মচাৰী নাই। সকলো নিয়মীয়া কৰ্মচাৰী।

(ঙ) বৰ্তমান অসমৰ বিভিন্ন বন সংমণ্ডল সমূহৰ অধীনত বিভিন্ন স্থানত-৭০৪ জন আৰু ৰাষ্ট্ৰীয় উদ্যানত ৭৪ জন বন সুৰক্ষা জোৱান কৰ্মৰত অৱস্থাত আছে। বিশদ তালিকা সংলগ্ন কৰি দিয়া হৈছে।

(See Annexure-XXIV)

বিষয় ঃ গৃহ মেৰামতি।

শ্ৰীমতী সুমিত্ৰা দলে পাতিৰে সুধিছে ঃ

২২০। মাননীয় পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধেমাজি সমষ্টিৰ প্ৰায় বিলাক পশু চিকিৎসালয় আৰু বিষয়া কৰ্মচাৰীৰ গৃহ সমূহ জৰা-জীৰ্ণ অৱস্থাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, তেন্তে কেতিয়া মেৰামতি কৰি ব্যৱহাৰোপযোগী কৰি তুলিব?

শ্ৰীখৰ ছিং ইংতি (পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ধেমাজি সমষ্টিৰ প্ৰায় বিলাক পশু চিকিৎসালয়ৰ গৃহ সমূহ জৰাজীৰ্ণ অৱস্থাত থকাৰ বিষয়ে চৰকাৰ জ্ঞাত।

(খ) ইতিমধ্যে অকাজান আৰু ৰৱদলনি চিকিৎসালয় দুখনৰ পুনৰ নিৰ্মাণৰ কাম কেন্দ্ৰীয় চৰকাৰৰ ESVHD আঁচনিৰ অধীনত চলি আছে। জামুগুৰি,

পাঁচআলি আৰু বিজয়পুৰ উপ স্বাস্থ্য কেন্দ্ৰৰ পুনৰ নিৰ্মাণৰ কাম ৰাজ্যিক পৰিকল্পনা শিতানৰ পুঁজিৰ দ্বাৰা কৰি থকা হৈছে।

ধেমাজি পশুচিকিৎসালয়ৰ পুনৰ নিৰ্মাণৰ কাম ESVHD আঁচনিৰ অধীনত গ্ৰহণ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে।

বিষয় ঃ হাতীৰ উপদ্ৰপ।

শ্ৰীশিৱচৰণ বসুমতাৰীয়ে সুধিছে ঃ

২২১। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ দুধনৈৰ বিভিন্ন অঞ্চলত বনৰীয়া হাতীৰ উপদ্ৰপ চলি থকাৰ পৰিপ্ৰেক্ষিতত প্ৰতিৰোধৰ বাবে বিহীত ব্যৱস্থা লৈছেনে?

(খ) যদি লৈছে, কেনেকুৱা ব্যৱস্থা লৈছে?

শ্ৰীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সম্ভৱপৰ ব্যৱস্থা লোৱা হৈছে।

(খ) বনৰীয়া হাতীৰ উপদ্ৰপ প্ৰতিৰোধৰ কাৰণে গোৱালপাৰা সংমণ্ডল প্ৰাধিকাৰীৰ কাৰ্য্যালয়ত নিয়ন্ত্ৰণ কোঠালী খোলা হৈছে। দুটা উপদ্ৰপ প্ৰতিৰোধকাৰী তহলদাৰী দল গঠন কৰা হৈছে। বনৰীয়া হাতীৰ উপদ্ৰপৰ সংবাদ পোৱাৰ লগে-লগে উপদ্ৰপ স্থলীত তহলদাৰী দল উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত হাতীৰ জাক আঁতৰাই পঠোৱাৰ বাবে বিহীত ব্যৱস্থা গ্ৰহণ কৰা হয়।

Sub : Diversion of Forest Land.

Shri G.C Langthasa asked :

222. Will the Minister of Forest be pleased to state :—

(a) Whether the Dima Hasao Autonomous Council has received

the compensation from the Government due to the afforestation of diversion of Forest Land in the district of Dima Hasao? If so, when it was received and if not, state the reason why it is so late?

(b) Whether the Environment Department of the Govt. of Assam is maintaining the environmental law by setting up various Industries in the State of Assam particularly in Umrangso area under Dima Hasao district like Cement Factories?

(c) Whether the Industry Department has set-up new factory i.e Joy Prakash Cement India Ltd. (J.P. Cement) factory in Umrangso area? (19 K.M. near Binay Cement)

(d) Whether any compensation has been made to the Dima Hasao Autonomous Council, Haflong for setting up of the Industry, if not the order may be suspended the Cement Factory may not be allowed to set up because of the serious complains of the people of the area?

Shri Rockybul Hussain (Minister of Environment & Forest) replied :

(a) The diversion of Reserve Forest land has been approved by the Govt. of India in the District of Dima Hasao in the year 2009, 2010 & 2011 the total area involved 183.07 Ha. to the following User Agency as per the Ministry of Environment & Forest approval. The details is given below :–

Sl. No.	Name of User Agency	Name of the Project & Reserve Forest	Diversion Area (Area in Ha.)	Amount received against Compensa-tory Afforestation for user agency	Govt. India final approval letter
1	The Project Director, N.H.A.I., PIU Lumding, Nagaon	Diversion of forest land for Upgradation & 4 lanning NH-54 in Langting Mupa R.F.	148.50	Rs. 1,07,43,890.00	F. No.8-30/-2006-FC, dated 23/03/2010
2.	The Project Director, N.H.A.I., PIU, Silchar	Diversion of forest land for Mibong Harangajao NH-54 under Borail R.F.	6.60	Rs. 9,23,683.00	No. 3-ASC 074/2006-SHI/2203-06, dated 22/11/2011
3.	The Chief Manager, Power Grid Corporation Ltd., Jaintia Hilla, Distrist-Meghalaya	Diversion of forest land for 132 KV S/C Khandong Kapili Transmission line under Krunming R.F.	27.97	Rs. 16,80,000.00	No.3-ASC 067 /2008-SHI/238 -40, dated 18/05/2009
	Total		**183.07**	**Rs. 1,33,47,573.00**	

An amount of Rs. 40,31,306.00 (Rupees forty lakhs thirty one thousand three hundred and six) only has been released against Compensatory Afforestation to the D.F.O., North Cachar Hills Division, Haflong (now Dima Hasao) against 1st instalment during the year 2011-12 as per State Govt. approved "Annual Plan of Operation" of implementation of CAMPA Fund.

The balance amount will be released after received of the utilization certificate from the D.F.O., North Cachar Hills Division, Haflong in due course.

(b) Yes.

(c) & (d) Information sought for Department concerned.

বিষয় ঃ BPL Wait List.

শ্রীআলী হুছেইনে সুধিছে ঃ

২২৩। মাননীয় গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ-

(ক) ৰাজ্যৰ বহু দুখীয়ালোক পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগে প্রস্তুত কৰা BPL Wait List ত অন্তর্ভুক্ত নোহোৱা বিষয়টো চৰকাৰৰ জ্ঞাত নে?

(খ) BPL তালিকাত নথকা অথচ অতিকৈ দৰিদ্র লোক সকলে ইন্দিৰা আৱাস গৃহ, অনাময় আঁচনি আদি আঁচনি সমূহৰ পৰা বঞ্চিত হৈ থকা বিষয়ে চৰকাৰ জ্ঞাতনে?

(গ) যদি জ্ঞাত, এই দৰিদ্ৰ লোক সকলৰ কাৰণে চৰকাৰে কোনো বিশেষ আঁচনি হাতত লবনে?

(ঘ) যদি লয়, কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰিব?

(ঙ) নতুনকৈ BPL ৰ ব্যৱস্থা চৰকাৰে কৰিবনে? যদি কৰে, কেতিয়াৰ পৰা কৰিব?

শ্ৰীৰকিবুল হুছেইন (গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) BPL তালিকাখন ২০০২ চনতে সকলো BPL পৰিয়ালক সাঙুৰিলে প্ৰস্তুত কৰা হৈছিল। তেতিয়া কোনো পৰিয়াল অন্তৰ্ভুক্ত নোহোৱাটো চৰকাৰৰ জ্ঞাত নাছিল।

(খ) জ্ঞাত নহয়।

(গ) এতিয়ালৈ কোনো পৰিকল্পনা নাই।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) হয়। BPL তালিকা নতুনকৈ প্ৰস্তুত কৰনৰ কাম হাতত লোৱা হৈছে। নতুন BPL তালিকা "আৰ্থসামাজিক আৰু জাতি পিয়ল, ২০১১" সমাপ্ত হোৱাৰ পাছত প্ৰস্তুত কৰা হব।

বিষয় ঃ শিল্পী পেঞ্চন।

শ্ৰীব্ৰতোৰা মুণ্ডাই সুধিছে ঃ

২২৪। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শিল্পী পেঞ্চন প্ৰদানৰ ক্ষেত্ৰত চৰকাৰে কি কি নিয়ম নীতিৰে, শিল্পীসকলক পেঞ্চন প্ৰদান কৰা হয়?

(খ) ২০০৬ চনত 'বকুল বন বঁটা' আৰু ২০০৮ চনত 'প্ৰতিমা পান্ডে বৰুৱা' বঁটা প্ৰাপ্ত ঢোলৰ ওজা তুলসী (নেওগ) ওজাই যোৱা তিনিটা বিত্তীয় বৰ্ষত পেঞ্চনৰ বাবে আবেদন কৰাটো চৰকাৰৰ অৱগতনে? যদি অৱগত, কিয় আজি পৰ্য্যন্ত এই দৰিদ্ৰ শিল্পী গৰাকী পেঞ্চনৰ পৰা বঞ্চিত হৈ আছে?

(গ) বঞ্চিত ঢোলৰ ওজা, তুলসী ওজা ডাঙৰীয়াক এই বৰ্ষত শিল্পী পেঞ্চন দিয়াৰ বাবে চৰকাৰে ব্যৱস্থা লবনে?

শ্ৰীমতী প্ৰণতি ফুকন (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৭ চনৰ অসম শিল্পী পেঞ্চন তথা শিল্পী পৰিয়ালৰ বিশেষ পেঞ্চন অধিনিয়ম (Assam Award of Pension to Artists and Special Pension to their Families Rules, 1987) অনুযায়ী কলা আৰু সংগীতৰ ক্ষেত্ৰত বিশিষ্ট/বিশেষ উল্লেখনীয় অৰিহনা আগবঢ়োৱা শিল্পীক আৰু শিল্পীসকলৰ মাজৰ দুৰ্দশাগ্ৰস্থ শিল্পীৰ পৰিয়ালক সকাহ দিবলৈ আৰু পুনৰ সংস্থাপনৰ বাবে সহায় হিচাবে শিল্পীপেঞ্চন প্ৰদান কৰা হয়।

(খ) অৱগত, সীমিত সংখ্যক শিল্পীক পেঞ্চন দিয়া হোৱা কাৰণে বৰ্তমানলৈকে শিল্পী পেঞ্চন বাছনি তালিকাত তুলসী ওজাৰ নাম এতিয়ালৈকে অন্তৰ্ভূক্ত হোৱা নাই।

(গ) বাছনি সমিতিয়ে বিধিগত ভাবে আবেদন আহিলে বিচাৰ কৰিব।

বিষয় ঃ হাতী আৰু মানুহৰ সংঘাট।

শ্ৰীস্বপন কৰে সুধিছে ঃ

২২৫। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমানলৈকে অসমৰ কোন কোন অঞ্চল হাতী আৰু মানুহৰ সংঘাট প্ৰৱণ

অঞ্চল বুলি চিনাক্ত কৰা হেছে? (জিলা ভিত্তিত জনাব)

(খ) বিগত ৫ (পাচঁ) বছৰত নগাওঁ জিলাত উক্ত সংঘাতৰ পৰিণতিত কিমানজন মানুহ আৰু কিমানটা হাতীৰ মৃত্যু হ'ল?

(গ) হাতী আৰু মানুহৰ সংঘাতত হোৱা ক্ষয়ক্ষতিৰ ক্ষতিপুৰণৰ কি কি ব্যৱস্থা আছে?

(ঘ) বিগত ৫ (পাচঁ) বছৰত লামডিং সমষ্টিৰ বিভিন্ন অঞ্চলত সংঘাতৰ পৰিণতিত ক্ষতিগস্ত পৰিয়াললৈ চৰকাৰী সাহায্যৰ খতিয়ান সদনত দাখিল কৰিবনে?

শ্ৰীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ নিম্নলিখিত জিলাসমূহ হাতী আৰু মানুহৰ সংঘাট প্ৰৱণ বুলি চিনাক্ত কৰা হেছে; ওদালগুৰি, তিনিচুকীয়া, শোণিতপুৰ, গোলাঘাট, কাৰ্বিআংলং, কামৰূপ, যোৰহাট, গোৱালপাৰা, বাকসা, ডিব্ৰুগড়, নগাওঁ, শিৱসাগৰ জিলা।

(খ) বিগত ৫ (পাঁচ) বছৰত

মৃতলোকৰ সংখ্যা — ২৭ জন।

মৃত হাতীৰ সংখ্যা — নাই।

(গ) হাতী আৰু মানুহৰ সংঘাটত হোৱা ক্ষয়-ক্ষতিৰ ক্ষতিপূৰণৰ ব্যৱস্থা সমূহ তলত দিয়া হ'ল—

(১) চৰকাৰী অধিসূচনা নং এফ্ আৰ পি/৫২/২০০৭/৩৫, তাং ০৬/০৩/২০১০ মতে মৃত্যু হোৱা লোকক নগদ ১,০০,০০০ টকা সাহায্য প্ৰদান কৰা হয়।

(২) উক্ত অধিসূচনা মতে আহত হোৱা ব্যাক্তিক ১০,০০০-২০,০০০ টকালৈকে সাহায্য প্ৰদান কৰা হয়।

(৩) সেইদৰে আবাসিক গৃহ আৰু খেতি নষ্ট কৰিলে ক্ষতিপূৰণ হিচাপে ক্ৰমে ২,০০০-৫,০০০ আৰু ১,০০০-৫,০০০ টকালৈকে সাহায্য প্ৰদান কৰা হয়।

(৪) সেইদৰে একে অনুদানমতে পোহনীয়া জীৱ-জন্তু ক্ষতি হ'লে প্ৰতিটো পৰিয়ালক ২,৫০০ টকালৈ সাহায্য প্ৰদান কৰা হয়।

(ঘ) বিগত ৫ (পাঁচ) বছৰত লামডিং সমষ্টিৰ অন্তৰ্গত নগাওঁ দক্ষিণ বন প্ৰাধিকাৰীৰ অধীনত বিভিন্ন অঞ্চলত তলত দিয়া ধৰণে সাহায্য প্ৰদান কৰা হৈছে।

চন	অনুদানৰ পৰিমান
২০০৭-০৮ } ২০০৮-০৯	১৯,৯৭,৩৫০.০০ টকা
২০০৯-১০	৩,৭৯,৯০০.০০ টকা
২০১০-১১	৬,২৮,৮০০.০০ টকা
২০১১-১২	দিবলৈ আছে

বিষয় ঃ জ্যোতি বিষ্ণু প্ৰকল্প।

শ্ৰীকেশৰ মহন্তই সুধিছে ঃ

২২৬। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে ঘোষণা কৰা ধৰণে জ্যোতি বিষ্ণু প্ৰকল্প ৰাজ্যখনৰ কোন কোন স্থানত নিৰ্মাণ কৰা হৈছে?

(খ) বৰ্তমান আৰু কোন কোন স্থানত নিৰ্মাণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে? এই নিৰ্মাণৰ বাবে প্ৰতিটো প্ৰকল্পৰ বিপৰীতে কিমান ধাৰ্য্য কৰা হৈছে?

(বিতং তথ্য দিব)

শ্রীমতী প্রণতি ফুকন (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) গোলাঘাট, মুকালমুৱা, চন্দ্রপুৰ, ছিপাঝাৰ আৰু পাঠশালাত নিৰ্মাণ কৰি থকা হৈছে।

(খ) বৰ্তমান নাহৰকটীয়া, জয়সিদ্ধি (শোণিতপুৰ), হাইলাকান্দি আৰু মানকাছাৰত জ্যোতি বিষ্ণু সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

প্ৰতিটো প্ৰকল্পৰ বিপৰীতে ৩৩.০০ লাখ (ত্ৰিশ লাখ) কৈ টকা ধাৰ্য্য কৰা হৈছে।

Sub : Building of Veterinary Sub-Division office.

Shri Kripa Nath Mallah asked :

227. Will the Minister of Veterinary be pleased to state :—

(a) Whether Govt. is aware about the fact that Veterinary S.D.O. office at Ramkrishna Nagar is in delapidated condition?

(b) If so, will the Govt. instruct the concerned Engineer to submit estimate for construction of a new building preferably R.C.C. type?

(Place copy of such instruction)

(c) Has Government already placed fund for the purpose?

Shri Khor Sing Engti (Minister of Veterinary) replied :

(a) Yes, the Government is aware that the S.D.O. office at Ramkrishna Nagar is in delapidated condition.

(b) The necessary plan and estimate has already been prepared by the Department.

(c) No fund has yet been earmarked for the above work due to non-availability of fund.

বিষয় ঃ NREGA আঁচনি।

শ্রীমনোৰঞ্জন দাসে সুধিছে ঃ

২২৮। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৪২ নং পাটাছাৰকুছি সমষ্টিৰ এলেকাত (1) Development of Fisciculture and Afforestation at Shiv Mandir at Dakhin Rehabari (2) Erosion Protection measure at the Easternside of river Kaldia at the Upstream and down stream at Rehabari works at Chaibari alongwith coop cutting (3) Development of Fisciculture and Afforestation at G.P. Office Complex (Manikpur) আদি কৰি কেইটামান আঁচনি NREGA-2007-08 বৰ্ষত ধৰিছিল। প্রতিটো আঁচনিত কিমান টকা ধার্য্য হৈছিল আৰু Materials আৰু Mandays ৰ বা আনুপাতিক হিচাপত কিমান টকা খৰচ হ'ল?

(খ) কিয়ান জন জব কার্ড কর্মীয়ে প্রত্যেক আঁচনিৰ বিপৰীতে কিমান দিনৰ কাম পাইছিল?

(জব কার্ড কর্মী সকলৰ নাম আৰু ঠিকনা সহ তালিকা দাখিল কৰিব)

(গ) NREGA আঁচনিৰ বিপৰীতে সংগৃহীত মানিকপুৰ গাওঁ পঞ্চায়ত এলেকা

আদি বিভিন্ন স্থানত বহু Material পৰি থকাটো সত্যনে?

(ঘ) যদি সত্য, তেন্তে এইখিনি কিমান মান টকাৰ Materials হিচাব পাৰে?

(ঙ) পৰি থকা Materials বোৰৰ বাবে টকা দিয়া হৈছেনে?

(চ) যদি হৈছে, কিমান টকা কোন বিধ Materials ৰ বাবে দিয়া হ'ল?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০৭-০৮ বৰ্ষত NREGA ত ধৰা আঁচনিত (1) Dev. of Fisciculture and Afforestation at Shiv Mandir at Dakhin Rehabari E/A Rs. 35.00 L (2) Erosion protection measure at the Eastern side of river Kaldia at the Upstream and down stream at Rehabari works, at Chalbari along with Loop Cutting E/A Rs.125.00 L. (3) Dev. of Fisciculture and afforestation at G.P. Office Complex (Manikpur) E/A Rs.35.00 L.

Materials আৰু Mandays ৰ আনুপাতিক খৰচ তলত দিয়া ধৰণে হৈছে

(i) Materials – 13.42 L.
Wages – 11.05 L.

(ii) Materials – 56.88 L.
Wages – 30.62 L.

(iii) Materials – 15.95 L.
Wages – 8.55 L.

(খ) প্রত্যেক আঁচনিৰ বিপৰীতে তলত দিয়া ধৰণে জৰকাৰ্ড কৰ্মীয়ে শ্রমদান কৰিছিল।

(ক) নং প্রশ্নৰ ১নং আঁচনিক ৬৪৬ জন বনুৱাই মুঠ ১৪,৩৪২ দিন।

(ক) নং প্রশ্নৰ ২নং আঁচনিৰ ২,৩১০ জন বনুৱাই মুঠ শ্রমদান কৰে ৩৯,৭৬৬ দিন।

(ক) নং প্রশ্নৰ ৩নং আঁচনিৰ ৩৫৬ জন বনুৱাই মুঠ শ্রমদান কৰে ১১,১০৩ দিন।

(গ) সত্য। ওপৰোক্ত ৩নং আঁচনিৰ এখন গ্রীল গেট মানিকপুৰ গাওঁ পঞ্চায়তত বাখি থোৱা আছে। পৰি থকা সামগ্রী সমুহ ব্যৱহাৰৰ ব্যৱস্থা কৰা হৈ আছে। জৰকার্ড কর্মীসকলৰ নাম আৰু ঠিকনা সংগ্রহ কৰি থকা হৈছে।

(ঘ) মুঠ ২৩,০৫০.০০ টকাৰ সামগ্রী আছে।

(ঙ) হোৱা নাই।

(চ) হোৱা নাই।

বিষয় ঃ পঞ্চায়ত আৰু গ্রামোন্নয়নৰ আঁচনি।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

২২৯। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) I.A.Y., I.B.S, Rural Artisan মুখ্যমন্ত্রীৰ গ্রাম বিকাশ যোজনা, মুখ্যমন্ত্রীৰ অন্ন সুৰক্ষা যোজনা, মুখ্যমন্ত্রীৰ বিশেষ আঁচনি, বিদ্যুতজ্যোতি আঁচনি আৰু পঞ্চায়ত আৰু গ্রামোন্নয়নৰ দ্বাৰা রূপায়িত হোৱা অন্যান্য আঁচনি সমূহ

ৰূপায়ণৰ উদ্দেশ্যে প্ৰস্তুত কৰা বিভাগীয় নীতি নিৰ্দেশনা (Guide line) ৰ প্ৰতিলিপি সদনত দাখিল কৰিবনে?

(খ) ২০১০-১১ বিত্তীয় বৰ্ষত জুৰীয়া, মৈৰাবাৰী আৰু বটদ্ৰৱা ব্লকত I.B.S., Rural Artisan, মুখ্যমন্ত্ৰীৰ অন্ন সুৰক্ষা যোজনা আৰু মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত টিনপাত আৰু নগদ ধন লাভ কৰা হিতাধিকাৰী সকলৰ তালিকা সদনত দাখিল কৰিবনে?

(গ) যোৱা বিত্তীয় বছৰত নগাওঁ জিলাৰ কোন কোন ব্লকত কিমান ঘৰ ইন্দিৰা আবাস যোজনাৰ অধীনত নিৰ্মাণ কৰা হৈছে? ধিং সমষ্টিৰ জেঙ্গনি কলাডুবা, বিলটিয়া, লহকৰ আৰু তাতিকাঁটা গাওঁ পঞ্চায়তত যোৱা পাঁচ বছৰত I.A.Y. আঁচনিৰ অধীনত উপকৃত হোৱা হিতাধিকাৰী সকলৰ তালিকা সদনত দাখিল কৰিবনে?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) I.A.Y. আৰু Rural Artisan ৰ নিৰ্দেশনা (Guideline) ৰ প্ৰতিলিপি Annexure-I ত দাখিল কৰা হ'ল।

(খ) ২০১০-১১ বিত্তীয় বৰ্ষত জুৰীয়া আৰু বটদ্ৰৱা উন্নয়ন খণ্ডত ব্যক্তিগত হিতাধিকাৰী আঁচনি (I.B.S.) ৰূপায়ণ কৰা হোৱা নাই। জুৰীয়া আৰু বটদ্ৰৱা উন্নয়ন খণ্ডত Rural Artisan আৰু মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত টিনপাত আৰু নগদ ধন প্ৰাপ্ত হিতাধিকাৰী সকলৰ তালিকা (পৰিশিষ্ট 'ক') ত দিয়া হ'ল। মৈৰাবাৰী উন্নয়ন খণ্ড মৰিগাঁও জিলাৰহে এলেকাধীন।

(গ) যোৱা বিত্তীয় বৰ্ষত অৰ্থাৎ ২০১০-১১ বৰ্ষত কোন কোন উন্নয়ন খণ্ডত কিমান ইন্দিৰা আবাস যোজনাৰ ঘৰ নিৰ্ম্মান কৰা হৈছে তাৰ পৰিসংখ্যা তলত দেখুৱা হৈছে।

ক্রমিক নং	উন্নয়ন খণ্ডৰ নাম	বর্ষ ২০১০-১১	ক্রমিক নং	উন্নয়ন খণ্ডৰ নাম	বর্ষ ২০১০-১১
১	বাজিয়াগাওঁ	৬৫৪	১০	কঠিয়াতলী	১৫৬৯
২	বটমপুৰ	২১৮	১১	খাগৰিজান	৫৯১
৩	বটদ্ৰৱা	২০৬	১২	লাওখোৱা	৬৭৮
৪	বিনাকান্দি	৮৬০	১৩	লামডিং	২০৬
৫	ধলপুখুৰী	১১১৭	১৪	ওদালি	১৭২
৬	দলংঘাট	১০৯৪	১৫	পশ্চিম কলিয়াবৰ	৪৯৪
৭	যোগীজানগাঁও	৫১৫	১৬	পাখিমৰিয়া	১০১৩
৮	জুৰীয়া	৮৬০	১৭	ৰহা	১৬৬৩
৯	কলিয়াবৰ	১৩৫৮	১৮	ৰূপহীহাট	৭৮৮
মুঠ = ১৪,০৫৬ টা					

ধিং সমষ্টিৰ বিলটিয়া গাওঁ পঞ্চায়তত যোৱা ৫ বছৰত I.A.Y. আঁচনিৰ অধীনত উপকৃত হোৱা হিতাধিকাৰী সকলৰ তালিকা পৰিশিষ্ট 'খ' ত সংলগ্ন কৰি দিয়া হৈছে।

যোৱা ২০/৩/২০০৮ তাৰিখে জুৰীয়া উন্নয়ন খণ্ডৰ কার্য্যালয়টো অগ্নিকাণ্ডত সম্পূর্ণভাৱে ভস্মীভূত হোৱাৰ বাবে খণ্ড উন্নয়ন বিষয়াই ২০০৬-০৭ আৰু ২০০৭-০৮ বর্ষৰ জেঙ্গনি কলাডুৰা গাওঁ পঞ্চায়তত I.A.Y. আঁচনিত উপকৃত হোৱা হিতাধিকাৰী সকলৰ তালিকা দাখিল কৰিব পৰা হোৱা নাই বুলি জনাইছে। উক্ত উন্নয়ন খণ্ডৰ ২০০৮-০৯,২০০৯-১০, ২০১০-১১ বর্ষৰ হিতাধিকাৰীৰ তালিকা পৰিশিষ্ট 'গ' ত গাঠি দিয়া হ'ল।

বিষয় ঃ কুকুৰা পালন ফার্মৰ বিষয়ে।

শ্রীৰাজেন বৰঠাকুৰে সুধিছে ঃ

২৩০। মাননীয় পশুপালন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) তেজপুৰ চহৰত বাৰিকা চুবুৰী অঞ্চলত অৱস্থিত পশুপালন বিভাগৰ এখন কুকুৰা পালনৰ ফার্ম থকাটো চৰকাৰৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে ফার্মখন কি অৱস্থাত আছে?

(গ) উক্ত ফার্মৰ বাবে আবন্টিত মাটি কালি তথা পৰিসীমা কিমান আৰু বর্তমান দখলত থকা মাটিৰ পৰিমাণ কিমান? ফার্মখনৰ মাটি বেদখল হৈছে নেকি?

(বিতং তথ্য সদনত দাখিল কৰিব)

শ্রীখৰ ছিং ইংতি (পশুপালন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) বর্তমান ফার্মখন Central sponsored Scheme ৰ অধীনত মুঠ ৫০০ (পাঁচশ) কলিঙ্গ ব্রাউন জাতৰ কুকুৰা সঁচৰ কাৰণে প্রতিপালন কৰি থকা হৈছে।

(গ) বিভাগীয় তথ্যমতে ফার্মৰ নামত ২৭ বিঘা, ২ কঠা আৰু ৮ লেচা মাটি আবন্টিত হৈ আছে। বর্তমান ২৪ বিঘা ২ কঠা ৮ লেচা মাটিহে ফার্মৰ দখলত আছে।

হয়। ফার্মখনৰ মাটি বর্তমানে বেদখল হৈছে। প্রায় ৩ বিঘা মাটি বেদখল হৈ আছে। এই সংক্রান্তত পাম পৰিচালকে জিলা উপায়ুক্ত আৰু বিভাগীয় সঞ্চালককক বিতং তথ্য সহকাৰে অৱগত কৰিছে। সেই মর্মে জিলা প্রশাসনে কার্য্যকৰি ব্যৱস্থা গ্রহণ কৰিছে।

বিষয় ঃ BRGF আঁচনিৰ আবন্টিত টকা।

শ্ৰীসেক শাহ আলমে সুধিছে ঃ

২৩১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলা পৰিষদৰ অধীনত BRGF আঁচনিৰ কিমান টকা আবন্টিত হৈছে?

(আৱন্তনিৰে পৰা বৰ্তমানলৈকে তথ্য জনাব)

(খ) উক্ত আবন্টিত ধনৰ সম্পূৰ্ণ টকা খৰচ হৈছেনে?

(গ) যদি হোৱা নাই, ইয়াৰ কাৰণ সদনত জনাবনে?

(ঘ) গোৱালপাৰা জিলা পৰিষদৰ অধীনত DDP আঁচনিত ২০০৭-০৮ ৰ পৰা চলিত বিত্তীয় বৰ্ষলৈ মুঠ কিমান টকা আবন্টিত হৈছে?

(ঙ) আবন্টিত ধন সমূহ সম্পূৰ্ণ ব্যয় হৈছেনে?

(চ) গোৱালপাৰা জিলা পৰিষদৰ অধীনত 12th Finance আৰু 13th Finance ত মুঠ কিমান টকা ধাৰ্য্য কৰা হৈছে?

(বৰ্ষ অনুযায়ী তালিকা দাখিল কৰিব)

(ছ) গোৱালপাৰা DRDA ৰ জৰিয়তে SGSY ৰ অধীনত ২০০৭-০৮ ৰ পৰা চলিত বিত্তীয় বৰ্ষলৈ মুঠ কিমান টকা ধাৰ্য্য কৰা হৈছে?

(জ) উক্ত আবন্টিত ধনেৰে কি কি আঁচনি ৰূপায়ণ কৰা হৈছে?

(ধনৰ পৰিমাণৰ লগতে ৰূপায়ণ কৰা আঁচনিৰ নামৰ তালিকা ২০০৭-০৮ ৰ পৰা চলিত বিত্তীয় বৰ্ষলৈ দাখিল কৰিব)

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) গোৱালপাৰা জিলা পৰিষদৰ অধীনত BRGF আঁচনিৰ আ�ৰম্ভনীৰ পৰা বৰ্তমানলৈ মুঠ ১১৮৯.০৪ লাখ টকা আৱন্টিত হৈছে।

(খ) সম্পূৰ্ণ টকা খৰছ হোৱা নাই।

(গ) উক্ত টকা যোৱা জানুৱাৰী মাহত পোৱা হৈছিল আৰু নিম্ন লিখিত কাৰণত টকা খৰছ হোৱাত পলম হৈছে—

(১) আৱন্টিত ধন পোৱাৰ পাছতেই গোৱালপাৰা জিলাত গোষ্ঠীগত সংঘৰ্ষৰ কাৰণে BRGF আঁচনিৰ কাম কাৰ্য্যকৰী কৰাত বাধাগ্ৰস্ত হৈছিল।

(২) ২০১১ চনৰ বিধান সভাৰ নিৰ্বাচনৰ বাবে ফেব্ৰুৱাৰী মাহৰ পৰাই নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ হেতুকে সকলো বিষয়া কৰ্মচাৰী নিৰ্বাচনৰ কামত জৰিত হৈ আছিল। সেই কাৰণে আঁচনিৰ কাম সম্পূৰ্ণ কৰিব পৰা হোৱা নাছিল।

(ঘ) গোৱালপাৰা জিলা পৰিষদৰ DDP আঁচনিৰ অধীনত ২০০৭-০৮ ৰ পৰা আৱন্টন পোৱা টকা এনে ধৰণৰ—

২০০৭-০৮ চনত	=	৩৫২.৮৩ লাখ
২০০৮-০৯ চনত	=	৩৫২.৮৩ লাখ
২০০৯-১০ চনত	=	৪৪৯.৫৮ লাখ
২০১০-১১ চনত	=	৪১৮.৭৮ লাখ

(ঙ) আৱন্টিত ধন সমূহ ব্যয় হোৱা নাই। কামৰ অগ্ৰগতি এনে ধৰণৰ—

২০০৭-০৮ চনত = ১০০%

২০০৮-০৯ চনত = ১০০%

২০০৯-১০ চনত = ৯৬% (কাম চলি আছে)

২০১০-১১ চনত = ৪৩% (কাম চলি আছে)

(চ) গোৱালপাৰা জিলা পৰিষদৰ অধীনত 12th Finance আৰু 13 th Finance ৰ অধীনত ধাৰ্য্য কৰা টকাৰ তালিকা—

12th Finance

২০০৬-০৭ (১ম কিস্তি) = ১৫৭.৮৫ লাখ

২০০৬-০৭ (২য় কিস্তি) = ১৫৭.৮৫ লাখ

২০০৭-০৮ (১ম আৰু ২য় কিস্তি) = ৩৫৬.৪৩৮ লাখ

২০০৮-০৯ (১ম কিস্তি) = ১৭২.১৪২ লাখ

13th Finance

২০১১-১২ (১ম কিস্তি) = ২৭১.৯৮ লাখ

২০১১-১২ (২য় কিস্তি) = ২৬৫.৪২ লাখ

(ছ) গোৱালপাৰা DRDA ৰ SGSY ৰ অধীনত ২০০৭-০৮ বৰ্ষত আৱন্টন দিয়া ধনৰ পৰিমাণ তলত দিয়া হ'ল—

বৰ্ষ		আৱন্টিত ধন
২০০৭-০৮	—	৫৯৫.৮০ লাখ।
২০০৮-০৯	—	৬৬১.৭১ লাখ।
২০০৯-১০	—	৫৫৯.৫৫ লাখ।
২০১০-১১	—	৬৮৯.৫৪ লাখ।
২০১১-১২	—	৬৭৫.৪৮ লাখ।

(নবেম্বৰ মাহলৈকে)

(জ) তথ্য সংগ্ৰহ কৰি থকা হৈছে।

বিষয় ঃ MGNREGA আঁচনিৰ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২৩২। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ গৰৈমাৰী উন্নয়ন খণ্ডৰ অধীনত MGNREGA আঁচনিত ২০১০-১১ বিত্তীয় বৰ্ষত কিমান ধন পালে?

(খ) কামৰূপ DRDA ৰ পৰা প্ৰাপ্ত Administrative Approval and Sanction Order ক্ৰমে KR/MGNREGA/E/5/2009-10/Pt. 5/8 dated 28/03/2011, KR/MGNREGA/E/5/2010-11/

Pt.8/7 dated 28/2/2011, KR/MGNREGA/E/5/2010-11/ Pt. 2/10 dated 28/2/2011 আঁচনিৰ কাম ৰূপায়ণ কৰা হ'লনে?

(গ) 'খ' ত উল্লেখ কৰা আঁচনিৰ বিপৰীতে নিয়োগ কৰা শ্ৰমিক সকলৰ মাষ্টাৰৰোল (MR) আৰু Advice Slip ৰ কপি দাখিল কৰিবনে?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) কামৰূপ জিলাৰু গৰৈমাৰী উন্নয়ন খণ্ডৰ অধীনত MGNREGA আঁচনিত ২০১০-১১ বিত্তীয় বৰ্ষত ২,৬৯,৩৩,৫৩০.০০ টকা পাইছে।

(খ) কামৰূপ DRDA ৰ প্ৰাপ্ত Administrative Approval and Sanction Order ক্ৰমে KR/MGNREGA/E/5/2009-10/Pt. 5/8 dated 28/03/2011, KR/MGNREGA/E/5/2009-10/Pt.8/7 dated 28/2/2011, KR/MGNREGA/E/5/2010-11/Pt. 2/10 dated 28/2/2011 আঁচনিৰ কাম ৰূপায়ণৰ বিতং তথ্য পৰিশিষ্ট— 'ক' ত সংলগ্ন কৰা হ'ল। **(See Annexure-XXV)**

(গ) উক্ত আঁচনিৰ বিপৰীতে নিয়োগ কৰা শ্ৰমিক সকলৰ মাষ্টাৰৰোল (MR) আৰু Advice Slip ৰ কপি পৰিশিষ্ট— 'খ' ত সংলগ্ন কৰা হ'ল।

বিষয় ঃ এছ জি এছ ৰাইৰ আন্তঃগাঁথনি আৰু প্ৰশিক্ষণ।

শ্ৰীমজিবুৰ ৰহমানে সুধিছে ঃ

২৩৩। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ গ্ৰামোন্নয়ন অভিকৰণ ২০০৮-০৯,২০০৯-১০,২০১০-১১ আৰু ২০১১-

১২ বৰ্ষত এছ জি এছ ৰাইৰ বিপৰীতে কিস্তি ভিত্তিত প্ৰাপ্ত পুঁজিৰ পৰিমাণ জনাবিনে? (উক্ত পুঁজিৰে আন্তঃগাঁঠনি উন্নয়ন আৰু প্ৰশিক্ষণ শিতানত কিস্তি ভিত্তিত ধাৰ্য্য হোৱা পুঁজিৰ তথ্য দিব)

(খ) এছ জি এছ ৰাইৰ আন্তঃগাঁঠনি উন্নয়নৰ বিপৰীতে বৰ্ষ ভিত্তিত মঞ্জুৰ হোৱা আঁচনি সমূহৰ নাম আবন্টিত আৰু ব্যয় হোৱা পুঁজিৰ পৰিমাণ আৰু প্ৰতিটো আঁচনিৰ অগ্ৰগতিৰ তথ্য দাখিল কৰিবনে?

(২০০৮-০৯,০৯-১০,১০-১১ আৰু ১১-১২ বৰ্ষৰ)

(গ) এছ জি এছ ৰাইৰ অধীনত Skill training আৰু BOP training অনুষ্ঠিত হোৱা স্থান প্ৰশিক্ষণ গ্ৰহণকাৰীৰ তথ্য আৰু ব্যয়ৰ পৰিমাণ জনাবনে?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নগাওঁ গ্ৰামোন্নয়ন অভিকৰনে ২০০৮-০৯, ২০০৯-১০,২০১০-১১ আৰু ২০১১-১২ বৰ্ষৰ বিপৰীতে কিস্তি অনুযায়ী এছ জি এছ ৰাই আঁচনিত পোৱা ধনৰ পৰিমাণ তলত দেখুৱা হ'ল—

বৰ্ষ	কেন্দ্ৰীয় অংশ	ৰাজ্যিক অংশ
২০০৮-০৯	— ১৭০৭.২৫ লাখ	— ৩৪১.৪১ লাখ
২০০৯-১০	— ১৩৮২.৬০ লাখ	— ১৬৪.২৮ লাখ
২০১০-১১	— ১৬৫২.৩৯ লাখ	— ১৫২.২০ লাখ
২০১১-১২	— ৮৩৫.২৯ লাখ	— ×

(খ) এছ জি এছ ৰাইৰ আন্তঃগাঁঠনিৰ উন্নয়নৰ বিপৰীতে ২০০৮-০৯ বৰ্ষৰ পৰা মঞ্জুৰ হোৱা আঁচনি সমুহৰ নামৰ তালিকা আৰু আৱন্টিত পুঁজি তথা ব্যয় আদিৰ বিৱৰণৰ লগতে আঁচনিৰ অগ্ৰগতি পৰিশিষ্ট 'ক' ত দাখিল কৰা হ'ল। **(See Annexure-XXVI)** ২০১১-১২ বৰ্ষৰ আঁচনি সমুহ বৰ্তমানলৈ ৰূপায়ণ হোৱা নাই।

(গ) এছ জি এছ ৰাইৰ অধীনত Skill training আৰু BOP training অনুষ্ঠিত হোৱা স্থান আৰু প্ৰশিক্ষন গ্ৰহণকাৰীৰ তথ্য আৰু ব্যয়ৰ পৰিমাণ আদিৰ বিৱৰণ সমুহ পৰিশিষ্ট 'খ' ত দাখিল কৰা হ'ল।

(See Annexure-XXVII)

বিষয় ঃ মাছ উৎপাদন আৰু বিভিন্ন শিতানৰ পুঁজি আৱণ্টন।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

২৩৪। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা বিত্তীয় বৰ্ষত বৰপেটা জিলাৰ মীন উন্নয়ন বিভাগত কি কি শিতানত কিমানকৈ পুঁজি আৱন্টন দিয়া হৈছে?

(খ) কি কি শিতানত বিভাগে আঁচনি গ্ৰহণ কৰি ধন ব্যয় কৰিছে? (বিতং তালিকা সদনত দাখিল কৰিব)

(গ) মৎস্য উৎপাদন আৰু পালনৰ বাবে ব্যক্তিগত আৰু চৰকাৰী কিমান হেক্টৰ মাটি ব্যৱহাৰিত হৈ আছে?

(ঘ) মৎস্য উৎপাদন আৰু পালনৰ ক্ষেত্ৰত চৰকাৰে কি কি সা-সুবিধা আগবঢ়াইছে? (বিতং তালিকা সদনত দাখিল কৰিব)

শ্রীবসন্ত দাস (মীন বিভাগৰ মন্ত্রী (স্বতন্ত্র)) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা বিত্তীয় বৰ্ষত বৰপেটা জিলাৰ মীন উন্নয়ন বিভাগত তলত দিয়া ধৰণে পুঁজি আৱন্টন দিয়া হয় ঃ

২০১০-১১ বৰ্ষ

ক্ৰ নং	আঁচনিৰ নাম	আৱন্টন কৰা ধনৰ পৰিমান (লাখৰ হিচাপত)
১	ৰাষ্ট্রীয় কৃষি বিকাশ যোজনা—	
	(ক) নতুন পুখুৰী খনন।	৮.৪০
	(খ) দ' জলাশয়ক ৰাজহুৱা পুখুৰীলৈ ৰূপান্তৰ।	১০.৫০
	(গ) মিঠা পানীৰ মিছা মাছ পালন।	১.৫০
২	ৰাজ্যিক পৰিকল্পনা শিতান—২০১০-১১	
	মুখ্যমন্ত্রীৰ স্বনিয়োজন আঁচনি—	
	(ক) আত্ম সহায়ক গোটৰ জৰিয়তে (মহিলা)	২.১৩
	(খ) আত্ম সহায়ক গোটৰ জৰিয়তে পৰিত্যক্ত জলাশয় উন্নয়ন (পুৰুষ)	৩.৬৫
	(গ) খেৱালি জাল বিতৰণ।	১.০২
	(ঘ) সমবায় সমিতি সমূহক টনা জাল বিতৰণ।	০.৭০
	(ঙ) আত্ম সহায়ক গোট/গোটিক/মাছমৰীয়াক নাও বিতৰণ	২.০০
	পৰিত্যক্ত জলাশয় উন্নয়ন (সাধাৰণ) ফিছ চিড ফামিং	১০.৯৪
	মহিলাৰ নিৰ্দ্ধাৰিত আঁচনি	১.৭৫

ক্ৰ নং	আঁচনিৰ নাম	আৱন্টন কৰা ধনৰ পৰিমান (লাখৰ হিচাপত)
২	অনুসূচীত জনজাতি উপ আঁচনি—	
	নাৰ্চাৰী পুখুৰী (অনূসূচীত জনজাতি)	০.৮৮
	ৰিয়াৰিং পুখুৰী (অনূসূচীত জনজাতি)	১.০৫
	অনুসূচীত জাতি উপ আঁচনি—	
	বিল আৰু মুক্ত জলাশয় উন্নয়ন আঁচনি	৫.৬৮
	নাৰ্চাৰী পুখুৰী (অনূসূচীত জাতি)	০.৬১
	ৰিয়াৰিং পুখুৰী (অনূসূচীত জাতি)	১.৩৮
	পৰিত্যক্ত জলাশয় উন্নয়ন (অনূসূচীত জাতি)	১০.৩৬
	আবদ্ধ পানীৰ মাছ পালন (ৰাজ্যিক অংশ)	১.৬৫
	(Water Logged-State Share)	
৩	মীন পালক উন্নয়ন সংস্থাৰ আঁচনি (FFDA)	
	মিঠা পানীৰ জল সংৰৱৰ্দ্ধন (সাধাৰণ)	১.১৫
	মিঠা পানীৰ জল সংৰৱৰ্দ্ধন (অনূসূচীত জাতি)	০.৫০

(খ) যোৱা বিত্তীয় বৰ্ষত ৰৱপেটা জিলাৰ মীন উন্নয়ন বিভাগত শিতান আৰু আঁচনিৰ বিপৰীতে খৰছ কৰা ধনৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল—

২০১০-১১ বর্ষ

ক্র নং	আঁচনিৰ নাম	খৰচ কৰা ধনৰ পৰিমান (লাখৰ হিচাপত)
১	ৰাষ্ট্রীয় কৃষি বিকাশ যোজনা—	
	(ক) নতুন পুখুৰী খনন।	০.৩৫
	(খ) দ' জলাশয়ক ৰাজহুৱা পুখুৰীলৈ ৰূপান্তৰ।	১.২৫
	(গ) মিঠা পানীৰ মিছা মাছ পালন।	০.৩৭৫
২	ৰাজ্যিক পৰিকল্পনা শিতান—২০১০-১১	
	মুখ্যমন্ত্রীৰ স্ব-নিয়োজন আঁচনি—	
	(ক) আত্ম সহায়ক গোটৰ জৰিয়তে (মহিলা)	২.১৩০
	(খ) আত্ম সহায়ক গোটৰ জৰিয়তে পৰিত্যক্ত জলাশয় উন্নয়ন (পুৰুষ)	৩.৬৫০
	(গ) খেৱালী জাল বিতৰণ।	১.০২০
	(ঘ) সমাবয় সমিতি সমূহক টনা জাল বিতৰণ।	০.৭০০
	(ঙ) আত্ম সহায়ক গোট/গোটক/মাছমৰীয়াক নাও বিতৰণ	২.০০
	পৰিত্যক্ত জলাশয় উন্নয়ন (সাধাৰণ)	
	ফিছ চিড ফামিং	৮.৫৬
	মহিলাৰ নিৰ্দ্ধাৰিত আঁচনি	১.৭৫০
	অনুসূচীত জনজাতি উপ আঁচনি	
	নাৰ্চাৰী পুখুৰী (অনূসূচীত জনজাতি)	০.৮৮০
	ৰিয়াৰিং পুখুৰী (অনূসূচীত জনজাতি)	১.০৫০

ক্ৰ নং	আঁচনিৰ নাম	খৰচ কৰা ধনৰ পৰিমান (লাখৰ হিচাপত)
	অনুসূচীত জাতি উপ আঁচনি—	
	বিল আৰু মুক্ত জলাশয় উন্নয়ন আঁচনি	০.৫০০
	নাৰ্চাৰী পুখুৰী (অনূসূচীত জাতি)	০.৬১৬
	ৰিয়াৰিং পুখুৰী (অনূসূচীত জাতি)	১.৩৮৪
	পৰিত্যক্ত জলাশয় উন্নয়ন (অনুসূচীত জাতি)	৪.৪২৬
	আবদ্ধ পানীৰ মাছ পালন (ৰাজ্যিক অংশ)	১.২০০
	(Water Logged-State Share)	

(গ) ৰৰপেটা জিলাত মৎস্য উৎপাদন আৰু পালনৰ বাবে ব্যক্তিগত আৰু চৰকাৰী মাটিৰ পৰিমাণ তলত উল্লেখ কৰা

হ'ল

ব্যক্তিগত মাটি — ৩৭৩৮.৩৮০ হেক্টৰ।

চৰকাৰী মাটি — ৮.৪৫০ হেক্টৰ (মীন বিভাগ, ৰৰপেটা)।

(ঘ) মৎস্য উৎপাদন আৰু পালনৰ ক্ষেত্ৰত চৰকাৰে তলত উল্লেখ কৰা আঁচনি সমূহ ৰূপায়ণ কৰিছে—

(১) ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা।

(২) পৰিত্যক্ত জলাশয় উন্নয়ন (সাধাৰণ, অনুসূচীত জাতি, অনুসূচীত জনজাতি)।

(৩) ৰাষ্ট্ৰীয় মাছমৰীয়া কল্যাণ আঁচনি।

(৪) মীন পালক উন্নয়ন সংস্থানৰ অধীনত ঋণ দান আঁচনি।

(৫) মহিলাৰ বিশেষ যোজনা।

(৬) স্ব-নিয়োজন আঁচনি।

(৭) নাৰ্চাৰী পুখুৰী উন্নয়ন (সাধাৰণ, অনুসূচীত জাতি, অনুসূচীত জনজাতি)।

(৮) ৰিয়াৰিং পুখুৰী উন্নয়ন (সাধাৰণ, অনুসূচীত জাতি, অনুসূচীত জনজাতি)।

(৯) মীন পালকৰ প্ৰশিক্ষণ।

(১০) কেন্দ্ৰীয় মীন উন্নয়ন পৰিষদৰ (এন.এফ.ডি.বি.) আঁচনি।

(১১) এমপ্লয়মেন্ট জেনেৰেচন মিছনৰ আঁচনি।

(১২) মুখ্যমন্ত্ৰীৰ স্ব-নিয়োজন আঁচনি।

(ক) আত্ম সহায়ক গোটৰ জৰিয়তে পৰিত্যক্ত জলাশয় উন্নয়ন (মহিলা)।

(খ) আত্ম সহায়ক গোটৰ জৰিয়তে পৰিত্যক্ত জলাশয় উন্নয়ন (পুৰুষ)।

(গ) খেৱালী জাল বিতৰণ।

(ঘ) সমবায় সমিতি সমূহক টনা জাল বিতৰণ।

(ঙ) আত্মা সহায়ক গোটক/মাছমৰীয়াক নাও বিতৰণ।

(১৩) মৎস্য মিত্ৰ আঁচনি—

ইয়াৰোপৰি, ৰৰপেটা জিলা ১১টা উন্নয়ন খণ্ডত উন্নয়নখণ্ড ভিত্তিত মীন সজাগতা অভিযান চলাই বৈজ্ঞানিক পদ্ধতিত মাছপোহা আদিৰ বিষয়ে অৱগত কৰি মীন পালকক সজাগ কৰি থকা হৈছে।

বিষয় ঃ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আঁচনি।

শ্ৰীমইন উদ্দিন আহমেদে সুধিছে ঃ

২৩৫। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ যোগেদি কি কি আঁচনি ৰূপায়ণ কৰি থকা হৈছে? উক্ত আঁচনি সমূহৰ নামত গোৱালপাৰা আৰু ধুবুৰী জিলাত ২০০৮ চনৰ পৰা আজিলৈকে কিমান পুঁজি আৱন্টিত হৈছে আৰু এই পুঁজি কি কি আঁচনিত কেনে ধৰণে খৰচ কৰা হৈছে?

(উন্নয়ন খণ্ড ভিত্তিত আঁচনিৰ নামৰ সৈতে বিতং তথ্য আৰু ৰূপায়ণৰ ক্ষেত্ৰত থকা চৰকাৰী নীতি নিৰ্দেশনাৱলী দাখিল কৰিব)

(খ) উক্ত আঁচনি সমূহৰ জৰিয়তে জলেশ্বৰ সমষ্টিত আবন্টিত হোৱা ধন কেনে ধৰণে খৰচ কৰা হৈছিল?

(পঞ্চায়ত ভিত্তিত আঁচনিৰ নাম ঠিকনা আবন্টিত ধন হিতাধিকাৰীৰ বিতং তালিকা দাখিল কৰিব)

(গ) জলেশ্বৰ উন্নয়ন খণ্ড এলেকাত MGNREGA ৰ ২০০৭-০৮, ২০০৮-০৯, ২০০৯-১০, ২০১০-১১, ২০১১-১২ ত আবন্টিত ধন পঞ্চায়ত ভিত্তিত কেনেধৰণে খৰচ কৰা হয়?

(Annual Action Plan, Sanction letter আঁচনিৰ নাম ঠিকনা খৰচ হোৱা ধনৰ পৰিমাণৰ সৈতে বিতং তথ্য দাখিল কৰিব)

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে মহত্মা গান্ধী গ্ৰাম্য নিয়োগ

নিশ্চিত আঁচনি, ইন্দিৰা আৱাস যোজনা, আৰু স্বৰ্ণ জয়ন্তী গ্ৰাম স্ব-ৰোজগাৰ যোজনাৰ কাম কৰি থকা হৈছে।

উক্ত আঁচনিৰ অধীনত আৱন্টন পোৱা ধনৰ সবিশেষ পৰিশিষ্ট 'ক' আৰু 'খ' ত দিয়া হ'ল।

(খ) জলেশ্বৰ উন্নয়ন খণ্ডৰ আঁচনি সমূহ Annexure-I ত দিয়া হ'ল।

(গ) জলেশ্বৰ উন্নয়ন খণ্ডৰ বৰ্ষ ভিত্তিত পঞ্চায়ত হিচাবে আবন্টিত ধন আৰু খৰচ পৰিশিষ্ট 'গ' ত দিয়া হ'ল।

বছৰেকীয়া কৰ্ম পৰিকল্পনা, অনুমোদন পত্ৰ সমূহ Annexure-II ত দিয়া হ'ল।

উল্লেখ থাকে যে ধুবুৰী জিলাৰ তথ্যখিনি সংগ্ৰহ কৰি থকা হৈছে।

বিষয় ঃ সুৰঙ্গ সুৰক্ষাৰ ব্যৱস্থা।

শ্ৰীযাদৱ চন্দ্ৰ ডেকাই সুধিছে ঃ

২৩৬। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কমলপুৰ সমষ্টিৰ দেউদুৱাৰস্থিত গোপেশ্বৰ মন্দিৰৰ ঐতিহাসিক সুৰঙটো বেদখলকাৰীৰ অধিগ্ৰহণৰ ফলত অস্তিত্ব সংকটত পৰাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, পৌৰাণিক মন্দিৰটোৰ সৌন্দৰ্য্য বৰ্দ্ধক তথা দৰ্শনাৰ্থীৰ আকৰ্ষণৰ কেন্দ্ৰ সুৰঙটো বেদখলকাৰীৰ কবলৰ পৰা উদ্ধাৰ কৰি সুৰক্ষাৰ ব্যৱস্থা লবনে?

(গ) এই ক্ষেত্ৰত কিমান দিনৰ ভিতৰত কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব জনাবনে?

শ্রীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কমলপুৰ সমষ্টিৰ দেউদূৱাৰস্থিত গোপেশ্বৰ সংৰক্ষিত বনাঞ্চলৰ অন্তর্গত গোপেশ্বৰ মন্দিৰৰ ঐতিহাসিক সূৰঙ্গতো বেদখলকাৰীৰ কবলত পৰা নাই।

(খ) প্রশ্ন নুঠে।

(গ) প্রযোজ্য নহয়।

Sub : Implementation of MNREGA Schemes.

Shri Sherman Ali Ahmed asked :

237. Will the Minister of Panchayat and Rural Development be pleased to state :—

(a) The amount of fund released (financial year wise) under MNREGA to Barpeta district during the financial year, 2008-09, 2009-10, 2010-11?

(b) Whether the fund released in a particular year was utilized in full or remained unspent and carried over to the next financial year? Please give details (financial year-wise).

(c) Please also state the reasons, why the fund released in a particular financial year could not be spent within that financial year?

(d) Please state the No. of Job-Card Holders in the district?

(e) Whether each Job Card Holder was provided with mandatory 100 days Job in each of above three financial years?

(f) If not, the reasons there of may please be state. In that case, the average no. of employment days in each financial year for each Job Card Holder may please be mentioned?

(g) The amount of fund released under MNREGA to Baghbar LAC (Financial year wise and G.P. wise) for the financial year, 2008-09, 2009-10, 2010-11 with the following information may please be placed on the floor of Assembly:

(i) Particulars of work, (ii) Location (name of Village/Ward/ G.P.) (iii) Physical and Financial Target; (iv) Physical and Financial Achievement; (v) Implementing Agency/Name of Contractor?

(Detailed estimate of each work may please be enclosed)

Shri Rockybul Hussain (Minister, Panchayat and Rural Development) replied :

(a) The details are mentioned below:

District	Year	Total Central Share released	Total State share released
Barpeta	2008-09	2947	676.48
	2009-10	2375.42	355.66
	2010-11	1835.99	334.00

(b) Effort is taken to utilize the fund in the same financial year in which it released. If the fund can not be spent in the year the unspent fund gets carried over to the next financial year as Opening balance as per accounting norms. Details of Opening Balance (Unspent fund) financial year-wise are given below :

Year	Opening Balance, Rs. In Lakhs
2008-09	As on 1.4.2008-1726.23 (Unspent from 2007-08)
2009-10	As on 1.4.2009-2297.55 (Unspent from 2008-09)
2010-11	As on 1.4.2010-1881.18 (Unspent from 2009-10)
2011-12	As on 1.4.2011-1019.89 (Unspent from 2010-11)

(c) Expenditure in MGNREGA is dependant on demand for work. However, financial achievement in Assam is low because of very limited working season due to extended monsoon, non-availability of land for work implementation etc.

(d) The total no. of Job Card Holders in the district is 249153 Households.

(e) Mandatory 100 days of work were not provided in these three financial years to each Job Card Holders. However, 176778, 20381, 49196 and 6901 no. of Households were

provided 100 days employment in the year 2008-09, 2009-10, 2010-11 and 2011-12 respectively.

(f) Mandatory 100 days of Job Card could not be provied in these three financial years to each Job Card Holders because Jobs are offered only on demand and Job Card Holders have to come forward and apply for work. More possession of a Job Card does not entitle 100 days of work.

Average no. of Employment days in these 3 years is given below :

2008-09 – 23 Days

2009-10 – 25 Days

2010-11 – 25 Days

2011-12 – 21 Days (upto November, 2011)

(g) The reply is at Annexure–A **(See Annexure-XXVIII)**

বিষয় ঃ বনাঞ্চল আৰু জীৱ-জন্তু সংৰক্ষণ।

শ্ৰীৰফিকুল ইছলামে সুধিছে ঃ

২৩৮ । মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্ত্তমানে মুঠ কিমান হেক্টৰ বনাঞ্চলৰ মাটি চুবুৰীয়া ৰাজ্যৰ দখলত আছে? (বিতং তালিকা দাখিল কৰিব)

(খ) বে-দখলকাৰীৰ কবলৰ পৰা উক্ত মাটি-সমূহ অসম চৰকাৰে নিজৰ দখললৈ আনিবলৈ কি কাৰ্যপন্থা হাতত লৈছে?

(গ) চুবুৰীয়া ৰাজ্যৰ বে-দখলৰ পৰা ৰক্ষা কৰিবলৈ বনাঞ্চলৰ সীমা সমূহত কাঁটা তাঁৰৰ ব্যৱস্থা কৰাটো চৰকাৰে প্ৰয়োজন বুলি ভাবেনে?

(ঘ) যদি ভাবে, তেন্তে চুবুৰীয়া ৰাজ্যৰ সীমান্তত থকা বনাঞ্চলৰ সংৰক্ষণৰ বাবে চৰকাৰে কাঁটা তাঁৰ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

(ঙ) বিগত ৫ (পাঁচ) বছৰে অসমৰ বিভিন্ন বনাঞ্চলৰ পৰা মুঠ কিমানটা হাতী, বাঘ, হৰিণ আৰু গঁড় চোৰাং চিকাৰীয়ে হত্যা কৰিছে? (বিত্তীয় বৰ্ষ অনুযায়ী তালিকা দাখিল কৰিব)

(চ) বনজ সম্পদ আৰু জীৱ-জন্তুক চোৰাং চিকাৰীৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে বিজ্ঞানসন্মত কিবা নতুন পদক্ষেপ হাতত লৈছেনে?

(ছ) যদি লৈছে, কি ধৰণৰ ব্যৱস্থা লৈছে জনাবনে?

শ্ৰীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) মাননীয় উচ্চতম ন্যায়ালয়ত অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ড চৰকাৰৰ বিৰুদ্ধে চলি থকা অসম চৰকাৰৰ গোচৰৰ সৈতে সংলগ্ন আৰু অন্যান্য ওচৰ চুবুৰীয়া ৰাজ্যৰ দ্বাৰা অসমৰ সীমামুৰীয়া বনাঞ্চলৰ প্ৰায় ৭৭,১৫৭.৭৭ হে. মাটিকালি বেদখলত আছে।

বিতং তথ্য তলত উল্লেখ কৰা হ'ল ঃ

অৰুণাচল	—	৮৭৮৯.০০ হেক্টৰ
মেঘালয়	—	৬৭৫.১৫ হেক্টৰ
নাগালেণ্ড	—	৬৫৬৮২.৬৩ হেক্টৰ
মিজোৰাম	—	১৯৮৬.০০ হেক্টৰ
ত্ৰিপুৰা	—	২৫ হেক্টৰ

(খ) অসম চৰকাৰে উচ্চতম ন্যায়ালয়ত অসমৰ সীমামুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ লগত থকা সীমা বিবাদৰ কাৰণে দেৱানী গোচৰ তৰিছে আৰু মহামান্য আদালতে সীমা চিনাক্তকৰণৰ বাবে উচ্চতম ন্যায়ালয়ৰ অৱসৰ প্ৰাপ্ত ন্যায়াধীশ শ্ৰীযুত এচ. এন. ভাৰিয়াভাৰ অধ্যক্ষতাত এখন স্থানীয় আয়োগ গঠন কৰিছে। এই আয়োগে ইতিমধ্যে কেইবালানিও শুনানী সম্পূৰ্ণ কৰিছে। মেঘালয় আৰু মিজোৰাম চৰকাৰৰ লগত বেদখল মীমাংসাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী পৰ্য্যায়ত আলোচনা হৈছে। ইয়াৰ উপৰিও সীমামুৰীয়া ৰাজ্য বিলাকৰ লগত অসম চৰকাৰে সীমাসমস্যা আৰু বেদখল উচ্ছেদৰ কাৰণে উচ্চ পৰ্য্যায়ৰ চৰকাৰী বিষয়াৰ মাজত আলোচনা চলাই সীমা সমস্যাৰ শান্তিপূৰ্ণ সমাধানৰ কাৰণে চেষ্টা কৰি আছে।

(গ) আৰু (ঘ) চৰকাৰে উক্ত সন্দৰ্ভত প্ৰয়োজনবোধে বিহীত ব্যৱস্থা লোৱাৰ কাৰণে বিবেচনা কৰিব।

(ঙ) বিগত ৫ (পাঁচ) বছৰে অসমৰ বিভিন্ন বনাঞ্চলৰ পৰা চোৰাং চিকাৰীয়ে হত্যা কৰা জন্তুৰ সংখ্যা তলত দিয়া হ'ল ঃ

বছৰ	গড়	হাতী	বাঘ (চেকীয়া পতীয়া)
২০০৭	২১	২	২
২০০৮	১৬	২	নাই
২০০৯	১৫	৩	নাই
২০১০	৭	৬	১
২০১১	৮	৩	নাই

(চ) হয়, লোৱা হৈছে।

(ছ) বনজ সম্পদ আৰু জীৱ-জন্তুক চোৱাং চিকাৰীৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে তলত দিয়া ধৰণৰ নতুন পদক্ষেপ হাতত লৈছে ঃ

(১) বন্যপ্রাণী সংৰক্ষণ আইন, ১৯৭২ চনৰ ৫১ ধাৰা সংশোধন কৰি চোৱাং চিকাৰী বিলাকৰ শাস্তি বৃদ্ধি কৰা হৈছে যাতে আজীৱন কাৰাবাস পর্য্যন্ত হয়।

(২) বন আৰু বন্যপ্রাণীৰ সুৰক্ষাৰ বাবে প্রত্যেক বনকর্ম্মীক আগ্নেয়াস্ত্র ব্যৱহাৰ কৰিব পৰা শক্তি প্রদান কৰা হৈছে।

(৩) দিনে-নিশাই বন কর্মচাৰী, বন সুৰক্ষা বাহিনী আৰু গৃহৰক্ষী বাহিনীৰ জৰিয়তে পহাৰৰ ব্যৱস্থা কটকটীয়া কৰা হৈছে।

(৪) বনাঞ্চলৰ ঠাই বিশেষে বৈদ্যুতিক বেৰ (Solar Electric fencing) দিয়াৰ ব্যৱস্থা কৰা হৈছে।

(৫) বনাঞ্চলৰ দাঁতি কাষৰীয়া ৰাইজৰ মাজত বন্য, জীৱ-জন্তু আৰু গছ-গছনি সংৰক্ষণৰ বাবে সজাগতা কার্য্যসূচী লোৱা হৈছে।

(৬) বন-কর্মচাৰী আৰু অসম বন সুৰক্ষা বাহিনী (AFPF) ৰ জৰিয়তে আধুনিক অস্ত্র-শস্ত্র আৰু Walkie Talkie ৰ দ্বাৰা বনাঞ্চলত কট্‌কটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে।

Sub : Nos. of Hospital.

Shri Abdul Muhib Mazumdar asked :

239. Will the Minister of Veterinary be pleased to state :—

(a) How many Veterinary Hospitals are there in Hailakandi District?

(b) Is there any yearly Targeted Action Plan comprising all the schemes?

(c) Whether the Office Staff is made aware of the yearly Targeted Action Plan?

(d) Whether all the Hospitals have Doctors and staff?

(e) Whether the Government is aware that there is no Doctor in Hospitals at Kuchila, Manacherra, Rajyeshwarpur, Sudarshanpur and other Places for attending these Hospitals and there is no Medicine even?

(f) What are the special schemes taken up by the Government for helping the public rearing of Cows, Buffaloes, Goats and Poultry?

(g) Is the Government aware that there are 10 nos. of dispensaries in Hailakandi, but the building in which they are located are in a dilapidated condition unfit for use and as a result offices are virtually not functioning?

(h) Is there any plan to re-construct/repair the building or construct new houses?

Shri Khor Sing Engti (Minister of Veterinary) replied :

(a) There is no Veterinary Hospital in Hailakandi District. However there are 10 Nos. of Veterinary Dispensaries.

(b) Yes.

(c) Yes.

(d) There are no Doctors in 3 Veterinary Dispensaries but other staff is there in all Dispensaries of the District.

(e) Govt. is aware that there is no doctor at the Regional A.I. Centre, Kuchila. But there is a doctor at Monacherra Block Veterinary Dispensary. At Rajyeshwarpur there is an A.I. Centre where there is no provision for posting of doctors. There is no Veterinary Centre at Sudarshanpur. However, normal medicines are supplied as usual.

(f) Special Schemes have been taken up by the Govt. for helping the public in rearing cows, buffaloes, goats and poultry as follows :

(1) for rearing cow, artificial insemination have been taken for upgradation of breeds.

(2) Health care Schemes.

(3) Fodder Development Schemes for cattle and buffaloes.

(4) Health Care Schemes for Goats and Schemes for semi intensive goat rearing.

(5) poultry-facilities for backyard poultry farming through supply of high yielding varieties of chicken, besides Health care facilities are provided through dispensaries.

(g) Govt. is aware that most of the buildings of dispensaries are in dilapidated condition. But the health coverage and developmental works in the field are functioning normally.

(h) The unusable buildings are being repaired/reconstructed in phased manner depending on availability of fund.

Sub : Panchayat Raj Act.

Shri Sirajuddin Ajmal asked :

240. Will the Minister of Panchayat and Rural Development be pleased to state :—

(a) As per the guidelines of Panchayat Raj Act, which are the different line departments have been assigned to all level of Panchayat Raj Institutions till date? (Please furnish in detail)

(b) Whether the Government is implementing this guideline?

(c) If so, by when?

Shri Rockybul Hussain (Minister of Panchayat and Rural Development) replied :

(a) As per the guideline of Panchayat Raj Act, 1994, 17 Departments are assigned to all levels of Panchayat Raj Institutions including 23 subjects. The list of the line departments and subjects are enclosed at Annexure "A" and "B". **(See Annexure-XXIX)**

(b) & (c) Steps are being taken in implementing the guidelines.

বিষয় ঃ পঞ্চায়তলৈ বিভাগ হস্তান্তৰ আৰু অব্যৱহৃত পুঁজি।

শ্ৰীৰেকিবুদ্দিন আহমেদে সুধিছে ঃ

২৪১। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ পঞ্চায়ত ব্যৱস্থা ভাৰতৰ অন্য ৰাজ্যৰ তুলনাতকৈ নিম্নস্তৰৰ বুলি উত্থাপিত হোৱাৰ কাৰণ হিচাবে ২৯ টা বিভাগ পঞ্চায়তলৈ হস্তান্তৰ কৰাৰ কথা কাৰ্য্যত পৰিণত নোহোৱাটোৱেই উল্লেখ কৰিব পাৰিনে?

(খ) যদি পাৰি, চৰকাৰে এই ক্ষেত্ৰত কি পদক্ষেপ গ্ৰহণ কৰিছে?

(গ) চৰকাৰ অৱগতনে, বহু উন্নয়নমূলক আঁচনি চৰকাৰে গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ জৰিয়তে ৰূপায়ণ কৰিব বিচাৰে যদিও উল্লেখিত পঞ্চায়ত সমূহত বিভিন্ন শিতানত আৱন্টিত ধন অব্যৱহৃত হৈ থাকে যাৰ ফলস্বৰূপে আশানুৰূপ উন্নয়ন ব্যাহত হয়?

(ঘ) যদি অৱগত, এই ক্ষেত্ৰত চৰকাৰৰ পদক্ষেপ কি জনাবনে?

(ঙ) কামৰূপ (গ্ৰাম্য) জিলাৰ জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত, গাওঁ পঞ্চায়ত সমূহত বিগত কাৰ্য্যকালত গ্ৰহণ কৰা আৰু ৰূপায়িত নোহোৱা আঁচনি সমূহ আৰু ছয়গাওঁ বিধান সভা সমষ্টিৰ জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়ত সমূহত আব্যৱহৃত পুঁজিৰ বিষয়ে বিতং তথ্য সহকাৰে জনাবনে?

(চ) ছয়গাওঁ বিধান সভা সমষ্টিত পঞ্চায়ত আৰু জিলা পৰিষদ সমূহত বিগত কাৰ্য্যকালত কি কি আঁচনি ইতিমধ্যে সমাপ্ত কৰিলে বিতং ভাৱে অৱগত কৰিবনে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বিভাগ বিলাকৰ হস্তান্তৰ প্রক্রিয়া চলি আছে।

(খ) বিভাগ হস্তান্তৰৰ ক্ষেত্রত চৰকাৰে প্রক্রিয়া চলাই আছে।

(গ) নানান কাৰণে ধন বিলাক পর্য্যায়ক্রমে ব্যৱহাৰ কৰা হয়।

(ঘ) চৰকাৰে সেই বিষয়ত পদক্ষেপ লৈ থাকে।

(ঙ) তথ্যসমূহ সংগ্রহ কৰি থকা হৈছে।

(চ) ছয়গাওঁ বিধান সভা সমষ্টিৰ পঞ্চায়ত আৰু জিলা পৰিষদসমূহত বিগত কার্য্যকালত ইতিমধ্যে সমাপ্ত কৰা আঁচনি Annexure-C ত দিয়া হ'ল।

বিষয় ঃ সত্র নামঘৰত চুৰি কার্য্য।

শ্রীৰনজিৎ কুমাৰ দাসে সুধিছে ঃ

২৪২। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত যোৱা ২০১১ ইং, জুন মাহৰ পৰা ১২ ডিচেম্বৰ, ২০১১ লৈ কিমানখন সত্র-নামঘৰত চুৰি কার্য্য সংঘটিত হৈছে জিলা অনুপাতে জনাবনে?

(খ) সত্র, নাম ঘৰৰ সম্পদ সমূহ নিৰাপত্তা দিয়াৰ ক্ষেত্রত চৰকাৰ ব্যর্থ হৈছে নেকি?

(গ) সত্র সঞ্চালকালয় খোলাৰ প্রস্তাৱটো বাস্তৱ ৰূপ পাবনে? (বিতং ভাবে জনাব)

শ্রীমতী প্রণতি ফুকন (সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত যোৱা ২০১১ ইং, জুন মাহৰ পৰা ১২ ডিচেম্বৰ, ২০১১ লৈ মুঠ

৭ টা সত্ৰ-নামঘৰত চুৰি কার্য্য সংঘটিত হৈছে। ইয়াৰ জিলা ভিত্তিত চুৰি সংখ্যা তলত দিয়া হ'ল ঃ

(১) বৰপেটা — ৩ টা

(২) দৰং — ১ টা

(৩) কামৰূপ — ১ টা

(৪) শোণিতপুৰ — ১ টা

মুঠ — ৭ টা

(খ) সত্ৰ, নাম ঘৰৰ সম্পদসমূহ নিৰাপত্তা দিয়াৰ ক্ষেত্ৰত যথাসম্ভৱ ব্যৱস্থা লোৱা হৈছে। সত্ৰ, নাম ঘৰৰ সম্পদসমূহ নিৰাপত্তা দিয়াৰ ক্ষেত্ৰত স্থানীয় গাওঁৰক্ষী বাহিনীৰ লগত স্থানীয় আৰক্ষী থানাৰ আৰক্ষীৰ দ্বাৰা টহল দি থকা হৈছে আৰু ভি ডি পিক সত্ৰ, নাম ঘৰ সমূহৰ আশে পাশে টহল দিয়াৰ ব্যৱস্থা কৰা হৈছে।

(গ) সদ্যহতে সত্ৰ সঞ্চালকালয় গঠনৰ কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

বিষয় ঃ নিযুক্তি।

শ্ৰীবলিন চেতিয়াই সুধিছে ঃ

২৪৩। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শদিয়া সমষ্টিৰ অন্তৰ্গত শদিয়া, ছৈখোৱা আৰু কাকপথাৰ উন্নয়ন খণ্ডত আজি পর্য্যন্ত স্থায়ী ভাবে খণ্ড উন্নয়ন বিষয়াৰ নিযুক্তি দিয়া নাই, এই বিষয়ে চৰকাৰ অৱগতনে?

(খ) চৰকাৰ অৱগতনে, উক্ত উন্নয়ন খণ্ড কেইটাত স্থায়ী খণ্ড উন্নয়ন বিষয়া নথকাৰ-কাৰণে উন্নয়নমূলক কাম কাজ সমূহ পৰিচালনা কৰাত যথেষ্ট আহুকালৰ সন্মুখীন হব লগা হৈছে?

(গ) যদি আৱগত, তেন্তে উক্ত উন্নয়ন খণ্ড কেইটাত অতি শীঘ্রে স্থায়ী খণ্ড উন্নয়ন বিষয়া নিয়ুক্তি দিয়া হবনে?

(ঘ) এই ক্ষেত্রত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে আৰু কেতিয়াকৈ স্থায়ী খণ্ড উন্নয়ন বিষয়া নিযুক্তি দিব অনুগ্রহ কৰি জনাবনে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) সঁচা নহয়।

(গ) চৰকাৰে বিবেচনা কৰি আছে।

(ঘ) নিযুক্তিৰ সম্পর্কত চৰকাৰে চিন্তা-চর্চা কৰি আছে।

বিষয় ঃ খণ্ড উন্নয়ন বিভাগৰ কার্য্যালয়।

শ্রীপ্রবীন হাজৰিকাই সুধিছে ঃ

২৪৪। **মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) চৰকাৰ অৱগতনে, বিশ্বনাথ সমষ্টিৰ অন্তর্গত বিশ্বনাথ উন্নয়ন খণ্ডৰ কার্য্যালয়টো বিহালী সমষ্টিৰ বুঢ়িগাংত অৱস্থিত?

(খ) যদি অৱগত, তেন্তে ৰাইজৰ সুবিধাৰ প্রতি লক্ষ্য ৰাখি বিশ্বনাথৰ মধ্যস্থানলৈ অনাৰ ব্যৱস্থা কৰিবনে?

(গ) যদি ব্যৱস্থা কৰে, তেন্তে এই বিত্তীয় বৰ্ষৰ ভিতৰতে অনাৰ আশ্বাস দিবনে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয় অৱগত।

(খ) এই বিষয়ে চৰকাৰে কোনো সিদ্ধান্ত লোৱা নাই।

(গ) প্রশ্ন নুঠে।

বিষয় ঃ গছ পুলি ৰোপণ।

শ্রীপদ্ম হাজৰিকাই সুধিছে ঃ

২৪৫। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) সামাজিক বনানীকৰণ আঁচনিৰ অধীনত ২০০৬ চনৰ পৰা বর্তমানলৈ অসমৰ কোন কোন ঠাইত গছ পুলি ৰোপণ কৰা হৈছে? উন্নয়ন খণ্ডৰ নাম সহ কিমান ঠাইত আৰু কিমান গছ ৰোপণ কৰা হৈছে আৰু এই আঁচনি সমূহৰ ধনৰ পৰিমাণ সহ বিতং তথ্য দিবনে?

(খ) শোণিতপুৰ জিলাৰ বালিপাৰা চাৰিদুৱাৰ অঞ্চলত এই আঁচনিৰ জৰিয়তে কিমান গছ ৰোপণ কৰা হৈছিল আৰু এই আঁচনিত কিমান ধন খৰচ কৰা হৈছিল? (বিতং তথ্য দিব)

(গ) উক্ত অঞ্চলত বর্তমান কিমান গছ আছে? আঁচনি অনুসৰি ৰোপণ কৰা গছৰ তুলনাত বর্তমান থকা গছৰ সংখ্যা কিমান?

শ্রীৰকিবুল হুছেইন (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সামাজিক বনানীকৰণ আঁচনিৰ অধীনত ২০০৬ চনৰ পৰা অসমৰ যিবিলাক

ঠাইত বর্তমানলৈ গছপুলি বোপণ কৰা হৈছে, সেই সেই এলেকাৰ নাম উন্নয়ন খণ্ডৰ নাম আৰু এই সংক্রান্তত খৰছ হোৱা ধনৰ পৰিমাণৰ তালিকা গাঁঠি দিয়া হ'ল। **(See Annexure-XXX)**

(খ) বালিপাৰা চাৰিদুৱাৰ অঞ্চলত শোণিতপুৰ সামাজিক বনানীকৰণ সংমণ্ডলৰ অধীনত কোনো আঁচনি লোৱা হোৱা নাই।

(গ) ২০০৬ বৰ্ষৰ পৰা বর্তমানলৈকে চাৰিদুৱাৰ বালিপাৰা অঞ্চলত শোণিতপুৰ সামাজিক বনানীকৰণ সংমণ্ডলৰ অধীনত কোনো আঁচনি লোৱা হোৱা নাই।

বিষয় ঃ সাংস্কৃতিক পৰিক্রমা বিভাগ ৰ আঁচনি।

ডাঃ দুর্লভ চন্দ্র চমুৱাই সুধিছে ঃ

২৪৬। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) সাংস্কৃতিক পৰিক্রমা বিভাগৰ দ্বাৰা কি কি আঁচনি বর্তমান চলি আছে?

(খ) নগাওঁ বিধান সভা সমষ্টিত এই আঁচনি সমূহৰ কি কি আঁচনি ৰূপায়ণ কৰি থকা হৈছে, এই বিষয়ে সবিশেষ জনাবনে?

শ্রীমতী প্রণতি ফুকন (সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সাংস্কৃতিক সঞ্চালকালয়ৰ দ্বাৰা বিভিন্ন আঁচনি বর্তমান ৰূপায়ন কৰি থকা হৈছে। সবিশেষ তলত উল্লেখ কৰা হ'ল—

(১) মাজুলীৰ উন্নয়ন আঁচনিৰ অধীনত বহুকেইখন পকী দলং আৰু পথ নির্মাণ, সাংস্কৃতিক কেন্দ্রৰ গৃহ নির্মাণ, সংগ্রহালয় স্থাপন, গ্রন্থাগাৰ নির্মাণ ইত্যাদি।

(২) NLCPR ৰ অধীনত জ্যোতি চিত্রবন চলচিত্র আৰু টেলিভিচন প্রতিষ্ঠানৰ উন্নীতকৰণ, লক্ষীমপুৰ জিলাৰ লেতেকুপুখুৰীৰ শংকৰ-মাধৱ সাংস্কৃতিক ক্ষেত্র, জনজাতীয় কলা আৰু সাংস্কৃতিক কেন্দ্রৰ লগতে চল-চিত্র ষ্টুডিও নির্মাণ ইত্যাদি। মাজুলীৰ নতুন কমলাবাৰী সত্রৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ, দতমাত সাংস্কৃতিক ক্ষেত্র নির্মাণ ইত্যাদি। ইয়াৰ উপৰিও ৰাজ্য চৰকাৰে জন-জীৱনৰ অন্তৰ চুই যোৱা ভালেকেইখন আঁচনি ৰূপায়ণ কৰি আছে। স্বর্গদেউ চ্যুকাফাৰ স্মৃতিত যোৰহাটত, মহাপুৰুষ শ্রীশ্রীমাধৱ দেৱৰ স্মৃতিত, লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰত, শ্রীশ্রীঅনিৰুদ্ধ দেৱৰ স্মৃতিত তিনিচুকীয়াত, সতী ৰাধিকাৰ স্মৃতিত ৰৰদোৱাত, সতী সাধিনীৰ স্মৃতিত গোলাঘাটত, জননেতা শৰৎ চন্দ্র সিংহৰ স্মৃতিত ধুবুৰী জিলাৰ চাপৰত সাংস্কৃতিক প্রকল্প নির্মাণৰ কাম চলি আছে। গুৱাহাটীৰ নাতিদুৰৰ সোণাপুৰত উত্তৰ পূৱ জনজাতীয় সংগ্রহালয়, আৰু সাংস্কৃতিক কেন্দ্র স্থাপনৰ বাবে এখনি অভিলাষী আঁচনি হাতত লোৱা হৈছে। তেজপুৰ চহৰৰ সমীপত ৰূপকোঁৱৰ জ্যোতি প্রসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুৰাভাৰ স্মৃতিত এখন সাংস্কৃতিক বিশ্ববিদ্যালয় প্রতিষ্ঠা কৰাৰ আঁচনি হাতত লোৱা হৈছে।

(খ) নগাওঁ জিলাৰ বটদ্রৱাত সতী ৰাধিকা সাংস্কৃতিক প্রকল্পৰ কাম ইতিমধ্যে ৰূপায়ণ কৰা হৈছে। এক কোটি টকা জিলা উপায়ুক্তক ইতিমধ্যে আদায় দিয়া হৈছে। বেবেজীয়াত ৰাজ্যিক নাট্য বিদ্যালয়ৰ স্থাপনৰ দিহা কৰা হৈছে?

বিষয় ঃ পশু চিকিৎসা কেন্দ্র।

শ্রীনৰ কুমাৰ দলেই সুধিছে ঃ

২৪৭। মাননীয় পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ঢকুৱাখানা সমষ্টিত মুঠ কিমানখন পশুচিকিৎসালয়/পশুচিকিৎসা কেন্দ্র আছে? ইয়াৰে কিমানখন কার্য্যক্ষম হৈ আছে?

(খ) এই চিকিৎসা কেন্দ্র সমূহৰ আন্তঃগাঁথনি উপযুক্ত ৰূপত গঢ়ি তোলা হ'বনে?

(গ) ঢকুৱাখানা সমষ্টিৰ পশুচিকিৎসা কেন্দ্র সমূহৰ বিপৰীতে নিযুক্তি প্রাপ্ত চিকিৎসক কর্মচাৰীৰ তালিকা আৰু তেওঁলোকৰ অৱস্থিতি সম্পর্কে জনাবনে?

(ঘ) বান বিধস্ত ঢকুৱাখানা সমষ্টিত পশু পালকসকলক সকাহ দিয়াৰ উদ্দেশ্যে বিভাগে কোনো বিশেষ আঁচনি লৈছে নেকি?

(ঙ) যদি লোৱা নাই, শীঘে তেনে এটি জৰুৰী পদক্ষেপ গ্রহণ কৰিব নেকি?

শ্রীখৰ ছিং ইংতি (পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ঢকুৱাখানা সমষ্টিত থকা পশুচিকিৎসালয়/পশুচিকিৎসা কেন্দ্রৰ সংখ্যা তলত উল্লেখ কৰা হ'ল—

(১) পশুচিকিৎসালয় — ৫ খন

(২) পশুচিকিৎসা উপকেন্দ্র — ৮ খন

(৩) কৃত্রিম প্রজনন কেন্দ্র — ২ খন

উপৰোক্ত আটাইকেইখন পশুচিকিৎসালয়/পশুচিকিৎসা উপকেন্দ্র কার্য্যক্ষম হৈ আছে।

(খ) এই চিকিৎসা কেন্দ্র সমূহৰ আন্তঃগাঁথনি পর্য্যায়ক্রমে উপযুক্ত ৰূপত গঢ়ি তুলিবলৈ ব্যৱস্থা লোৱা হ'ব। ইতিমধ্যে ঢকুৱাখানা ৰাজ্যিক পশুচিকিৎসালয়খনৰ পুনৰ নির্মাণৰ কাম চলি আছে।

(গ) ঢকুৱাখানা সমষ্টিৰ পশুচিকিৎসা কেন্দ্র সমূহৰ বিপৰীতে নিযুক্ত চিকিৎসক কর্মচাৰীৰ তালিকা সংযোজনা 'ক' ত সংলগ্ন কৰা হ'ল।

(See Annexure-XXXI)

(ঘ) পশুপালন ও পশুচিকিৎসা বিভাগে কার্য্যকৰি কৰি থকা চলিত আঁচনি সমূহৰ দ্বাৰা ঢকুৱাখানা সমষ্টিৰ বান বিধ্বস্ত সকলক প্ৰয়োজনীয় সেৱা আগবঢ়াই আহিছে।

(ঙ) প্ৰশ্ন নুঠে।

বিষয় ঃ হিতাধিকাৰীৰ তালিকা।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

২৪৮। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লক্ষীমপুৰ সমষ্টিৰ লুহিতখাবলু গাওঁ পঞ্চায়তৰ ২০০৮-০৯/২০০৯-১০/২০১০-১১ বৰ্ষৰ IAY ঘৰৰ হিতাধিকাৰী সকলৰ নামৰ তালিকা আৰু ID নম্বৰ সহ ঠিকনা সম্পূৰ্ণ তালিকাখন দিয়াৰ ব্যৱস্থা কৰিবনে?

(খ) উক্ত ঘৰ সমূহ (IAY) সম্পূৰ্ণ ভাৱে নিৰ্মাণ কৰিলেনে?

(গ) যদি কৰা হোৱা নাই, তেন্তে চৰকাৰৰ ফালৰ পৰা কি ব্যৱস্থা ল'ব?

(ঘ) IAY ঘৰ সমূহৰ নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰী বিষয়া সকলৰ দায়িত্ব কি?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) লক্ষীমপুৰ সমষ্টিৰ লুহিতখাবলু গাওঁ পঞ্চায়তৰ ২০০৮-০৯ ৰ পৰা ২০১০-১১ বৰ্ষলৈ হিতাধিকাৰীৰ তালিকা ঠিকনা সহ পৰিশিষ্ট- 'ক' ত উল্লেখ কৰা হ'ল।

(খ) হয়, সম্পূৰ্ণ ভাৱে নিৰ্মাণ কৰা হৈছে?

(গ) প্রশ্ন নুঠে।

(ঘ) IAY ঘৰ নির্মাণৰ ক্ষেত্রত আৱন্টিত ধন হিতাধিকাৰী আৰু কনিষ্ঠ অভিযন্তাৰ যুটিয়াভাৱে খোলা বেংক/পোষ্ট অফিচ Account ত জমা হয়। এই ধন দুটা ভাগত আৱন্টন দিয়া হয়। প্রথম ভাগ পুঁজি খৰচ হোৱাৰ পিচত খৰচৰ খতিয়ানলৈ দ্বিতীয় ভাগ মোকোলাই দিয়া হয়। ঘৰ সম্পূর্ণ কৰাৰ বাবে কনিষ্ঠ অভিযন্তা আৰু হিতাধিকাৰীৰ দায়িত্ব থাকে।

বিষয় ঃ সভা আহ্বান।

শ্রীমুকুন্দ ৰাম চৌধুৰীয়ে সুধিছে ঃ

২৪৯। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কলাইগাওঁ সমষ্টিৰ উন্নয়ন খণ্ড ২ টাত আজিলৈকে "Vigilence and Monitoring Committee" ৰ সভা আহ্বান নকৰাৰ কাৰণটো কি জনাবনে?

(খ) যোৱা ১৫/৯/২০১১ চনতে No. RDD. 133/2006/46 নির্দেশমর্মে কমিটীখন গঠন কৰা হৈছিল যদিও আজি প্রায় ৩ মাহ ধৰি এখনো সভা অনুষ্ঠিত কৰা হোৱা নাই ইয়াৰ প্রকৃত কাৰণ কি জনাবনে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কলাইগাওঁ সমষ্টিৰ অধীনত থকা কলাইগাওঁ আৰু খৈৰাবাৰী উন্নয়ন খণ্ডৰ BTC এলেকাত কৰাৰ কাৰণে Vigilence and Monitoring

Committee ৰ Meeting ক্ৰমে ৬-৭-২০১১ আৰু ১২-৭-২০১১ ইং তাৰিখে অনুষ্ঠিত কৰা হৈছিল আৰু অনতিপলমে উক্ত দুয়োটা উঃ খণ্ডত ২য় খন সভা অনুষ্ঠিত কৰাৰ কাৰণে প্ৰস্তুতি চলাই থকা হৈছে।

কিন্তু প্ৰকল্প সঞ্চালক, দৰং অভিকৰণে বিভিন্ন কাৰণত কলাইগাওঁ উন্নয়ন খণ্ডৰ Non BTAD এলেকাত Vigilence & Monitoring Committee ৰ সভা পাতিব পৰা নাই যদিও অনতি পলমে সভা অনুষ্ঠিত কৰাৰ কাৰণে প্ৰস্তুতি চলাই আছে বুলি অৱগত কৰিছে।

(খ) প্ৰকল্প সঞ্চালক, ওদালগুৰি জিলা অভিকৰণে জনোৱা মৰ্মে Vigilence & Monitoring Committee খন পূৰ্ণাঙ্গৰূপত গঠিত নোহোৱা বাবে সভাখন অনুষ্ঠিত কৰিব পৰা নাই।

বিষয় ঃ বনাঞ্চলত ভূমি পট্টাৰ ব্যৱস্থা।

শ্ৰীশৰৎ শইকীয়াই সুধিছে ঃ

২৫০। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শিৱসাগৰ জিলাৰ অন্তৰ্গত দিঁৰৈ-ৰাঙলী বনাঞ্চল আৰু চলা বনাঞ্চলত বসবাস কৰা জনজাতি সকলক ভাৰত চৰকাৰে ভূমি পট্টা দিয়াৰ যি ব্যৱস্থা গ্ৰহণ কৰিছিল, সেই সকল লোকক চলিত বছৰৰ ভিতৰতে ভূমি পট্টা দিয়াৰ ব্যৱস্থা কৰিবনে?

(খ) উক্ত অঞ্চলত বসবাস কৰা সাধাৰণ জনগোষ্ঠীৰ লোক সকলৰ বাবে ভাৰত চৰকাৰে যি ৮০ বছৰ নিৰ্দ্ধাৰণ কৰি দিছিল উক্ত বছৰটো জনসাধাৰণৰ সুবিধাৰ্থে ৫০ বছৰ কৰিবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিবনে?

শ্রীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ভাৰত চৰকাৰৰ ইং ২০০৬ চনৰ "অনুসূচিত জনজাতি আৰু অন্যান্য পৰম্পৰাগত বন অধিবাসী (বন অধিকাৰ স্বীকৃতি) অধিনিয়ম" আইনৰ আধাৰত শিৱসাগৰ জিলাৰ অন্তর্গত দিৰৈ আৰু চলা সংৰক্ষিত বনাঞ্চলত ইং ১৩/১২/২০০৫ তাৰিখৰ আগৰ পৰা নিয়মীয়াকৈ বংশানুক্রমে বসবাস কৰি থকা অনুসূচিত জনজাতি লোকসকলৰ দখলিকৃত এলেকাৰ ন্যায্য আবেদন দাবী সাপেক্ষে বিভিন্ন পর্য্যায়ৰ কমিটিত পর্য্যবেক্ষনৰ পিচত অধিকাৰ প্রমাণ পত্র দিয়াৰ ব্যৱস্থা কৰা হৈ আছে। এই ক্ষেত্রত সংশ্লিষ্ট ভূমিৰ G.P.S. ৰ সহায়ত জৰীপ ও নক্সা তৈয়াৰ কৰাকে ধৰি বিভিন্ন যাবতীয় কাম সম্পাদন কৰিবলৈ ভৈয়াম জনজাতি ও পিচপৰা শ্রেণীৰ কল্যান বিভাগক (WPT & BC Deptt.) ন'ডেল (Nodal) বিভাগ হিচাপে দায়িত্ব প্রদান কৰা হৈছে আৰু স্থানীয় বনবিভাগে উক্ত সন্দর্ভত যাবতীয় সহায় আগবঢ়াই আছে।

(খ) ইং ২০০৬ চনৰ "অনুসূচিত জনজাতি আৰু অন্যান্য পৰম্পৰাগত বন অধিবাসী (বন অধিকাৰ স্বীকৃতি) অধিনিয়ম" আইনৰ আওঁতাত যিসকল পৰম্পৰাগত বন্যবাসী পৰিয়াল (traditional dwellers) বনাঞ্চলৰ নির্দিষ্ট এলেকাত তিনি পুৰুষ (three generations) অর্থাৎ অন্ততঃ ৭৫ বছৰ (উক্ত আইনমতে "পীড়ি" মানে "পঁচিশ" মান বছৰীয়া এটি কাল) নিয়মীয়াকৈ বসবাস কৰি আছে (ইং ১৩/১২/২০০৫ তাৰিখৰ আগৰ পৰা) তেওঁলোকহে অধিকাৰ প্রমাণ পত্র পোৱাৰ যোগ্য বুলি বিবেচিত হয়। এই সন্দর্ভত উক্ত সময়সীমা ৭৫ বছৰৰ পৰা ৫০ বছৰ কৰিবলৈ অসম চৰকাৰে কেন্দ্রীয় চৰকাৰলৈ কোনো প্রস্তাৱ প্রেৰণ কৰাৰ বিষয়ে বিবেচনা কৰা নাই।

SHORT NOTICE

QUESTIONS AND ANSWERS

Mr. Speaker : Now, Short Notice Question No.10, Hon'ble Member, Shri Aminul Islam.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ঃ-১০।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

১০। মাননীয় সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা তিনিটা বিত্তীয় বছৰত প্ৰধান মন্ত্ৰীৰ ১৫ দফীয়া কাৰ্য্যসূচীৰ অধীনত সংখ্যালঘু সকলৰ কল্যাণৰ বাবে অসমে কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান ধন লাভ কৰিছে? (প্ৰতি বছৰৰ হিচাপ পৃথকে দিব)

(খ) কেন্দ্ৰই ঘোষণা কৰা ধন প্ৰতি বছৰে সময়মতে পাইছেনে? যদি পোৱা নাই, কিয়?

(গ) প্ৰধান মন্ত্ৰীৰ ১৫ দফীয়া আঁচনিৰ অধীনত এতিয়ালৈকে কোন কোন জিলাত কি কি কাম কৰা হ'ল? (খৰচৰ পৰিমাণ সহ বিতং তথ্য দাখিল কৰিব)

(ঘ) প্ৰধান মন্ত্ৰীৰ ১৫ দফীয়া আঁচনি আৰু ইয়াৰ ৰূপায়ণৰ বাবে প্ৰস্তুত কৰা গাইড লাইনৰ প্ৰতিলিপি সদনত দাখিল কৰিবনে?

ডাঃ নজৰুল ইছলাম (সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সংখ্যালঘু উন্নয়ন বিভাগৰ জৰিয়তে যোৱা তিনিটা বিত্তীয় বছৰত প্ৰধান মন্ত্ৰীৰ

১৫ দফীয়া কার্য্যসূচীৰ অধীনত তলত দেখুৱা ধৰণৰে ধন লাভ কৰা হৈছে।

বছৰ	আঁচনিৰ নাম	টকাৰ পৰিমাণ	আঁচনিৰ নাম	টকাৰ পৰিমাণ
২০০৮ -২০০৯	পোষ্ট মেট্রিক	৪৫৬.১৭ লাখ	প্ৰাক মাধ্যমিক	৫৪৮.৫৮ লাখ
	মেৰিট-কাম -মিনচ	৩৬৮.২৮ লাখ		
২০০৯ -২০১০	পোষ্ট মেট্রিক	৮৩২.৩২ লাখ	প্ৰাক মাধ্যমিক	১৫১৯.৬৪ লাখ
	মেৰিট-কাম -মিনচ	৫৯৯.৮৮ লাখ		
২০১০ -২০১১	পোষ্ট মেট্রিক	১৩.৫৮ লাখ	প্ৰাক মাধ্যমিক	১৪২৫.০৮ লাখ (বৰ্তমানলৈ অনুমোদন অহা নাই)
	মেৰিট-কাম -মিনচ	৪৭৯.১৫ লাখ		

(খ) কেন্দ্ৰই ঘোষণা কৰা মঞ্জুৰীকৃত ধন প্ৰতি বছৰ সময় মতে পোৱা হৈছে।

(গ) জিলা ভিত্তিক তালিকা প্ৰস্তুত কৰা নহয়। ৰাজ্য ভিত্তিত সামগ্ৰীক ভাবে খৰচৰ পৰিমাণ তলত দেখুৱা হ'ল।

বছৰ	আঁচনিৰ নাম	টকাৰ পৰিমাণ	আঁচনিৰ নাম	টকাৰ পৰিমাণ
২০০৮-২০০৯	পোষ্ট মেট্রিক	৪৫৬.১৭ লাখ	প্ৰাক মাধ্যমিক	৫৪৮.৫৮ লাখ
	মেৰিট-কাম -মিনচ	৩৬৮.২৮ লাখ		
২০০৯-২০১০	পোষ্ট মেট্রিক	৮৩২.৩২ লাখ	প্ৰাক মাধ্যমিক	১৫১৯.৬৪ লাখ
	মেৰিট-কাম-মিনচ	৫৯৯.৮৮ লাখ		
২০১০-২০১১	পোষ্ট মেট্রিক	১৩.৫৮ লাখ	প্ৰাক মাধ্যমিক	(বৰ্তমানলৈকে কেন্দ্ৰীয় চৰকাৰৰ পুঁজি পোৱা নাই)
	মেৰিট-কাম-মিনচ	৪৭৯.১৫ লাখ		

(গ) পৰিশিষ্ট "ক" সদনৰ মজিয়াত দাখিল কৰা হ'ল।

Mr. Speaker : Now, Short Notice Question No.11, Hon'ble Member, Shri Prafulla Kr. Mahanta.

Sub : Short Notice Question No-11.

Shri Prafulla Kr. Mahanta asked :

11. Will the Minister Finance be pleased to state :

(a) Is it a fact that the Reserve Bank of India (RBI) has

asked Banks of the State (Assam) to gear up for fulfilling the target of disbursing credit of Rs. 4,500 crore in this fiscal for the Agriculture sector?

(b) Is the Govt. of Assam aware of that RBI is not satisfied about the credit disbursement to the agricultural sector by the Banks? If it is true, what steps are taken by the State Govt. for disbursement of make credit to the Agricultural sector by the Banks?

(c) What is the target of Banks in Assam for credit disbursement to the agricultural sector in each district of Assam? (Give the data of every district separately with the target & name of the Banks).

(d) According to RBI-" The main reason behind the abnormal rate of inflation is rise of oil imports and rise in the prices of food products. In Assam the rate of inflation is high due to rise in the prices of food products as compared to other states. Moreover, the essential commodities come from out side." Now what steps are taken by the state Govt. to prevent or Control the inflation of price rises?

Dr. Himanta Biswa Sarma(Minister,Health & Family Welfare etc. Department) replied on behalf of Shri Tarun Gogoi, (Finance Minster, Assam.) :

11(a) Yes.

The RBI has asked banks to fulfil the Annual Credit Plan target of Rs. 4499.80 crore set for 2011-12 of which target for the agriculture sector is Rs.2123.17 crore.

11 (b) Yes

The following steps has been taken by the State Government for enhancing disbursement of credit to the Agriculture Sector:–

- The Govt. of Assam has extended the 3% interest subvention scheme on crop loan to farmers for the year 2011-12 with enhanced limit of Rs. 35,000 from Rs. 20,000 as announced by Hon'ble Chief Minister, Assam. This interest sub-vention is over and above the interest relief provided on crop loans by the Central Govt.

- In a special meeting of the State Level Bankers Committee [SLBC] chaired by the Hon'ble Chief Minister, Assam on 27/06/2011, target for issue of 4,50,000 new Kissan Credit Cards [KCCs] in the State during the year 2011-12 was set. Also, the target for crop loan disbursement to the farmers was enhanced to Rs. 1120 crore.

- A sub-committee of SLBC was formed in july 2011 under the chairmanship of Agricultural Production Commissioner, Govt. of Assam with the Chief General Manager and the State Bank of India as co-convenors for

monitoring the issue of KCCs and the smooth flow of credit to the Agriculture sector. Upto the quarter ending September, 2011, a total of 1,24,586 new KCCs involving credit flow of Rs.386.20 crore were issued by banks.

11(c) The district-wise and bank-wise targets for Credit disbursement to the Agricultural Sector as approved by the SLBC is enclosed at Annexure I.

11(d) The following steps have been taken by the State Government to prevent or control price rise–

Regular review meeting are being held with wholesellers, Dealers for maintenace of adequate stocks of Essential Commodities.

- To prevent the leakage of PDS/TPDS articles, joint verification of PDS/TPDS outlets/nominees are being under taken through verification teams consisting of executive Magistrate, officials of Food and civil Supplies and Co-operation Departments.

- Ensuring regular holding of vigilance and Monitoring Committees meetings at District/Sub-Divisional and GPSS/ Town Wholesale Co-operative Society/F.P.Shop.

- Price bulletin of prevailing wholesale and retail prices of Essential Commodities of the State is provided to the media for publication in the leading Dailies.

- The Govt. has been successfully implementing an innovative scheme namely "AMAR DUKAN" through which non PDS essential commodities have been provided to the consumers through selected Fair Price Shops at reasonable price.

- Emphasis has been given on increased production of foodgrains in the State.

Mr. Speaker : Now, Short Notice Question No.12 , Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ঃ-১২।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

১২। মাননীয় ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শেহতীয়াকৈ কাৰ্বি আংলং স্বায়ত্ব পৰিষদৰ এলেকাধীন UPDS ৰ সৈতে কেন্দ্ৰীয় চৰকাৰৰ কি চুক্তি স্বাক্ষৰিত হৈছে জনাৰনে? (চুক্তিৰ কপি সন্মানীয় সদস্য সকলক দিব)

(খ) উক্ত চুক্তিৰ ফলত কাৰ্বি আংলংৰ সন্ত্ৰাসবাদৰ সমস্যা সমূহ সমাধান হব বুলি চৰকাৰে ভাবেনে?

(গ) চুক্তি খনৰ প্ৰতি অসম চৰকাৰৰ পূৰ্ণ সন্মতি আছেনে?

(ঘ) ভৈয়ামৰ নগাওঁ, শিৱসাগৰ (অবিভক্ত) জিলাৰ একোটা অংশ কাঢ়ি নি কাৰ্বি আংলং জিলা গঠন হৈছিল। গতিকে অনা কাৰ্বি বহুতোলোক বৰ্তমানৰ কাৰ্বি আংলং জিলাত থকাটো স্বাভাবিক। সেয়ে তেওঁলোকৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অধিকাৰৰ ৰক্ষণাবেক্ষণ ৰাজ্য চৰকাৰে দিবনে?

শ্রীৰকিবুল হুছেইন (ৰাজনৈতিক বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ মাননীয় বন আৰু পৰিবেশ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচী অনুসৰি "কার্বি আংলং অটনমাচ টেৰিটৰিয়েল কাউন্সিল" পুনৰ গঠন কৰা হ'ব। "ইউ. পি. ডি. এচ্." ৰ সৈতে স্বাক্ষৰিত হোৱা চুক্তিৰ অন্তর্গত সন্মতি জনোৱা দাবী সমূহ বাস্তবায়িত কৰা সন্দর্ভত কেন্দ্রীয় চৰকাৰে ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচী অনুসৰি যথাযথ সংশোধনমূলক ব্যৱস্থা গ্রহণ কৰিব। (চুক্তিৰ প্রতিলিপি সন্মানীয় সদস্যসকলক দিয়া হৈছে)

(খ) উক্ত চুক্তিৰ ফলত কার্বি আংলংৰ সন্ত্রাসবাদৰ সমস্যাসমূহ কিছু পৰিমাণে লাঘৱ হব বুলি চৰকাৰে আশা কৰে।

(গ) চুক্তিৰ প্রতি আমাৰ চৰকাৰৰ পূর্ণ সন্মতি আছে।

(ঘ) কার্বি আংলং জিলাত বসবাস কৰা অনা কার্বি লোকসলৰ ৰাজনৈতিক, অর্থনৈতিক আৰু সামাজিক অধিকাৰৰ ৰক্ষণাবেক্ষণ আমাৰ চৰকাৰৰ ফালৰ পৰা দিবলৈ যত্নৰ ত্রুটী কৰা নহব।

Mr. Speaker : Now, Short Notice Question No.13, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন নং ঃ-১৩।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

১৩। মাননীয় খাদ্য আৰু অসামৰিক বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) PDS বুলি কওতে কি কি নিত্যব্যৱহার্য্য সামগ্রী অন্তর্ভুক্ত হৈ আছে জনাবনে ?

(খ) ২০০১-২০০২ চনৰ পৰা বর্তমানলৈকে উক্ত আঁচনি অনুসৰি অসমে কি কি সামগ্রী প্রতিমাহে লাভ কৰি আহিছে জনাবনে? উক্ত সামগ্রী সমুহ কেনেদৰে এতিয়ালৈকে বিতৰণ কৰি আহিছে জনাবনে?

(গ) চেনী, ঘেহু, উক্ত বছৰ সমূহত বাইজে সঠিক ভাৱে সুলভ মূল্যৰ দোকান সমূহত নোপোৱাৰ অভিযোগ উঠি আহিছে, এই ক্ষেত্রত চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে জনাবনে?

(ঘ) খাদ্য সামগ্রীৰ চৰা দাম ৰোধ কৰাত চৰকাৰ সম্পূর্ণ ভাৱে ব্যর্থ হৈছে। নিত্য ব্যৱহার্য্য খাদ্য সামগ্রীৰ চৰা দাম ৰোধ কৰিবৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে জনাবনে?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) চাউল, চেনী, কেৰাচিন আৰু ঘেহু (আটা) নিত্যব্যৱহার্য্য সামগ্রী বুলি অন্তর্ভুক্ত হৈ আছে।

(খ) ২০০১-২০০২ চনৰ পৰা বর্তমানলৈ উক্ত আঁচনি অনুসৰি অসমে ক অংশত উত্তৰ সন্নিবিষ্ট হৈ আছে। লগতে উক্ত সামগ্রী সমূহ লোকপিয়ল ভিত্তিত জনসংখ্যাৰ অনুপাতত প্রত্যেক জিলা/মহকুমাত বিতৰণ কৰা হৈ আছে।

(গ) চেনী, ঘেহুৰ পৰা প্রস্তুত কৰা আটা আদি বাইজে সুলভ মূল্যৰ দোকানৰ জৰিয়তে পাই আছে। কেতিয়াবা উক্ত খাদ্য সামগ্রীসমুহ ভাৰতীয় খাদ্য নিগমত মজুত নাথাকিলে সময়মতে গ্রাহক/বাইজে নাপায়। সঠিক মতে খাদ্য সমগ্রী বিতৰণ কৰা বা নথকাৰ অভিযোগ উপায়ুক্ত/মহকুমাধিপতিয়ে পালে এই ক্ষেত্রত তদন্ত কৰি বিহিত ব্যৱস্থা লয় তদুপৰি BIEO ৰ জৰিয়তেও চৰকাৰে আইনমতে ব্যৱস্থা লৈ থকা হৈছে।

(ঘ) খাদ্য সামগ্রীৰ চৰা দাম ৰোধ কৰিবৰ বাবে চৰকাৰে লোৱা পদক্ষেপ সংলগ্ন 'ক' ত গাঠি দিয়া হ'ল।

Mr. Speaker : Now, Short Notice Question No.14,Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ঃ-১৪।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

১৪। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে অসমীয়াৰ গ্ৰহণযোগ্য সংজ্ঞা নিৰূপণ কৰিলে নেকি? যদি কৰা নাই, কিয় কৰা নাই জনাবনে?

(খ) "অসমীয়া" বুলি চৰকাৰে বৰ্তমান কাক কাক বুজায় আছে জনাবনে?

(গ) চৰকাৰে অসমীয়াৰ সংজ্ঞা নিৰূপণ কৰিবলৈ আৰু কিমান দিনৰ প্ৰয়োজন হ'ব জনাবনে?

(ঘ) ব্ৰহ্মপুত্ৰ বুলি কলে নদীখন ইয়াৰ উপনদী আৰু উপনদী সমূহৰ জান জুৰিৰ দ্বাৰা যেনেকৈ সমৃদ্ধ তেনেকৈ অসমৰ "অসমীয়া" বুলি কওঁতে ইয়াৰ খিলঞ্জীয়া জনজাতি অজনজাতি সকলক নুবুজাব জানো? (ভাৰতীয় সকল)

ড° হিমন্ত বিশ্ব শৰ্মা (অসম চুক্তি ৰূপায়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নিৰূপণ কৰা হোৱা নাই। অসম চুক্তিৰ দফা ৬ ৰ বাবে গঠিত কেবিনেট উপ-সমিতিৰ বিচাৰধীন।

(খ) কেবিনেট উপ-সমিতিৰ বিচাৰধীন।

(গ) প্ৰয়োজনীয় সময় কেবিনেট উপ-সমিতিৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰিব।

(ঘ) 'খ' ত কোৱাৰ দৰে।

Mr. Speaker : Now, Short Notice Question No.15,Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

১৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ জন্মস্থান বুলিলে চৰকাৰে নগাঁও জিলাৰ বটদ্ৰৱা বা বৰদোৱাক বুজায়নে?

(খ) বটদ্ৰৱা নাম গ্ৰাম-শস্যমৎসে অনুপম-লোহিত্যৰ অতি অনুকুল বুলি কোৱাৰ পিচতো পাঠ্যপুথিত জন্মস্থান লৈ বিভ্ৰান্ত কিয়?

(গ) চৰকাৰে বটদ্ৰৱা স্থানৰ উন্নতিৰ বাবে কি, কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে?

(ঘ) দৰ্শনাৰ্থীৰ বা তীৰ্থ যাত্ৰীৰ সুবিধাৰ বাবে নগাঁৱৰ পৰা বৰদোৱা সত্ৰলৈ এই পথ চোৱা ৪ পথ যুক্ত (4 lane) পথ কৰি তুলিবনে?

ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নগাওঁ জিলাৰ আদালতত এই বিষয়ে এটা গোচৰ চলি আছে। বিষয়টি অত্যন্ত স্পৰ্শকাতৰ বাবে বৰ্তমান চৰকাৰে এই বিষয়ে মতামত দিব বিচৰা নাই। অৱশ্যে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰনয়ণ আৰু প্ৰকাশন নিগমে প্ৰকাশ কৰা

পাঠ্যপুথিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম স্থান নগাঁৱৰ বৰদোৱাৰ ওচৰৰ আলিপুখুৰীত বুলি প্ৰকাশ কৰিছে। কিন্তু চৰকাৰে এই ক্ষেত্ৰত আদালতৰ ৰায়লৈ অপেক্ষা কৰিছে।

(খ) 'ক' অনুসৰি।

(গ) এই সম্পৰ্কত শিক্ষা বিভাগ জড়িত নহয়।

(ঘ) এই বিষয়টো শিক্ষা বিভাগৰ লগত জড়িত নহয়।

Mr. Speaker : Now, Short Notice Question No.16,Hon'ble Member, Shri Shahidul Alam Choudhury.

16. Will the Minister P.W.D. be pleased to state :—

(a) How many P.W.D. N.H. Division are there in BARAK Valley, i.e. Cachar, Karimganj & Hailakandi and its Jurisdiction?

(b) How many P.W.D. N.H. Sub-divisions are there in Barak Valley and its Jurisdiction with work volume?

(c) How many Asstt. Engineer, Junior Engineer and Section Asstt. and their working Jurisdiction ?

(d) During distribution of Section/work whether P.W.D. NORMS are maintained?

(e) In NH 154/ NH 54 Extn. & NH 53 (Silchar town Portion) original work/PR work allotted contractions name completion and payment made to the contractors as per different works allotted to them till date.

(f) Detail from July, 2009 the name of allotted contractors in NH-44 with their tender value, date of copletion till 30.11.2011, progress of work and bill amount and payment made against original work i.e. PR/AP & other etc. from Malidhar to Churaibari?

(g) Detail of the F.D.R. and OR work order No. date and tender value and name of contractors with change against 2009-10, 2010-11 and 2011-12.

Smti. Ajanta Neog (Minister P.W.D.) replied :

(a) There is 1 (one) No. of P.W.D. NH Division at Cachar District in BARAK Valley and its Jurisdiction is within Cachar, Karimganj & Hailakandi District.

(b) There are 2 (Two) Nos., of P.W.D. NH Sub-Division.

1) Hailakandi NH Sub-Division:– Jurisdiction Hailakandi, Karimganj District and Road NH-154, with 0/00 to 89/00 km. (Dholeswari Bharibi Road) and on NH-151 from km. 0/00 to 14/064 km. (Karimganj to Sutarkandi)

2) Silchar NH Sub-Division :– Jurisdiction i.e. NH-44 Malidhar to Churaibari from Km. 173/325 to km.284.050 (Length=110.725 km.), NH-54(E) from km. 244/000 to 275/000 km. (Ditakcherra to Balacherra) (Length=31.00 km.), NH-53(UL) from E&D Colony to Rangpur from 225/255 km. to 228/418 km., NH-54(UL) 0.00 to 2.876 km., Silchar By-pass (Ch. 0/00 km. to 20.127455 km.)

(c) Under Hailakandi NH Sub-Division :— Asstt. Engineer=1(one) No., Junior Engineer=2 (two) Nos. and Section Asstt.= 5(five) Nos. (in NH-154 in Hailakandi District and NH-151 in Karimganj District).

Under Silchar NH Sub-Division :– Asstt. Engineer=3 (Three) Nos., Junior Engineer=1 (one) No. and Section Asstt. = 2(two) Nos. [in NH-44 in Malidhar to Churaibari, NH-54(E), NH-53(UL) and NH-54 (UL) Cachar District].

(d) The NH works under Silchar NH Division have been distributed among the existing technical staff available in the Division following P.W.D. norms.

(e) Details furnished at Annexure-'A'.

(f) Details furnished at Annexure-'B'

(g) Details furnished at Annexure-'C'.

Mr. Speaker : Now, Short Notice Question No.17, Hon'ble Member, Shri Utpal Dutta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ঃ-১৭।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

১৭। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৭৪ চনৰ পৌৰ সভাৰ সংশোধিত আইন মতে চহৰ অঞ্চলত গৃহ নিৰ্মাণ,

মাটি কিনা-বেচা অনুমতি দিয়াৰ দায়িত্ব পৌৰ সভাৰ হাতত অসম চৰকাৰে ন্যস্ত কৰিছে নেকি? যদি কৰিছে, তেন্তে অসম নগৰ ও গাওঁ পৰিকল্পনা আইন খন সংশোধন কৰিছে নেকি?

(খ) বৰ্তমান সময়ৰ পৰা নগৰ অঞ্চলত উন্নয়ন প্ৰাধিকৰণ সমূহৰ কি দায়িত্ব থাকিব? উন্নয়ন প্ৰাধিকৰণ সমূহৰ উপাৰ্জন থল কি হব?

(গ) অসম চৰকাৰে উন্নয়ন প্ৰাধিকৰণ সমূহৰ কৰ্তব্যৰত কৰ্মচাৰী সকলক দৰমহা দিয়াৰ ব্যৱস্থা কৰিছে নেকি? যদি কৰিছে, কেনে ব্যৱস্থা কৰা হৈছে?

(ঘ) নগৰ অঞ্চলত গৃহ নিৰ্মাণ, মাটি কিনা বেচা অনুমতি দিয়াৰ দায়িত্ব পৌৰ সভাৰ হাতলৈ গলে উন্নয়ন প্ৰাধিকৰণ সমূহ যে বন্ধ হোৱাৰ উপক্ৰম হব এই বিষয়ে চৰকাৰ জ্ঞাত নে?

(ঙ) উন্নয়ন প্ৰাধিকৰণ সমূহক জনকল্যাণমূলক আঁচনি গ্ৰহণ কৰিবৰ বাবে চৰকাৰী ভাবে বাৰ্ষিক হিচাবে আৰ্থিক অনুদান দিয়া হয় নে? যদি দিয়া হয়, তেন্তে বাৰ্ষিক হিচাবে একোখন উন্নয়ন প্ৰাধিকৰণক কিমান আৰ্থিক অনুদান দিয়া হয় আৰু ভৱিষ্যতে এনে আৰ্থিক অনুদান দিয়াৰ আঁচনি আছে নেকি?

(চ) ২০০৮-০৯ আৰু ২০০৯-১০ বৰ্ষত লক্ষীমপুৰ প্ৰাধিকৰণলৈ কিমান টকা দিয়া হৈছিল আৰু এই টকা কি কি আঁচনিত খৰচ কৰা হৈছে?

শ্ৰীমতী অজন্তা নেওঁগ (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) কৰিছে। অসম নগৰ ও গাওঁ পৰিকল্পনা আইন খন সংশোধন এতিয়ালৈকে কৰা হোৱা নাই।

(খ) উন্নয়ন প্ৰাধিকৰণ সমূহে মাষ্টাৰপ্লেন অনুসৰি নগৰৰ উন্নয়ন মূলক কাম কৰাৰ

দায়িত্বত থাকিব। তাৰোপৰি পৌৰসভাৰ এলেকাৰ বাহিৰৰ কিন্তু, মাষ্টাৰপ্লেন এলেকাৰ অধীনৰ অঞ্চল সমূহৰ গৃহ নির্মাণ, মাটি কিনা-বেচা কৰাৰ অনুমতি দিয়াৰ দায়িত্বত থাকিব। উন্নয়ন প্রাধিকৰণ সমূহে নগৰৰ উন্নয়ণ মুলক আৰু আয় উৎপন্ন কৰিব পৰা আন্তঃগাথোঁনি গঠন কৰি, উপার্জনৰ থল তৈয়াৰ কৰিব পাৰিব। তদুপৰি, পৌৰসভাৰ এলেকাৰ বাহিৰৰ কিন্তু মাষ্টাৰপ্লেনৰ ভিতৰৰ অঞ্চলসমূহৰ গৃহ নির্মাণ, মাটি কিনা-বেচাৰ অনুমতি প্রদান কৰি ৰাজহ উৎপন্ন কৰিব পাৰিব।

(গ) এতিয়ালৈকে কৰা নাই। বিষয়টো পৰীক্ষা কৰি থকা হৈছে।

(ঘ) উন্নয়ন প্রাধিকৰণ সমূহ বন্ধ হোৱাৰ কাৰণ দেখা নাযায়।

(ঙ) হয়। প্রতিবছৰে পৰিকল্পনাভুক্ত বাজেটৰ ওপৰত নির্ভৰ কৰি অনুদান দিয়া হয় আৰু এনে আঁচনি বার্ষিক পৰিকল্পনাত আছে।

(চ) লক্ষীমপুৰ প্রাধিকৰণক ২০০৮-০৯ বর্ষত ১.০০ লাখ টকা আৰু ২০০৯-১০ বর্ষত ০.৬৫ লাখ টকা অনুদান আঁচনি ৰূপায়ণৰ বাবে দিয়া হোৱা নাই । প্রশাসনিক ব্যয়ৰ বাবেহে দিয়া হৈছে।

Mr. Speaker : Now, Short Notice Question No.18, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

১৮। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ডঃ ভূপেন হাজৰিকাক "ভাৰত ৰত্ন" প্রদানৰ বাবে অসম চৰকাৰে কেতিয়া,

কেতিয়া অনুষ্ঠানিকভাৱে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ উৎত্থাপন কৰিছিল?

(কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ যোগাযোগৰ চিঠিৰ প্ৰতিলিপি সংলগ্ন কৰিব)

(খ) কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত কিবা উত্তৰ দিছেনে। (যদি দিছে, উত্তৰত চিঠিৰ প্ৰতিলিপি সংলগ্ন কৰিব)

(গ) সুধাকণ্ঠৰ গীত-মাত, অসম তথা ভাৰতবৰ্ষৰ সাংস্কৃতিক জগতখনলৈ দি যোৱা অৰিহণা, শেষ যাত্ৰাৰ দৃশ্য, ব্যৱহৃত সামগ্ৰীসমূহ আৰু সমাধি স্থলী সংৰক্ষণ আৰু পৰিবৰ্ধনৰ বাবে চৰকাৰে কি, কি ব্যৱস্থা হাত লৈছে বা ল'ব জনাবনে?

(ঘ) সুধাকণ্ঠৰ শেষ কৃত্যত চৰকাৰী ঘোষণা স্বত্বেও কিয় ৰাষ্ট্ৰীয় মৰ্যাদা দিয়াত চৰকাৰ সফল নহ'ল জনাবনে?

শ্ৰীমতী প্ৰণতি ফুকন (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে ডঃ ভূপেন হাজৰিকাক "ভাৰত ৰত্ন" প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত ২৯/৬/২০১০ চনত এক আনুষ্ঠানিক পত্ৰ প্ৰেৰণ কৰিছিল। তাৰোপৰি অসমৰ মাননীয় মুখ্যমন্ত্ৰীয়ে ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰীলৈ ২০১১ চনৰ ১৫ আক্টোবৰ তাৰিখে CMO.1/2011/2510 নং চিঠি যোগে এখন ডি অ' (D.O) চিঠি যোগে ডঃ ভূপেন হাজৰিকাক ভাৰত ৰত্ন প্ৰদান কৰিবৰ বাবে অনুৰোধ জনায়। যোগাযোগৰ চিঠিৰ প্ৰতিলিপি সংলগ্ন কৰা হ'ল।

(খ) ৰাজ্য চৰকাৰৰ ৰাজনৈতিক বিভাগে জনোৱা মতে এই সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰৰ পৰা এতিয়ালৈকে কোনো উত্তৰ পোৱা হোৱা নাই

(গ) সুধাকণ্ঠৰ গীত-মাত, ব্যৱহৃত সামগ্ৰী-সমূহ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত স্থাপন কৰা ডঃ ভূপেন হাজৰিকা সংগ্ৰহালয়ত সংৰক্ষণ কৰা হৈছে। তেখেতৰ শেষ যাত্ৰাৰ দৃশ্য, ব্যৱহৃত সামগ্ৰী সমূহ আৰু সমাধিস্থলী সংৰক্ষণ আৰু পৰিবৰ্ধনৰ বাবে সুচিন্তিত ভাবে সোনকালে আৰু পৰ্যায়ক্ৰমে পদক্ষেপ গ্ৰহন কৰা হ'ব।

(ঘ) ৰাষ্ট্ৰীয় মৰ্যাদা দিয়া বিষয়টো সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ লগত জৰিত নহয়।

Mr. Speaker : Now, Short Notice Question No.19, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ১৯।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

১৯। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম সমবায় চেনীকলটো (কামপুৰ) চৰকাৰী ঘোষণা স্বত্বেওঁ কিয় পুনৰ জীৱিত কৰা নহ'ল জনাবনে?

(খ) উক্ত চেনীকলটোৰ কৰ্মচাৰী/বিষয়া সকলৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ বাবে চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে?

(গ) কামপুৰ চেনীকলৰ বাবে খৰ্কা মাটি আৰু মেচিন সমূহ মিলটো পুনৰ কাৰ্য্যক্ষম নোহোৱালৈকে সংৰক্ষণ আৰু মেৰামতিৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে জনাবনে?

(ঘ) চৰাকৰে যদি নিজে উক্ত মিলটো কার্য্যক্ষম নকৰে তেন্তে ব্যক্তিগত খণ্ডক দিলেও কার্য্যক্ষম কৰাৰ বিষয়ে কিবা সিদ্ধান্ত লৈছে নেকি জনাবনে?

শ্রীছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰে অসম সমবায় চেনীকলটো কার্য্যক্ষম কৰি তুলিবৰ কাৰণে ২০০৩-০৪ চনৰ পৰা ২০০৭-০৮ চনলৈ ১.৯০ কোটি টকাৰ আর্থিক সাহায্য প্রদান কৰিছিল যদিও ইয়াক কার্য্যক্ষম কৰাত ফলৱতী নহ'ল। ২০০৭ চনত এই মিলটোৰ পুঞ্জীভুত লোকচানৰ পৰিমাণ ১৫ কোটি ৮৯ লাখ টকা হয়গৈ, আনহাতে, মিলৰ উৎপাদন ক্ষমতা ক্রমান্বয়ে হ্রাস পাই অহাত আৰু দিনে দিনে লোকচানৰ পৰিমাণ বাঢ়ি অহাত মিলটো চলাই থকাটো ব্যৱসায়িক দিশৰ পৰা লাভজনক নোহোৱাৰ বাবে চৰকাৰে বন্ধ কৰাৰ সিদ্ধান্ত কৰে। চৰকাৰৰ অধিসূচনা পি ই ৬৬/২০১০/১৫৫-এ তাং ০৭/০৬/২০১১ মর্মে মিলটো বন্ধ ঘোষণা কৰা হৈছে, (Annexure-1)

(খ) উক্ত চেনীকলটোৰ কর্মচাৰী/বিষয়া সকলৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ বাবে তেওঁলোকক বকেয়া দৰমহা আৰু চৰকাৰৰ অনুমোদিত নীতি অনুসৰি VRS ৰ (স্ব-ইচ্ছাই অৱসৰ) ধন দিয়াৰ বাবে সমবায় বিভাগ, পৰিকল্পনা আৰু উন্নয়ন বিভাগ তথা বিত্ত বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে।

(গ) কামপুৰ সমবায় চেনীকলটো বর্তমানে অসম সমবায় সমিতি আইন আৰু বিধিৰ অধীনত নিযুক্ত অৱসায়কৰ (Liquidator) তত্তাৱধানত আছে। অৱসায়কে আইন আৰু বিধি অনুযায়ী মিলৰ মাটি আৰু মেচিন সমূহৰ যথাযোগ্য নিস্পত্তিৰ ব্যৱস্থা গ্রহণ কৰিব।

(ঘ) এই ক্ষেত্রত তেনেকোনো সিদ্ধান্ত গ্রহণ কৰা হোৱা নাই।

Mr. Speaker : Now, Short Notice Question No.20, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ২০ ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২০। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৫-২০১০ এই বিত্তীয় বছৰ কেইটাত কিমান পুঁজি 'এনৰেগা' আঁচনিৰ বাবে পাইছিল আৰু সেই পুঁজিৰে কিমান আঁচনি ৰূপায়ণ কৰিলে বিতংকৈ জনাবনে?

(খ) এই আঁচনি ৰূপায়ণৰ সন্দৰ্ভত কিমানটা দুৰ্নীতিৰ তথ্য চৰকাৰে পাইছে?

এই দুৰ্নীতিত কিমান পুঁজি প্ৰতিত হৈছে আৰু কিমানটা দুৰ্নীতিৰ তদন্ত কৰি কাৰ্য্যকৰী ব্যৱস্থা কৰা হৈছে- বছৰ ভিত্তিক সদনত তথ্য দিব।

(গ) এই আঁচনিৰ পুঁজিৰ অসমৰ পাৰ্বত্য জিলা দুখনৰ বাবে কিমান ধন ধাৰ্য্য কৰিছিল। এই আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত হোৱা দুৰ্নীতিৰ বিষয়টো চৰকাৰৰ অৱগতনে?

(ঘ) এই বিষয়ত চৰকাৰে লোৱা কাৰ্য্যকৰী ব্যৱস্থাৰ সন্দৰ্ভত বিশেষ তথ্য সদনত দাখিল কৰিবনে?

(ঙ) এই বিষয়ত দুৰ্নীতিত জড়িত বুলি কোন কোন বিষয়াক দোষী সাব্যস্ত কৰা হৈছে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০৫-২০১০ এই বিত্তীয় বছৰ কেইটাৰ NREGA আঁচনিৰ অদীনত ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ পৰা পোৱা ও মুকলি কৰি দিয়া ধনৰ পৰিমাণ জিলাভিত্তিত Annexure-A ত দেখুৱা হৈছে আৰু আঁচনি ৰূপায়ণৰ বিতং তথ্য জিলাভিত্তিত পৰিশিষ্ট-খ ত গাঠি দিয়া হ'ল।

(খ) উক্ত প্রশ্নৰ সন্দর্ভত সবিশেষ তথ্য সংগ্রহ কৰি থকা হৈছে। দুর্নীতি ধৰা পৰিলে যাবতীয় ব্যৱস্থা লোৱা হ'ব।

(গ) এই আঁচনিৰ পুঁজিৰ পার্বত্য জিলা দুখনৰ বাবে ধার্য্য কৰা ধনৰ পৰিমাণ Annexure-A ত উল্লেখ কৰা হৈছে। এই আঁচনিৰ ৰূপায়ণৰ ক্ষেত্রত পার্বত্য জিলা দুখনৰ বিশেষকৈ ডিমা হাচাও জিলাত হোৱা দুর্নীতিৰ বিষয়ে চৰকাৰ অবগত আৰু CBI পর্য্যায়ৰ এক তদন্ত চলি আছে।

(ঘ) যিহেতু বিষয়টোৰ ওপৰত তদন্ত চলি আছে, সেয়েহে সবিশেষ তথ্য দাখিল কৰিব পৰা নহ'ল।

(ঙ) এতিয়াও CBI তদন্ত শেষ হোৱা নাই।

Mr. Speaker : Now, Short Notice Question No.21, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্নৰ জাননী নং - ২১ ।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২১। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্তমান চৰকাৰৰ বিদেশী বিনিয়োগকাৰী সংস্থা, বেংক আদিৰ পৰা পোৱা কিমান সাহায্য পুঁজি আৰু ঋণ আছে?

(খ) এই ঋণ আৰু সাহায্য কেতিয়া পাইছিল আৰু ঋণসমূহ কেতিয়া পৰিশোধ কৰিব লাগিব?

(গ) চলিত বছৰত এ,ডি,বি (Asian Development Bank) ৰ পৰা কিমান ধন অসম চৰকাৰে লৈছে? কেনেধৰণৰ এই পুঁজি? আৰু কি, কি কাম ৰূপায়ণৰ কাৰণে এই পুঁজি (ঋণ-সাহায্য) লৈছে?

(ঘ) অসম চৰকাৰৰ কিমান গৰাকী বিষয়াই (পর্যায় অনুসৰি) এই বছৰ বিদেশলৈ গৈ কি কি বিষয়ত ক'ত ক'ত প্ৰশিক্ষণ লৈ আহিল আৰু এই প্ৰশিক্ষণৰ বাবে কোন শিতানৰ পৰা কিমান ধন খৰছ কৰা হ'ল জনাবনে?

(ঙ) এই বিষয়াসকল বিদেশত থকা কালত প্ৰতিদিনৰ খৰছ কিমান আছিল আৰু কোন কোন হোটেলত আছিল?

(চ) এই বিষয়া সকল বিদেশত থকা কালত প্ৰতিদিনৰ খৰছ কিমান আছিল?

(ছ) এই বিষয়া সকলে বিদেশত প্ৰশিক্ষণ লৈ ঘূৰি আহি চৰকাৰক দাখিল কৰা প্ৰতিবেদনৰ প্ৰতিলিপি সদনৰ মজিয়াত দাখিল কৰিবনে?

(জ) বিষয়াসকলৰ লগত কোনোবা মন্ত্ৰী গৈছিল নেকি? যদি গৈছিল, কোন কোন গৈছিল?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য তথা পৰিয়াল কল্যাণ আদি বিভাগৰ মন্ত্ৰী) য়ে মুখ্যমন্ত্ৰী, শ্ৰীতৰুণ গগৈ (বিত্ত বিভাগৰ দায়িত্ব)ৰ হৈ উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰে ADB, World Bank আদি বিত্তীয় প্ৰতিষ্ঠানৰ পৰা পোনপটীয়াকৈ ঋণ লোৱা নাই। অসম চৰকাৰে বিদেশী উৎসৰ পৰা ঋণ কেন্দ্ৰীয় চৰকাৰৰ জৰিয়তে ৯০% অনুদান আৰু ১০% ঋণ হিচাপে লাভ কৰে। অসম চৰকাৰে NABARD-ৰ পৰা ১০০% ঋণ বিভিন্ন আঁচনি ৰূপায়ন কৰিবলৈ লয়।

২০০১ চনৰ পৰা ২০১১ চনৰ ডিচেম্বৰ মাহলৈ ৰাজ্য চৰকাৰে ভাৰত চৰকাৰৰ পৰা পোৱা টকা আৰু নাবার্ডৰ পৰা লোৱা ঋণৰ পৰিমাণ তালিকা নং-১ ত দিয়া হ'ল।

(খ) এই ঋণ আৰু সাহায্য কেতিয়া পাইছিল তাৰ বিতং তথ্য সিপিঠিত দিয়া হ'ল।

সংস্থা আৰু আঁচনি	কেতিয়া পাইছিল
World Bank, Assam Rural Infrastructure And Agriculture Services Project (ARIASP)	১৯৯৫ চনৰ আগষ্ট মাহত
World Bank, Assam Agricultural Competitiveness Project (AACP)	২৪-২-২০০৫
ADB, Assam Governance Public Resource Management Programme (AGPRMP)	১৭-১২-২০০৪
World Bank, Assam State Road Project (ASRP)	৬-১-২০১১ (PPF Adv. Inception on 8-3-2007)
ADB, Assam Power Sector Development Project (APSDP)	১১-১২-২০০৩
ADB, Assam Power Sector Enhancement Investment Project (APSEIP)	১৫-০২-২০১০
JICA, Guwahati Water Supply Scheme (GWSS)	৩১-০৩-২০০৯

নাবার্ডৰ পৰা লোৱা ঋণৰ তালিকা বৰ্ষানুক্ৰমে প্ৰশ্ন (ক) ৰ উত্তৰত দিয়া হৈছে।

কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা ঋণ সমূহ ঋণৰ চৰ্তাৱলী অনুসাৰে পৰিশোধ কৰা হয়। সেইদৰে নাবার্ডৰ পৰা লোৱা ঋণসমূহো ঋণৰ চৰ্তাৱলীৰ অনুসাৰে ঋণ লোৱাৰ পাঁচ বছৰৰ ভিতৰত পৰিশোধ কৰা হয়।

(গ) চলিত বছৰত এ.ডি.বি. (Asian Development Bank) ৰ পৰা অসম চৰকাৰে লোৱা ধনৰ পৰিমাণ হ'ল ১৮.৮৭ কোটি টকা।

অসম চৰকাৰে এ.ডি.বি. ৰ পৰা ঋণ কেন্দ্ৰীয় চৰকাৰৰ জৰিয়তে ৯০% অনুদান আৰু ১০% ঋণ হিচাপে লাভ কৰে।

গ্ৰহণ কৰা অনুদান আৰু ঋণ সমূহ AGPRMP আৰু APSEIP- ৰ অধীনত, বিভিন্ন আঁচনিৰ বিপৰীতে খৰচ কৰা হয়।

(ঘ) চলিত বছৰত এ.ডি.বি. ৰ ঋণ সাহায্যৰে বিত্ত বিভাগত ৰূপায়ণ কৰি থকা এ.জি.পি আৰ.এম. প্ৰকল্পৰ অধীনত সৰ্বমুঠ ৬৪ জন বিষয়াক তিনিটা পৰ্য্যায়ত প্ৰশিক্ষণৰ বাবে বিদেশলৈ পঠোৱা হৈছিল।

প্ৰথম পৰ্য্যায়ত চাৰিজন বিষয়াক প্ৰথম ভাগৰ প্ৰশিক্ষণ ফৰিদাবাদৰ এন.আই.এফ.এমত আৰু দ্বিতীয় ভাগৰ প্ৰশিক্ষণ স্কটলেণ্ডৰ এডিনবৰা বিজিনেচ স্কুলত লবলৈ পঠোৱা হৈছিল। প্ৰশিক্ষণৰ বিষয় সমূহ আছিল— বাজেট ব্যৱস্থাপনা, হিচাব-ৰক্ষণ, বিত্তীয় ব্যৱস্থাপনা, মাৰ্কিন অৰ্থনীতিৰ আৰ্হি বিশ্লেষণ, স্কটিছ অৰ্থনীতিৰ সম্যক জ্ঞান, কৌশলগত পৰিকল্পনা ব্যক্তি বিকাশ কৰ্মশালা। প্ৰশিক্ষণত প্ৰশাসনীয় প্ৰত্যাহ্বান আৰু সমস্যাৰ সমাধানত গুৰুত্ব আৰূপ কৰা হৈছিল। ভাৰতৰ আৰু বিদেশৰ দুয়োটা ভাগ ধৰি প্ৰশিক্ষণত সৰ্বমুঠ ৬,৭৫,০০০ টকা ব্যয় হৈছিল। ১৩ জুনৰ পৰা ২৪ জুনলৈ ফৰিদাবাদত

আৰু ২৭ জুনৰ পৰা ২ জুলাইলৈ এডিনবৰা, স্কটলেণ্ডত এই প্ৰশিক্ষণ অনুষ্ঠিত হৈছিল।

দ্বিতীয় পৰ্য্যায়ত ৩০ জন বিষয়াক প্ৰশিক্ষণৰ বাবে জৰ্জিয়া টেষ্ট বিশ্ববিদ্যালয়, আটলান্টালৈ পঠোৱা হৈছিল। প্ৰশিক্ষণৰ বিষয় সমূহ আছিল— বিত্তীয় ব্যৱস্থাপনাৰ আৰ্হি, ব্যয় আৰু ৰাজহৰ পূৰ্বানুমান, বাজেট ব্যৱস্থাৰ আধাৰ, বাজেট সম্পাদন, ৰাজহুৱা নিধি পৰিচালনা, বিত্তীয় তথ্য-সৰবৰাহ ব্যৱস্থাপনা, কাৰ্য্যকৰণ বাজেটৰ সৰ্বোৎকৃষ্ট প্ৰয়োগ, যুক্ত-ৰাষ্ট্ৰীয় মজুৰী আৰু আঞ্চলিক দায়বদ্ধতা, কেন্দ্ৰৰ পৰা স্থানীয় প্ৰশাসনলৈ বিত্তৰ প্ৰবাহ, বিত্তীয় উদগনী আৰু হিচাব প্ৰশিক্ষণ। এই প্ৰশিক্ষণত পাঠ্যক্ৰম মাচুল, বিষয়া সকলৰ যাতায়ত আৰু দৈনিক ভাট্টাৰ বাবদ সৰ্বমুঠ ৮০,১০,৬০০ টকা ব্যয় হৈছিল। ২৬ চেপ্টেম্বৰৰ পৰা ৩০ চেপ্টেম্বৰ, ২০১১ লৈ প্ৰশিক্ষণ অনুষ্ঠিত হৈছিল।

তৃতীয় পৰ্য্যয়ত ৩০ জন বিষয়াক প্ৰশিক্ষণৰ বাবে জৰ্জিয়া ষ্টেট বিশ্ববিদ্যালয়, আটলান্টালৈ পঠোৱা হৈছিল। প্ৰশিক্ষণৰ বিষয় সমূহ আছিল— বিত্তীয় নীতি-কৌশল, বাজেট ব্যৱস্থাপনা , ফুলটন কাউন্টিৰ কৰ-ধাৰ্য্যকাৰীৰ কাৰ্য্যপ্ৰণালীৰ ক্ষেত্ৰ অধ্যয়ন, বিত্তীয় বিকেন্দ্ৰীকৰণ, বাজেটৰ সৰ্বোৎকৃষ্ট প্ৰয়োগ, ৰাজহুৱা ব্যয় ব্যৱস্থাপনা, কাৰ্য্যকৰণৰ পৰিমাণ, বিত্তীয় সংস্কাৰৰ পৰ্য্যায়, স্বচ্ছতা নিৰূপণৰ উপায় আৰু মূলধনী ব্যয়-হিতৰ বিশ্লেষণ। এই প্ৰশিক্ষণত পাঠ্যক্ৰম মাচুল, বিষয়া সকলৰ যাতায়ত আৰু দৈনিক ভাট্টাৰ বাবদ সৰ্বমুঠ ৭৬,৬১,৮৫০ টকা ব্যয় হৈছিল। ৩১ অক্টোবৰৰ পৰা ৪ নবেম্বৰ, ২০১১ লৈ প্ৰশিক্ষণ অনুষ্ঠিত হৈছিল।

(ঙ) ভাৰত চৰকাৰৰ পথ নিদেৰ্শনা অনুসৰি বিদেশ ভ্ৰমণত বিষয়াৰ দৈনিক ভাট্টা (পাৰ্ডায়েম) ১০০ মাৰ্কিন ডলাৰ।

সেই অনুসৰি প্ৰশিক্ষণৰ বাবে বিদেশলৈ যোৱা ৬৪ জন বিষয়াই দৈনিক ১০০ মাৰ্কিন ডলাৰ বা ৪,৫০০ টকাকৈ দৈনিক ভাট্টা পাইছিল।

বিষয়া সকলৰ বিদেশত থকা কালীন আৱাসিক ব্যয় নিৰ্দিষ্ট অনুষ্ঠানক আদায় দিয়া প্ৰশিক্ষণ মাচুলৰ অন্তৰ্ভুক্ত আছিল।

সেই অনুসৰি প্ৰথম পৰ্য্যায়ৰ ৪ জন বিষয়াক এডিনবৰা বিজিনেচ স্কুলে হেৰিয়ট্ বাট্ বিশ্ববিদ্যালয়ৰ আবাসত ৰাখিছিল। দ্বিতীয় আৰু তৃতীয় পৰ্য্যায়ৰ ৬০ জন বিষয়াক জৰ্জিয়া ষ্টেট বিশ্ববিদ্যালয়, আটলান্টাৰ ৰেচিডেন্স ইন হোটেলত ৰাখিছিল।

(চ) বিষয়া সকলে দাখিলকৰা প্ৰতিবেদনৰ প্ৰতিলিপি ইয়াৰ লগতে সংযোজক 'ক, 'ঘ' আৰু 'গ' হিচাবে গাঠি দিয়া হৈছে।

(ছ) বিষয়া সকলৰ লগত কোনো মন্ত্ৰী যোৱা নাছিল।

Mr. Speaker : Now, Short Notice Question No.22, Hon'ble Member, Shri Abdur Rahim Khan.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ২২ ।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

২২। মাননীয় তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তথ্য আৰু জনসংযোগ বিভাগত যোৱা ৫ (পাঁচ) বছৰত অসমৰ কিমানখন চহৰ, নগৰ গাওঁ, বজাৰ চ'ক সমূহত মাইকযোগে সন্ধিয়াৰ বাতৰি পৰিৱেশনৰ ব্যৱস্থা গ্ৰহণ কৰিছে?

(খ) বৰপেটা জিলাৰ কোন কোন চহৰ, গাওঁ, বজাৰ আৰু চ'ক আদিত ,বাতৰি পৰিৱেশনৰ ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) বৰপেটা সমষ্টিত বর্তমানলৈকে কিমান সংখ্যক টেলিভিচন আৰু মাইক ছেট কোন কোন অনুষ্ঠান প্রতিষ্ঠানক বিতৰণ কৰা হৈছে?

শ্রীবসন্ত দাস (তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ গাওঁ পঞ্চায়ত এলেকা সমূহৰ নগৰ, চহৰ, বজাৰ চ'ক আদিত এতিয়ালৈকে ৯৩১ টা স্থানত মাইকযোগে সন্ধিয়া বাতৰি পৰিৱেশনৰ ব্যৱস্থা গ্রহণ কৰা হৈছে।

(খ) বৰপেটা জিলাৰ ভিতৰত মাইক স্থাপন কৰি সন্ধিয়াৰ বাতৰি পৰিবেশনৰ ব্যৱস্থা কৰা স্থান সমূহৰ তালিকা 'ক' ত সংলগ্ন কৰা হ'ল।

(গ) বৰপেটা সমষ্টিত বর্তমানলৈ ৭০ টা টেলিভিচন ছেট আৰু ৮ টা মাইক ছেট বিতৰণ কৰা হৈছে। মাইক ছেট বিতৰণ কৰা স্থান আৰু টেলিভিচন ছেট বিতৰণ কৰা অনুষ্ঠান প্রতিষ্ঠান সমূহৰ তালিকা 'খ' ত সংলগ্ন কৰা হ'ল।

Mr. Speaker : Now, Short Notice Question No.23, Hon'ble Member, Shri Monoranjan Das.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন নং ২৩ ।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

২৩। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ বজালী মহকুমাত ০১-০১-১১ ৰ পৰা ৩০-১১-১১ লৈকে প্রতিমাহত কিমান পৰিমাণৰ কেৰাচিন তেলৰ আৱন্টন দিয়া হ'ল?

(খ) উক্ত তেল কোনখন সমবায় সমিতিক বিতৰণৰ বাবে প্রতিমাহত কিমান লিটাৰ দিয়া হ'ল?

(গ) ইয়াৰ উপৰি কিমানজন হোকাৰক প্ৰতিমাহে বিতৰণৰ বাবে কিমান তেল দিয়া হ'ল?

(ঘ) খুচুৰা বিক্ৰীৰ বাবে কিমানটা কেন্দ্ৰ আছে আৰু বিক্ৰী কেন্দ্ৰৰ মালিকৰ নাম আৰু ঠিকনা কি কি? এওঁলোকক প্ৰতিমাহে কিমান তেল বিতৰণৰ বাবে দিয়া হৈছিল ?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বজালী মহকুমাত ০১-০১-২০১১ ইং তাৰিখৰ পৰা ৩০-১১-২০১১ লৈকে প্ৰতিমাহত আবন্টন দিয়া কেৰাচিন তেলৰ পৰিমাণ তলত দিয়া ধৰণৰ ঃ

জানুৱাৰী, ফেব্রুৱাৰী, মার্চ	ঃ	৭৩২ কিঃ লিঃ
এপ্রিল	ঃ	২৫২ কিঃ লিঃ
মে	ঃ	২৫০ কিঃ লিঃ
জুন	ঃ	২৫০ কিঃ লিঃ
জুলাই, আগষ্ট, চেপ্তেম্বৰ	ঃ	৭২০ কিঃ লিঃ
অক্টোবৰ, নবেম্বৰ, ডিচেম্বৰ	ঃ	৭২০ কিঃ লিঃ

(খ) প্ৰতিমাহত দিয়া তেলৰ পৰিমাণ সংলগ্ন "ক" ত দিয়া হ'ল।

(গ) হোকাৰক প্ৰতিমাহে বিতৰণ কৰা তেলৰ পৰিমাণ সংলগ্ন "খ" ত দিয়া হ'ল।

(ঘ) বজালী মহকুমাত মুঠ ২৮ খন কেৰাচিন তেলৰ খুচুৰা বিক্ৰী কেন্দ্ৰ আছে। এই বিক্ৰী কেন্দ্ৰ সমূহৰ নাম ঠিকনাৰ লগতে বিতৰণৰ বাবে দিয়া মাহেকীয়া আবন্টনৰ পৰিমাণ সংলগ্ন "খ" ত দিয়া হ'ল।

Mr. Speaker : Now, Short Notice Question No.24, Hon'ble Member, Shri Prasanta Phukan.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

২৪। মাননীয় হস্ততাঁত বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমত আৰ্টফেডৰ অধীনত কিমানখন বিক্ৰী প্ৰতিষ্ঠান আছে? এই আৰ্টফেড প্ৰতিষ্ঠানসমূহ বৰ্তমান কি পৰ্য্যায়ত আছে?

(খ) বৰ্তমান ৰাজ্যখনৰ কিমানখন আৰ্টফেডৰ বিক্ৰী প্ৰতিষ্ঠান কাৰ্য্যক্ষম হৈ আছে আৰু কিমানখন মৃতপ্ৰায় অৱস্থাত আছে? (নামসহ বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

(গ) মৃতপ্ৰায় অৱস্থাত থকা আৰ্টফেডৰ প্ৰতিষ্ঠানসমূহ পুনৰুজীৱিত-কৰণৰ ব্যৱস্থা শীঘ্ৰে চৰকাৰে লবনে?

(ঘ) আৰ্টফেডৰ কৰ্মচাৰী সকলে নিয়মিত দৰমহা পাই আছেনে? যদি পোৱা নাই, দৰমহা নিদিয়াৰ কাৰণ কি ? দৰমহা মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীমতী প্ৰণতি ফুকন (হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমান অসমত আৰ্টফেডৰ অধীনত ৪৯ টা বিক্ৰী কেন্দ্ৰ আছে। এই বিক্ৰী কেন্দ্ৰ সমূহত নিয়মিত কাম কাজ চলি আছে।

(খ) বৰ্তমান ৰাজ্যখনত ৪৯ টা বিক্ৰীকেন্দ্ৰ কাৰ্য্যক্ষম হৈ আছে। বৰ্তমান আৰ্টফেডৰ কোনো বিক্ৰীকেন্দ্ৰ মৃতপ্ৰায় অৱস্থাত নাই। (বিক্ৰীকেন্দ্ৰ সমূহৰ স্থানৰ তালিকা প্ৰ-পত্ৰ (ক) ত সংলগ্ন কৰা হ'ল।)

(গ) প্ৰশ্ন নুঠে।

(ঘ) আৰ্টফেডৰ মুখ্য কাৰ্য্যালয় আৰু বিভিন্ন শাখাত কৰ্মৰত কৰ্মচাৰীসকলৰ

ভিতৰত কেইটামান শাখাৰ কর্মচাৰীয়ে মাহিলী দৰমহা পোৱাত সময়ে সময়ে অনিয়মীয়া হয়। যিহেতু শাখাত মজুত থকা সামগ্ৰীৰ বিক্ৰীৰ পৰাহে শাখাৰ কর্মচাৰীয়ে দৰমহা লাভ কৰে। সেয়েহে উক্ত সামগ্ৰীসমূহৰ বিক্ৰীৰ ওপৰত নির্ভৰ কৰি শাখাৰ কর্মচাৰীয়ে দৰমহা লাভ কৰে। ফলস্বৰূপে, কোনো এটা নির্দিষ্ট মাহৰ বিক্ৰী কম হ'লে পৰবর্ত্তী মাহৰ সামগ্ৰীৰ বিক্ৰীৰ পৰা দৰমহা আদায় দিয়া হয়।

Mr. Speaker : Now, Short Notice Question No.25, Hon'ble Member, Shri Rafiqul Islam.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীৰফিকুল ইছলামে সুধিছে ঃ

২৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত ৫ বছৰত বহুবাৰ কলগাছিয়াৰ বজাৰ আৰু দাঁতিকাষৰীয়া অঞ্চলত অগ্নিকাণ্ডত বহুলাখ টকাৰ ক্ষতিসাধন হোৱাটো মন্ত্ৰীমহোদয়ৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, কলগাছিয়াৰ জনসাধাৰণৰ দাবী মর্মে, কলগাছিয়াত ২০১১-১২ ৰ ভিতৰত অগ্নিনির্বাপক কেন্দ্ৰ নির্মাণ কৰিবলৈ বিভাগে প্ৰস্তাৱ গ্ৰহণ কৰে যদিও আজিলৈকে নির্মাণৰ কাম আৰম্ভ নোহোৱাৰ কাৰণ জনাবনে?

(গ) বিভাগৰ সিদ্ধান্তআৰু প্ৰস্তাৱ মর্মে ২০১১-১২ বর্ষৰ ভিতৰত উক্ত নির্মাণ কার্য্য সম্পূর্ণ হবনে?

শ্ৰীৰকিবুল হুছেইন (বন, পথাৰায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে (গৃহ মন্ত্ৰী মহোদয়ৰ হৈ) উত্তৰ দিছে ঃ

(ক) হয়, জ্ঞাত।

(খ) ২০১১-২০১২ বিত্তীয় বর্ষৰ ভিতৰত কলগাছিয়াত এটা অগ্নিনির্বাপক কেন্দ্ৰ

স্থাপন কৰাৰ বাবে বিভাগীয়ভাৱে প্ৰস্তাৱ লোৱা হৈছে আৰু বিত্ত বিভাগৰ অনুমোদনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(গ) বিত্ত বিভাগৰ অনুমোদন পালেই ২০১১-২০১২ বিত্তীয় বৰ্ষৰ ভিতৰত কুলগাছিয়াত এটা অগ্নিনিৰ্বাপক কেন্দ্ৰ স্থাপন কৰা হব।

Mr. Speaker : Now, Short Notice Question No.26, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গড়কাপ্তানী বিভাগে নগাওঁ জিলাৰ বঢ়মপুৰ বিধান সভা সমষ্টিত ২০০১-২০০২ চনৰ পথ আৰু দলং মেৰামতিৰ কাম নকৰাৰ কাৰণ কি?

(খ) গড়কাপ্তানী (R&B) বিভাগে ২০০১-২০০২ চনৰ বিত্তীয় বছৰৰ পৰা সমষ্টিটোত কি কি উন্নয়নৰ কাম কৰিছে বিত্তীয় বছৰ অনুসৰি (আজিলৈকে) জনাবনে?

(গ) চাপানলা, কঠিয়াতলী আৰু কামপুৰৰ গড়কাপ্তানী বিভাগৰ পৰিদৰ্শন বাংলা কেইটা মেৰামতি আৰু উন্নত নকৰাৰ কাৰণ কি জনাবনে?

(ঘ) উক্ত পৰিদৰ্শন বাংলা কেইটাৰ মেৰামতি আৰু উন্নত কৰাৰ কাম কেতিয়াৰ পৰা আৰম্ভ কৰিব আৰু কেতিয়া শেষ কৰিব জনাবনে?

শ্ৰীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ সকলো বিধান সভা সমষ্টিতে পুঁজি সাপেক্ষে উন্নয়ন আৰু মেৰামতিৰ কাম কৰা হৈছে।

নগাওঁ জিলাৰ বঢ়মপুৰ বিধানসভা সমষ্টিতো মেৰামতি আৰু উন্নয়নৰ কাম পুঁজি অনুযায়ী কৰা হৈছে।

অকল ২০১০-১১ বৰ্ষতেই ১৪ টা ৰাস্তা আৰু ৯ খন কাঠৰ দলং মেৰামতি কৰাৰ কাৰণে ৩৬৩.২০ লাখ টকা আৱণ্টন দিয়া হয়।

(খ) ২০০১-০২ বৰ্ষৰ পৰা আজিলৈকে বঢ়মপুৰ বিধানসভা সমষ্টিত কৰা কামৰ সবিশেষ Annexure-A ত দিয়া হ'ল।

(গ) কঠিয়াতলী, কামপুৰ আৰু চাপানলা পৰিদর্শণ বাংলাবোৰ ২০০৮-০৯ বৰ্ষতমেৰামতি কৰা হৈছিল।

(ঘ) বৰ্তমান মেৰামতিৰ কোনো প্ৰস্তাৱ নাই।

Mr. Speaker : Now, Short Notice Question No.27, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২৭। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৫ চনৰ পৰা ৰাজ্য চৰকাৰৰ পুথিভঁৰাল সেৱা সঞ্চালকালয়ৰ কিমানটা পুথিভঁৰাল বিনোভেশ্যন , অডিট ৰিয়াম্ব লগতে সেই অডিটৰিয়াম্বৰ বাবে ষ্টেজ নিৰ্মাণ কৰা হৈছিল? এই পুথিভঁৰাল সমূহৰ নামৰ তালিকা আৰু কোন কোন ঠিকাদাৰক এই কাম দিয়া হৈছিল বিতংকৈ জনাবনে?

(খ) এই নিৰ্মাণ কাৰ্য্যবোৰৰ বাবে বিভাগে নিবিদা আহ্বান কৰিছিল নেকি? কেতিয়া,

কোন কোন কাগজত এই বিজ্ঞাপন প্ৰকাশ পাইছিল বিতংকৈ জনাবনে? নে বিজ্ঞাপনৰ অবিহনেই এই কাম কৰা হৈছিল?

(গ) এই বছৰ কেইটাত এনে নির্মাণ পুনঃ নির্মাণৰ কামত কিমান টকা খৰচ কৰা হৈছিল বিতংকৈ জনাবনে?

(ঘ) পুথিভঁৰাল সমূহৰ ঠিকাদাৰ সকলে ক'ত ক'ত কিমান মূল্যৰ ঠিকা লাভ কৰিছিল জনাবনে?

শ্ৰীমতী প্ৰণতি ফুকন (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০৫ চনৰ পৰা পুথিভঁৰাল সেৱা সঞ্চালকালয়ৰ ৬ টা জিলা পুথিভঁৰাল আৰু এটা মহকুমা পুথিভঁৰাল ৰিনোভেশ্যন কৰা হৈছে। কোনো পুথিভঁৰালৰ অডিট'ৰিয়ামৰ লগত ষ্টেজ নির্মাণ কৰা হোৱা নাই।

পুথিভঁৰালৰ নাম	ঠিকাদাৰৰ নাম
১) জিলা পুথিভঁৰাল, গুৱাহাটী	হৃষিকেশ বৈশ্য
২) জিলা পুথিভঁৰাল, শিলচৰ	আতিকুৰ ৰহমান চৌধুৰী
৩) জিলা পুথিভঁৰাল, যোৰহাট	মহিবৰ ৰহমান খান
	আলোক গোস্বামী (বৈদ্যুতিক)
৪) জিলা পুথিভঁৰাল, ডিব্ৰুগড়	দিলীপ কুমাৰ পাঠক
৫) জিলা পুথিভঁৰাল, উত্তৰ লক্ষীমপুৰ	দিলীপ কুমাৰ পাঠক
৬) জিলা পুথিভঁৰাল, মঙলদৈ	মহিবৰ ৰহমান খান
	দিলীপ কুমাৰ পাঠক (বৈদ্যুতিক)
৭) মহকুমা পুথিভঁৰাল, হোজাই	মঃ জহিৰুল ইছলাম

(খ) গড়কাপ্তানী গৃহবিভাগৰ দ্বাৰা কৰা হৈছিল। বিজ্ঞাপনৰ তথ্য গড়কাপ্তানী বিভাগৰ হাততহে থাকিব।

(গ) ১) জিলা পুথিভঁৰাল, গুৱাহাটী — ১৯.৫০ লাখ টকা

২) জিলা পুথিভঁৰাল, যোৰহাট — ১০.০০ লাখ টকা

৩) জিলা পুথিভঁৰাল, শিলচৰ — ১০.৫০ লাখ টকা

৪) জিলা পুথিভঁৰাল, ডিব্রুগড় — ১০.৫০ লাখ টকা

৫) জিলা পুথিভঁৰাল, উত্তৰ লক্ষীমপুৰ — ৪.৫৩ লাখ টকা

৬) জিলা পুথিভঁৰাল, মঙলদৈ — ১৫.২১ লাখ টকা

৭) মহকুমা পুথিভঁৰাল, হোজাই — ২.২০ লাখ টকা

(ঘ)

ঠিকাদাৰৰ নাম		টকাৰ পৰিমাণ
১) হৃষিকেশ বৈশ্য	—	১৯.৫০ লাখ টকা
২) আতিকৰ ৰহমান	—	১০.৫০ লাখ টকা
এম এচ দত্ত অটো ইলেক্ট্রিকেলচ		
৩) মহিবৰ ৰহমান খান	—	১০.৫০ লাখ টকা
আলোক গোস্বামী, বৈদ্যুতিক		
৪) দিলীপ কুমাৰ পাঠক	—	১০.০০ লাখ টকা
৫) দিলীপ কুমাৰ পাঠক	—	৪.৫৩ লাখ টকা
৬) দিলীপ কুমাৰ পাঠক	—	১৫.২১ লাখ টকা
মহিবৰ ৰহমান খান		
৭) মঃ জহিৰুল ইছলাম	—	২.২০ লাখ টকা

Mr. Speaker : Now, Short Notice Question No.28,Hon'ble Member, Shri Prafulla Kr. Mahanta.

Sub: Sanction of Funds to the Bodoland Teritorial Council, Karbi Anglong Autonomous Council and Dima Hasao Autonomous Council from DONER under Non Lapsable Central Pool of Resources (NLCPR)

Shri Prafulla Kr. Mahanta asked :

16. Will the Hon'ble Minister, Finance be pleased to state :—

(a) Whether the Central Government in last 3 years had sanctioned funds to the Bodoland Teritorial Council, Karbi Anglong Autonomous Council and Dima Hasao Autonomous Council from DONER under the Non Lapsable Central Pool of Resources (NLCPR)

(b) What are the amounts received from the Central Government and what are the amounts sanctioned to the said Council? (Give details)

(c) Is it a fact that the State Finance Department could not release the funds in time for which delay in execution the schemes?

(d) For which project the amounts were sanctioned?

(e) What are the amounts yet to be released to the BTC which were granted by the Central Government specially as per the Bodo Accord?

Dr. Himanta Bishwa Sarma (Minister, Health & Family Welfare, Education etc.) replied on behalf of Shri Tarun Gogoi, Hon'ble Chief Minister, Assam :

(a) Yes.

(b) Amounts received from Central Government to these Councils in the last three years is shown at Annexure-I.

(c) Finance Department released NLCPR fund immediately as and when proposals are received from concerned Department.

(d) Amounts received against the projects is shown at Annexure-II

(e) Amounts yet to be released to the BTC is shown at Annexure-III.

Mr. Speaker : Now, Short Notice Question No.29, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২৯। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যিক পৰিবহন বিভাগত কিমান গৰাকী জিলা পৰিবহন বিষয়া (ডি. টি.অ.)

এম. ভি. আই, ই. আই. আৰু এ. ই. আই. আছে?

(খ) সেই সকল বিষয়াই কেতিয়াৰ পৰা ক'ত, ক'ত কার্য্যনির্বাহ কৰি আছে? তেওঁলোকৰ নামসহ জনাবনে? (আজিৰ দিনটোত)

(গ) সেই সকল বিষয়াৰ মাহেকীয়া মূল দৰমহাৰ নিৰিখ কিমান কিমান জনাবনে?

(ঘ) সেই সকল বিষয়াৰ স্থাৱৰ অস্থাৱৰ সম্পত্তিৰ তালিকা সদনত দাখিল কৰিবনে?

(ঙ) চৰকাৰী বিধিমতে তিনিবছৰতকৈ অধিককাল একে কার্য্যালয়তে এক ঠাইতে, কার্য্যনির্বাহ কৰি থকা বিষয়া সকলৰ বদলিৰ ব্যৱস্থা কৰিবনে?

(চ) কামৰূপ জিলাৰ পৰিবহন বিষয়াৰ কার্য্যালয়ত কার্য্যনির্বাহ কৰিথকা বিষয়া কেইগৰাকীয়ে কিমান বছৰ একে ঠাইত কার্য্যনির্বাহ কৰি আছে জনাবনে?

(ছ) কামৰূপ জিলাত কিমান গৰাকী ডি. টি. অ., এম. ভি. আই., ই.আই., এ. ই. আই. আছে জনাবনে?

শ্রীচন্দন ব্রহ্ম (পৰিবহণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যিক পৰিবহন বিভাগত জিলা পৰিবহন বিষয়া ৩০ জন আৰু ২ জন ডি. টি. অ.ৰ সমপর্য্যায়ৰ বিষয়া আছে। এম. ভি. আই. ৫১ জন, ই. আই. ৮৪ জন, আৰু এ. ই. আই. ১২২ জন।

(খ) সেই সকল বিষয়াই (ডি. টি. অ., এম. ভি. আই., ই. আই. আৰু এ. ই. আই.) কেতিয়াৰ পৰা ক'ত, ক'ত কার্য্যনির্বাহ কৰি আছে তেওঁলোকৰ নামসহ তালিকা "ক" "খ" "গ" আৰু "ঘ" ত উল্লেখ কৰি সংলগ্ন কৰা হ'ল।

(গ) সেই সকল বিষয়াৰ মাহেকীয়া মূল দৰমহাৰ নিৰিখ তালিকা "ঙ" ত উল্লেখ কৰা হ'ল।

(ঘ) সেই সকল বিষয়াৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ তালিকা কর্তৃপক্ষৰ হাতত নাই। তথ্য বিচৰা হৈছে।

(ঙ) চৰকাৰী বিধিমতে তিনি বছৰতকৈ অধিক কাল একে কার্য্যালয়তে একে ঠাইতে কার্য্যনির্বাহ কৰি থকা বিষয়া সকলৰ বদলিৰ ব্যৱস্থা কৰি থকা হৈছে।

(চ) কামৰূপ জিলাৰ পৰিবহন বিষয়াৰ কার্য্যালয়ত কার্য্যনির্বাহ কৰি থকা বিষয়া কেইগৰাকীয়ে কিমান বছৰ একে ঠাইতে কার্য্যনির্বাহ কৰি আছে তাৰ তালিকা "চ" ত উল্লেখ কৰা হ'ল।

(ছ) কামৰূপ জিলাত তলত দেখুওৱাৰ দৰে বিভিন্ন বিষয়াই কর্মৰত হৈ আছে।

	কামৰূপ (গ্রাম্য)	কামৰূপ (নগৰ)
ডি. টি. অ.	১জন	৫ জন।
এম. ভি. আই.	—	১১জন।
ই. আই.	—	১২ জন।
এ. ই. আই.	—	১১ জন।

Mr. Speaker : Now, Short Notice Question No. 30, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৩০। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৫ চনৰ পৰা বর্তমানলৈকে কলিকতাৰ ৰাজাৰামমোহন লাইব্রেৰী

ফাউন্ডেশ্যন (R.R.L.F.) ৰ পৰা কিমান পুঁজি ৰাজ্য চৰকাৰৰ পুথিভঁৰাল সঞ্চালকালয়লৈ অনুদান হিচাপে পাইছে আৰু সেই পুঁজি ক'ত ক'ত কেনেকৈ খৰচ কৰা হৈছে বিতংকৈ জনাবনে?

(খ) 'আৰ আৰ এল এফ'ৰ পৰা ৰাজ্যিক কেন্দ্রীয় পুথিভঁৰালৰ নির্মাণৰ বাবে ২০০৯-২০১০ বিত্তীয় বর্ষত অনুদান আগবঢ়োৱা এক কোটি টকা কেন্দ্রীয় পুথিভঁৰাল নির্মাণত খৰচ কৰাৰ বিপৰীতে সেই পুঁজি দহোটা লাইব্রেৰীৰ বাবে কম্পিউটাৰ কিনি খৰচ কৰাটো সত্যনে?

(গ) এই এক কোটি টকা কাৰ অনুমোদন উক্ত কামৰ বাবে হস্তান্তৰ কৰা হ'ল আৰু কেতিয়া হস্তান্তৰ কৰা হ'ল, জনাবনে?

(ঘ) উক্ত কম্পিউটাৰ যোগানৰ বাবে নিবিদা আহ্বান বা চৰকাৰৰ অনুমোদিত নিগম সংস্থাযোগে ক্রয় কৰা হৈছেনে? কোনে এই কম্পিউটাৰ যোগান ধৰিছিল? আৰু কোন কোন পুথিভঁৰালত এই কম্পিউটাৰ যোগান ধৰা হৈছে?

শ্রীমতী প্রণতি ফুকন (সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাজাৰামমোহন ৰায় লাইব্রেৰী ফাউন্ডেশ্যনৰ পৰা পুথিভঁৰাল সঞ্চালকালয়লৈ কোনো পুঁজি অনুদান হিচাপে পোৱা নাযায়। ৰাজ্য চৰকাৰৰ ১০ অংশৰ বিপৰীতে ফাউন্ডেশ্যনৰ ৯০ অংশ লগ হৈ ১০ঃ৯০ অনুপাতিক হাৰত ফাউন্ডেশ্যনত অসম পুথিভঁৰাল সঞ্চালকালয়ৰ বাবে পুঁজি গঠন কৰা হয়। ২০০৫-০৬ বিত্তীয় বর্ষৰ পৰা ২০১০-১১ বর্ষলৈ আৰ.আৰ.এল.এফ. লৈ ৰাজ্য চৰকাৰে আগবঢ়োৱা মেচ্চিং গ্রান্টৰ হিচাপ তলত উল্লেখ কৰা হ'লঃ—

২০০৫-০৬ = ১০.০০ লাখ

২০০৬-০৭ = ৩.৫০ লাখ

২০০৭-০৮ = ৩.৫০ লাখ

২০০৮-০৯ = ১০.০০ লাখ

২০০৯-১০ = ১০.০০ লাখ

২০১০-১১ = ১৫.০০ লাখ

ওপৰোক্ত ধনৰ বিপৰীতে আৰ.আৰ.এল.এফ. এ ৯০ শতাংশ ধন মঞ্জুৰ কৰাৰ বাবদ পুথিভঁৰাল সেৱাৰ বাবে পুঁজি তলত উল্লেখ কৰা ধৰণে গঠন হৈছে ঃ—

২০০৫-০৬ = ১০.০০ লাখ + ৯০.০০ লাখ = ১০০.০০ লাখ

২০০৬-০৭ = ৩.৫০ লাখ + ৩১.৫০ লাখ = ৩৫.০০ লাখ

২০০৭-০৮ = ৩.৫০ লাখ + ৩১.৫০ লাখ = ৩৫.০০ লাখ

২০০৮-০৯ = ১০.০০ লাখ + ৯০.০০ লাখ = ১০০.০০ লাখ

২০০৯-১০ = ১০.০০ লাখ + ৯০.০০ লাখ = ১০০.০০ লাখ

২০১০-১১ = ১৫.০০ লাখ + ১৩৫.০০ লাখ = ১৫০.০০ লাখ

উক্ত পুঁজিৰ ধন ৰাজ্য চৰকাৰ আৰু ফাউণ্ডেশ্যনে গঠন কৰা ৰাজ্যিক পুথিভঁৰাল সমিতি (আৰ. আৰ. এল. এফ.) ৰ প্ৰতিবছৰে বহা বৈঠকৰ সিদ্ধান্ত অনুসৰি খৰছ কৰা হয়।

ওপৰোক্ত পুঁজিৰ ধন তলত উল্লেখ কৰা ধৰণে খৰছ কৰা হৈছে।

২০০৫-০৬ - উক্ত ধনেৰে পুথিভঁৰালৰ কিতাপ কিনাৰ বাবদ = ২২.০০ লাখ

২০০৬-০৭ - নাই।

২০০৭-০৮ - কিতাপ ক্রয় — ২৫.০০ লাখ

গ্রাম্য পুথিভঁৰালীৰ ট্রেইনিং — ৪.০০ লাখ

কার্ড কেটেলগন কেবিনেট ক্রয় — ৯.০০ লাখ

ভেকুৱাম ক্লিনাৰ ক্রয় — ৫.০০ লাখ

আচবাব পত্র ক্রয় — ২৬.০০ লাখ

মহকুমা পুথিভঁৰাল চৰাইদেউ গৃহ নির্মাণ — ১৫.০০ লাখ

২০০৮-০৯ - অগ্নি নির্বাপক ব্যৱস্থা — ১০.০০ লাখ

গুৱাহাটী জিলা পুথিভঁৰালৰ সংলগ্ন গৃহ নির্মাণ — ৩৮.০০ লাখ

এল.চি.ডি. প্রজেক্টৰ — ১.১৯ লাখ

কিতাপ ক্রয় — ২৯.০০ লাখ

আচবাব পত্র ক্রয় — ২০.০০ লাখ

২০০৯-১০ - পুথিভঁৰালৰ আধুনিকীকৰণ — ৯০.০০ লাখ

আচবাব পত্র ক্রয় — ২৯.০০ লাখ

ৰাজ্যিক পর্য্যায়ৰ চেমিনাৰ — ২.০০ লাখ

জেৰক্স মেচিন ক্রয় — ১০.০০ লাখ

২০১০-১১ - হোজাই মহকুমা পুথিভঁৰালৰ গৃহ নির্মাণ — ২৫.০০ লাখ

কিতাপ ক্রয় — ৭৫.০০ লাখ

আচবাব পত্র ক্রয় — ৩০.০০ লাখ

(খ) উক্ত ধন বাজ্যিক পুথিভঁবাল সমিতিব অনুমোদন অনুসাবি পুথিভঁবালব আধুনিকীকবণব কামত ব্যবহাব কবা হৈছে।

(গ) প্রতি বছবে অনুষ্ঠিত হোবা বাজ্যিক পুথিভঁবাল সমিতিব সিদ্ধান্ত আৰু অনুমোদন অনুসবি এই পুঁজি খবছ কবা হয়। ২০০৯-১০ বর্ষত খবছ নোহোবাকৈ থকা ধন ২০১০-১১ বর্ষব বাজ্যিক পুথিভঁবাল সমিতিব বৈঠকত লোবা সিদ্ধান্ত অনুসবি ৯ টা জিলা পুথিভঁবালব আধুনিকীকবণব কামত এই পুঁজি ব্যবহাব কবা হৈছে।

(ঘ) পুথিভঁবাল সমূহ সম্পূর্ণ কম্পিউটাবাইজ্ড ব্যবস্থা কবাব বাবে চার্ভাব, টার্মিনেল, কম্পিউটাব প্রিন্টাবক জেবক্স ছফটবেব আদি আধুনিকীকবণব বাবে আবশ্যকীয় সামগ্রী যোগান ধবাব বাবে বাতবি কাকত যোগে নিবিদা আহ্বান কবি নিবিদা সমূহ ফাউন্ডেশ্যনলৈ পঠাই দিয়া হয়। এই সম্পর্কত ফাউন্ডেশ্যনে বিবেচনা কবি কামব নির্দেশনা জাবি কবে আৰু ফাউন্ডেশ্যনব উক্ত নির্দেশমর্মে ব্রেজ এন্টাবপ্রাইজেছ, ১৪ এ. ডঃ জে. চি. দাস বোড, কমাবপট্টি, ফাচিবজাব, গুবাহাটী- ১ নামব প্রতিস্থান খনে গুবাহাটী, নগাওঁ, যোবহাট, ডিব্রুগড়, তেজপুব, মঙ্গলদৈ, হাইলাকান্দি, ববপেটা আৰু গোলাঘাট জিলা পুথিভঁবালব আধুনিকীকবণব কাম বর্তমানে চলি আছে।

Mr. Speaker : Now, Short Notice Question No. 31, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকবীয়া সময়ব প্রশ্ন।

শ্রীপ্রফুল্ল কুমাব মহন্তই সুধিছে ঃ

৩১। মাননীয় সাংস্কৃতিক পবিক্রমা বিভাগব মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে ঃ

(ক) ২০১০ চনব শেষ ভাগত বাজ্যিক পুথিভঁবাল লোৱা সমাধকবণলৈ পুথিভঁবাল

সেৱাত খালি হৈ থকা তৃতীয় আৰু চতুর্থ শ্রেণীৰ পদ পূৰণৰ বাবে সাক্ষাৎকাৰ পাতি নিয়োগৰ ব্যৱস্থা কৰাটো সত্যনে?

(খ) এই সন্দর্ভত বিভাগে কিমানটা পদ পুৰণৰ বাবে বিজ্ঞাপন দিছিল আৰু কেতিয়াৰ পৰা কোন কোন তাৰিখলৈ কোনে কোনে এই সাক্ষাৎকাৰ অনুস্থিত কৰি প্ৰাৰ্থী নিৰ্বাচন কৰিছিল? (বিজ্ঞাপন প্ৰাৰ্থীৰ সাক্ষাৎকাৰৰ বিভাগীয় অধিসূচনা আৰু নিৰ্বাচিত প্ৰাৰ্থীৰ বিতং তালিকা সদনত দিব)

(গ) সাংস্কৃতিক পৰিক্ৰমা বিভাগে জাৰি কৰা অধিসূচনা অনুসৰি কোন কোন সদস্যক এই সাক্ষাৎকাৰ লোৱাৰ নিৰ্দ্দেশনা দিয়া আছিল? এই নিৰ্দ্দেশনাৰ বিপৰীতে কেইগৰাকী সদস্যই এই সাক্ষাৎকাৰ লৈছিল? (সদস্যসকলৰ নাম আৰু পদৰী দিব)

(ঘ) এই চৰকাৰী অধিসূচনাৰ মৰ্মে অন্যতম সদস্য বিভাগীয় উপ-সচিব গৰাকীৰ উপস্থিতি অবিহনেই মাত্ৰ দুজন সদস্যই সাক্ষাৎকাৰ লোৱাটো কিমান যুক্তিযুক্ত আছিল আৰু কিমান তাৰিখে সাক্ষাৎকাৰৰ ফলাফল ঘোষণা কৰিছিল।

(ঙ) এই সাক্ষাৎকাৰৰ নিৰ্বাচিত প্ৰাৰ্থীৰ তালিকাখন বাতৰি কাকতত প্ৰকাশ পাইছিলনে? যদি পোৱা নাছিল, কিয় পোৱা নাছিল?

(চ) পুথিভঁৰাল সেৱা সঞ্চালকালয়ৰ সঞ্চালকৰ পুত্ৰ ৰোৱাৰীক সাক্ষাৎকাৰত নিৰ্বাচিত কৰি কিমান তাৰিখে ক'ত ক'ত নিয়োগ কৰিছিল? (নিয়োগ পত্ৰ সদনৰ মজিয়াত দিব)

(ছ) সঞ্চালকৰ পুত্ৰ-বধূক সাক্ষাৎকাৰৰ ফলাফল ঘোষণাৰ আগতেই নিয়োগ কৰাতো সত্যনে?

শ্রীমতী প্রণতি ফুকন (সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সত্য।

(খ) পুথিভঁৰাল সেৱা সঞ্চালকালয়, অসমৰ তৰফৰ পৰা মুঠ ২৩ টা পদ পূৰণৰ বাবে বিজ্ঞাপন দিছিল আৰু ২৯ নবেম্বৰ, ২০১০ তাৰিখৰ পৰা ৬-১-২০১১ তাৰিখলৈ অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্রমা বিভাগৰ যুটীয়া সচিব আৰু পুথিভঁৰাল সেৱা সঞ্চালকালয় অসমৰ উপ-সঞ্চালকে সাক্ষাৎকাৰ লৈ প্রার্থী নির্বাচন কৰিছিল। (বিজ্ঞাপন প্রার্থীৰ সাক্ষাৎকাৰৰ বিভাগীয় অধিসূচনা আৰু নির্বাচিত প্রার্থীৰ বিতং তালিকা সংলগ্ন কৰা হৈছে)। (পৰিশিষ্ট-ক)

(গ) সাংস্কৃতিক পৰিক্রমা বিভাগে জাৰি কৰা অধিসূচনা যোগে গঠন কৰি দিয়া বাচনি সমিতি অনুসৰি অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্রমা বিভাগৰ যুটীয়া সচিব, উপ-সচিব আৰু পুথিভঁৰাল সেৱা সঞ্চালকালয়ৰ উপসঞ্চালকক ক্রমে চেয়াৰমেন, সদস্য আৰু সদস্য সচিব হিচাবে এই সাক্ষাৎকাৰ লোৱাৰ নির্দেশনা দিয়া হৈছিল।

এই নির্দেশনাৰ বিপৰীতে দুজন সদস্য, শ্রীকৃষ্ণৰাম মিলি, যুটীয়া সচিব সাংস্কৃতিক পৰিক্রমা বিভাগ আৰু শ্রীউত্তম শর্মা, উপসঞ্চালক, পুথিভঁৰাল সেৱা সঞ্চালকালয়, অসমে এই সাক্ষাৎকাৰ লৈছিল।

(ঘ) সম্পূর্ণ সমিতিয়ে সাক্ষাৎকাৰ লোৱাটো বাঞ্ছনীয় আছিল যদিও এই সমিতিৰ সাক্ষাৎকাৰ গ্রহণ বৈঠকৰ বাবে কোনো 'কোৰাম' (Quorum) বান্ধি দিয়া হোৱা নাছিল।

সাক্ষাৎকাৰৰ ফলাফল ১৬-১২-২০১০ আৰু ৫-২-২০১১ তাৰিখে ঘোষণা কৰা হৈছিল।

(ঙ) এই সাক্ষাৎকাৰৰ নিৰ্বাচিত প্ৰাৰ্থীৰ তালিকাখন বাতৰিকাকতত প্ৰকাশ পোৱা নাছিল। এই তালিকা বাতৰি কাকতলৈ প্ৰেৰণ কৰা হোৱা নাছিল।

ঃ ম্ল্যানী

(চ) পুথিভঁৰাল সেৱা সঞ্চালকালয়ৰ সেই সময়ৰ সঞ্চালকৰ পুত্ৰক ১৭-২-২০১১ তাৰিখে জিলা পুথিভঁৰাল গুৱাহাটীত আৰু বোৱাৰীক ২৪-১২-২০১০ তাৰিখে জিলা পুথিভঁৰাল ডিব্ৰুগড়ত নিয়োগ কৰা হৈছিল। (নিয়োগ পত্ৰৰ প্ৰতিলিপি দাখিল কৰা হ'ল)। (পৰিশিষ্ট-খ)

(ছ) সত্য নহয়।

Mr. Speaker: Now, Short Notice Question No. 32, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয়ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৩২। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সাংস্কৃতিক বিভাগৰ অন্তৰ্গত কোন কোন সঞ্চালকালয়ত কেতিয়াৰ পৰা ইনচাৰ্জ্জৰূপে সঞ্চালকৰ দায়িত্ব কাৰ্য্যনিৰ্বাহ কৰি আছে ?

(খ) কি কাৰণত গুৰুত্বপূৰ্ণ বিভাগবোৰত পূৰ্ণ পৰ্য্যায়ৰ সঞ্চালক নিয়োগ নকৰি সেই গুৰুত্বপূৰ্ণ পদবোৰত ইনচাৰ্জ্জ সঞ্চালকৰূপে কাৰ্য্যনিৰ্বাহ কৰিবলৈ দিয়া হৈছে জনাবনে ?

(গ) মন্ত্ৰী মহোদয়াই পুথিভঁৰাল সঞ্চালকালয়ত যি সকল বিষয়াৰ ওপৰত তদন্ত চলি থকা বুলি বিগত বিধান সভাৰ প্ৰশ্নোত্তৰত কৈছিল তেনে তদন্তৰ

আওতাত থকা বিষয়া এগৰাকীয়েই সদ্যহতে পুথিভঁৰাল সেৱা সঞ্চালকালয়ৰ দায়িত্ব (ইনচার্জৰূপে) লৈ কার্য্যনির্বাহ কৰি থকাতো সত্যনে?

(ঘ) এই গৰাকী বিষয়া কোন পর্য্যায়ৰ বিষয়াও কাৰ আদেশৰ দ্বাৰা কেতিয়াৰ পৰা এই গৰাকী বিষয়াই এই পদত কার্য্যনির্বাহ কৰি আছে?

(ঙ) মাননীয় মন্ত্রীয়ে বিগত বিধান সভাত প্রশ্নোত্তৰত দিয়া তথ্যমতে তদন্তকাৰী বিষয়াই তদন্ত ৰিপোর্ট চৰকাৰক দাখিল কৰিলেনে?

(চ) সাংস্কৃতিক পৰিক্রমা বিভাগত কার্য্যনির্বাহকৰি থকা তাদাৰৰী সঞ্চালক সকলৰ ঠাইত পূর্ণপর্য্যায়ৰ সঞ্চালক কেতিয়া নিয়োগ কৰিব?

শ্রীমতী প্রণতি ফুকন (সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সাংস্কৃতিক পৰিক্রমা বিভাগৰ অন্তর্গত দুটা সঞ্চালকালয়ত ভাৰপ্রাপ্ত সঞ্চালকে কার্য্যনির্বাহ কৰি আছে। সংগ্রহালয় সঞ্চালকালয়ত ২০০৬ চনৰ ১ ফেব্রুৱাৰীৰ পৰা আৰু পুথিভঁৰাল সেৱা সঞ্চালকালয়ত ২৩-৩-২০১১ ৰ পৰা ভাৰপ্রাপ্ত সঞ্চালকে কাম কৰি আছে।

(খ) উপযুক্ত অর্হতাসম্পন্ন বিষয়াৰ অবর্তমানত সঞ্চালকালয়ৰ জ্যেষ্ঠতম বিষয়া গৰাকীক ভাৰপ্রাপ্ত সঞ্চালকৰূপে কার্য্যনির্বাহ কৰিবলৈ দিয়া হৈছে।

(গ) সত্য।

(ঘ) এইগৰাকী উপসঞ্চালক পর্য্যায়ৰ বিষয়া। সাংস্কৃতিক পৰিক্রমা বিভাগৰ কার্য্যালয় আদেশ নং চি এ ডি ২/২০১০/৭ তাং ২২-৩-১১ মৰ্মে পুথিভঁৰাল সেৱা সঞ্চালকালয়ৰ পেছাদাৰী অর্হতাসম্পন্ন উপসঞ্চালক গৰাকীয়ে ২৩-৩-২০১১ ৰ পৰা সঞ্চালকৰ সাময়িক ভাৰ গ্রহণ কৰি আছে।

(ঙ) তদন্ত অব্যাহত আছে।

(চ) সংগ্রহালয় সঞ্চালকালয়ৰ সঞ্চালক নিযুক্তিৰ বাবে "অসম লোকসেৱা আয়োগে" ইতিমধ্যে বিজ্ঞাপন দি বাছনিৰ ব্যৱস্থা গ্ৰহণ কৰিছে। পুথিভঁৰাল সেৱা সঞ্চালকালয়ত অৰ্হতাসম্পন্ন বিষয়াক যথাসম্ভৱ সোনকালে নিয়মীয়া নিযুক্তিৰ ব্যৱস্থা কৰা হব।

Mr. Speaker : Now, Short Notice Question No. 33, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

ততা মাননীয় নিৰ্বাচন (Election) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা সাধাৰণ নিৰ্বাচনত অসমৰ ১২৬ টা বিধান সভা সমষ্টিত নিৰ্বাচন পৰিচালনা কৰোতে সৰ্বমুঠ কিমান টকা ব্যয় হৈছিল? প্ৰতিটো সমষ্টিত কিমানকৈ খৰচ হৈছিল জনাবনে?

(খ) উক্ত নিৰ্বাচন পৰিচালনা কৰোতে কিমানজন বাজ্যিক বিষয়া-কৰ্মচাৰী জড়িত হৈছিল? (ভোট গ্ৰহণত কিমান আৰু ভোট গণনা কৰোতে কিমান)

(গ) অসমৰ বাহিৰৰ কিমানজন বিষয়া/কৰ্মচাৰী নিৰ্বাচন পৰিচালনা কৰোতে জড়িত হৈছিল জনাবনে? (নাম-ঠিকনাসহ)

(ঘ) EVM সঠিকভাৱে কাম কৰিছেনে নাই তাক চাবলৈ আৰু ব্যৱহাৰ কৰিবলৈ অসমৰ বাহিৰৰ কোন কোন কোম্পানীৰ কোন কোন মানুহ আহিছিল? তেওঁলোকৰ নাম-ঠিকনা জনাবনে?

শ্রীটংক বাহাদুৰ বায় (ভাৰপ্রাপ্ত মন্ত্রী) নির্বাচন (Election) বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা সাধাৰণ নির্বাচনত ১২৬ টা বিধান সভা সমষ্টিত মুঠ, ১১৮,৬৩,৩৯,০০০/- টকা খৰচ হৈছিল (মুখ্য কার্যালয় আৰু সমষ্টি ভিত্তিক দুয়োটা ধৰি)। সমষ্টি ভিত্তিক খৰচৰ তালিকা গাঠি দিয়া হ'ল (পৰিশিষ্ট-'ক')।

(খ) নির্বাচন পৰিচালনা কৰোতে জড়িত বিষয়া কর্মচাৰীৰ হিচাপ তলত দিয়া ধৰণৰ-

১) ভোট গ্রহণত ঃ ১,০২,২৪৬ জন।
২) ভোট গণনাত ঃ ৫,৩৭৬ জন।

(গ) নির্বাচন পৰিচালনা কৰোতে অসমৰ বাহিৰৰ পৰা কেৱল নির্বাচন আয়োগৰ পৰা প্রেৰিত মুঠ ৯৪ জন নির্বাচনী পর্য্যবেক্ষক (Observers) জড়িত হৈছিল।

১) সাধাৰণ পর্য্যবেক্ষক (General Observers) ঃ ৫২ জন।
২) ব্যয় সম্পর্কীয় পর্য্যবেক্ষক (Expenditure Observers) ঃ ৪২ জন।

মুঠ ঃ ৯৪ জন।

তেওঁলোকৰ তালিকা তলত গাঠি দিয়া হ'ল (পৰিশিষ্ট-'খ')

(গ) EVM সঠিকভাৱে কাম কৰিছেনে নাই তাক চাবলৈ কেৱল Electronic Corporation of India Limited(ECIL) কোম্পানীৰ Engineer/ technician অসমলৈ আহিছিল। তালিকা লগত গাঠি দিয়া হ'ল (পৰিশিষ্ট-'গ')।

(Mr. Speaker : Now, Short Notice Question No. 34, Hon'ble Member, Shri Utpal Dutta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ঃ ৩৪।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

৩৪। মাননীয় পাচনেল বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ অধীনত বৰ্তমান কিমানজন আই. এ. এচ. পৰ্য্যায়ৰ বিষয়া আছে? ইয়াৰে কিমানজন বৰ্তমান ডেপুটেছনত আছে?

(খ) অসম চৰকাৰৰ অধীনত বৰ্তমান কিমানজন এ.চি. এচ. পৰ্য্যায়ৰ বিষয়া আছে? অসমৰ বাহিৰত ডেপুটেছনত থকা এ.চি.এচ. বিষয়া কিমানজন আছে আৰু তেওঁলোক কত কত আছে?

(গ) একোজন এচি এছ আৰু আই.এ.এছ. বিষয়া এৰে পদতে সৰ্বনিম্ন আৰু সৰ্বোচ্চ কিমান বছৰ কাৰ্য্য নিৰ্বাহ কৰিব পাৰে?

(ঘ) অবসৰ পোৱাৰ পিছত পুনৰ নিযুক্তি লাভ কৰা বিষয়া আছেনে? যদি আছে, তেন্তে তেনে বিষয়াৰ তালিকা সহ বিভাগৰ নাম আৰু নিযুক্তিৰ তাৰিখ জনাবনে?

শ্ৰীপৃথিবী মাঝি (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী) য়ে (মুখ্যমন্ত্ৰী) শ্ৰীতৰুণ গগৈ ৰ হৈ উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰৰ অধীনত বৰ্তমান ১৪৪ জন আই.এ.এচ. পৰ্য্যায়ৰ বিষয়া আছে। বৰ্তমান ২৯ জন বিষয়া ডেপুটেছনত আছে।

(খ) অসম চৰকাৰৰ অধীনত বৰ্তমান ৭২ জন এ.চি.এচ. পৰ্য্যায়ৰ বিষয়া আছে।

নতুন দিল্লীত কর্মবত।

(গ) সাধাৰণতে ৩ (তিনি) বছৰলৈ একোজন এ.চি.এচ বিষয়াই এক পদতে কার্যনির্বাহ কৰিব পাৰে।

(ঘ) বর্তমান অবস্থাৰ পোৱাৰ পিছত নিযুক্তি লাভ কৰা আই.এচ. আৰু এ.চি.এচ. বিষয়া নাই।

Mr. Speaker : Now, Short Notice Question No. 35, Hon'ble Member, Shri Utpal Datta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ঃ ৩৫।

শ্ৰীউৎপল দত্তই সুধিছে-

৩৫। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিছনাযুক্ত উত্তৰ লখিমপুৰ অসামৰিক চিকিৎসালয়ত ২০০ জনতকৈ অধিক ৰোগী প্ৰতিদিনে থকাৰ কথাতো চৰকাৰৰ অৱগতনে? যদি অৱগত তেন্তে, অতিৰিক্ত ৰোগী সমূহ ৰখাৰ বাবে প্ৰয়োজনীয় বিছনা আদিৰ সংখ্যা বৃদ্ধিৰ ব্যৱস্থা কৰা হৈছেনে?

(খ) চিকিৎসালয়খনত চি, টি, স্কেন মেচিন আৰু এক্সৰে মেচিন দুটা বিকল হৈ থকাৰ বিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, তাৰ বাবে কি কাৰ্য্য ব্যৱস্থা হাতত লোৱা হৈছে জনাবনে?

(গ) চিকিৎসালয়খনত এন্নাছথেচিয়া আৰু ৰেডিঅ'লজি বিভাগত চিকিৎসক সকলৰ উপস্থিতি নিয়মীয়া হোৱা কাৰণে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি জনাব।

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অৱগত। ৰোগী অনুপাতে কোঠা বৃদ্ধিৰ বাবে ইতিমধ্যে লক্ষীমপুৰৰ যুটীয়া স্বাস্থ্য সঞ্চালক গৰাকীয়ে গড়কাপ্তানী বিভাগৰ পৰা গৃহ নির্মাণৰ বাবে এটি আঁচনি সংগ্রহ কৰি প্রয়োজনীয় ব্যৱস্থা হাতত লৈছে।

(খ) অৱগত। চিকিৎসালয় খনৰ চি.টি.স্কেন মেচিনটো ২৫-৫-২০১১ তাৰিখৰ পৰা বিকল হৈ আছে। ইতিমধ্যে চৰকাৰৰ ফালৰ পৰা মেচিনটো কার্য্যক্ষম কৰিবলৈ সংশ্লিষ্ট কোম্পানীৰ লগত যুটীয়া সঞ্চালকৰ জৰিয়তে যোগাযোগ কৰি ব্যৱস্থা লোৱা হৈছে।

এক্স-ৰে মেচিনটোও ২৯-১১-২০১১ তাৰিখৰ পৰা বিকল হৈ আছে। বর্তমান এটা সৰু মেচিনৰ দ্বাৰা কাম চলাই থকা হৈছে।

(গ) চিকিৎসালয় খনত এগৰাকী এনাচ্'থেছিষ্ট আছে। ৰেডিঅ'লজিষ্ট নাই। যুটীয়া স্বাস্থ্য সঞ্চালকৰ কার্য্যালয়ৰ মুখ্য আবাসিক মহকুমা চিকিৎসা ও স্বাস্থ্য বিষয়া গৰাকী ৰেডিঅ'লজিষ্ট হয়। তেখেতে সপ্তাহত তিনি দিনকৈ নিজ দায়িত্বৰ উপৰিও অসামৰিক চিকিৎসালয়ত সেৱা আগবঢ়ায়।

Mr. Speaker : Now, Short Notice Question No. 36, Hon'ble Member, Shri Utpal Dutta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীউৎপল দত্তই সুধিছে ঃ

৩৬। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্র লৈ ২০০৭ বিত্তীয় বর্ষৰ পৰা বর্তমানৰ বিত্তীয়

বৰ্ষলৈ (২০১১) কিমান পুঁজি অসম চৰকাৰে যোগান ধৰিছিল? (বছৰ অনুসৰি তথ্য দিব)

(খ) এই পুঁজি কি কি আঁচনিৰ কামত খৰচ হৈছিল জনাবনে?

(গ) এই পুঁজিৰদ্বাৰা ৰূপায়ণ কৰা কামবোৰৰ ক্ষেত্ৰত নিবিদা কেতিয়া আহ্বান কৰা হৈছিল?

(ঘ) কোন কোন আঁচনিৰ কামৰ বাবদ কোনে কোনে নিবিদা দিছিল জনাবনে? এই কামৰ নিবিদাৰ জাননী কোন কোন কাকতত প্ৰকাশ হৈছিল বিতংকৈ জনাবনে?

(ঙ) উক্ত কলাক্ষেত্ৰই যোৱা পাচটা বছৰত কোন কোন অনুষ্ঠান, প্ৰতিষ্ঠানৰ পৰা অনুদান ও বৰঙণি লাভ কৰিছিল তাৰ এখন বিতং তালিকা দিবনে?

(চ) সেই পুঁজি ক'ত কেতিয়া জমা ৰখা হৈছিল জনাবনে?

(ছ) শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰই কেন্দ্ৰীয় চৰকাৰ অথবা নেপকো বা অন্যান্য প্ৰতিষ্ঠান আদিৰ পৰাও বিশেষ অনুদান পাইছে নেকি? সেই অনুদান কেতিয়া পাইছিল আৰু কি কামত এনে পুঁজি খৰছ কৰা হৈছে জনাবনে?

শ্ৰীমতী প্ৰণতি ফুকন (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক)

২০০৭-২০০৮	১৪,৫২,১৮৯.০০ টকা
২০০৮-২০০৯	২৫,৪১,৩৫৪.০০ টকা
২০০৯-২০১০	২৬,৩৬,০০০.০০ টকা
২০১০-২০১১	২০,০০,০০০.০০ টকা
	২২,৫০,০০০.০০ টকা

(খ)

২০০৭-২০০৮	১৪,৫২,১৮৯.০০ টকা	বিদ্যুতৰ বিলৰ বাবদ খৰচ কৰা হয়।
২০০৮-২০০৯	২৫,৪১,৩৫৪.০০ টকা	বিদ্যুতৰ মেৰামতিৰ, বিদ্যুতৰ বিল আদায় দিয়াত ব্যয় কৰা হয়।
২০০৯-২০১০	২৬,৩৬,০০০.০০ টকা	বিদ্যুতৰ বিলৰ বাবদ খৰচ কৰা হয়।
২০১০-২০১১	২০,০০,০০০.০০ টকা	বিদ্যুতৰ মেৰামতি, অতিথিশালাৰ শৌচাগাৰ নৱীকৰণ আৰু ঐতিহ্য উদ্যানৰ মেৰামতিৰ কাম কৰা হয়।
	২২,৫০,০০০.০০ টকা	মাজুলীৰ ৫ খন সচিত্র পুথিৰ ছপাকৰণৰ প্রস্তুতি চলি আছে।

(গ) বিদ্যুতৰ মেৰামতি, শৌচাগাৰ নৱীকৰণ, ঐতিহ্য উদ্যান মেৰামতি আদিৰ বাবে ৭-১০-২০১০ আৰু ১০-১০-২০১০ তাৰিখে নিবিদা আহ্বান কৰা হৈছিল।

(ঘ) নিবিদা দৈনিক বাতৰি আৰুঅসম ট্রিবিউন কাকতযোগে আহ্বান কৰা হৈছিল।

আঁচনি আৰু নিবিদাকাৰীৰ নাম ঃ

বৈদ্যুতিক সামগ্রীৰ যোগানঁ আৰু মেৰামতি (ঙ)

- নিবিদাকাৰীৰ নাম ঃ
- এ.বি.ডি. আৰ.এ কনষ্ট্রাকচন, ভৰলুমুখ, গুৱাহাটী-৯
- এচ. বি. এন্টাৰপ্রাইজ, বেলতলা, গুৱাহাটী-২৯
- ৰৱা ইলেকট্রিকেলচ, জয়ানগৰ, গুৱাহাটী-২২
- ভ'ৰটেক্স ইঞ্জিনিয়াৰিং, জি.এন.বি. ৰোড, গুৱাহাটী-৩।

১৪টা শৌচাগাৰৰ নৱীকৰণ

- নিবিদাকাৰীৰ নাম ঃ
- আৰ্চশ্বেদ, জু-নাৰেঙ্গী ৰোড, গুৱাহাটী-২৪
- মেচার্চ, চি. বৰুৱা,
- চৈয়ফুৰ ৰহমান, ছয়মাইল, গুৱাহাটী-২২
- বিদ্যুৎ বৰ্মন, লক্ষীনগৰ, জাপৰিগোগ, গুৱাহাটী।
- প্রাকৃতিক দুর্যোগৰ ফলত ক্ষতি হোৱা চৌহদৰ দেৱাল নির্মাণঃ নিবিদাকাৰীৰ নাম ঃ
- মেচার্চ আৰ. বি. এন্টাৰপ্রাইজ, এইচ চি. ৰোড, উজানবজাৰ, গুৱাহাটী-১
- আৰ্চশ্বেদ, জু-নাৰেঙ্গী ৰোড, গুৱাহাটী-২৪
- মেচার্চ বি. বি. এচ. কনষ্ট্রাকচন, হাতীগাওঁ, গুৱাহাটী-৬
- মেচার্চ এছ. এন. এন্টাৰপ্রাইজ, বাঘৰবড়ী, গুৱাহাটী-৩৭

(ঙ) বর্ষ	পৰিমাণ	উদ্দেশ্য	কাৰ পৰা পোৱা হৈছে
২০০৬ -২০০৭	১,৫১,৭২,০০০/- টকা	১২৫০ আসনযুক্ত প্ৰেক্ষাগৃহ নিৰ্মাণ।	কেন্দ্ৰীয় চৰকাৰ
	২৮,৪০,০০০/- টকা	কম্পিউটাৰ এডেড ডিজাইন চেণ্টাৰ স্থাপন।	কেন্দ্ৰীয় চৰকাৰ
২০০৭ -২০০৮	৪০,০০,০০০/- টকা	শিশুবন আৰু শিশু প্ৰেক্ষাগৃহ নিৰ্মাণ।	কেন্দ্ৰীয় চৰকাৰ
২০০৮ -২০০৯	৯০,০০,০০০/- টকা	শিশুবন আৰু শিশু প্ৰেক্ষাগৃহ নিৰ্মাণ।	কেন্দ্ৰীয় চৰকাৰ
	২৮,৪০,০০০/- টকা	কম্পিউটাৰৰ এডেড ডিজাইন চেণ্টাৰ স্থাপন।	কেন্দ্ৰীয় চৰকাৰ
২০০৯ -২০১০	৪০,১০,০০০/- টকা	১২৫০ আসনযুক্ত প্ৰেক্ষাগৃহ নিৰ্মাণ।	কেন্দ্ৰীয় চৰকাৰ
	২৭,০০,০০০/- টকা	পাণ্ডুলিপি সংৰক্ষণ	ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলাক্ষেত্ৰ, নতুন দিল্লী
২০১০ -২০১১	পোৱা নাই।		

(চ) ১২৫০ আসনযুক্ত প্ৰেক্ষাগৃহ, শিশুবন আৰু শিশু প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবদ পোৱা টকা ভাৰতীয় ষ্টেট বেংকত জমা ৰখা হৈছিল।

কম্পিউটাৰ এডেড ডিজাইন চেণ্টাৰৰ বাবে পোৱা টকা অসম গ্ৰামীন বিকাশ বেংকত জমা ৰখা হৈছিল।

(ছ) কেন্দ্রীয় চৰকাৰ, নেপকো বা অন্য প্ৰতিষ্ঠান আদিৰ পৰা বিশেষ অনুদান পোৱা নাই। আনহাতে, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মুখ্য প্ৰৱেশদ্বাৰ নেপকোৰ প্ৰত্যক্ষ তত্ত্বাৱধানত নিৰ্মাণ কৰি দিয়ে। এই কামত কলাক্ষেত্ৰ আৰ্থিক লেন-দেনত জড়িত হোৱা নাই।

Mr. Speaker : Now, Short Notice Question No. 37, Hon'ble Member, Shri Utpal Dutta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

৩৭। মাননীয় ভৈয়াম জনজাতি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে (BTAD ৰ বাহিৰে) ঃ

(ক) দেউৰী স্বায়ত্ব শাসিত পৰিষদখন বৰ্তমান কাৰ্য্যকৰী হৈ আছে নে?

(খ) দেউৰী পৰিষদ ২০০৭-০৮, ২০০৮-০৯, ২০০৯-১০ আৰু ২০১০-১১ চন কেইটাত বছৰি কিমান কিমান চৰকাৰী অনুদান দিলে তাৰ তালিকা দাখিল কৰিব নে?

(গ) যদি দিয়া নাই, কেতিয়াৰ ভিতৰত দিয়াৰ ব্যৱস্থা কৰিব?

শ্ৰীৰাজীৰ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, আছে।

(খ) দেউৰী পৰিষদক মোকলাই দিয়া ধনৰ পৰিমাণ বছৰ ভিত্তিক তলত উল্লেখ কৰা হ'ল—

বছৰ	পৰিকল্পনা শিতান	পৰিকল্পনা বহির্ভূত শিতান
২০০৭-০৮	৪০০.০০ লাখ	৫০.০০ লাখ
২০০৮-০৯	১১৭০.০০ লাখ	৬০.০০ লাখ
২০০৯-১০	১৪৮২.০০ লাখ	৪৮.৮৮.০০ লাখ
২০১০-১১	নাই	৬০.০০ লাখ

(গ) প্ৰশ্ন নুঠে।

Mr. Speaker : Now, Short Notice Question No. 38, Hon'ble Member, Shri Utpal Dutta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

৩৮। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ সৰ্বমুঠ ব্যয় কিমান?

(খ) উক্ত প্ৰকল্পত ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ অংশীদাৰীত্ব আছে নেকি? যদি আছে ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ অংশ পৃথকে পৃথকে দেখুৱাব?

(গ) উক্ত প্ৰকল্পৰ কাম বৰ্তমানলৈ কিমান শতাংশ সম্পূৰ্ণ কৰা হ'ল আৰু কিমান শতাংশ কাম বাকী আছে?

(ঘ) এই প্ৰকল্পটো কেতিয়া সম্পূৰ্ণ কৰা হ'ব আৰু ইয়াৰ পৰা কিমান মেগাৱাট শক্তি উৎপাদন হ'ব?

(ঙ) ৰাজ্য চৰকাৰে এই উৎপাদিত বিদ্যুতৰ কিমান মেগাৱাট বিনামূলীয়াকৈ পাব আৰু ৰাজ্যচৰকাৰে ক্ৰয় কৰিবলৈ হ'লে প্ৰতি মেগাৱাটত কিমান টকা দিব লাগিব? বিতং তথ্য দিবনে?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) নামনি সোৱণশিৰি জলবিদ্যুৎ প্রকল্পৰ সর্বমুঠ ব্যয় কিমান হব এতিয়ালৈকে ঠিক/ধার্য্য হোৱা নাই।

(খ) নাই।

(গ) বর্তমান কাম চলি আছে। প্রায় ৭০ শতাংশ কাম সম্পূর্ণ হৈছে।

(ঘ) কেতিয়া সম্পূর্ণ হব এতিয়ালৈকে ঠিক হোৱা নাই। সম্পূর্ণ হলে ২০০০ মেগাৱাট বিদ্যুৎ শক্তি উৎপাদন হব।

(ঙ) যদিও সদ্যহতে বিনামূলীয়া বিদ্যুৎ ২৫ মেগাৱাট দিয়াৰ কথা কৈছে-অসম চৰকাৰে মানি লোৱা নাই। বাকী একেবাৰে কম মূল্যত (উৎপাদন ব্যয়ৰ সমভিত্তিক) ৬০০ মেগাৱাট বিদ্যুৎ অসমে বিচাৰিছে। সকলো কথা এতিয়াও খাতাং হোৱা নাই।

Mr. Speaker : Now, Short Notice Question No. 39, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৩৯। মাননীয় পার্চনেল বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ সকলো চৰকাৰী বিষয়াই তেওঁলোকৰ বছৰি আয়ৰ হিচাৰ চৰকাৰক নিয়মিত ভাবে দি আছেনে?

(খ) যদি নাই কোন কোন IAS, IPS, ACS, APS বিষয়াই তেওঁলোকৰ

Annual Income ৰ হিচাপ স্থাৱৰ অস্থাৱৰ সম্পত্তিৰ হিচাব চৰকাৰক দিয়া নাই জনাবনে? (নাম, পদবী, কেতিয়াৰ পৰা দিয়া নাই বিতং তথ্য দিব)

(গ) উক্ত হিচাব নিদিয়া স্বত্তেও তেওঁলোকৰ প্ৰমোচন ইনক্ৰিমেন্ট আদি চৰকাৰে ঠিকেই দি আছেনে?

(ঘ) কোন কোন IAS, IPS, ACS, APS বিষয়াৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ আছে (তেওঁলোকৰ নাম, ঠিকনা, পদবী আৰু অভিযোগৰ বিবৰণ জনাব)

শ্ৰীপৃথিবী মাঝি (ৰাজহ আৰু দুৰ্য্যোগ প্ৰশমন বিভাগ আদিৰ মন্ত্ৰী) য়ে মুখ্যমন্ত্ৰী, শ্ৰীতৰুণ গগৈ দেৱৰ হৈ উত্তৰ দিছে ঃ

(ক) কৰ্মচাৰী (ক) বিভাগৰ অধীনত অসম অসামৰিক সেৱাৰ বিষয়াৰ ক্ষেত্ৰত বছৰি আয়ৰ লগতে স্থাৱৰ অস্থাৱৰ সম্পত্তি হিচাব দাখিল কৰাৰ ব্যৱস্থা আছে। সেইমতে সকলো বিষয়াক তেওঁলোকৰ হিচাব দাখিল কৰিবলৈ কৈ থকা হৈছে যদিও তাৰ ভিতৰত ৩৪২-জন বিষয়াই নিয়মিতভাৱে হিচাব দি থকা নাই। ৰাজ্য চৰকাৰৰ অন্য বিভাগৰ বিষয়াই বছৰি আয়ৰ হিচাব দিয়াৰ কি ব্যৱস্থা আছে কৰ্মচাৰী (ক) বিভাগ জ্ঞাত নহয়। ভাৰতীয় প্ৰশাসনীয় সেৱাৰ ক্ষেত্ৰত স্থাৱৰ সম্পত্তিৰ বাহিৰে বছৰি আয়ৰ হিচাব দাখিল কৰাৰ কোনো ব্যৱস্থা নাই। ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়াৰ ক্ষেত্ৰত গৃহ বিভাগৰ পৰা পোৱা তথ্য মতে তেওঁলোকৰ হিচাব নিয়মিত ভাৱে দি থকা নাই। আনহাতে, অসম আৰক্ষী সেৱাৰ বিষয়াৰ ক্ষেত্ৰত হিচাব দাখিল কৰাত এতিয়ালৈকে কোনো বিধি ব্যৱস্থা নাই।

(খ) ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়াৰ ক্ষেত্ৰত এজনৰ বাহিৰে বাকী সকলো বিষয়াই তেওঁলোকৰ স্থাৱৰ সম্পত্তিৰ হিচাব নিয়মিত ভাৱে দি আছে। হিচাব

নিদিয়া বিষয়াজনৰ নাম অনুবদ্ধ (ক) ত দিয়া আছে। যি সকল বিষয়াই তেওঁলোকৰ স্থাৱৰ অস্থাৱৰ সম্পত্তিৰ হিচাব নিয়মিত ভাৱে দিয়া নাই। সেইসকল ভাৰতীয় আৰক্ষী সেৱা , অসম অসামৰিক সেৱাৰ বিষয়াসকলৰ বিতং তথ্যৰ তালিকা অনুবদ্ধ (খ) ত দিয়া হৈছে।

(গ) বিধিমতে এতিয়ালৈকে দি থকা হৈছে।

(ঘ) যিসকল ভাৰতীয় প্ৰশাসনীয় সেৱা, ভাৰতীয় আৰক্ষী সেৱা, অযয় অসামৰিক সেৱা, অসম আৰক্ষী সেৱাৰ বিষয়াৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ আছে সেইসকল বিষয়াৰ তালিকা অনুবদ্ধ (গ) ত দিয়া আছে।

Mr. Speaker : Now, Short Notice Question No. 40, Hon'ble Member, Shri Utpal Dutta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

৪০। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে (BTAD ৰ বাহিৰে) ঃ

(ক) অসমত বৰ্তমান কিমানখন স্বায়ত্ব শাসিত পৰিষদ আছে? ইয়াত নাম আৰু এলেকাৰ বিৱৰণ দিব।

(খ) এই পৰিষদ সমূহলৈ ২০০৭ চনৰ পৰা বৰ্তমান বিত্তীয় বৰ্ষলৈ কিমান পুঁজি আৱন্টন অসম চৰকাৰে দিছে?

(গ) মিচিং স্বায়ত্ব শাসিত পৰিষদলৈ ২০০৭ চনৰ পৰা বৰ্তমান বিত্তীয় বৰ্ষলৈ কোন কোন শিতানত কিমান ধন মোকোলাই দিয়া হৈছে?

(ঘ) এই পুঁজিৰ কিমান ধন কোন কোন শিতানত খৰছ কৰা হ'ল আৰু কিমান ধন অব্যৱহিত হৈ আছে জনাবনে?

(ঙ) মিচিং স্বায়ত্ব শাসিত পৰিষদে কি কি বস্তু দিছে আৰু ক'ত ক'ত দিছে? সমষ্টি ভিত্তিত তালিকা দিব।

শ্ৰীৰাজীৰ লোচন পেগু (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ ভৈয়াম এলেকাত বৰ্তমান ৬ (ছয়) খন স্বায়ত্ব শাসিত পৰিষদ আছে। ইয়াৰ নাম আৰু এলেকাৰ বিৱৰণ তলত দিয়া হ'ল—

১)	মিচিং স্বায়ত্ব শাসিত পৰিষদ	গোগামুখ,ধেমাজি
২)	দেউৰী স্বায়ত্ব শাসিত পৰিষদ	নাৰায়ণপুৰ, লক্ষীমপুৰ
৩)	সোনোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ	ডিব্রুগড়, ডিব্রুগড়
৪)	তিৱা স্বায়ত্ব শাসিত পৰিষদ	মৰিগাওঁ, মৰিগাওঁ
৫)	ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদ	দুধনৈ , গোৱালপাৰা
৬)	ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ	তিতাঁবৰ, যোৰহাট

(খ) তলত উল্লেখিত ধনসমূহ এই পৰিষদসমূহলৈ অসম চৰকাৰে বছৰ ভিত্তিক মোকলাই দিছে।

(১) মিচিং স্বায়ত্ব শাসিত পৰিষদ

বছৰ	পৰিকল্পনা শিতান	পৰিকল্পনা বহির্ভূত শিতান
২০০৭-০৮	১১৭৫,০০ লাখ	১১০.০০ লাখ
২০০৮-০৯	২৫০০.০০ লাখ	১৫০.০০ লাখ
২০০৯-১০	৩১৭৬.০০ লাখ	১০৯.০৫ লাখ
২০১০-১১	নাই	১২৬.২৫ লাখ

(২) দেউৰী স্বায়ত্ব শাসিত পৰিষদ

বছৰ	পৰিকল্পনা শিতান	পৰিকল্পনা বহির্ভূত শিতান
২০০৭-০৮	৪০০.০০ লাখ	৫০.০০ লাখ
২০০৮-০৯	১১৭০.০০ লাখ	৬০.০০ লাখ
২০০৯-১০	১৪৮২.০০ লাখ	৪৮.৮৮ লাখ
২০১০-১১	নাই	৬০.০০ লাখ

(৩) সোনোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ

বছৰ	পৰিকল্পনা শিতান	পৰিকল্পনা বহির্ভূত শিতান
২০০৭-০৮	৩০০.০০ লাখ	৫০.০০ লাখ
২০০৮-০৯	১০৯০.০০ লাখ	৬০.০০ লাখ
২০০৯-১০	১৪৭১.০০ লাখ	৬০.০০ লাখ
২০১০-১১	১৫০৬.০০ লাখ	৬০.০০ লাখ

(৪) তিৰা স্বায়ত্ব শাসিত পৰিষদ

বছৰ	পৰিকল্পনা শিতান	পৰিকল্পনা বহির্ভূত শিতান
২০০৭-০৮	৬০৮.০০ লাখ	১১০.০০ লাখ
২০০৮-০৯	১৭০৬.০০ লাখ	১৫৭.২৮ লাখ
২০০৯-১০	২২২৭.০০ লাখ	১৩০.০০ লাখ
২০১০-১১	২৩৯১.০০ লাখ	১২৬.২৫ লাখ

(৫) ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদ

বছৰ	পৰিকল্পনা শিতান	পৰিকল্পনা বহির্ভূত শিতান
২০০৭-০৮	১২৫০.০০ লাখ	১১০.০০ লাখ
২০০৮-০৯	১৭০৬.০০ লাখ	১২৫.০০ লাখ
২০০৯-১০	২২৯৮.০০ লাখ	১২৫.০০ লাখ
২০১০-১১	নাই	নাই

(৬) ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ

বছৰ	পৰিকল্পনা শিতান	পৰিকল্পনা বহির্ভূত শিতান
২০০৭-০৮	৭০০.০০ লাখ	৫০.০০ লাখ
২০০৮-০৯	১০৭৫.০০ লাখ	৬০.০০ লাখ
২০০৯-১০	১৪২০.০০ লাখ	৬০.০০ লাখ
২০১০-১১	১৫০৮.০০ লাখ	৬০.০০ লাখ

(গ) তলত উল্লেখিত ধনসমূহ মিচিং স্বায়ত্ব শাসিত পৰিষদলৈ অসম চৰকাৰে মোকলাই দিছে —

বছৰ	পৰিকল্পনা শিতান	পৰিকল্পনা বহির্ভূত শিতান
২০০৭-০৮	১১৭৫.০০ লাখ	১১০.০০ লাখ
২০০৮-০৯	২৫০০.০০ লাখ	১৫০.০০ লাখ
২০০৯-১০	৩১৭৬.০০ লাখ	১০৯.০৫ লাখ
২০১০-১১	নাই	১২৬.২৫ লাখ

(ঘ) আৰু (ঙ) সবিশেষ অনুবদ্ধ 'ক' ত দিয়া হ'ল।

Mr. Speaker : Now, Short Notice Question No. 41, Hon'ble Member, Shri Utpal Dutta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

৪১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলসিঞ্চন বিভাগত ২০০৯-১০ আৰু ২০১০-১১ বৰ্ষত বিশেষ কৰ্ত্তব্যৰত বিষয়াজনে কিমান টকাৰ প্ৰাককলনত অনুমোদন দিছিল আৰু কিমান টকাৰ ঠিকাৰ আৱন্টন দিছিল?

(খ) এজন বিশেষ কৰ্ত্তব্যৰত বিষয়া হিচাবে কাৰিকৰী অনুমোদন আৰু ঠিকাৰ আৱন্টন দিয়াৰ ক্ষমতা তেওঁৰ আছিলনে? এই বিষয়ত তেওঁক চৰকাৰে বিশেষ কিবা ক্ষমতা দিছিল নেকি? এই ক্ষমতা দিবলৈ যাওঁতে, মুখ্য অভিযন্তা জনৰ ক্ষমতা কৰ্তন কৰা হৈছিল নেকি? এই সম্পৰ্কীয় চিঠিৰ কপি সমূহ দিব।

(গ) ২০০৯-১০ আৰু ২০১০-১১ বৰ্ষত বিশেষ কৰ্ত্তব্যৰত বিষয়াজনে আৱন্টন দিয়া কামসমূহৰ প্ৰগতিৰ খতিয়ান আৰু ঠিকাদাৰে পোৱা টকাৰ পৰিমাণৰ তালিকা দিব? এই সমূহ কাম শেষ কৰাৰ পিছতো কোনো ঠিকাদৰে ধন পাবলৈ বাকী আছে নেকি? যদি আছে, তেনে ধনৰ পৰিমাণ কিমান আৰু কিমান দিনৰ ভিতৰত এই ধন ঠিকাদাৰ সকলে পাব জনাবনে?

(ঘ) উক্ত সময়ত কামৰ আৱন্টন পাই বৰ্তমানেও কাম আৰম্ভ নকৰা ঠিকাদাৰ

আছে নেকি? যদি আছে, তেনে ঠিকাদাৰৰ নাম, কামৰ স্থান, আঁচনিৰ নামৰ তালিকা দিব?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) জলসিঞ্চন বিভাগত ২০০৯-১০ আৰু ২০১০-১১ বৰ্ষত বিশেষ কৰ্ত্তব্যৰত বিষয়াজনে ১৬৩৩.৫৫৭ কোটি টকাৰ প্ৰাক্কলনৰ অনুমোদন দিছিল আৰু ৬৪৪.৯১ কোটি টকাৰ ঠিকাৰ আৱন্টন দিছিল।

(খ) বিশেষ কৰ্ত্তব্যৰত বিষয়া হিচাবে তেওঁৰ কাৰিকৰী অনুমোদন আৰু ঠিকাৰ আৱন্টন দিয়াৰ ক্ষমতা আছিল।

এই বিষয়ত তেওঁক চৰকাৰে ক্ষমতা প্ৰদান কৰিছিল। বিশেষ কৰ্ত্তব্যৰত বিষয়া, মুখ্য অভিযন্তা আৰু মুখ্য অভিযন্তা (ক্ষুদ্ৰ জলসিঞ্চন) ৰ দায়িত্বৰ পুনৰ নিৰ্দ্ধাৰণ/পুনৰাবণ্টনহে কৰা হৈছিল। মুখ্য অভিযন্তাৰ ক্ষমতা কৰ্ত্তন কৰা হোৱা নাছিল। এই সম্পৰ্কীয় চৰকাৰী অধ্যাদেশৰ প্ৰতিলিপি অনুবদ্ধ-১ ত দাখিল কৰা হ'ল।

(গ) ২০০৯-১০ আৰু ২০১০-১১ বৰ্ষত বিশেষ কৰ্ত্তব্যৰত বিষয়াজনে আবণ্টন দিয়া কাম সমূহৰ নাম ঠিকাদাৰৰ নাম আৰু আবণ্টিত টকাৰ পৰিমাণ অনুবদ্ধ-২ ত দাখিল কৰা হ'ল।

কাম সমূহৰ প্ৰগতিৰ খতিয়ান আৰু সংশ্লিষ্ট ঠিকাদাৰে পোৱা টকাৰ পৰিমাণ ক্ষেত্ৰ পৰ্য্যায়ৰ পৰা বিচৰা হৈছে আৰু অনতিপলমে দাখিল কৰিব পৰা যাব।

কাম শেষ হোৱাৰ পিছত ধনৰ যোগান সাপেক্ষে (কেন্দ্ৰীয় চৰকাৰ

আৰু ৰাজ্য চৰকাৰে মোকলাই দিয়া) ঠিকাদাৰক আদায় দিয়া হয় আৰু সেয়েহে কাম শেষ কৰাৰ পিছত ঠিকাদাৰে ধন পাবলৈ বাকী থাকিব পাৰে।

তেনে ধৰণৰ বাকী থকা ধন সংশ্লিষ্ট চৰকাৰে মোকলাই দিয়াৰ পিছতে ঠিকাদাৰ সকলক পাবলগীয়া ধন আদায় দিয়া হব।

(ঘ) এই সম্বন্ধে বিস্তৃত তথ্যপাতি সংগ্ৰহ কৰাৰ বাবে বিভাগীয় ভাৱে যাৱতীয় ব্যৱস্থা কৰা হৈছে। তথ্যপাতি উপলব্ধ হোৱাৰ লগে লগে অসম বিধান সভা সচিবালয়ৰ জৰিয়তে জনোৱা হব।

Mr. Speaker : Now, Short Notice Question No. 42, Hon'ble Member, Shri Praffulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৪২ ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৪২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ বিভাগীয় বিষয়াৰ দ্বাৰা স্বীকৃতি দিয়া সকলো শিক্ষকৰ পদ প্ৰাদেশীকৰণ কৰিবনে?

(খ) শিক্ষা বিধেয়ক ২০১১ গৃহীত হোৱাৰ আগতে পুৰণি আইন অনুসৰি প্ৰতিটো শাখাৰ বিপৰীতে একোজন শিক্ষক নিয়োগৰ ব্যৱস্থা আছিল। বৰ্তমান অষ্টম শ্ৰেণীটো হাইস্কুলৰ পৰা আঁতৰাই নিয়া হ'ল। কিন্তু অষ্টম শ্ৰেণীৰ ক,খ,গ, শাখাৰ বিপৰীতে থকা শিক্ষক সকলৰ ভবিষ্যতৰ বিষয়ে বিধেয়কখনত উল্লেখ নহ'ল। যাৰ ফলস্বৰূপে, বহু পুৰণি শিক্ষকৰ পদ প্ৰাদেশীকৰণৰ পৰা বাদ

পৰিব। এই শিক্ষক সকলৰ পদ প্ৰাদেশীকৰণৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

(গ) ৰাইজে স্থাপন কৰা বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ বৃদ্ধিলৈ লক্ষ্য কৰি তৃতীয় কলা শিক্ষক আৰু শাখাৰ বিপৰীতে শিক্ষক নিয়োগ কৰিছিল। বৰ্তমান চৰকাৰী অৱহেলা আৰু চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত কৰি ৰখা বাবে বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমিছে। সেয়ে অপ্ৰাদেশীকৃত বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত থকা বাধ্যবাধকতা চৰকাৰে এৰাধৰা কৰাৰ বিষয়ে চিন্তা কৰিছে নেকি?

(ঘ) আজি পোন্ধৰ বছৰে বিদ্যালয় প্ৰাদেশীকৰণ কৰা নাই। বহু সংখ্যক শিক্ষকৰ চাকৰি বয়স শেষ হওঁ হওঁ। তেনে ক্ষেত্ৰত তৃতীয় কলা শিক্ষক আৰু শাখাৰ বিপৰীতে থকা এই সকল শিক্ষকক বিধেয়কৰ আঁওতালৈ আনি প্ৰাদেশীকৰণ কৰিব নেকি?

(ঙ) অনেক শিক্ষকে বিনা বেতনে অৱসৰ গ্ৰহণ কৰিলে। এই শিক্ষক সকলক এককালিন চৰকাৰী সাহায্য দিয়াৰ ব্যৱস্থা কৰিব নে?

(চ) বহু প্ৰাদেশীকৃত বিদ্যালয় আছে যত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই কম। এনে বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীলৈ লক্ষ্য কৰিলে শাখা (Section) থাকিব নালাগে। কিন্তু এনে বহু বিদ্যালয়ত শাখাৰ বিপৰীতে শিক্ষক নিয়োগ কৰা আছে। অ-প্ৰাদেশীকৃত বিদ্যালয়ত শাখাৰ ক্ষেত্ৰত যি কঠোৰ নীতি বিধেয়ক খনত বন্ধা আছে এনে নীতি প্ৰাদেশীকৃত বিদ্যালয়ৰ ক্ষেত্ৰত প্ৰয়োগ হোৱা নাই। সেয়ে চৰকাৰে এনে ক্ষেত্ৰত সকলো বিদ্যালয়ৰ প্ৰতি সম দৃষ্টি ৰখাৰ কথা বিবেচনা কৰিব নেকি? বা সমদৃষ্টি ৰাখিবনে?

ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) The Assam Venture Educational Institutions

(Provincialisation of services Act) 2011 ৰ আওতাত ১-১-২০০৬ তাৰিখৰ আগলৈ স্বীকৃতি, অনুমতি আৰু চৰকাৰৰ Concurrence প্ৰাপ্ত সকলো শিক্ষানুস্থানৰ শিক্ষকৰ চাকৰি প্ৰাদেশীকৰণ কৰা হব।

(খ) মাধ্যমিক শিক্ষা সঞ্চালকৰ অধীনস্থ শিক্ষানুস্থান সমূহত শাখা শিক্ষক নিয়োগৰ ব্যৱস্থা The Assam Venture Educational Institutions (Provincialisation of Services Act.) 2011 আছে। অষ্টম শ্ৰেণী প্ৰাথমিক শিক্ষাৰ অধীনত অনা হৈছে আৰু উচ্চ-প্ৰাথমিক বিদ্যালয়ৰ এই শিক্ষকসকলৰ প্ৰাদেশীকৰণৰ ক্ষেত্ৰত অন্তৰ্ভূক্ত কৰা হৈছে। নিয়ম অনুসাৰে ব্যৱস্থা লোৱা হব।

(গ) মাধ্যমিক শিক্ষা পৰিষদৰ Regulation for Recognition of High Schools, High Madrassas অনুসৰি তৃতীয় কলা শিক্ষকৰ কোনো ব্যৱস্থা নাই। কিন্তু শাখা শিক্ষক নিয়োগৰ ব্যৱস্থা আছে আৰু বৰ্তমানৰ The Assam Venture Educational Institutions (Pravincialisation of Services Act.) 2011 - তো ইয়াৰ ব্যৱস্থা আছে।

(ঘ) The Assam Venture Educational Institutions (Provincialisation of Services Act.) 2011 ত কোনো ব্যৱস্থা নাই।

(ঙ) "ঘ" মতে।

(চ) সকলো বিদ্যালয়কে সমদৃষ্টিৰে বিবেচনা কৰা হ'ব।

Mr. Speaker : Now, Short Notice Question No. 43, Hon'ble Member, Shri Jadav Ch. Deka.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীযাদৱ চন্দ্ৰ ডেকাই সুধিছে ঃ

৪৩। **মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসম চৰকাৰে ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ সকলক স্কেল দিয়াৰ ব্যৱস্থা কৰিবনে?

(খ) যদি কৰে, তেনেহলে স্কেল নোপোৱাকৈ অৱসৰ গ্ৰহণ কৰা ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ সকলে এই সুবিধা লাভ কৰিবনে?

(গ) যদি কৰে, কেতিয়াৰ পৰা এই সুবিধা লাভ কৰিব?

(ঘ) চৰকাৰে বিবাদমান বিদ্যালয় সমূহৰ বিবাদ নিষ্পত্তি নোহোৱাকৈ এই সুবিধা দিয়া নহব বুলি সিদ্ধান্ত লোৱা কথাটো সঁচানে?

(ঙ) যদি সঁচা, অৱসৰ গ্ৰহণ কৰা ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ সকলক চৰকাৰী এই সিদ্ধান্তৰ পৰা ৰেহাই দি স্কেল দিয়াৰ ব্যৱস্থা কৰিবনে?

(চ) যদি কৰে, কেতিয়া কৰিব জনাবনে?

(ছ) যদি নকৰে, কাৰণ ব্যাখ্যা কৰিবনে?

ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম মাধ্যমিক শিক্ষা (প্ৰাদেশীকৃত) সেৱা বিধি ২০০৩ অনুসৰি পদোন্নতি হোৱা অধ্যক্ষ বা প্ৰধান শিক্ষকৰ বাদে অন্যান্য সকলক স্কেল দিয়াৰ ব্যৱস্থা নাই।

(খ) প্রশ্ন নুঠে।

(গ) 'ক' ত উল্লেখ কৰাৰ দৰে।

(ঘ) সঁচা নহয়।

(ঙ) প্রশ্ন নুঠে।

(চ) 'ক' ত উল্লেখ কৰাৰ দৰে।

(ছ) প্রশ্ন নুঠে।

Mr. Speaker : Now, Short Notice Question No. 44, Hon'ble Member, Shri Jadav Ch. Deka.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীযাদৱ ডেকাই সুধিছে ঃ

৪৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যিক শিক্ষা বিভাগৰ বহু কর্মচাৰী "টাইমস্কেল" নোপোৱাকৈ অৱসৰ গ্রহণ কৰা কথাটো সঁচানে?

(খ) তেওঁলোক বর্তমানেও "টাইমস্কেলৰ" পৰা বঞ্চিত হৈ থকাটো চৰকাৰ অৱগতনে?

(গ) উক্ত কর্মচাৰী সকলে "টাইমস্কেল" পোৱাৰ ব্যৱস্থা কৰিবনে? যদি কৰে, কিমান দিনৰ ভিতৰত কৰিব? যদি নকৰে, ইয়াৰ কাৰণ সমূহ জনাবনে?

ড° হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) অৱগত।

(গ) এই বিষয়টো চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ নীতি নির্দ্দেশনা আৰু সিদ্ধান্ত মর্মে বিহিত ব্যৱস্থা গ্রহণ কৰা হ'ব।

Mr. Speaker : Now, Short Notice Question No. 45, Hon'ble Member, Shri Jadav Ch. Deka.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন নং ৪৫।

শ্রীযাদৱ চন্দ্র ডেকাই সুধিছে ঃ

৪৫। মাননীয় শিক্ষামন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ বহু শিক্ষক কর্মচাৰীয়ে প্রায় ইং ২০০০ চনৰ পৰা এৰিয়াৰ ডি,এ নোপোৱাকৈ মৃত্যু হোৱাৰ লগতে অৱসৰ গ্রহণ কৰাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, উক্ত কর্মচাৰী সকলক এৰিয়াৰ ডি,এ, নিদিয়াৰ কাৰণ কি?

(গ) এনে শিক্ষক কর্মচাৰী সকলক এৰিয়াৰ ডি,এ, দিয়াৰ ব্যৱস্থা কৰিবনে?

(ঘ) যদি কৰে, কিমান দিনৰ ভিতৰত কৰিব?

(ঙ) যদি নকৰে, ইয়াৰ কৰাণ ব্যাখ্যা কৰিবনে?

ড° হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অৱসৰৰ বিষয়ে জ্ঞাত।

(খ) পর্য্যাপ্ত পৰিমাণৰ বাজেটত পুঁজি নথকাৰ বাবে এৰিয়াৰ ডি,এ, সম্পূর্ণকৈ দিব পৰা হোৱা নাই।

(গ) হয়, এৰিয়াৰ ডি,এ, সমূহ ২০১১-১২ বিত্তীয় চনত মোকলাই দিয়াৰ কাৰণে ব্যৱস্থা লৈ থকা হৈছে।

(ঘ) ২০১১-২০১২ চনৰ বিত্তীয় বছৰৰ ভিতৰত দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে।

(ঙ) প্ৰশ্ন নুঠে।

Mr. Speaker :: Now, Short Notice Question No. 46, Hon'ble Member, Shri Prasanta Phukan.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৪৬ ।

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

৪৬। মাননীয় সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম সংখ্যালঘু বোৰ্ডখন কেতিয়া আৰু কি কি গঠন মূলক উদ্দেশ্যলৈ গঠন কৰা হৈছিল?

(খ) বোৰ্ডৰ বৰ্তমান বিষয়া আৰু কৰ্মচাৰীৰ সংখ্যা কিমান? (বিষয়া কৰ্মচাৰী নাম, পদবী, স্থায়ী আৰু অস্থায়ী ঘৰৰ সম্পূৰ্ণ ঠিকনা, কৰ্তব্যত যোগদানৰ চন, তাৰিখ সহ উল্লেখ কৰিব)

(গ) উক্ত বোৰ্ডৰ কৰ্মচাৰী মিঃ মিৰাজ আহমেদ হিতাধিকাৰীৰ নামৰ তালিকা বাচঁনি কৰোতে হিতাধীকাৰীৰ পৰা ধনৰ লেনদেন কৰি চৰকাৰী টকা আত্মসাৎ কৰাৰ বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত নহয়, মন্ত্ৰী মহোদয়ে উচ্চ পদস্থ বিষয়াৰ দ্বাৰা ইয়াৰ তদন্ত কৰিবনে?

(ঘ) অতি কম দিনৰ ভিতৰত উক্ত কৰ্মচাৰীজনে দুৰ্নীতি কৰাৰ লগতে চৰকাৰী আঁচনিৰ ধন আত্মাসাৎ কৰি নানা ধৰণৰ স্থাৱৰ অস্থাবৰ সম্পত্তিৰ লগতে বিলাসী গাড়ী ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত চৰকাৰৰ দৃষ্টি গোচৰ হৈছেনে? যদি হোৱা নাই, মন্ত্ৰী মহোদয়ে উচ্চ পদস্থ বিষয়াৰ দ্বাৰা তদন্ত কৰি ইয়াৰ প্ৰতিবেদন দাখিল কৰিব নে?

ডাঃ নজৰুল ইছলাম (সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসম সংখ্যালঘু বোৰ্ডখন ১৯৮৫ চনৰ জুন মাহৰ ১৩ তাৰিখত গঠন কৰা হৈছিল। গঠনমূলক উদ্দেশ্যসমূহ তলত দিয়া হ'ল।

(১) সংখ্যালঘু সকলৰ বিভিন্ন সমস্যা নিৰীক্ষণ কৰা;

(২) সংখ্যালঘু সকলৰ সামাজিক, শিক্ষা, আৰ্থিক সমস্যা ৰাজি সংবিধানিক অধিকাৰৰ মাধ্যমেৰে সমাধান কৰাৰ পথ, উপায় চৰকাৰক অৱগত কৰা;

(৩) সংখ্যালঘু সকলৰ পুনৰ সংস্থাপন আৰু সাহায্যৰ বাবে আঁচনি প্ৰস্তুত কৰা আৰু ৰূপায়ণ কৰা;

(৪) সংখ্যালঘু সকলৰ শিক্ষাৰ ক্ষেত্ৰত উন্নতি সাধন কৰাৰ বাবে আগভাগ লোৱা;

(৫) বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানৰ লগত সমন্বয় ৰক্ষা কৰি সংখ্যালঘু সকলৰ উন্নতিৰ বাবে পৰিকল্পনা ৰূপায়িত কৰা।

(৬) সংখ্যালঘু সকলৰ নিযুক্তিৰ ক্ষেত্ৰত সুবিধাৰ বাবে উৎসাহিত কৰা ।

(৭) সংখ্যালঘু সকলৰ পিছপৰা আৰ্থিক সমস্যা চিনাক্ত কৰা।

(৮) সংখ্যালঘু সকলৰ মাজত সঞ্চয় আৰু উৎপাদনৰ আৰ্হিৰ আঁচনি প্ৰস্তুত কৰা।

(৯) শিক্ষা আৰু মূল্যায়নমূলক আঁচনি সংখ্যালঘু সকলৰ কল্যাণৰ বাবে প্ৰস্তুত কৰা।

(১০) বিভিন্ন ব্যক্তিগত, ৰাজহুৱা বা সমবায়ৰ যোগেদি সংখ্যালঘু সকলৰ উন্নতিৰ বাবে বিভিন্ন আঁচনি ৰূপায়ণ কৰা।

(খ) অসম সংখ্যালঘু উন্নয়ন বোর্ডৰ বিষয়া কর্মচাৰীৰ সংখ্যা ৯ জন। বিষয়া কর্মচাৰীৰ নাম, পদবী আদি তলত উল্লেখ কৰা হ'ল।

নাম	পদবী	ঠিকনা	কর্তব্যত যোগদানৰ তাৰিখ
১) শ্রীমতী লাৱলিন ইংতিপি, এ.চি.এচ.	সঞ্চালিকা	স্থায়ীঃ- ডিফু, কার্বি আংলং অস্থায়ীঃ- পাঞ্জাবাৰী, গুৱাহাটী	০৩/০২/২০১১
২) শ্রীফৰেজুৰ ৰহমান	উচ্চ বর্গ সহায়ক	স্থায়ীঃ- পশ্চিম খাটাৰ কালাকুছি, নলবাৰী অস্থায়ীঃ- কৃষ্ণনগৰ কাহিলীপাৰা, গুৱাহাটী	০৯/০২/১৯৮৯
৩) শ্রীজয়নাল আবেদিন ভূঞা	নিম্ন বর্গ সহায়ক	স্থায়ীঃ-প্রিয়নগৰ বলধমাৰী, গোৱালপাৰা অস্থায়ীঃ- বেল্লতলা তিনি আলি, গুৱাহাটী	১২/০২/২০১০
৪) শ্রীআবু মেৰাজ হুছেইন	আশুলিপিকাৰ	স্থায়ীঃ- দৰবাৰ ৰোড শিৱসাগৰ, জিলাঃ শিৱসাগৰ অস্থায়ীঃ- ফকৰুদ্দিন আলী আহমেদ নগৰ, গুৱাহাটী	১৩/১২/১৯৯১

৫) শ্রীহানিফ আলী	গাড়ীচালক	স্থায়ীঃ- খোপনকুছি, পোঃঅঃ দ্বাৰকুছি জিলাঃ- কামৰূপ অস্থায়ীঃ- মিলনপথ বাইলেন নং ৩ ঘৰৰ নং ১ নয়নপুৰ, গুৱাহাটী	২২/০৯/১৯৮৮
৬) শ্রীহাফিজুদ্দিন	গাড়ীচালক	স্থায়ীঃ- বৰবাৰী পোঃ অঃ বেলতলা জিলা ঃ মৰিগাওঁ অস্থায়ীঃ দক্ষিণ গাওঁ কাহিলীপাৰা, গুৱাহাটী ।	০১/১০/১৯৯২
৭) শ্রীইছমাইল আলী	চতুর্থ বর্গৰ কর্মচাৰী	স্থায়ীঃ-দক্ষিণ গাওঁ কাহিলীপাৰা, গুৱাহাটী।	০১/০৮/১৯৮৮
৮) শ্রীআজিজুৰ ৰহমান	চতুর্থ বর্গৰ কর্মচাৰী	স্থায়ীঃ- কমাৰকুছি, নলবাৰী অস্থায়ীঃ- নয়নপুৰ গনেশনগৰ, গুৱাহাটী।	০১/১০/১৯৯২
৯) শ্রীচান মহম্মদ আলী	চতুর্থ বর্গৰ কর্মচাৰী	স্থায়ীঃ- তৌমুৰা, বুটীনগৰ, নলবাৰী অস্থায়ীঃ- সৰু মটৰীয়া দিশপুৰ, গুৱাহাটী।	২৩/০৮/১৯৯৬

(গ) অসম সংখ্যালঘু উন্নয়ন বোর্ডত মিষ্টাৰ মিৰাজ আহমেদ নামৰ কোনো বিষয়া বা কর্মচাৰী নাই। আবু মেৰাজ হুছেইন নামৰ এজন আশুলিপিকাৰ আছে। হিতাধিকাৰীৰ তালিকা বাচনি কৰোতে হিতাধিকাৰীৰ পৰা ধনৰ লেনদেন বা চৰকাৰী ধনৰ আত্মসাৎ সম্পৰ্কত আজি পৰ্যন্ত কোনো হিতাধিকাৰীৰ পৰা কোনো অভিযোগ পোৱা নাই।

(ঘ) দূর্নীতিৰ প্ৰমাণ সহ নিৰ্দ্দিষ্ট অভিযোগ পালে তদন্ত কৰা হয়। কৰ্মচাৰীজনৰ বিলাসী গাড়ী অথবা স্থাৱৰ অস্থাৱৰ সম্পত্তি সম্পৰ্কে বিভাগ অৱগত নহয়।

Mr. Speaker : Now, Short Notice Question No. 47, Hon'ble Member, Shri Jadav Ch. Deka.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীযাদৱ চন্দ্ৰ ডেকাই সুধিছে ঃ

৪৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ (গ্ৰাম্য) জিলাত বদলিৰ নিৰ্দেশ দিয়া প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক সকলৰ ভিতৰত অ', বি, বি, শিক্ষকো আছে নেকি জনাবনে? (নিৰ্দেশৰ প্ৰতিলিপি সদনৰ মেজত দিব)

(খ) যদি আছে, এই শিক্ষক সকল প্ৰশিক্ষণত থকাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(গ) অ, বি, বি, শিক্ষক সকলক মাননি ১৮০০/- টকা প্রতি মাহে দি থকা হৈছেনে?

(ঘ) যদি হোৱা নাই, নিয়মিতভাবে প্রতিমাহে মাননি দিয়াৰ ব্যৱস্থা কৰিবনে?

(ঙ) একোজন শিক্ষককৰ ১০০ কিঃ মিঃৰ পৰা ১৫০ কিঃ মিঃ দুৰত্ব পর্য্যন্ত বদলি কৰা বিষয়টো সঁচানে?

(চ) যদি সঁচা, উল্লেখ কৰা দূৰত্বত বদলিকৰণৰ চৰকাৰী আইন আছে নেকি জনাবনে? (আইনৰ প্রতিলিপি সদনৰ মেজত দাখিল কৰিব)

(ছ) যদি নাই, এই বদলিৰ সাল-সলনিৰে দূৰত্ব কমোৱাৰ ব্যৱস্থা কৰিবনে?

(জ) মাহে ১৮০০/- টকা মাননি পোৱা প্রশিক্ষণৰত আৰু বর্তমানেও ফলাফল ঘোষণা নকৰা অ', বি, বি, শিক্ষক সকলে বদলিকৰণৰ ক্ষেত্রত কি কৰিব?

ড° হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) দেৱে উত্তৰ দিছে ঃ

(ক) আছে। (প্রতিলিপি পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হ'ল)।

(খ) চৰকাৰ জ্ঞাত।

(গ) খালী পদৰ বিপৰীতে নিয়মীয়া কৰা অ', বি, বি, শিক্ষক সকলক প্রতিমাহে ১৮০০/- টকাকৈ দি থকা হৈছে।

(ঘ) খালী পদৰ বিপৰীতে নিয়মীয়া নকৰা অ', বি, বি, শিক্ষক সকলক চৰকাৰৰ নির্দেশ অনুযায়ী যথাসময়ত প্রতিমাহে মাননি দিয়াৰ ব্যৱস্থা কৰা হব।

(ঙ) দূৰত্ব অনুসৰি বদলি কৰণ হোৱা নাই। বৰং যিবিলাক বিদ্যালয়ত অতিৰিক্ত শিক্ষক আছে সেই সকলক পিটি আৰ মতে বদলি কৰা হৈছে।

(চ) সঁচা নহয়। পিটি আৰ মতে বদলি কৰা হৈছে (প্ৰতিলিপি পৰিশিষ্ট 'ক' সংলগ্ন কৰা হ'ল)

(ছ) প্ৰশ্ন নুঠে।

(জ) ছাত্ৰ-ছাত্ৰী অনুপাতে কম শিক্ষক থকা বিদ্যালয়লৈ শিক্ষক বদলি কৰাৰ ব্যৱস্থা কৰা হৈছে। প্ৰশিক্ষণৰত শিক্ষক সকলৰ 1st & 2nd semester পৰীক্ষা ইতিমধ্যে হৈ গৈছে। 2nd semester ৰ পিছত দ্বিতীয় বছৰ নিজ নিজ বিদ্যালয়ত প্ৰশিক্ষণ কাৰ্যসূচী সম্পূৰ্ণ কৰিব দিয়া হৈছে। সেয়েহে বদলিকৰণৰ পিছতো প্ৰশিক্ষণ কাৰ্যসূচী কৰণৰ কোনো অসুবিধা নহয়।

Mr. Speaker : Now, Short Notice Question No. 48, Hon'ble Member, Shri Praffulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ নং ৪৮ ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৪৮। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম ক'অপাৰেটিভ এপেক্স বেংকে দেৱগাওঁ চেনীকললৈ কিমান টকাৰ ঋণ আৰু কেতিয়া এই ঋণ প্ৰদান কৰিছিল?

(খ) এই সমবায় চেনীকলটোৰ ঋণ কেলেংকাৰীত কোন কোন বিষয়া কর্মচাৰী আৰু অন্যান্যলোক সদস্য আদি জড়িত সেই সকলৰ নাম পদবী আদি জনাবনে?

(গ) এই কোটি কোটি টকীয়া কেলেংকাৰীত জড়িত লোকসকলৰ ওপৰত কি আইনী ব্যৱস্থা লোৱা হৈছিল, কেতিয়া কেতিয়া লোৱা হৈছিল বিতংকৈ জনাবনে?

(ঘ) ৰাজ্য চৰকাৰৰ দূৰ্নীতি নিবাৰক শাখাই এই বৃহৎ কেলেংকাৰীটোৰ তদন্ত কেতিয়া কৰিছিল। সেই তদন্তৰ ৰিপৰ্ট সদনৰ মজিয়াত দিব?

(ঙ) এই চেনীকলটোৰ দূৰ্নীতিৰ সৈতে জড়িত দুগৰাকী বিষয়াই যি এতিয়াও এই সমবায় বেংকটোত কার্য্যনির্বাহ কৰি আছে তেওঁলোকৰ ওপৰত চৰকাৰে কি কার্য্যকৰী ব্যৱস্থা গ্রহণ কৰিছে?

(চ) যি সকল অভিযুক্ত বিষয়াকর্মী ইতিমধ্যে চাকৰিৰ পৰা অৱসৰ গ্রহণ কৰিছে— সেই সকল বিষয়াৰ ওপৰত অৱসৰ গ্রহণৰ পিছতো লব পৰা কার্য্যকৰী ব্যৱস্থা চৰকাৰে লোৱাৰ ব্যৱস্থা কৰিবনে?

(ছ) এই ব্যৱস্থা কেতিয়া কৰিব?

(জ) অসম ক'অপাৰেটিভ এপেক্স বেংকে কিমান ঋণ পাবলৈ আছে সেই ধৰুৱা সকলৰ বিতং তালিকাখন সদনত দাখিল কৰিবনে?

শ্রীছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসম সমবায় এপেক্স বেংকে ১৯৬১ চনৰপৰা অসম সমবায় চেনীকল

বৰুৱাবামুণগাঁও (দেৰ গাওঁ) লৈ চৰকাৰী জামিনৰ (Govt. guarantee) বিপৰীতে কেছ ক্রেডিত (cash credit accomodation) ঋণ প্রদান কৰিছিল।

পৰবৰ্ত্তী সময়ত অসম চৰকাৰৰ বুজাবুজি চুক্তি (MOU) তাং ইং ০৭-১১-৯২ অনুসৰি উক্ত চেনীকলটো মেচার্চ ব্রহ্মপুত্র চুগাৰ মেনুফেকচাৰিং কোম্পানী লিমিটেড, বোকাখাত লৈ হস্তান্তৰ হয়। সেই সময়ত উক্ত চেনীকলৰ পৰা বেংকে পাবলগা মুঠ ধনৰ পৰিমণা আছিল ৩,৬৩,০০,০০০ (তিনিকোটি তেষষ্ঠি লাখ) টকা। ইয়াৰ লগত বেংকে সেই সময়ৰ সূত সহ মুঠ ৮,৫৬,৬৮,৩৭১.৫৪ (আঠ কোটি চাপন্ন লাখ আঠষষ্ঠি হাজাৰ তিনিশ একসত্তৰ টকা চৌৱান্ন পইছা) মাত্র টকা অসম চৰকাৰৰ পৰা দাবী কৰিছিল আৰু চৰকাৰে মুঠ ৮,১৩,৬৪,০০০ (আঠ কৌটি তেৰলাখ চৌষষ্ঠি হাজাৰ) টকা আদায় দিয়ে। ইয়াৰ পিছতে বেংকে উক্ত ঋণ একাউন্টটো বন্ধ কৰি দিয়ে।

(খ) অসম চৰকাৰৰ দুর্নীতি নিবাৰক শাখাৰ অনুসন্ধান মর্মে নিম্নোক্ত ব্যাক্তিসকলক ব্রহ্মপুত্র চুগাৰ মেনুফেকচাৰিং কোম্পানী লিমিটেডক নীতিবহির্ভূতভাৱে ঋণ প্রদান কার্য্যত জড়িত বুলি অভিযুক্ত কৰা হয়।

১) নগেন নেওঁগ — প্রাক্তন মন্ত্রী আৰু বেংকৰ সভাপতি।

২) শ্রীপি. চি. শর্মা — তদানীন্তন আয়ুক্ত সচিব, সমবায় বিভাগ।

৩) শ্রীএন. বৰুৱা — তদানীন্তন আয়ুক্ত সচিব, শ্রম আৰু নিয়োগ বিভাগ।

৪) শ্রী (ডঃ) এচ. বি. মেধি — তদানীন্তন সমবায় সমিতিসমূহৰ পঞ্জীয়ক।

৫) শ্রীএম. চি. মহন্ত — তদানীন্তন বিত্ত বিভাগৰ সঞ্চালক।

৬) শ্রীএম. চি ডেকা (অৱসাৰপ্রাপ্ত) — প্রাক্তন যুটীয়া সঞ্চালক, হস্তাতাঁত আৰু বস্ত্রশিল্প।

৭) শ্রীএ. খাউন্ড (অৱসাৰপ্রাপ্ত) — প্রাক্তন সঞ্চালক, কৃষিবিভাগ।

৮) শ্রীটি. এছ. ভট্টাচার্য্য — প্রাক্তন অতিৰিক্ত সমবায় সমিতিসমূহৰ পঞ্জীয়ক।

৯) শ্রীএছ এন ৰৱা — অতিৰিক্ত সঞ্চালক (প্রাক্তন) হস্ততাঁত আৰু বস্ত্রশিল্প।

১০) শ্রীঅ. এম. মহেশ্রী — তদানীন্তন প্রাক্তন সচিব, উদ্যোগ বিভাগ।

১১) শ্রীটি. কে. চক্তৱর্ত্তী — প্রাক্তন যুটীয়া সঞ্চালক, হস্ততাঁত আৰু বস্ত্র শিল্প।

১২) শ্রীএইচ. চি দত্ত — পূর্বৰ কৃষি বিভাগৰ যুটীয়া সঞ্চালক।

১৩) শ্রীআৰ. ডি. পুৰকায়স্থ — তদানীন্তন অতিৰিক্ত সমবায় সমিতিসমূহৰ পঞ্জীয়ক।

১৪) শ্রীএচ শর্মা — তদানীন্তন উপ সঞ্চালক কৃষিবিভাগ।

১৫) শ্রীকে. কে. কলিতা — পূর্বৰ সাধাৰণ সম্পাদক, এ.বি.ই.ইউ।

১৬) শ্রীপি. পি. বৰকাকতি— তদানীন্তন সাধাৰণ সম্পাদক; এ.বি.ই.ইউ।

১৭) শ্রীটি. হুছেইন — তদানীন্তন অসম সমবায় এপেক্স বেংকৰ পৰিচালন সঞ্চালক।

১৮) শ্রীএইচ. এল. গগৈ — তদানীন্তন অসম সমবায় এপেক্স বেংকৰ পৰিচালন সঞ্চালক।

১৯) ঁএন. জি. বৰুৱা — তদানীন্তন অসম সমবায় এপেক্স বেংকৰ পৰিচালন সঞ্চালক।

২০) ঁভোলা নাথ শর্মা — প্রাক্তন মহা প্রৱন্ধক।

২১) ঁঅকণ চন্দ্র ডেকা — বেংকৰ প্রাক্তন মহা প্রৱন্ধক।

২২) শ্রীফণীন্দ্র নাথ কৰ — বেংকৰ প্রাক্তন মহা প্রৱন্ধক।

২৩) শ্রীপবিন্দ্র নাথ ভট্টাচার্য্য— বেংকৰ প্রাক্তন শাখা পৰিচালক, নলবাৰী শাখা।

২৪) শ্রীনবীন্দ্র চন্দ্র বৰপূজাৰী — প্রাক্তন আভ্যন্তৰীণ হিচাপ পৰীক্ষক, পূব মণ্ডল, যোৰহাট।

(গ) অপৰাধ অনুসন্ধান আৰু দুর্নীতি নিবাৰক শাখাৰ প্রতিবেদনৰ ওপৰত ভিত্তি কৰি ৰাজনৈতিক বিভাগে (Political-A) অভিযুক্ত বিষয়াসকলৰ ওপৰত

ব্যৱস্থা লবলৈ চিঠি নং PLA (V) 48/98/121 dtd. 10-04-2000 যোগে সংশ্লিষ্ট বিভাগসমুহক নির্দেশ দিছিল। চিঠিখনৰ নকল সংলগ্ন কৰা হ'ল। (Annexure-A)

(ঘ) অসম চৰকাৰৰ অপৰাধ অনুসন্ধান আৰু দুর্নীতি নিবাৰক শাখাৰ প্রতিবেদনৰ তাৰিখ ইং ৩১-১২-১৯৯৯ ৰ প্রতিলিপি গাঠি দিয়া হ'ল। (Annexure-B)

(ঙ) তদন্ত প্রতিবেদনত নাম থকা বর্তমানেও কার্য্যনির্বাহ কৰি থকা বেংকৰ দুজন বিষয়া শ্রীকে. কে কলিতা, পূর্বৰ সাধাৰণ সম্পাদক (এ.বি.ই.ইউ) আৰু শ্রীপি. পি. বৰকাকতী, পূর্বৰ সাধৰণ সম্পাদক (এ.বি.ই.ইউ), বেংক কর্মচাৰীৰ প্রতিনিধি সঞ্চালক মণ্ডলীৰ সদস্য হিচাপে, অভিযুক্ত হৈছিল। তদন্ত প্রতিবেদনৰ ওপৰত ভিত্তি কৰি তেওঁলোকৰ ওপৰত ব্যৱস্থা লোৱা প্রক্রিয়া চলি আছে।

(চ) বিষয়টো পৰীক্ষা কৰি থকা হৈছে।

(ছ) সোনকালেই ব্যৱস্থা লোৱা হব।

(জ) মেচার্চ ব্রহ্মপুত্র চুগাৰ মেনুফেকচাৰিং কোম্পানী লিমিটেড নামৰ লেচীয়ে ১৯৯৩ চনৰ পৰা বেংকৰ ঋণৰ সুবিধা লৈছিল। বর্ত্তমান বেংকে উক্ত ঋণীৰ পৰা পাবলগীয়া অনাদায়ী ধনৰ পৰিমান হ'ল— মুঠ ১০,৫৭,৪৯,০০০ (দহ কোটি সাতাৱন লাখ উনপঞ্চাশ হাজাৰ টকা) আৰু এই গোটেই পৰিমাণটোৱেই খিলাপী (Overdue)।

GOVERNMENT OF ASSAM
POLITICAL :::(A)::: DEPARTMENT
(VIGILANCE CELL)

No. PLA (V) 48/98/121 Dated Dispur, the 22nd May/2000.

From: Shri S. Dutta, ACS,

Deputy Secretary to the Govt. of Assam,

Political (Vigilance Cell) Department.

To

1. The Secretary to the Govt. of Assam, Co-operation Deptt., Dispur.
2. The Secretary to the Govt. of Assam, Personnel Department, Dispur.
3. The Secretary to the Govt. of Assam, Finance Department, Dispur.
4. The Secretary to the Govt. of Assam, Agriculture Department, Dispur.
5. The Secretary, to the Govt. of Assam, Handloom & Textile Department, Dispur.

Sub : Gross irregularities in sanctioning financial loan to M/s. Brahmaputra Sugar Manufacturing Co. Ltd. Ltd. by the Assam Cooperative Apex Bank Ltd.

Sir,

I am directed to forward herewith a copy of letter No. DGVA/RI/99/2097 dt. 31-12-1999 alongwith copy of enquiry report submitted by the Suptd., of Police, V.& A.C. Assam in connection with gross irregularities in sanctioning financial loan to M/s. Brahmaputra Sugar Manufacturing Co. Ltd. and to request you kindly to take necessary action against officials/ officers relates to your Deptt. as deemed fit and proper.

Action taken may kindly be intimated to this deptt. at an early date.

Yours faithfully,

Deputy Secretary to the Govt. of Assam
Political (Vigilance Cell) Department.

Mr. Speaker : Now, Short Notice Question No. 49, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৪৯। **মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমত সদ্যহতে কিমান ভূমি জনজাতি খণ্ড আৰু আবেষ্টনী (Tribel Belt and Block) সমূহত সংৰক্ষিত হৈ আছে।

(খ) ২০০১ চনত এই খণ্ড আৰু আবেষ্টনীবোৰত কিমান সংৰক্ষিত ভূমি আছিল আৰু বৰ্তমান কিমান ভূমি আছে?

(গ) এই সংৰক্ষিত ভূমি বে আইনীভাৱে বেদখল হৈছে নেকি? কিমান এনে সংৰক্ষিত ভূমি বেদখল অথবা হস্তান্তৰিত কৰিছে জিলা ভিত্তিক খণ্ড আৰু আবেষ্টনী অনুসৰি বেদখলকাৰীৰ নামসহ জনাবনে? (বিভাগীয় বিষয়াৰ এনে সংৰক্ষিত ভূমিৰ হস্তান্তৰিত আদেশাদি দিব)

(ঘ) এই বেআইনী সংৰক্ষিত ভূমি হস্তান্তৰ বন্ধ কৰাৰ বাবে চৰকাৰে বিহীত ব্যৱস্থা অচিৰেই গ্ৰহণ কৰিবনে?

(ঙ) বেআইনীভাবে হস্তান্তৰিত ভূমিবোৰ চৰকাৰী বিধি অনুসৰি সেই ভূমি হস্তান্তৰ আদেশবোৰ বাতিল কৰি সেই ভূমি ঘুৰাই পোৱা ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্ৰীপৃথিৰী মাঝি (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৮ খন জিলাৰ উপায়ুক্ত সকলৰ পৰা পোৱা তথ্য অনুসৰি উক্ত জিলাবোৰত

জনজাতি খণ্ড আৰু আবেষ্টনীবোৰত মুঠ ১৫,৫৭,৭৭৫ বিঘা ২ কঠা ৫ লেচা মাটি আছে।

(খ) ১৮ খন জিলাৰ উপায়ুক্ত সকলৰ পৰা পোৱা তথ্য অনুসৰি উক্ত জিলাবোৰত জনজাতি খণ্ড আৰু আবেষ্টনীবোৰত মুঠ ১৫,৫৭,৭৭৫ বিঘা ২ কঠা ৫ লেচা মাটি ২০০১ চনৰ পৰা বৰ্তমানলৈ একে আছে।

(গ) বৰপেটা জিলাত ৪৪৫১ বিঘা ৪ কঠা ৩ লেচা সংৰক্ষিত ভূমি বেদখল হৈছে। কিন্তু হস্তান্তৰ হোৱা নাই। ১৮ খন জিলাৰ ভিতৰত বাকী জিলাত বেদখল বা হস্তান্তৰ হোৱা নাই।

(ঘ) অসম ভূমি ৰাজহ অধিনিয়ম ১৮৮৬ ৰ ১০ ম অধ্যায় অনুসৰি জনজাতি খণ্ড আৰু আবেষ্টনীৰ সংৰক্ষিত ভূমি হস্তান্তৰ বন্ধ কৰিবলৈ জিলা উপায়ুক্ত আৰু মহকুমাধিপতি সকলক সময়ে সময়ে নির্দেশনা জাৰি কৰি থকা হৈছে।

(ঙ) অসম ভূমি ৰাজহ অধিনিয়ম ১৮৮৬ ৰ ১০ ম অধ্যায় অনুসৰি ব্যৱস্থা লৈ থকা হৈছে।

Mr. Speaker : Now, Short Notice Question No. 50, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৫০।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৫০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগালেণ্ডক (NSCN-IM) এন.এচ.চি.এনৰ সৈতে হোৱা আলোচনা মৰ্মে ভাৰত চৰকাৰে Supra State বনাবলৈ লোৱাটো হয়নে?

(খ) উক্ত আলোচনা মর্মে সংবাদ মাধ্যমত প্রকাশ পোৱা মতে Naga set to get special status, separate flag lokely, council may run Naga areas in Assam, Mainpur, Arunachal. বাতৰিটো সত্যনে? (The Asian Age 17th Nov., 2011).

(গ) অসমৰ সাংবিধানিক ভৌগলিক সীমাৰ কোন কোন অঞ্চল ভাৰত চৰকাৰে উক্ত Council ত অন্তর্ভুক্ত কৰিব বিচাৰিছে জনাবনে?

(ঘ) উক্ত অন্তর্ভুক্তিত অসম চৰকাৰে কেতিয়াবা সন্মতি দিছিল নেকি? সন্মতি দিয়াৰ কিবা তথ্য থাকিলে সংলগ্ন কৰিব।

শ্রীৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্রী) য়ে মূখ্যমন্ত্রীৰ হৈ উত্তৰ দিছে ঃ

(ক) এই সন্দর্ভত অসম চৰকাৰ অৱগত নহয়।

(খ) এই বিষয়ে এতিয়ালৈ কোনো তথ্য আমাৰ চৰকাৰৰ হাতত পৰা নাই।

(গ) আমাৰ চৰকাৰ অসমৰ সাংবিধানিক ভৌগলিক অখণ্ডতা অক্ষুন্ন ৰাখিবলৈ সদায় বদ্ধপৰিকৰ।

(ঘ) সন্মতি দিয়াৰ প্রশ্নই নুঠে।

Mr. Speaker : Now, Short Notice Question No. 51, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্নৰ নং ৫১।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৫১। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম গৃহ নির্মাণ পৰিষদে বর্তমানলৈকে হাডকো আৰু অন্যান্য বেংক আদিৰ পৰা কিমান ঋণ লৈ আহিছে?

(খ) এই ঋণ কেতিয়া কেতিয়া লৈছিল, কি কি নিৰিখত (সুদ আৰু মুল আদায়) লৈছিল তাৰ বিতং তথ্য জনাবনে?

(গ) এই ঋণেৰে গৃহ নির্মাণ পৰিষদে কি কি আঁচনি ৰূপায়ণ কৰি আছে? (বিতং কৈ জনাব)?

(ঘ) এই ঋণৰ পুঁজি পৰিষদৰ কর্মচাৰী দর্মহাতো খৰছ কৰিছে নেকি? কিমান পুঁজি বর্তমানলৈকে খৰছ কৰিছে বছৰ ভিত্তিত জনাবনে?

(ঙ) এই ঋণৰ বাবদ দিব লগা কিমান সুদ এতিয়ালৈকে প্রদান কৰিছে? বিতং তথ্য জনাবনে?

শ্রীমতী অজন্তা নেওঁগ (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসম ৰাজ্যিক গৃহ নির্ম্মাণ পৰিষদে বর্তমানলৈকে হাডকোৰ পৰা লাভ কৰা ঋণৰ পৰিমাণ ৫৪,৩০,৭৫,০০০ টকা।

(খ) এই ঋণ ১৯৭৮-৭৯ ৰ পৰা ১৯৯৬-৯৭ লৈকে লোৱা হৈছিল। এই ঋণ হাডকোৰ পৰা ৯%, ১১.৭৫% ১২.৭৫% আৰু ১৩.৭৫% সুদৰ নিৰিখত লোৱা হৈছিল। বিতং তথ্য লগত গাঠি দিয়া হ'ল।

(গ) এই ঋণেৰে পৰিষদে দুর্বল, নিম্ন, মধ্যবিত্ত আৰু উচ্চ মধ্যবিত্ত বর্গৰ লোকক গৃহ নির্মাণৰ বাবে ঋণ প্রদান কৰি আহিছিল। বর্তমানে গৃহ নির্মাণ পৰিষদে হাডকোৰ পৰা কোনো ঋণ লোৱা নাই।

(ঘ) যিহেতু বর্তমানে পৰিষদে হাডকোৰ ওচৰত ঋণৰ ক্ষেত্রত দায়বদ্ধ নহয় গতিকে কর্মচাৰীৰ দর্মহাৰ বাবে পুঁজি খৰচ কৰা নাই।

(ঙ) এই ঋণৰ বাবদ মুঠ ২০,৫৭,৪০,০০০ টকা হাইকোঁক সুত বাবদ দিয়া হৈছিল।

বছৰ	সুত দিয়া হৈছিল
১৯৮৭-৮৮	১৪০.৫১ লাখ
১৯৮৮-৮৯	২৬.৮৮ লাখ
১৯৮৯-৯০	৩৭.৯২ লাখ
১৯৯০-৯১	৪৫.২৯ লাখ
১৯৯১-৯২	৫২.৫৯ লাখ
১৯৯২-৯৩	৮৭.০১ লাখ
১৯৯৩-৯৪	১৩০.৮৭ লাখ
১৯৯৪-৯৫	২১৭.৩০ লাখ
১৯৯৫-৯৬	৩১৫.৭৩ লাখ
১৯৯৬-৯৭	৩২০.০৯ লাখ
১৯৯৭-৯৮	১২০.৯৫ লাখ
১৯৯৮-৯৯	৮৮.০৪ লাখ
১৯৯৯-২০০০	৬.২২ লাখ
২০০০-০১	৪০৮.০০ লাখ
২০০১-০২	৬০.০০ লাখ
	মুঠ ২০৫৭.৪০ লাখ

মাননীয় অধ্যক্ষ ঃ এতিয়া তাকৰীয়া সময়ৰ নং ৫২, মাননীয় সদস্য, শ্ৰীআলি হুছেইন।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৫২।

শ্ৰীআলি হুছেইনে সুধিছে ঃ

৫২। মাননীয় বিধায়ক শ্ৰীআলি হুছেইন ২০১১ চনৰ ডিচেম্বৰ অধিবেশনত সোধা তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৰুক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত ৩ নং উত্তৰপাকা আৰু মধ্যপাকা খণ্ডত যোৱা ৩ বছৰত কি কি আঁচনি (MGNREGA) লোৱা হৈছিল?

(খ) উক্ত আঁচনিৰ নামত কিমান টকা দুয়োখন পঞ্চায়তক আৱন্টন দিয়া হৈছিল জনাবনে? (কামৰ অগ্ৰগতি সম্পৰ্কে প্ৰাকাশ কৰিব)।

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৩ নং উত্তৰপাকা আৰু মধ্যপাকা খণ্ডত পোৱা ৩ বছৰত MGNREGA আঁচনিৰ অধীনত লোৱা কামৰ তালিকা Annexure-A দেখুৱা হ'ল।

(খ) দুয়োখন পঞ্চায়তক আৱন্টন দিয়া ধনৰ পৰিমান আৰু কামৰ অগ্ৰগতিৰ তথ্য Annexure-A ত সন্নিবিষ্ট হৈ আছে।

Mr. Speaker : Now, Short Notice Question No. 53, Hon'ble Member, Shri Ali Hussain.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৫৩।

শ্ৰীআলী হুছেইনে সুধিছে ঃ

৫৩। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২০১০-১১ বিত্তীয় বছৰত মাননীয় মুখ্যমন্ত্ৰীৰ Special Package ৰ জড়িয়তে সমাজ কল্যাণ বিভাগে কি কি আঁচনি ৰূপায়ণ কৰিছিল?

(খ) উক্ত আঁচনিৰ অধীনত সৰু ক্ষেত্ৰী সমষ্টিত কোন কোন আঁচনিত কিমানজন হিতাধিকাৰীক বাচনি কৰা হৈছিল?

(হিতাধিকাৰীৰ তালিকা সদনত প্ৰকাশ কৰিব)

(গ) হিতাধিকাৰী সকলৰ নামত আৱন্টিত ধন সম্পূৰ্ণভাবে বিতৰণ কৰা হৈছেনে? যদি হোৱা নাই, উক্ত ধন এতিয়া ক'ত আছে জনাবনে?

শ্ৰীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নিম্ন লিখিত আঁচনি সমূহ মূখ্যমন্ত্ৰীৰ Special Package ৰ জড়িয়তে ২০১০-১১ চনত ৰূপায়ণ কৰা হয়।

(১) আম আদমি বীমা যোজনা ।

(২) কন্ট্ৰেক বনুৱালৈ সাহায্য।

(৩) হৰিজন সকলৰ বাবে সমুহীয়া ভৱন নিৰ্মাণ।

(৪) অংগনৱাদী কাৰ্য্যকৰ্ত্তী বীমা যোজনা।

(৫) দুখীয়া অবিবাহিতা নাৰী আৰু বিধৱা সকলক আৰ্থিক সাহায্য

(৬) ২০ বছৰৰ পাছত বিবাহ হোৱা মহিলাক আৰ্থিক সাহায্য।

(৭) বৃদ্ধৰ স্বাস্থ্যৰ সাহায্য যতন আঁচনি।

(৮) মুখ্যমন্ত্রীৰ জীৱন জ্যোতি বীমা আঁচনি।

(৯) মুখ্যমন্ত্রীৰ মহিলা সমৃদ্ধি আঁচনি।

(১০) অংগনৱাদী কাৰ্য্যকৰ্ত্তী চাইকেল বিতৰণ আঁচনি।

(খ) হিতাধিকাৰী সকলক জিলা ভিত্তিত দিয়া হয়। আঁচনি অনুযায়ী হিতাধিকাৰীৰ তালিকা 'ক' ত সংলগ্ন কৰা হ'ল।

(গ) হিতাধিকাৰী সকলৰ নামত আৱন্টিত ধন সম্পূৰ্ণভাবে বিতৰণ কৰা হোৱা নাই। আৱন্টিত ধন বিতৰণ কৰা হোৱা নাই যদিও সেই পুঁজি বেংক একাউন্টত জমা আছে।

Mr. Speaker : Now, Short Notice Question No. 54, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন নং ৫৪ ।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৫৪। মাননীয় ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অলপতে ভাৰত বাংলাদেশ সীমান্ত অঞ্চলত দুয়োখন দেশৰ (Protocal)

চুক্তিমতে ভাৰতে বাংলাদেশৰ কিমান একৰ মাটি লাভ কৰিলে আৰু ভাৰতে বাংলাদেশক কিমান একৰ মাটি এৰি দিলে।

(খ) উক্ত চুক্তি অনুসৰি দেশৰ সাংবিধানিক সীমাৰ ভিতৰত থকা কিমান একৰ মাটি অসমে বাংলাদেশক এৰি দিব লগা হ'ল আৰু বাংলাদেশৰ কিমান একৰ মাটি অসমে লাভ কৰিলে? (মাটিৰ পৰিমাণ, ঠাইৰ নাম অসমৰ জিলাসহ উল্লেখ কৰিব)

(গ) ভাৰত বাংলাদেশ সীমান্তত বাংলাদেশে দাবী কৰা মতে ভাৰতৰ ৩১০.৭৭ একৰ মাটিত BSF য়ে Status quo মানি চলাটো হয়নে?

(ঘ) পাল্লাথল (Pallathal Tea Estate) চাহ বাগিচাৰ ৩১০.৭৭ একৰ মাটিয়েই ভাৰত বাংলাদেশ সীমান্তৰ তথাকথিত বিবাদমান অঞ্চলত বৃহৎ পৰিমানৰ ভূমি ভাৰতৰ হয়নে? আৰু উক্ত ভূমিখণ্ড বাংলাদেশক দিবৰ বাবে সন্মতি প্ৰকাশ কৰাটো হয়নে?

(ঙ) বাংলাদেশে ভাৰতবৰ্ষৰ ১,৫৯৭.৫ একৰ ভূমি বিবাদমান (Disputed) অঞ্চল বুলি দাবী কৰি তেওঁলোকৰ অধিকাৰ সাব্যস্ত কৰিব বিচৰাতো হয়নে?

(চ) উক্ত ভাৰতীয় ভূমি খণ্ডৰ ১৯৩ একৰ বৰাই বাৰী (ধুবুৰী) খণ্ড ৭৪'৫ একৰ পাল্লাথল চাহ বাগিছাৰ আৰু ৯০ একৰ ভূমি লাঠিটিলা ডুমাবাৰী (Lathitila Dumabari) কৰিমগঞ্জ খণ্ড, বাংলাদেশক (অসমৰ মাটি) চমজাই দিয়াটো হয়নে?

(ছ) ভাৰতৰ মাটি বাংলাদেশৰ এডভাৰ্চ প'জেচনত থকাৰ বাহিৰে বাংলা দেশৰ ভাৰতৰ (অসমৰ) অংশৰ সৈতে সংলগ্ন কোন কোন অঞ্চলত কিমান কিমান মাটি (একৰত জনাব) ভাৰতৰ হৈ আমাৰ ৰাজ্যই (অসমে) লাভ কৰিলে জনাবনে? (Details, দিব)।

শ্রীপৃথিৱী মাঝি (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ভাৰত-বাংলাদেশৰ সীমা অসমৰ উপৰিও অন্যান্য প্রদেশৰ লগত সংলগ্ন হৈ থকাৰ বাবে সম্পূর্ণ তথ্য সম্পর্কে এই বিভাগ জ্ঞাত নহয়।

(খ) বর্তমানলৈকে সাংবিধানিক সীমাৰ ভিতৰত থকা অলপো মাটি অসমে বাংলাদেশক এৰি দিয়া নাই; আৰু বাংলাদেশৰ পৰাও অলপো মাটি লাভ কৰা নাই।

(গ) যিহেতু ৱিষয়ৱস্তু কেন্দ্রীয় চৰকাৰৰ আওতাত পৰে, সেয়ে এই তথ্য ৰাজহ বিভাগৰ হাতত নাই।

(ঘ) বাংলাদেশে Adverse Possession ত থকা ভূমি বুলি দাবী কৰা পাল্লাথল চাহ বাগিচাৰ ভাৰত বাংলাদেশ সীমান্তৰ ৩৬০ একৰ ভূমি নথিমতে ভাৰতৰ। উক্ত সম্পূর্ণ ভূমিখণ্ড বাংলাদেশক এৰি দিবলৈ সন্মতি প্রকাশ কৰা হোৱা নাই। কিন্তু দুয়ো দেশৰে যুটীয়া জৰীপৰ Index Map ত ৭৪.৫৪ একৰ মাটিত বাংলাদেশৰ Adverse Possession ত থকা বুলি চিহ্নিত কৰা হৈছে।

(ঙ) ভাৰত-বাংলাদেশৰ সীমা অসমৰ উপৰিও অন্যান্য প্রদেশৰ লগত সংলগ্ন হৈ থকাৰ বাবে সম্পূর্ণ তথ্য সম্পর্কে এই বিভাগ জ্ঞাত নহয়।

(চ) বর্তমানলৈকে অসমৰ কোনো ভূমিখণ্ড বাংলাদেশক চমজাই দিয়া হোৱা নাই। কিন্তু দুয়ো দেশৰে যুটীয়া জৰীপৰ Index Map মতে ঠাকুৰানবাৰী-কালাবাৰী (ৰৰাইবাৰী) অঞ্চলত ১৯৩.৮৫ একৰ আৰু পাল্লাথল—মদনপুৰ অঞ্চলত ৭৪.৫৪ একৰ জামি বাংলাদেশৰ Adverse Possession ত থকা

বুলি চিহ্নিত কৰা হৈছে। লাটিটিলা ডুমাবাৰী অঞ্চলত একমাত্ৰ সীমা চিহ্নিত কৰণহে হৈছে। মাটিৰ পৰিমাণ সম্পৰ্কে কোনো যুটীয়া জৰীপ হোৱা নাই।

(ছ) বৰ্তমানলৈকে কোনো ভূমিখণ্ডৰ আদান-প্ৰদান হোৱা নাই।

Mr. Speaker : Now, Short Notice Question No. 55, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৫৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান ৰৰপেটা জিলাৰ কিমান ভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে?

(খ) সৰুক্ষেত্ৰী সমষ্টিত কিমান ভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে?

(গ) চলিত বিত্তীয় বৰ্ষত সৰুক্ষেত্ৰী সমষ্টিৰ নতুন নতুন অঞ্চলত জলসিঞ্চনৰ ব্যৱস্থা কৰিবনে?

(ঘ) সৰুক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত অটা জলসিঞ্চন প্ৰকল্পটো চৰকাৰে পুনৰুজীবিত কৰিবনে?

(ঙ) সৰুক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত শিশাৰজান ছুইজগেটটো মেৰামতিৰ কাৰণে চৰকাৰে কোনো পৰিকল্পনা হাতত লৈছেনে?

(চ) যদি লৈছে, ইয়াৰ কাম কেতিয়াৰ পৰা আৰম্ভ কৰিব অনুগ্ৰহ কৰি জনাব?

ডাঁ অৰ্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমানলৈ বৰপেটা জিলাৰ ৫৪,৮৮০ হেক্টৰ কৃষি ভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে।

(খ) বৰ্তমান সৰুক্ষেত্রী সমষ্টিৰ ১২০ হেক্টৰ ভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে।

(গ) চলিত বিত্তীয় বৰ্ষত সৰুক্ষেত্রী সমষ্টিৰ কৃষি ভূমি জলসিঞ্চনৰ আঁওতালৈ অনিবৰ বাবে

১) ইৰাকচাৰি পাৰা উত্তোলন জলসিঞ্চন আঁচনি (১২০ হেঃ মাটিকালি)

২) ন কুচি উত্তোলন জলসিঞ্চন আঁচনি (২২০ হেঃ মাটিকালি)

৩) অটা গাওঁ উত্তোলন জলসিঞ্চন আঁচনি (১২০ হেঃ মাটিকালি), নামেৰে তিনিখন আঁচনিৰ প্রস্তাৱ ৰখা হৈছে।

(ঘ) হয়, বৰ্তমান অটা জলসিঞ্চন আঁচনিখনৰ পুনৰজীবিত কৰণ প্রক্রিয়া চলি আছে।

(ঙ) ছেছাৰজান আঁচনিখন বৰপেটা জিলা গ্রামোন্নয়ন প্রাধিকৰণৰ আঁচনিহে। আঁচনিখন যদিও পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ NREGA ৰ অধীনত ৰূপায়ণ কৰি থকা হৈছে ইয়াৰ কাৰিকৰী পর্য্যবেক্ষণৰ কামহে এই বিভাগে তদাৰক কৰি আছে।

(চ) মেৰামতিৰ প্রসংগ নাহে। বৰ্তমানেও ইয়াৰ কাম চলি আছে।

Mr. Speaker : Now, Short Notice Question No. 56, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৫৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বৰাক উপত্যকাৰ গড়কাপ্তানী বিভাগৰ পথ সমূহৰ শোচনীয় অৱস্থাৰ বাবে বিভাগে কাক জগৰীয়া কৰিব বিচাৰে? উক্ত পথ সমূহ মেৰামতি আৰু উন্নত নকৰাৰ কাৰণ কি?

(খ) বৰাক উপত্যকাৰ গড়কাপ্তানী পথ সমূহৰ উন্নয়নত ২০০১-২০০২ চনৰ পৰা ২০১১-১২ বিত্তীয় বছৰলৈকে প্ৰতিটো বিত্তীয় বছৰত গড়কাপ্তানী বিবাগে কিমান টকা খৰছ কৰি আহিছে জনাবনে? (প্ৰতিটো বিত্তীয় বছৰত সুকীয়া সুকীয়াকৈ দেখুৱাব)

(গ) বৰাক উপত্যকাৰ এগৰাকী সন্মানীয় বিধায়ক, মঃ আটাউৰ ৰহমান মাজাৰ ভূঞাই চৰকাৰে শোচনীয় পথ সমূহ উন্নত কৰাৰ দাবীত অনশন কৰাটো জ্ঞাতনে?

(ঘ) যদি জ্ঞাত হয়, তেন্তে উক্ত দাৱী সমূহ পূৰণ কৰিবৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে জনাবনে?

(ঙ) উক্ত উপত্যকাৰ পথ সমূহৰ মেৰামতি আৰু উন্নয়ন সম্পূৰ্ণ কৰি জনসাধাৰণৰ যাতায়তৰ বাবে কেতিয়া সুগম কৰি তুলিব জনাবনে?

শ্রীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বৰাক উপত্যকাৰ গড়কাপ্তানী বিভাগৰ পথ সমূহৰ ঠায়ে ঠায়ে মেৰামতিৰ প্রয়োজন আছে যদিও পর্য্যাপ্ত পুঁজিৰ অভাৱত প্রত্যেকটো মেৰামতিৰ কাম কৰাটো সম্ভৱ হোৱা নাই। কিন্তু বিভাগৰ বাবে আৱন্টন দিয়া সীমিত পুঁজিৰে অগ্রাধিকাৰ ভিত্তিত তুলনামূলকভাৱে অধিক প্রয়োজনীয় মেৰামতিৰ কামখিনি কৰাই থকা হৈছে। পুঁজিৰ অভাৱৰ বাহিৰেও অঞ্চলবিশেষে বানপানী, নির্মাণ সামগ্রী (Construction Materials) ৰ অভাৱ আদি সমস্যাইয়ো বিভাগৰ বাবে কিছু বাধাৰ সৃষ্টি কৰিছে। এই ক্ষেত্রত ব্যক্তিগত কোনো গাফিলতিৰ নির্দিষ্ট প্রমাণ বিভাগৰ হাতত নাই। আনহাতে, গড়কাপ্তানী বিভাগৰ ৰাষ্ট্রীয় ঘাইপথ শাখাৰ অধীনত থকা বৰাক উপত্যকাৰ ৰাষ্ট্রীয় ঘাইপথ সমূহৰ অৱস্থা শোচনীয় নহয়। গতিকে এই সম্পর্কে কাকো জগৰীয়া কৰাৰ প্রশ্ন নুঠে।

(খ) এই বিষয়ৰ তথ্য অনুবদ্ধ 'ক'—ত দেখুওৱা হৈছে।

(গ) হয়, জ্ঞাত।

(ঘ) মাননীয় বিধায়কগৰাকীৰ দাবীসমূহৰ ভিতৰত PMGSY ৰ কামবোৰ সম্পূর্ণ কৰিবলৈ সংশ্লিষ্ট কামৰ ঠিকাদাৰসকললৈ জাননী জাৰি কৰা হৈছে আৰু সংশ্লিষ্ট ঠিকাদাৰ সকলেও কাম সম্পূর্ণ কৰাৰ প্রতিশ্রুতিৰে কাম কৰি আছে, লগতে ৰাষ্ট্রীয় ঘাইপথ শাখাৰ অধীনত থকা পথ সমূহৰ উন্নয়ণৰ কাম ৰাষ্ট্রীয় ঘাইপথ পৰিবহণ মন্ত্রনালয়ৰ অনুমোদন সাপেক্ষে মেৰামতি আৰু উন্নয়ণৰ কাম হাতত লোৱা হৈছে। ৰাষ্ট্রীয় ঘাই-পথ সমূহৰ পথৰ সবিশেষ অনুবদ্ধ 'খ' ত দেখুওৱা হৈছে।

(ঙ) বৰাক উপত্যকাৰ ৰাষ্ট্ৰীয় ঘাইপথ সমূহ যাতায়তৰ বাবে উপযোগী কৰি ৰখা হৈছে আৰু আবন্টিত পুঁজিৰ পৰিমাণ অনুসৰি অন্যান্য পথ সমূহৰ যথা সম্ভব মেৰামতি আৰু উন্নীতকৰণৰ কাম কৰোৱা হ'ব।

Mr. Speaker :: Now, Short Notice Question No. 57, Hon'ble Member, Shri Anjan Dutta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীঅঞ্জন দত্তই সুধিছে ঃ

৫৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মহামান্য ন্যায়ালয়সমূহত অসম চৰকাৰৰ শিক্ষা বিভাগৰ শিক্ষক, নিম্নবৰ্গৰ সহায়ক আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ নিযুক্তি সম্পৰ্কীয় কিমান মোকৰ্দমা নিষ্পত্তি নোহোৱাকৈ আছে? যদি নিষ্পত্তি হোৱা নাই, কিয় হোৱা নাই?

(খ) মহামান্য ন্যায়ালয়ত বিচাৰাধীন হৈ থকাৰ বাবে এম, ই, এম, ভি, উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহৰ নিম্নবৰ্গৰ সহায়ক আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নিযুক্তি দিব পৰা নাই বুলি উত্তৰ দি চৰকাৰী বিদ্যালয় সমূহৰ শৈক্ষিক পৰিবেশ নষ্ট কৰা নাইনে? যদি মহামান্য ন্যায়ালয়ৰ কাৰণে দিব পৰা নাই তেতিয়াহ'লে চৰকাৰী বিষয়া সকলে সময়মতে আদালতত তথ্য দাখিল কৰিব নোৱাৰাৰ বাবেই এনে হৈছে নেকি?

(গ) অসমৰ প্ৰাথমিক বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কিমান শিক্ষক শিয়য়িত্ৰীৰ পদ আছে?

কিমান আৱন্টিত পদ আছে? কিমান পদখালী আছে? প্ৰাথমিক, মধ্য ইংৰাজী, উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সকলো তথ্য সুকীয়া সুকীয়াকৈ দাখিল কৰিবনে?

(ঘ) অসমৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত কিমান সংখ্যক অধ্যক্ষ, উপাধ্যক্ষ, প্ৰধান শিক্ষকৰ আৰু সহকাৰী প্ৰধান শিক্ষকৰ পদ খালী আছে? যদি খালী আছে সেইসমূহ কিয় পূৰণ কৰা হোৱা নাই?

ড° হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) মহামান্য উচ্চ ন্যায়ালয়ত মাধ্যমিক শিক্ষাৰ বিভিন্ন পদৰ বাবে নিস্পত্তি নোহোৱাকৈ থকা গোচৰৰ সংখ্যা মুঠ ১৮৮৩ টা। ঠিক তেনেদৰে প্ৰাথমিক শিক্ষাৰ মুঠ ৪৭৯৯ টা গোচৰ বৰ্ত্তমানে চলি আছে। বিভিন্ন গোচৰত মহামান্য আদালতৰ অৰ্ন্তৱৰ্তী কালীন আদেশৰ বাবে গোচৰ সমূহ নিস্পত্তি কৰিব পৰা হোৱা নাই।

(খ) মহামান্য আদালতৰ বিবেচনাধীন। প্ৰশ্ন নুঠে।

(গ) অসমৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আৱন্টিত শিক্ষক শিক্ষয়িত্রীৰ পদৰ সংখ্যা ৪৮,১৪৫ টা প্ৰাথমিক শিক্ষা বিভাগৰ অধীনত উচ্চ প্ৰাথমিক বিদ্যালয়ত সৰ্বমুঠ ৪৪,৪৯১ টা পদৰ ভিতৰত ৫৭৯৮ টা পদ খালী হৈ আছে, আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ত সৰ্বমুঠ ৭০,১১৫ টা পদৰ ভিতৰত ৯৭৮৩ টা পদ খালী হৈ আছে।

(ঘ) অসমৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত অধ্যক্ষ, উপাধ্যক্ষ, প্ৰধান শিক্ষক আৰু সহকাৰী প্ৰধান শিক্ষকৰ খালী পদৰ সংখ্যা তলত দিয়া ধৰণৰ ঃ

চৰকাৰী/প্ৰাদেশীকৃত উচ্চ/উচ্চতৰ মাধ্যমিক বিদ্যালয়		খালী পদৰ সংখ্যা
১) চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষৰ পদ	ঃ	২৬ টা।
২) চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষৰ পদ	ঃ	২৬ টা।
৩) চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক	ঃ	২ টা।
৪) চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহঃ প্ৰধান শিক্ষক	ঃ	২ টা।
৫) প্ৰাদেশীকৃত উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰধান শিক্ষক	ঃ	১৭৭ টা।
৬) প্ৰাদেশীকৃত উচ্চ মাধ্যমিক বিদ্যালয়ত সহঃ প্ৰধান শিক্ষক	ঃ	২৪৬ টা।
৭) প্ৰাদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যক্ষৰ পদ	ঃ	৫০৫ টা।
৮) প্ৰাদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপাধ্যক্ষৰ পদঃ		৫০৫ টা।

মহামান্য আদালতৰ অন্তৰ্বৰ্তীকালীন আদেশৰ বাবে উক্ত পদ সমূহ পূৰণ কৰিব পৰা নাই।

Mr. Speaker : Now, Short Notice Question No. 58, Hon'ble Member, Smti. Arati Hazarika Kachari.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৫৮।

শ্ৰীমতী আৰতি হাজৰিকাই সুধিছে ঃ

৫৮। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দেৰগাওঁ বিধানসভা সমষ্টিত থকা ৭ খন সমবায় সমিতিয়ে কেইবা বছৰ ধৰি সমবায়লৈ সামগ্ৰী কঢ়িওৱাৰ ব্যয়ৰ বাবদ ৪১,৮৯,০০০.০০ টকা চৰকাৰৰ পৰা পাবলগা আছে। সমিতিসমূহক উক্ত টকা দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্রীছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) খাদ্য আৰু অসামৰিক বিভাগৰ পৰা পোৱা তথ্য অনুসৰি ২০০১-০২ বিত্তীয় বৰ্ষৰ পৰা ২০০৮-০৯ বৰ্ষলৈ মুঠ ৪৩৬৬.২৬ লাখ টকা সমবায় সমিতিসমূহলৈ দিয়া হৈছে। ইয়াৰে ৩৪৯৫.৮৩ লাখ অসমৰ প্ৰত্যেক জিলা আৰু মহকুমালৈ মুকলি কৰি দিয়া হৈছে। এই টকাৰে ৭-০৬-২০০৮ বৰ্ষলৈ সকলোকে আন্তোদয়া আঁচনিৰ অধীনত পৰিবহণ খৰছৰ বাবে মুকলি কৰি দিয়া হৈছে আৰু উপাযুক্ত সকলে সমবায় সমিতিসমূহক পৰিবহণ খৰছৰ বহন কৰিছে। ৩৪৯৫.৮৩ লাখৰ বিপৰীতে ৮৭০.৪৩ টকা ৰাজহ শিতানত জমা ৰখা হৈছে। এই টকা মুকলি কৰি দিয়াৰ লগে লগে দেৰগাওঁৰ লগতে অসমৰ অন্য সমবায় সমিতি সমূহকো পৰিবহনৰ খৰছ দিয়া হ'ব আৰু এই টকাৰে ৮-৬-২০০৮ ৰ পৰা ২৭-৫-২০০৯ লৈ পৰিহবন খৰছ দিব পাৰিব। বৰ্তমানলৈকে গোলাঘাটত মহকুমাত ৮৪৯৪১৭৫.০০ টকা দিয়া হৈছে।

২০০১-০২ চনৰ পৰা বৰ্তমানলৈকে পৰিবহণৰ বাবে পোৱা টকাৰ তালিকা তলত দেখুওৱা হ'ল ঃ

২০০১-০২	—	১০৫.৫৬ লাখ
২০০২-০৩	—	নাই
২০০৩-০৪	—	নাই
২০০৪-০৫	—	২৫৩.৩৬ লাখ
২০০৫-০৬	—	২৮০.৩৬ লাখ
২০০৬-০৭	—	১০৩৮.৭১ লাখ
২০০৭-০৮	—	৯৫৩.০৭ লাখ
২০০৮-০৯	—	৮৬৫.১৩ লাখ
২০০৯-১০	—	৮৭০.৪৩ লাখ ৰাজহ শিতানত জমা আছে।

দেৱগাঁও বিধানসভা সমষ্টিত থকা ৭ খন সমবায় সমিতিয়ে কেইবা বছৰো ধৰি সামগ্রী কটিওৱাৰ বাবদ পাবলগা টকা সোনকালে মুকলি কৰি দিয়াৰ কাৰণে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ লগত সম্পূর্ণ তথ্য আৰু নথিপত্র সহকাৰে যোগাযোগ কৰিব লাগে।

Mr. Speaker : Now, Short Notice Question No. 59, Hon'ble Member, Smti. Arati Hazarika Kachari.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন নং ৫৯।

শ্রীমতী আৰতি হাজৰিকাই সুধিছে ঃ

৫৯। মাননীয় ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দেৱগাওঁ বিধান সভাঁ সমষ্টিৰ প্রায় ২০,০০০ হেজাৰ বিঘাতকৈ অধিক মাটিৰ খাজনা সত্রৰ সত্রাধিকাৰ সকলে গ্রহণ কৰি আহিছে যাৰ ফলত কৃষক সকলৰ নামত মাটিৰ পট্টা হোৱা নাই। সেইবাবে নিবনুৱা যুৱক-যুৱতী সকলে বেংকৰ ঋণ লৈ বজাৰ ষ্টেণ্ড আদিৰ নিবিদা দিয়াৰ পৰা বঞ্চিত হৈছে। ইয়াৰ ফলত জনজাতীয় লোক সকলৰ উন্নয়ণত বাধা জন্মা নাইনে?

(খ) চৰকাৰে সেই দখল কৰি থকা কৃষক সকলক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা গ্রহণ কৰিব নোৱাৰেনে?

শ্রীপৃথিৱী মাঝি (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সত্রাধিকাৰ সকল তেওঁলোকৰ মাটিৰ পট্টাদাৰ আৰু তেওঁলোকে চৰকাৰক সত্রৰ মাটিৰ নামত খাজনা আদায় দিয়ে। যি সকল লোকে দেৱগাওঁ অঞ্চলত সত্রৰ মাটি দখল কৰি আছে, তেওঁলোকৰ খাজনা দিয়াৰ অধিকাৰ নাই। কাৰণ

তেওঁলোক পট্টাদাৰ নহয়। যোৰহাট জিলাৰ উপায়ুক্তই জনোৱা মতে দেৰগাওঁ সমষ্টিৰ অন্তর্গত গাওঁ সমূহত মুঠ ৩৭৯১৭ বিঘা ২ কঠা ৮ লেচা মাটি মুঠ ২৩১৯ জন ৰায়তে ভোগ দখল কৰি বহু বছৰ খাই আছে। উক্ত মাটি মাজুলীৰ শ্রী শ্রী আউনীআটিয় সত্রাধিকাৰ নামত লাখেৰাজ পট্টা চলি আছে। সত্রাধিকাৰে উক্ত মাটিৰ পোনপটীয়াকৈ চৰকাৰক ৰাজহ সোধায় আৰু পট্টাদাৰে ৰায়ত সকলৰ পৰা ৰাজহ সংগ্রহ কৰে।

(খ) যদি কৃষক ৰায়তে দখল কৰি থকা মাটি ধর্মীয় আইনত অধিগ্রহণ হয়, তেতিয়া চৰকাৰে আবন্টনৰ/পট্টা প্রদানৰ ব্যৱস্থা কৰিব পাৰে।

Mr. Speaker : Now, Short Notice Question No. 60, Hon'ble Member, Shri Abdur Rahim Khan.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন নং ৬০।

শ্রীআব্দুৰ ৰহিম খানে, সুধিছে ঃ

৬০। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) সমবায় পৰিচালনা সমিতি সমূহৰ চৰকাৰৰ ঘোষণা মর্মে ৩ বছৰৰ পৰা ৫ বছৰলৈ বৃদ্ধি কৰিবনে?

(খ) সমবায় সমিতি সমূহৰ সম্পাদকৰ লগত কিমানজন কর্মচাৰীয়ে কি কি পদত কাম কৰি আছে? এওঁলোকৰ দৰমহা গাঁঠনি কি?

(গ) সমবায় সমিতি সমূহৰ কেডাৰ মেনেজমেন্ট নামৰ বিভাগটো কি ধৰনে পৰিচালিত হৈ আছে?

শ্রীছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসম সমবায় সমিতি আইন, ২০০৭, অসম বিধানসভাত গৃহীত হোৱাৰ পাছত, উক্ত আইনখন ভাৰতৰ মহামান্য ৰাষ্ট্রপতি মহোদয়ৰ অনুমোদনৰ বাবে

প্রেৰণ কৰা হৈছে। উক্ত আইনখন মহামান্য ৰাষ্ট্ৰপতিৰ দ্বাৰা অনুমোদিত হৈ অহাৰ পাছত হে, উক্ত আইনখন সংশোধন কৰি সমবায় পৰিচালনা সমিতি সমুহৰ ম্যাদ ৩ বছৰৰ পৰা ৫ বছৰ কৰাৰ ব্যৱস্থা লোৱা হ'ব পাৰে।

(খ) সমবায় সমিতি সমূহৰ সম্পাদক আৰু অন্যান্য কৰ্মচাৰীৰ নিযুক্তি আৰু তেওঁলোকৰ দৰমহা/চাকৰি সম্পৰ্কীয় বিষয় অসম সমবায় সমিতি সমূহৰ বিধি নং 35 (IV) আৰু (V) অনুযায়ী সমবায় সমিতিখনৰ কার্য্যকৰী কমিটিয়ে (Managing Committee) ব্যৱস্থা গ্ৰহণ কৰে।

গতিকে বিভিন্ন সমবায় সমিতিৰ কৰ্মচাৰীৰ পদবী আৰু দৰমহাৰ নিৰিখ বেলেগ বেলেগ হয়। যদি কিবা নির্দিষ্ট সমিতিৰ বিষয়ে বিচাৰে, দিব পৰা যায়।

(গ) অসম কেড়ৰ মেনেজমেন্ট কো-অপাৰেটিভ ছোচাইটি লিঃ ৰ কেডাৰ সম্পাদক সকলৰ চাকৰি ২২-০৯-১৯৯৪ ইং তাৰিখৰ পৰা চৰকাৰে চৰকাৰীকৰণ কৰি তেওঁলোকৰ পদবীটো কনিষ্ঠ পৰিদর্শক/ হিচাব পৰীক্ষকলৈ ৰূপান্তৰিত কৰা হয়। বর্তমান এজন মুখ্য কার্য্যবাহী বিষয়া (Chief Executive Officer) আৰু তেখেতৰ অধীনত এজন গাণিক বিষয়া (Accounts Officer) ৰ দ্বাৰা পৰিচালিত হৈ আছে।

Mr. Speaker : Now, Short Notice Question No. 61, Hon'ble Member, Shri Prasanta Phookan.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

৬১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত পৰিবেশ বিজ্ঞানৰ পাঠদান কোন চনৰ পৰা আৰম্ভ কৰিছে?

(খ) পৰিবেশ বিজ্ঞানৰ পাঠদান বিদ্যালয় আৰু মহাবিদ্যালয় সমূহত কি কি বিষয়ৰ শিক্ষকৰ দ্বাৰা পাঠদান কৰা হয়।

(গ) পৰিবেশ বিজ্ঞানৰ পাঠদানৰ বাবে চৰকাৰে বিদ্যালয় আৰু মহাবিদ্যালয় আদি শিক্ষানুষ্ঠানত সংশ্লিষ্ট বিষয়ৰ শিক্ষক/অধ্যাপক আদি কোন চনৰ পৰা নিযুক্তি দিছে। যদিহে দিয়া নাই নিযুক্তি দিয়াৰ ব্যৱস্থা লবনে?

(ঘ) পৰিবেশ বিজ্ঞান, ইংৰাজী, বিজ্ঞান আৰু গণিতৰ ব্যৱহাৰিক কোঠা (Practical Room) বিদ্যালয় সমূহৰ নির্মাণ কৰা হৈছে নে? যদি নাই, কেতিয়াকৈ এনেবোৰ ব্যৱহাৰিক কোঠা (Practical Room) নির্মাণ কৰিব?

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯৭ চনৰ পৰা ২০০৪ চনলৈ বিদ্যালয় সমূহত অষ্টম, নৱম আৰু দশম শ্রেণীত দ্রুতপাঠ হিচাপে পৰিবেশ বিজ্ঞানৰ পাঠদান হৈ আছিল। ২০০৫ চনৰ পৰা বাধ্যতামূলক ভাবে পৰিবেশ বিজ্ঞানৰ পাঠদান হৈ আছে। উচ্চতৰ মাধ্যমিক পর্য্যায়ত অহা ২০১২-১৩ শিক্ষাবর্ষৰ পৰা কার্য্যকৰী হোৱাকৈ পৰিবেশ বিজ্ঞানৰ বিষয়টো অন্তর্ভূক্ত কৰা হৈছে।

মহাবিদ্যালয় সমূহত ২০০৩ চনৰ পৰা পৰিবেশ বিজ্ঞানৰ পাঠদান আৰম্ভ কৰা হৈছে।

(খ) বিজ্ঞান শাখাৰ শিক্ষকৰ দ্বাৰা পৰিবেশ বিজ্ঞান পাঠদান হৈ আছে।

(গ) নিযুক্তি দিয়া হোৱা নাই। বিজ্ঞান/সমাজ বিজ্ঞান বিষয়ৰ শিক্ষক/প্রাণী বিদ্যা/উদ্ভিদ বিদ্যাৰ প্রবক্তাৰ দ্বাৰা শিক্ষানুষ্ঠান সমূহত পৰিবেশ বিজ্ঞানৰ পাঠ দান কৰি থকা হৈছে।

(ঘ) পৰিবেশ বিজ্ঞানৰ পাঠ্যক্ৰমত মুঠ ৫০ নম্বৰ ধাৰ্য্য কৰা হৈছে। তাৰ ভিতৰত ৩০ নম্বৰ Practical ৰ বাবে আৰু ২০ নম্বৰ Project ৰ বাবে। সেইকাৰণে উচ্চতৰ মাধ্যমিক পৰ্য্যায়ত Practical room ৰ প্ৰয়োজন নহয়। মহাবিদ্যালয় সমূহত উদ্ভিদ আৰু প্ৰাণী বিজ্ঞান বিভাগৰ বাবে Practical room ৰ ব্যৱস্থা আছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীনৰ কুমাৰ দলেই সুধিছে ঃ

৬২। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডঃ ভূপেন হাজৰিকাৰ স্মৃতি যুগমীয়া কৰাৰ বাবে অসম চৰকাৰৰ সাংস্কৃতিক বিভাগে বিশেষ কিবা আঁচনি লোৱাৰ কথা ভাবিছেনে?

(খ) যদি ভাবিছে, কি কি আঁচনিৰ কথা চিন্তা কৰিছে জনাবনে?

শ্ৰীমতী প্ৰণতি ফুকন (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) এই ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া কোনো আঁচনিৰ বৰ্তমানলৈ চূড়ান্ত সিদ্ধান্ত হোৱা নাই। এই বিষয়ে পৰ্যালোচনা আৰম্ভ হৈছে।

(খ) স্বৰ্গীয় ডঃ ভূপেন হাজৰিকাৰ সৃষ্টি, কৰ্মৰাজি আৰু অসমৰ সমাজ জীৱনলৈ তেখেতৰ বহুমূলীয়া বৰঙণি ইত্যাদি সকলো সাঙুৰি তেখেতৰ স্মৃতি উত্তৰোত্তৰ কালৰ বাবে চিৰযুগমীয়া কৰি ৰখাৰ এক সুচিন্তিত আঁচনি তৈয়াৰ কৰা হ'ব।

Mr. Speaker : Now, Short Notice Question No. 63, Hon'ble Member, Shri Naba Kr. Doley.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীনৱ কুমাৰ দলেই সুধিছে ঃ

৬৩। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?(BTAD ৰ বাহিৰে) ঃ

(ক) বিভিন্ন জনজাতিৰ কল্যাণৰ বাবে গঠন কৰি দিয়া ছখন স্বায়ত্ব শাসিত পৰিষদ যোগে অন্যান্য সা-সামগ্ৰীৰ লগতে ২০০৫ চনৰ পৰা কিমানখন ট্ৰেক্টৰ জনজাতি কৃষকৰ মাজত বিতৰণ কৰিছে (পৰিষদ ভিত্তিক হিতাধিকাৰীৰ নাম ঠিকনা দিব)

(খ) এই ট্ৰেক্টৰ কি কি বিধিৰ ভিত্তিত প্ৰদান কৰা হ'ল?

(গ) ধেমাজি নগৰ পালিকাৰ ৩ নং ৱাৰ্ডৰ সদস্য যজ্ঞেশ্বৰ সোনোৱাল আৰু জনজাতি উন্নয়ন বোৰ্ডৰ প্ৰাক্তন সভাপতি ইন্দ্ৰেশ্বৰ পেগুৱে ট্ৰেক্টৰ প্ৰদানৰ ক্ষেত্ৰত উৎকোচ লৈ ট্ৰেক্টৰ প্ৰদান নকৰা বাবে ধেমাজি সদৰ থানাত গোচৰ ৰুজু হোৱাৰ বিষয়ে চৰকাৰ অৱগত নে?

(ঘ) অভিযুক্ত ব্যক্তিদ্বয় কোন পৰিষদৰ অন্তৰ্গত আছিল?

(ঙ) ঠেঙাল কছাৰী আৰু সোনোৱাল কছাৰী পৰিষদতো এনে অভিযোগ উৎথাপিত হৈছিল। বিষয়টোৰ ওপৰত চৰকাৰে কি ব্যৱস্থা লৈছে?

(চ) বিভাগীয় সঞ্চালকালয়ৰ যোগেদিও এনে ট্ৰেক্টৰ বিতৰণ কৰা হৈছিল নেকি? যদি হৈছিল কিমান ট্ৰেক্টৰ বিতৰণ কৰা হৈছিল জনাবনে?

শ্রীৰাজীৰ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০৪ বৰ্ষৰ পৰা ২০১১ বৰ্ষলৈ ট্ৰেক্টৰ বিতৰণ এনে ধৰণৰ।

(১) ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদে — ১৬ খন।

(২) সোনোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদে — ১৭ খন।

(৩) দেউৰী স্বায়ত্ব শাসিত পৰিষদে — ১৩ খন।

(৪) মিছিং স্বায়ত্ব শাসিত পৰিষদে — ১৬ খন।

(৫) তিৰা স্বায়ত্ব শাসিত পৰিষদে — বিতৰণ কৰা নাই।

(৬) ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদে — বিতৰণ কৰা নাই।

(খ) পৰিষদৰ সাধাৰণ সভাৰ সিদ্ধান্ত অনুসৰি হিতাধিকাৰী গোট সমূহৰ মাজত বিতৰণ কৰা হয়।

(গ) এই ধৰণৰ অভিযোগ বিভাগ অৱগত নহয়।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) এনে অভিযোগ নাই।

(চ) ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ সঞ্চালকৰ যোগেদি ২০০৬-২০০৭ আৰু ২০১০-২০১১ লৈ মহেন্দ্ৰ এণ্ড মহেন্দ্ৰ ২৭৫ ডি আই ট্ৰেক্টৰ প্ৰকল্প সঞ্চালক আৰু মহকুমা কল্যাণ বিষয়াৰ যোগেদি জনজাতি কৃষকক যোগান ধৰা হৈছে।

বছৰ	ট্ৰেক্টৰৰ পৰিমাণ
২০০৬-২০০৭	১৬৫ খন।
২০০৭-২০০৮	২২৮ খন।
২০০৮-২০০৯	১৮০ খন।
২০০৯-২০১০	২০০ খন।
২০১০-২০১১	২২৭ খন।

Mr. Speaker : Now, Short Notice Question No. 64, Hon'ble Member, Shri Naba Kr. Doley.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীনৰ কুমাৰ দলেই সুধিছে ঃ

৬৪। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত স্বকীয় সাংস্কৃতিক ঐতিহ্যৰে বসবাস কৰি অহা বড়ো ডিমাছা, মিছিং, ৰাভা, তিৰা, কাৰ্বি, সোনোৱাল কছাৰী, ঠেঙাল কছাৰী, গাৰো, দেউৰী আদি জনগোষ্ঠীসকলৰ ঐতিহ্যমণ্ডিত সাংস্কৃতিক ৰক্ষণাবেক্ষণৰ বাবে এটা জনজাতি সাংস্কৃতিক সঞ্চালকালয় স্থাপন কৰিবৰ বাবে চৰকাৰে ব্যৱস্থা লবনে?

(খ) বিভিন্ন জাতি জনগোষ্ঠীৰ সাংস্কৃতিক ঐতিহ্য ৰক্ষণাবেক্ষণৰ মাধ্যমেৰে সাংস্কৃতিক বৰঘৰটো আৰু ঐতিহ্যপূৰ্ণ কৰি তোলাৰ বাবে চৰকাৰে বিবেচনা কৰিছেনে?

(গ) চৰকাৰে বড়ো ৰাভা, মিচিং, তিৰা, কাৰ্বি দেউৰী আদি জনগোষ্ঠীৰ ঐতিহ্যমণ্ডিত সাংস্কৃতিক ৰক্ষণাবেক্ষণৰ বাবে ইতিমধ্যে কি কি আঁচনি গ্ৰহণ কৰিছে জনাবনে?

(ঘ) যদি লোৱা নাই, কিয় লোৱা নাই জনাবনে?

শ্ৰীমতী প্ৰণতি ফুকন (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত স্বকীয় সাংস্কৃতিক ঐতিহ্যৰে বসবাস কৰি অহা বিভিন্ন থলুৱা জনগোষ্ঠীৰ ঐতিহ্যমণ্ডিত সংস্কৃতি ৰক্ষণাবেক্ষণৰ বাবে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ উপৰিও ৰাজ্যিক সংগ্ৰাহলয়, জিলা সংগ্ৰহালয় আৰু ৰাজ্যখনৰ বিভিন্ন অঞ্চলত ৩৬ টা সাংস্কৃতিক কেন্দ্ৰ স্থাপন কৰা হৈছে। অসমৰ বাৰেৱহনীয়া থলুৱা সাংস্কৃতিক ঐতিহ্য আৰু সংস্কৃতিৰ সংৰক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰেই এই অনুষ্ঠান সমূহৰ মুখ্য উদ্দেশ্য। গতিকে ৰাজ্যখনৰ জনজাতীয় গোষ্ঠী সমূহৰ বাবে পৃথককৈ অন্য এটা সঞ্চালকালয় স্থাপন কৰিবৰ বাবে ব্যৱস্থা লোৱাৰ কথা বৰ্তমানলৈকে ভবা হোৱা নাই।

(খ) ৰাজ্যখনৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক ঐতিহ্য ৰক্ষণাবেক্ষণৰ মাধ্যমেৰে সাংস্কৃতিক বৰঘৰটো অধিক ঐতিহ্যমণ্ডিত কৰাৰ বাবে ৰাজ্যচৰকাৰে সাংস্কৃতিক সঞ্চালকালয়, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, ৰাজ্যিক আৰু জিলা সংগ্ৰহালয় সমূহ আৰু বিভিন্ন স্থানত স্থাপন কৰা ৩৬ টা সাংস্কৃতিক কেন্দ্ৰৰ যোগেদি বিভিন্ন দীৰ্ঘম্যাদী আৰু হ্ৰস্বম্যাদী আঁচনি গ্ৰহণ কৰি আহিছে।

(১) প্ৰতিটো থলুৱা জনগোষ্ঠীৰ সাংস্কৃতিক ঐতিহ্যৰ তথ্য নিৰন্ধকৰণ (Documentation) কৰি অহা হৈছে।

(২) থলুৱা ভাষা-কৃষ্টি সমূহৰ ওপৰত তথ্যচিত্ৰ নিৰ্মাণ কৰা হৈছে।

(৩) জনজাতীয় সাংস্কৃতিক মহোৎসৱ উদ্‌যাপন কৰি জনগোষ্ঠীয় সাংস্কৃতিক প্ৰচাৰ আৰু প্ৰসাৰৰ ব্যৱস্থা কৰি সংস্কৃতিৰ বৰঘৰটো অধিক ঐতিহ্যপূৰ্ণ আৰু টনকীয়াল কৰাৰ ব্যৱস্থা কৰা হৈছে।

(গ) অসমৰ খিলঞ্জীয়া জনগোষ্ঠীৰ বাৰেৱহণীয়া সংস্কৃতিৰ ৰক্ষণাবেক্ষণৰ বাবে ৰাজধানী দিশপুৰৰ ওচৰৰ সোণাপুৰত "উত্তৰ-পূৰ জনজাতীয় সংগ্রহালয় আৰু সাংস্কৃতিক কেন্দ্র" স্থাপন কৰা হ'ব। পশ্চিম অসমৰ কোকৰাঝাৰ জিলাৰ কঠালগুৰিত জনজাতীয় কলা আৰু সাংস্কৃতিক প্রকল্প আৰু ষ্টুডিঅ' নির্মাণৰ আঁচনি আছে। ইয়াৰ উপৰিও তথ্যচিত্র নির্মাণ, পুথি প্রকাশন, সাংস্কৃতিক সমাৰোহ উদ্‌যাপন আৰু অসমৰ বাহিৰত জনগোষ্ঠীয় কৃষ্টি সংস্কৃতিৰ প্রদর্শনীৰ সা-সুবিধা প্রদান কৰি অহা হৈছে।

(ঘ) প্রশ্ন নুঠে।

Mr. Speaker : Now, Short Notice Question No. 65, Hon'ble Member, Shri Naba Kr. Doley.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীনৰ কুমাৰ দলেই সুধিছে ঃ

৬৫। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণীৰ কল্যাণ (বি. টি. এ.ডিৰ বাহিৰে) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৫ চনৰ পৰা বর্তমানলৈকে কেন্দ্রীয় চৰকাৰে কিমান পুঁজি ভৈয়াম জনজাতিৰ Post matric আৰু pre-matric বৃত্তিৰ বাবদ মুকলি কৰি দিছে?

(খ) যোৱা বছৰকেইটাত কিমান ছাত্র-ছাত্রীয়ে এই বৃত্তি লাভৰ দ্বাৰা উপকৃত হৈছে? (বিদ্যালয়, মহাবিদ্যালয়, অন্যান্য শিক্ষানুষ্ঠানৰ ছাত্র-ছাত্রী আৰু বৃত্তিৰ ধনৰ পৰিমাণ বেলেগকৈ দেখুৱাব)

(গ) এই বৃত্তিৰ ধন খৰচ কৰিব নোৱাৰি মহাবিদ্যালয় আৰু অন্যান্য শিক্ষানুষ্ঠানে বিভাগীয় সঞ্চালকালয়লৈ ঘুৰাই পঠাইছে নেকি?

(ঘ) কোন কোন শিক্ষানুষ্ঠানৰ পৰা কিমান পুঁজি ঘুৰাই পঠাইছে বিতং ৰূপত জনাবনে?

(ঙ) কি কাৰণত এনে পুঁজি ঘুৰাই পঠাইছে জনাবনে?

শ্রীৰাজীৰ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণী সমূহৰ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০৫ চনৰ পৰা ২০১০-২০১১ চনলৈ কেন্দ্রীয় চৰকাৰৰ পৰা পোৱা বৃত্তিৰ ধনৰ পৰিমাণ ভৈয়াম জনজাতিৰ post matric বৃত্তিৰ বাবদ ১২৯,৯৮,১০,১৪৮.০০ টকা। কিন্তু Pre-matric বৃত্তিৰ বাবদ ভৈয়াম জনজাতিৰ ছাত্র-ছাত্রীৰ বাবে কেন্দ্রীয় চৰকাৰে ধন মোকলাই নিদিয়ে।

(খ) ২০০৫ চনৰ পৰা ২০১০-২০১১ চনলৈ ৪,১২,৬৮৩ জন জনজাতি ছাত্র-ছাত্রীয়ে post matric বৃত্তি লাভৰ দ্বাৰা উপকৃত হৈছে।

(গ) বৃত্তিৰ ধন খৰছ কৰিব নোৱাৰি মহাবিদ্যালয় আৰু অন্যান্য শিক্ষানুষ্ঠানে বিভাগীয় PD, ITDP আৰু DC, Karbi Anglong/DC, NC Hills, Haflong কার্য্যালয়লৈ ঘুৰাই পঠিয়াই। উক্ত ঘুৰাই-পঠোৱা ধন চৰকাৰৰ শিতানত জমা কৰি দিয়ে।

(ঘ) এই বিষয়ে PD, ITDP আৰু DC ৰ পৰা সংগ্রহ কৰি সদনৰ মেজত দাখিল কৰিব পৰা যাব।

(ঙ) PD, ITDP আৰু DC ৰ কার্য্যালয়লৈ চিঠি প্রেৰণ কৰা হৈছে।

Mr. Speaker : Now, Short Notice Question No. 66, Hon'ble Member, Shri Naba Kr. Doley.

বিষয় ঃ সংবিধানৰ ২৭৫ (১) ধাৰাৰ অধীনত আঁচনি ৰূপায়ণ সম্পৰ্কে।

শ্ৰীনৰ কুমাৰ দলেই সুধিছে ঃ

৬৬। মাননীয় ভৈয়াম জনজাতি শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?(BTAD ৰ বাহিৰে) ঃ

(ক) সংবিধানৰ ২৭৫ (১) ধাৰাৰ অধীনৰ আঁচনি সমূহ ৰূপায়ণ কৰাৰ বাবে ২০০৫ চনৰ পৰা ২০১১ ৰ বিত্তীয় বছৰলৈকে কেন্দ্ৰীয় চৰকাৰে কিমান ধন অসম চৰকাৰলৈ আগবঢ়াইছে?

(খ) ২৭৫ (১) ধৰাৰ আধাৰত কি কি আঁচনি ৰূপায়ণ কৰা হয়?

(গ) ২০০৫ চনৰ পৰা ক'ত (জিলা ভিত্তিক) এই আঁচনি ৰূপায়ণ হৈ আহিছে আৰু সেই আঁচনিমৰ্মে কি কি কাম সম্পন্ন কৰা হৈছে তাৰ তালিকা সদনৰ মজিয়াত দাখিল কৰিবনে?

(ঘ) এই কামবোৰ কোন কোন অনুষ্ঠান-প্ৰতিষ্ঠানে ৰূপায়ণ কৰি আহিছে সেই প্ৰতিষ্ঠান সমূহৰ স্বত্বাধিকাৰী সকলৰ নাম তালিকাৰ লগতে বিগত বছৰবোৰত লাভ কৰা প্ৰাপ্য পুঁজিৰ বিপৰীতে কিমান পুঁজি এতিয়ালৈকে লাভ কৰিছে জনাবনে?

(ঙ) কেন্দ্ৰৰ এনেবোৰ আঁচনিত জনজাতি যুৱক-যুৱতীৰ বাবে বিশেষ ব্যৱস্থা আছেনে?

শ্রীৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি ও অন্যান্য পিছপৰা সম্প্রদায় বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সংবিধানৰ ২৭৫ (১) ধাৰাৰ অধীনৰ আঁচনি সমূহ ৰূপায়ণৰ বাবে কেন্দ্রীয় চৰকাৰৰ পৰা অসম চৰকাৰে নিম্নোক্ত তালিকাত দেখুৱা ধৰণে পুঁজি লাভ কৰিছে (ভৈয়াম জিলা এলেকাৰ বাবে)

বছৰ	ধনৰ পৰিমাণ
২০০৫-০৬	১১৯৭.৭৮ লাখ টকা
২০০৬-০৭	১২৮.৩১ লাখ টকা
২০০৭-০৮	৯৪১.৯৪ লাখ টকা
২০০৮-০৯	১১৯৩.৮৪ লাখ টকা
২০০৯-১০	১২৪০.৭৭ লাখ টকা
২০১০-২০১১	২৩২২.৮৪ লাখ টকা

(খ) ২৭৫ (১) ধাৰাৰ অধীনত মূখ্যত জনজাতি অধ্যুষিত এলেকাত আন্তঃগাঠনিমূলক উন্নয়ণ যেনে-ৰাস্তা, পদূলি, সমূহীয়া ভৱন নির্মাণ, স্কুল কলেজৰ উন্নয়ণ, সমূহীয়া বজাৰ গৃহ নির্মাণ, কৃষি বান্ধ আদিৰ নির্মাণ কৰা হয়।

(গ) এই আঁচনিৰ ধন সাধাৰণতে জিলা ভিত্তিত আৱন্টন দিয়া নহয়। সাধাৰণতে জিলা আৰু মহকুমাত অৱস্থিত প্রকল্প সঞ্চালক আৰু মহকুমা কল্যাণ বিষয়া সকলৰ জৰিয়তেহে উক্ত আঁচনিৰ ধন আৱন্টন দিয়া হয়। ২০০৫ চনৰ পৰা উক্ত আঁচনিৰ অধীনত মোকোলাই দিয়া ধনৰ পৰিমাণ অনুবদ্ধ— 'ক' ত দাখিল কৰা হ'ল।

(ঘ) এই আঁচনিৰ ধন জিলাৰ প্রকল্প সঞ্চালক আৰু মহকুমা কল্যাণ বিষয়াৰ কার্য্যালয়ৰ দ্বাৰাহে ৰূপায়ণ কৰা হয়। উক্ত কার্য্যালয়ে— স্থানীয় নির্মাণ

সমিতি আৰু আৱশ্যকীয় ক্ষেত্ৰত "নিবিদা গ্ৰহণৰ" যোগেদি সংশ্লিষ্ট বিভাগীয় কার্য্যালয়ৰ দ্বাৰাহে ৰূপায়ণ কৰে। প্ৰকল্প সঞ্চালক ও মহকুমা কল্যাণ বিষয়া সকলৰ প্ৰাপ্য পুঁজিৰ তালিকা অনুবদ্ধ 'ক' ত দিয়া আছে।

(ঙ) হয় আছে। আঁচনিখনৰ অধীনত জনজাতি যুৱক-যুৱতী ৰোজগাৰ লাভৰ সুবিধা আছে।

Mr. Speaker : Now, Short Notice Question No. 67, Hon'ble Member, Shri Naba Kr. Doley.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৬৭।

শ্ৰীনৰ কুমাৰ দলেই সুধিছে ঃ

৬৭। মাননীয় সচিবালয় প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমত মুঠ নিবনুৱাৰ সংখ্যা কিমান?

(খ) অসম সচিবালয়ত সম্প্ৰতি কিমানটা পদ খালী হৈ আছে। বিভাগ আৰু গ্ৰেড অনুযায়ী জনাব নেকি?

(গ) অসম সচিবালয়ত খালী হৈ থকা পদবোৰ পুৰণৰ ব্যৱস্থা কৰিবনে? কেতিয়া এই পদবোৰ পূৰণ কৰিব?

(ঘ) অসম চৰকাৰে বহুসংখ্যক অৱসৰপ্ৰাপ্ত চৰকাৰী বিষয়াক অ,এছ,ডি অথবা বিশেষ কৰ্তব্যৰত বিষয়াৰূপে পুনৰ নিয়োগ কৰাটো সত্যনে? যদি সত্য, এই সকলৰ বিতং তথ্য দিব।

শ্ৰীপৃথিবী মাঝি (মুখ্যমন্ত্ৰীৰ হৈ, ৰাজহ আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমান অসমত বিভিন্ন নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়নভুক্ত হোৱা নিবনুৱাৰ সৰ্বমুঠ সংখ্যা হ'ল ১৭,৯১,২৮৩ জন (৩১ আগষ্ট, ২০১১ চনলৈ) (শ্ৰম

আৰু নিয়োগ বিভাগৰ পৰা পোৱা তথ্য অনুযায়ী।)

(খ) অসম সচিবালয়ত গ্ৰেড অনুযায়ী খালী হৈ থকা পদ সমূহ এনে ধৰণৰ ঃ

১) কণিষ্ঠ প্ৰশাসনিক সহায়ক — ৩১ টা

২) মুদ্ৰা লেখক — ৮৭ টা

৩) আশুলিপিকাৰ তৃতীয় শ্ৰেণী — ৯২ টা

৪) গাড়ীচালক — ৫ টা

৫) চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী — ১০৫ টা

(গ) অসম সচিবালয় প্ৰশাসন বিভাগত খালী হৈ থকা পদসমূহ চৰকাৰী বিধিমতে পূৰণ কৰাৰ ব্যৱস্থা কৰি থকা হৈছে।

(ঘ) অসম চৰকাৰে অৱসৰ প্ৰাপ্ত ২২ জন চৰকাৰী বিষয়াক বিশেষ কৰ্ত্তব্যৰত বিষয়া (অ,এচ,ডি) ৰূপে পুনৰ নিয়োগ কৰাটো সত্য।

বিতং তথ্য অনুবদ্ধ 'ক' ত সংলগ্ন কৰা হ'ল —

Mr. Speaker : Now, Short Notice Question No. 68, Hon'ble Member, Shri Naba Kr. Doley.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীনৰ কুমাৰ দলেই সুধিছে ঃ

৬৮। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে? (BTAD ৰ বাহিৰে) ঃ

(ক) সমন্বিত জনজাতি উন্নয়ন প্ৰকল্প (ITDP) আৰু মহকুমা কল্যাণ পৰিষদ (SDWC) সমূহৰ কাম কি?

(খ) অসমত এনে সমন্বিত জনজাতি উন্নয়ন প্রকল্প আৰু মহকুমা কল্যাণ পৰিষদ কিমানটা আছে?

(গ) এই উন্নয়ন প্রকল্প আৰু মহকুমা পৰিষদৰ কিমানজন পূর্ণ পর্যায়ৰ প্রকল্প সঞ্চালক আৰু মহকুমা কল্যাণ বিষয়া আছে? আৰু কিমানজন তদাৰকী বিষয়া আছে নামসহ জানবনে?

(ঘ) জনজাতি ৰাইজৰ কল্যাণ আঁচনিসমূহ ৰূপায়ণৰ স্বার্থত চৰকাৰে পূর্ণ পর্যায়ৰ একোজন বিষয়া নিয়োগৰ ব্যৱস্থা কৰাবনে?

(ঙ) চৰকাৰে এনেদৰে ৰাজ্যখনৰ জনজাতি কল্যাণৰ কার্যালয়বোৰত তদাৰকী বিষয়াক কার্য্যভাৰ দি আঁচনি ৰূপায়ণ কৰিবলৈ লোৱা বাবেই বিভাগীয় আঁচনিসমূহ সম্পূর্ণ কৰিব নোৱাৰে বুলি উত্থাপিত হোৱা অভিযোগ সত্যনে?

(চ) চৰকাৰে প্রকল্প সঞ্চালক আৰু মহকুমা কল্যাণ বিষয়া সকলক পূর্ণ পর্যায়ৰ বিষয়া ৰূপে নিয়োগৰ ব্যৱস্থা কৰিবনে?

শ্রীৰাজীৰ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণী সমূহৰ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সমন্বিত জনজাতি উন্নয়ন প্রকল্প আৰু মহকুমা কল্যাণ পৰিষদৰ জৰিয়তে ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণীৰ কল্যাণ আৰু অনুসূচিত জাতিৰ কল্যাণৰ বাবে জনজাতি উপ পৰিকল্পনা আৰু অনুসূচিত জাতি উপ পৰিকল্পনাৰ অধীনত বিভিন্ন বিভাগে ৰূপায়ণ কৰিব লগা আঁচনিসমূহৰ অনুমোদনৰ কাম অনুসূচিত জনজাতিৰ ক্ষেত্রত প্রকল্প ৰূপায়ণ পৰিষদৰ দ্বাৰা আৰু অনুসূচিত জাতি উপ পৰিকল্পনাৰ অধীনৰ আঁচনি সমূহ মহকুমা কল্যাণ পৰিষদৰ দ্বাৰা অনুমোদনৰ ব্যৱস্থা কৰায়। বিভিন্ন আঁচনিৰ ক্ষেত্রত হিতাধিকাৰী নির্বাচনৰ কামো উক্ত দুয়োখন পৰিষদৰ দ্বাৰা কৰা হয়। ইয়াৰ উপৰিও বিভিন্ন

বিভাগৰ আঁচনি ৰূপায়ণৰ খতিয়ান সংগ্ৰহ কৰি বিভাগীয় মুৰব্বীলৈ (ভৈয়াম জনজাতি সঞ্চালকলৈ) অনুসূচিত জনজাতিৰ ক্ষেত্ৰত আৰু অনুসূচিত জাতিৰ সঞ্চালকলৈ অনূসুচিত জাতিৰ উপ পৰিকল্পনাৰ আঁচনি সমূহৰ ক্ষেত্ৰত প্ৰেৰণ কৰে। এই খতিয়ানসমূহ মাহেকীয়া, তিনিমহীয়া আৰু বছৰেকীয়া ভিত্তিত হয়।

(খ) অসমত এনে সমন্বিত জনজাতি উন্নয়ন প্ৰকল্প ২২ টা আছে আৰু মহকুমা কল্যাণ পৰিষদ ৩৭ টা আছে।

(গ) পূৰ্ণ পৰ্যায়ৰ প্ৰকল্প সঞ্চালক ১০ জন আছে আৰু পূৰ্ণ পৰ্যায়ৰ মহকুমা কল্যাণ বিষয়া এজনো নাই। তদাৰকী বিষয়াৰ নামসমূহ অনুবদ্ধ 'ক' আৰু 'খ' ত উল্লেখ কৰা হ'ল।

(ঘ) ITDP আৰু SDWO ত একোজন পূৰ্ণ পৰ্যায়ৰ বিষয়া নিয়োগ কৰিবলৈ Personnel (A) বিভাগক অনুৰোধ কৰা হৈছে।

(ঙ) সত্য নহয়।

(চ) Personnel (A) বিভাগে ব্যৱস্থা গ্ৰহণ কৰিব।

Mr. Speaker : Now, Short Notice Question No. 69, Hon'ble Member, Shri Naba Kr. Doley.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীনৰ কুমাৰ দলেই সুধিছে ঃ

৬৯। মাননীয় জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে (BTAD ৰ বাহিৰে) ঃ

(ক) ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ অন্তৰ্গত

অসম ভৈয়াম জনজাতি উন্নয়ন নিগম, জনজাতি উন্নয়ন কতৃত্ব আৰু অসম অনুসূচিত জনজাতি, অনুসূচিত জাতি গৱেষণা প্রতিষ্ঠানটো কি কি উদ্দেশ্য আগত ৰাখি প্রতিষ্ঠা কৰা হৈছিল?

(খ) জনজাতি উন্নয়ন নিগম আৰু জনজাতি উন্নয়ন কতৃত্বক বর্তমানৰ অৱস্থাৰ পৰা উদ্ধাৰ কৰাৰ বাবে অসম চৰকাৰে বিশেষ আর্থিক সাহায্যৰে এই জনজাতি কল্যাণকামী প্রতিষ্ঠান দুটাক উদ্ধাৰ কৰাৰ ব্যৱস্থা কৰিবনে?

(গ) সাধাৰণ অসামৰিক বিষয়াৰ সলনি এগৰাকী জ্যেষ্ঠ গৱেষকক নিয়োগ কৰি গৱেষণা প্রতিষ্ঠানটোৰ উদ্দেশ্য সাফল্যমণ্ডিত কৰি তোলাত চৰকাৰে উদ্যোগ গ্রহণ কৰিবনে?

(ঘ) এই গৱেষণা প্রতিষ্ঠানটোৱে সদ্যহতে কি কি কার্য্যসূচী লৈ কাম চলাই আছে?

শ্রীৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণী কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসম ভৈয়াম জনজাতি উন্নয়ন নিগম, জনজাতি উন্নয়ন কর্তৃত্ব অসমৰ ভৈয়ামত বাস কৰা দুখীয়া তথা দৰিদ্র সীমাৰেখাৰ তলত বাসকৰা জনজাতি লোক সকলৰ আর্থসামজিক কল্যাণ আৰু সর্বাঙ্গীণ উন্নতিৰ উদ্দেশ্য আগত ৰাখি উক্ত প্রতিস্থান দুটা প্রতিষ্ঠা কৰা হৈছিল আৰু অসম অনুসূচীত জনজাতি, অনুসূচীত জাতি গৱেষণা প্রতিষ্ঠানটোৰ মুখ্য উদ্দেশ্য হৈছে গৱেষণা, মূলাঙ্কণ পৰিকল্পনা আৰু প্রশিক্ষণ।

(খ) ভৈয়াম জনজাতি উন্নয়ন নিগম আৰু ভৈয়াম জনজাতি উন্নয়ন কর্তৃত্বক চৰকাৰে তলত উল্লেখিত ধন সমূহ ২০১১-১২ বর্ষত মুকলি কৰি দিয়াৰ বাবে ধার্য্য কৰিছে।

১) ভৈয়াম জনজাতি উন্নয়ন নিগমৰ বাবে ২০০.০০ লাখ কর্মচাৰীৰ দৰমহাৰ বাবদ
৪০০.০০ লাখ আঁচনিৰ বাবদ

মুঠ ৬০০.০০ লাখ

২) ভৈয়াম জনজাতি উন্নয়ন কর্তৃত্বৰ বাবে ৮০.০০ লাখ কর্মচাৰীৰ দৰমহাৰ বাবদ
১০০.০০ লাখ আঁচনিৰ বাবদ

মুঠ ১৮০.০০ লাখ

(গ) এইটো চৰকাৰৰ নীতিৰ অন্তর্গত আৰু চৰকাৰৰ বিবেচ্য।

(ঘ) এই গৱেষণা প্রতিষ্ঠানটোৱে সদ্যহতে জনজাতি আৰু অনুসূচীত জাতি উন্নয়ণৰ বাবে তলত দিয়া আঁচনি সমূহ ৰূপায়ণ কৰিছে।

১) গৱেষণা (২) প্রশিক্ষণ (৩) প্রকাশন (৪) ০৯-পুথি প্রকাশ (৫) আলোচনা চক্র (৬) প্রদর্শনী (৭) তথ্য ভড়াল (৮) সংগ্রহালয় (৯) গ্রন্থাগাৰ (১০) বিত্ত আৰু জলপানী।

Mr. Speaker : Now, Short Notice Question No. 70, Hon'ble Member, Shri Abdur Rahim Khan.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

৭০। মাননীয় কাৰিকৰী শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) শিক্ষা, কাৰিকৰী শিক্ষা আদিত পিছপৰা নামনি অসমৰ মধ্যৱর্ত্তী ঠাই বৰপেটা

সমষ্টিত অভিযান্ত্রিক মহাবিদ্যালয় এখন স্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰিনে?

(খ) যদি বিবেচনা কৰে, কেতিয়া কৰিব?

ড° হিমন্ত বিশ্ব শর্মা (কাৰিকৰী শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা সমষ্টিত অভিযান্ত্রিক মহাবিদ্যালয় (Engineering College) স্থাপনৰ কোনো প্রস্তাৱ এতিয়ালৈ লোৱা হোৱা নাই। বৰপেটা নগৰত এখন অভিযান্ত্রিক প্রতিষ্ঠান (Polytechnic) স্থাপনৰ চূড়ান্ত সিদ্ধান্ত লোৱা হৈছে।

(খ) প্রশ্ন নুঠে।

Mr. Speaker : Now, Short Notice Question No. 71, Hon'ble Member, Shri Abdur Rahim Khan.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন নং-৭১ ।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

৭১। মাননীয় নগৰৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰপেটা সমষ্টিৰ বৰপেটা পৌৰসভাত যোৱা বিত্তীয় বর্ষত কিমান পুঁজি আৱন্টন দিয়া হৈছিল?

(খ) কি কি শিতানত আৱন্টন পুঁজিসমূহ ব্যয় কৰা হৈছিল আৰু কি কি আঁচনি গ্রহণ কৰা হৈছিল।

(গ) চলিত বিত্তীয় বর্ষত কিমান পুঁজি আৱন্টন দিয়া হৈছে আৰু কি কি আঁচনি গ্ৰহণ কৰিছে?

শ্ৰীমতী অজন্তা নেওঁগ (নগৰৰ উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা পৌৰ সভাক যোৱা বিত্তীয়বৰ্ষৰ বাবে মুঠ ২০৬.৭৬ লাখ টকা আৱন্টন দিয়া হৈছিল।

(খ) আঁচনিৰ নাম আৰু আৱন্টিত পুঁজিৰ পৰিমাণ তলত দেখুওৱা হৈছে।

১) ক্ষুদ্ৰ আৰু মজলীয়া চহৰৰ আন্তঃগাঠনি বিকাশ আঁচনি (UIDSSMT) = ৩২.৩৬ লাখ টকা।

২) স্বৰ্ণজয়ন্তী চহৰী ৰোজগাৰ যোজনা = ৪১.২০ লাখ টকা।

৩) শ্মশানঘাট/কৱৰস্থান উন্নয়ন = ৯.২৮ লাখ টকা।

৪) অল্পব্যয় শৌচালয় নিৰ্মাণ = ৫ লাখ টকা।

৫) ৰাস্তাৰ বিজুলী বাতি সংযোগ স্থাপন = ২৯.৭৭ লাখ টকা।

৬) ত্ৰয়োদশ বিত্ত আয়োগৰ অনুদান = ১২.৬৪ লাখ টকা।

৭) তৃতীয় অসম ৰাজ্যিক বিত্ত আয়োগৰ অনুদান = ৭৬.৫১ লাখ টকা।

(গ) চলিত বিত্তীয়বৰ্ষৰ বাবে এতিয়ালৈকে ৬৫.৬৩ লাখ টকা আৱন্টন দিয়া হৈছে। উক্ত টকা NLCPR ৰ অধীনত (অনুমোদন প্ৰাপ্ত মুঠ ১৮৫.৯৬ লাখ টকাৰ) বাছ টাৰ্মিনাছ নিৰ্মাণৰ বাবে আৱন্টিত হৈছে।

Mr. Speaker : Now, Short Notice Question No. 72, Hon'ble Member, Shri Abdur Rahim Khan.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

৭২। **মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অভয়াপুৰী-লেংটিচিঙা-বৰপেটা-হাজোৰ প্ৰস্তাৱিত ৰাষ্ট্ৰীয় ঘাই পথটোৰ নিৰ্মাণ কাৰ্য্য চলি আছেনে?

(খ) উক্ত পথটোৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰিবলৈ নিৰ্দ্দিষ্ট সময়সীমা বান্ধি দিয়া হৈছেনে?

(গ) যদি হৈছে, সেই সময়সীমা কিমান?

(ঘ) নিৰ্মাণ কাৰ্য্য কিভাবে, কোন প্ৰতিষ্ঠানক দায়িত্বভাৰ অৰ্পন কৰা হৈছে?

শ্ৰীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) উল্লেখিত পথটো ৰাষ্ট্ৰীয় ঘাইপথ হিচাবে নিৰ্মাণ কৰাৰ কোনো আঁচনি নাই। কিন্তু ৰাজ্যিক ঘাই পথ হিচাবে পথটোৰ উন্নতিকৰণৰ বাবে আঁচনি লোৱা হৈছে।

(খ) এই পথটোৰ উন্নতিকৰণৰ কাম বিভিন্ন আঁচনিত অৰ্ন্তভূক্ত কৰা হৈছে। বেকী, মানাহ আৰু মৰাবেকী নদীৰ পকী দলং নিৰ্মাণৰ বাহিৰে অন্য আঁচনিৰ কাম এতিয়াও আৰম্ভ হোৱা নাই। সেয়েহে উক্ত পথৰ উন্নতিকৰণৰ নিৰ্মাণ কাৰ্য্য সমাপ্ত কৰাৰ সময়সীমা নিৰ্দ্ধাৰণ কৰা নাই।

(গ) প্ৰযোজ্য নহয়।

(ঘ) প্ৰযোজ্য নহয়।

Mr. Speaker : Now, Short Notice Question No. 73, Hon'ble Member, Shri Abdur Rahim Khan.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৭৩ ।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

৭৩। মাননীয় ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান হেক্টৰ মাটি চ'ৰ অঞ্চলত আছে?

(খ) চ'ৰ অঞ্চল সমূহত কিমান ৰাজহ গাওঁ আছে?

(গ) চৰকাৰে বাৰে বাৰে চ'ৰৰ মাটিৰ পট্টা প্ৰদান কৰিব বুলি প্ৰতিশ্ৰুতি দিয়া সত্বেও, কি কাৰণত আজিলৈকে পট্টা প্ৰদান কৰিব পৰা নাই?

শ্ৰীপৃথিবী মাঝি (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ২১ খন জিলাৰ উপায়ুক্ত সকলৰ পৰা পোৱা তথ্য অনুসৰি অসমত বৰ্তমান ২৫৪০৮৬.১৭০ হেক্টৰ মাটি চৰ অঞ্চলত আছে।

(খ) চৰ অঞ্চলত সমূহত ৯৯৫ খন ৰাজহ গাওঁ আছে।

(গ) জিলা উপায়ুক্ত সকলৰ পৰা পোৱা তথ্যমতে কিছুমান চৰ অঞ্চলত জৰীপৰ প্ৰক্ৰিয়া চলি আছে। ভূমি পট্টন এটা প্ৰচলিত প্ৰক্ৰিয়া। ভূমিনীতি আৰু প্ৰচলিত নীতি নিৰ্দেশনাৰ ভিত্তিত যোগ্যতা সাপেক্ষে পট্টা প্ৰদানৰ ব্যৱস্থা লৈ থকা হৈছে।

Mr. Speaker : Now, Short Notice Question No. 74, Hon'ble Member, Shri Abdur Rahim Khan.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

৭৪। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত সৰ্বমুঠ জিলাকাৰাগাৰৰ সংখ্যা কিমান? এই কাৰাগাৰ সমূহত কিমান কাৰাবন্দী আছে?

(খ) ইয়াৰ ভিতৰত বিদেশী সম্পৰ্কীয় কিমান, উগ্ৰপন্থী কিমান আৰু অন্যান্য অপৰাধী কিমান জনাবনে?

(গ) কাৰাবন্দী সকলৰ অৱস্থাৰ বুজ লবলৈ বিধান সভাৰ সদস্য সকলক অনুমতি দিয়াৰ নিয়ম আছেনে?

(ঘ) যদি আছে, অনুমতি লাভৰ প্ৰক্ৰিয়া কি?

শ্ৰীঅকণ বৰা (কাৰাগাৰ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত সৰ্বমুঠ কাৰাগাৰৰ সংখ্যা ৩০ খন।

ইয়াৰে ৬ খন কেন্দ্ৰীয় কাৰাগাৰ, ২১ খন জিলাকাৰাগাৰ, ১খন বিশেষ কাৰাগাৰ, ১খন উপ কাৰাগাৰ আৰু ১ খন মুকলি কাৰাগাৰ।

ইং ১৫-১১-২০১১ তাৰিখৰ হিচাপমতে সৰ্বমুঠ ৯,২৪৩ জন কাৰাবন্দী আছে।

(খ) ইয়াৰে ভিতৰত বিদেশী সম্পৰ্কীয় ২৫ জন, উগ্ৰপন্থী ২৪৫ জন আৰু অন্যান্য অপৰাধীৰ ভিতৰত ৩১৭২ জন কয়দী (Convict), ৫৯০০ জন হাজোতী (Undertrial), এজন আটক বন্দী (Detenu) আৰু বিদেশী ন্যায়াধীকৰণৰ মতে বিদেশী বুলি ঘোষণা কৰা লোকৰ সংখ্যা ১১৫ জন। (ইয়াৰে ২৫ জন বিদেশী আৰু ২৪৫ জন উগ্ৰপন্থী, ৫৯০০ জন হাজোতীৰ লগত অন্তৰ্ভূক্ত হৈ আছে)

(গ) নিৰ্দ্ধাৰিত কোনো নিয়ম নাই। অৱশ্যে চৰকাৰৰ অনুমতি/অনুমোদন সাপেক্ষে বিধানসভাৰ মাননীয় সদস্য সকলে নিজ জিলাত অৱস্থিত কাৰাগাৰৰ কাৰাবন্দী সকলৰ অৱস্থাৰ বুজ লব পাৰিব।

(ঘ) ওপৰত 'গ' ত উল্লেখ কৰা হ'ল।

Mr. Speaker : Now, Short Notice Question No. 75, Hon'ble Member, Shri Abdur Rahim Khan.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

৭৫। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা বিত্তীয় বৰ্ষত বৰপেটা জিলাৰ সমাজ কল্যাণ বিভাগত কিমান পুঁজি আৱন্টন দিয়া হৈছিল আৰু কি কি আঁচনিত ব্যয় কৰিছিল?

(খ) জিলাখনত কিমানটা অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ কাম বৰ্ত্তমানে বাকী আছে আৰু এই কেন্দ্ৰ সমূহৰ নিৰ্মাণ কাৰ্য্য কেতিয়া সম্পূৰ্ণ হব?

(গ) জিলাখনত নতুনকৈ প্ৰয়োজনীয় কেন্দ্ৰ স্থাপনৰ লগতে নিযুক্তিকৰণৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছেনে?

(ঘ) যদি কৰিছে, ইয়াৰ নীতি-নিৰ্দেশনা কি?

শ্ৰীঅকন ৰৱা (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা বিত্তীয় বৰ্ষত (২০১০-১১) বৰপেটা জিলা সমাজ কল্যাণ বিভাগলৈ অসম চৰকাৰৰ পঁৱা বিভিন্ন শিতানত আবন্টিত ধনৰ তালিকা উল্লেখ কৰা হ'ল।

১) মুখ্যমন্ত্ৰীৰ জীৱন জ্যোতি বীমা আঁচনি = ৯০,২৭,৪৫৬/- টকা

২) বাইদেউ আৰু নৱৌ (এক কালিন) = ৩,১৩,৬০,০০০/- টকা

৩) ন-বোৱাৰী (এক কালিন) = ৫৬,৪০,০০০/- টকা

৪) বাইদেউ আৰু নৰৌ (চলিত) = ৬,৯০,০০০/- টকা

৫) স্বাস্থ্য বীমা আঁচনি = ২৫,৫২,২৭০ টকা

৬) ঠিকা ভিত্তিত বনুৱা ভাট্টা = ৬,১৮,০৩০/- টকা
(এক কালিন)

৭) প্রতিবন্ধীৰ নিবনুৱা ভাট্টা = ১৯,৫০,০০০/- টকা

৮) প্রতিবন্ধীৰ বৃত্তি = ৫০,৪০০/- টকা

৯) প্রতিবন্ধীৰ পুনৰ সংস্থাপন = ১,২০,০০০/- টকা

১০) পৰি পুষ্টি খাদ্য = ১৬,০৬,৯২,৩৫০/- টকা

১১) ন বোৱাৰী (চলি থকা) = ৪০,০০০/- টকা

১২) আম আদমি বীমা যোজনা = ১০,৫০,০০০/- টকা

১৩) মহিলা সমৃদ্ধি যোজনা = ২৬,৯০,৫২০/- টকা

(খ) বৰপেটা জিলাৰ বৰ্তমানলৈ ১৩৮৬ টা অঙ্গনবাদী কেন্দ্ৰৰ গৃহ নিৰ্মাণ কাৰ্য্য বাকী আছে আৰু বিভাগৰ দ্বাৰা পৰ্য্যায়ক্ৰমে এই কেন্দ্ৰ সমূহৰ নিৰ্মাণৰ কাম চলাই থকা হৈছে।

(গ) জিলাখনৰ প্ৰয়োজন হোৱা অতিৰিক্ত অঙ্গনবাদী কেন্দ্ৰ স্থাপনৰ ব্যৱস্থা লোৱাৰ বাবে জিলা ভিত্তিক সমিতি গঠন কৰি দিয়া হৈছে।

(ঘ) জিলা ভিত্তিত ৰূপায়ণ সমিতিৰ দ্বাৰা এই কেন্দ্ৰ সমূহ নিৰ্বাচন কৰা হব। নিযুক্তিৰ ক্ষেত্ৰত নতুন নীতি নিৰ্দ্দেশনা বিভাগৰ পৰা বৰ্ত্তমানলৈ লোৱা হোৱা নাই।

Mr. Speaker : Now, Short Notice Question No. 76, Hon'ble Member, Shri Abdur Rahim Khan.

বিষয় ঃ বৰপেটা ফকৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ নিযুক্তি সন্দর্ভত।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

৭৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰপেটা ফকৰুদ্দিন আলী আহমেদ মেডিকেল কলেজ আৰু হস্পিতালত স্থাপনৰ পৰা বর্তমানলৈ কি কি বিভাগত, কোন কোন পদত কিমান সংখ্যক প্রার্থী নিযুক্তি দিয়া হৈছে?

(খ) বর্তমানে উক্ত কলেজ আৰু হস্পিতালত কি কি বিভাগত, কি কি পদত নিযুক্তি প্রক্রিয়া চলি আছে?

(গ) যদি চলি আছে, কি নীতি-নির্দ্দেশনাৰ আধাৰত চলি আছে?

(ঘ) নিযুক্তি প্রক্রিয়াত বিগত ও চলিত সময়ত বৰপেটা জিলাৰ কিমান শতাংশ প্রার্থীক অগ্রাধিকাৰ দিয়া হৈছে?

(ঙ) জনগোষ্ঠী সমূহৰ জন-গাঠনি অনুপাতে (Population pattern) নিযুক্তিৰ ব্যৱস্থা গ্রহণ কৰা হৈছেনে?

(চ) বৰপেটা কাণ্ডত নিহত হোৱা পৰিয়ালৰ লোকক চৰকাৰে ঘোষণা কৰা মর্মে বর্তমানলৈ নিযুক্তি দিয়াৰ ব্যৱস্থা গ্রহণ কৰিছেনে?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা ফকৰুদ্দিন আলী আহমেদ মেডিকেল কলেজ আৰু হস্পিতাল

স্থাপনৰ পৰা বৰ্তমানলৈ বিভিন্ন বিভাগত নিযুক্তি পোৱা ডাক্তৰ ১১৩ গৰাকী, তৃতীয় বিভাগত ২০৯ গৰাকী আৰু নার্চ ৩৪৫ গৰাকী। চতুর্থ বিভাগত ২৫ গৰাকী, বৰপেটাৰ অতিৰিক্ত স্বাস্থ্য ও চিকিৎসা সঞ্চালকৰ অধীনৰ কর্মচাৰী কাম কৰি আছে।

(খ) বর্তমানে Gr.- IV, Ward Boy/Girl, Laboratory Attendant, Physiotherapist, Speech Therapist, Occupational Therapist, Accountant, Cashier, Account Assistant, Dietician, Technician (Audiovisual), Technician in Projectionist, Blacksmit, Senior Technician– Mechanical, Senior Technician– Electrical, Senior Technician– Electronics, Senior Technician– Refrigeration পদৰ বাবে নিযুক্তি প্রক্রিয়া চলি আছে।

(গ) নিযুক্তি প্রক্রিয়া সম্পূর্ণ চৰকাৰী নিয়মৰ ভিত্তিত চলি আছে।

(ঘ) নিযুক্তি প্রক্রিয়াত চৰকাৰী নিয়ম আৰু মেধাৰ ভিত্তিত নিযুক্তি দিয়া হৈছে। কোনো জিলাক অগ্রাধিকাৰ দিয়াৰ ব্যৱস্থা কৰা হোৱা নাই। সমীক্ষাত দেখা গ'ল যে, বর্তমানলৈ নিযুক্তি পোৱা মুঠ ২০৯ সংখ্যক কর্মচাৰীৰ ভিতৰত ১০৯ গৰাকী বৰপেটা জিলাৰ অর্থ্যৎ বৰপেটা জিলাৰ প্রার্থীৰ শতাংশ হ'ল ৫২.১৫% আৰু ৩৪৫ গৰাকী নার্চৰ ভিতৰত বৰপেটা জিলাৰ ৯৪ অর্থ্যৎ বৰপেটা জিলাৰ প্রার্থীৰ শতাংশ হ'ল ২৭.২৪%।

(ঙ) হয় কৰা হৈছে। চৰকাৰী নিয়ম অনুযায়ী ১০০. Point Roster অনুসাৰে বিভিন্ন জনগোষ্ঠীক নিযুক্তি দিয়া হৈছে।

(চ) বর্তমানলৈ কৰা হোৱা নাই।

Mr. Speaker : Now, Short Notice Question No. 77, Hon'ble Member, Shri Abdur Rahim Khan.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৭৭।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

৭৭। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ প্ৰস্তাৱিত "ধানবান্ধা"ৰ ধান গৱেষনা কেন্দ্ৰ আৰু "গুৱাগাছা"ৰ মৰাপাট কল স্থাপনৰ কাৰ্য্য চৰকাৰে পুনৰায় আৰম্ভ কৰিবনে?

(খ) যদি, কৰিব, কেতিয়াৰ পৰা কৰিব?

(গ) বৰপেটা জিলাৰ হাউলীৰ চুপাৰী উদ্যোগটো পুনৰ কাৰ্য্যক্ষম কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে?

(ঘ) যদি কৰে, তেতিয়া কৰিব জনাবনে?

শ্ৰীপ্ৰদ্যুত বৰদলৈ (উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা জিলাৰ "ধানবান্ধা" ৰ ধান গৱেষণা কেন্দ্ৰ "ভাৰতীয় ধান অনুসন্ধান পৰিষদ" ৰ অধীনত স্থাপনৰ প্ৰস্তাব কৰা হৈছিল যদিওঁ এই কেন্দ্ৰটো ইতিমধ্যে কামৰূপ জিলাৰ গেৰুৱাত স্থাপন কৰা হৈছে। বৰপেটা জিলাৰ "গুৱাগাছাত" মৰাপাট কল স্থাপনৰ কাৰ্য্য চৰকাৰে পুনৰ আৰম্ভ কৰাৰ পৰিকল্পনা কৰা নাই।

(খ) ধান গৱেষণা কেন্দ্ৰটো ইতিমধ্যে কামৰূপ জিলাৰ গেৰুৱাত স্থাপন কৰা হৈছে। গুৱাগাছাৰ মৰাপাত কল স্থাপনৰ পৰিকল্পনা চৰকাৰৰ নাই।

(গ) হাউলী অঞ্চলত থকা চুপাৰী উদ্যোগ সমূহ সম্পূৰ্ণ ব্যক্তিগত খণ্ডত প্ৰতিষ্ঠিত। এই উদ্যোগ সমূহ কাৰ্য্যক্ষম কৰিবলৈ ইয়াৰ স্বত্বাধিকাৰী সকলে বিভিন্ন

চৰকাৰী আঁচনি যেনে "ক্লাষ্টাৰ উন্নয়ন আঁচনি", "প্ৰধানমন্ত্ৰীৰ নিয়োগ সৃষ্টি আঁচনি" ইত্যাদিৰ সুবিধা গ্ৰহণ কৰিব পাৰে। প্ৰয়োজন সাপেক্ষে অসম চৰকাৰে "মুখ্যমন্ত্ৰী কৰ্মজ্যোতি আঁচনি"ৰ অধীনত উদ্যোগী সকলক সা-সৰঞ্জাম ইত্যাদি অনুদান হিচাবে দিয়াৰো ব্যৱস্থা আছে। উদ্যোগ বিভাগে ভবিষ্যতে 'চুপাৰী' উদ্যোগৰ ওপৰত বিশেষ আঁচনি লোৱাৰ কথা চিন্তা কৰিছে।

(ঘ) যিহেতু চুপাৰী উদ্যোগ সমূহ ব্যক্তিগত খণ্ডত প্ৰতিষ্ঠিত, অসম চৰকাৰে "মুখ্যমন্ত্ৰীৰ কৰ্মজ্যোতি আঁচনি"ৰ অধীনত প্ৰয়োজন সাপেক্ষে সা-সৰঞ্জাম ইত্যাদি অনুদান হিচাবে আগবঢ়াব।

Mr. Speaker : Now, Short Notice Question No. 78, Hon'ble Member, Shri Abdur Rahim Khan.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৭৮।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

৭৮। মাননীয়া শ্ৰীমতী প্ৰণতি ফুকন, হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) হস্তাতাঁত বিভাগত যোৱা বিত্তীয় বৰ্ষত ববপেটা জিলাত কিমান পুঁজি আৱন্টন পাইছিল আৰু কি কি আঁচনিৰ বিপৰীতে ব্যয় কৰিছিল? চলিত বৰ্ষত কিমান পুঁজি আৱন্টন দিয়া হৈছে? আৰু প্ৰস্তাৱিত আঁচনি সমূহ কি কি?

(খ) বস্ত্ৰ আৰু ৰেচম বিভাগত যোৱা বিত্তীয় বৰ্ষত জিলাখনত আৱন্টিত পুঁজি কিমান আৰু কি কি আঁচনি লোৱা হৈছিল?

(গ) চলিত বিত্তীয় বৰ্ষত জিলাখনত কিমান পুঁজি আৱন্টন দিয়া হৈছে আৰু কি কি আঁচনি গ্ৰহণ কৰিছে?

শ্রীমতী প্রণতি ফুকন (হস্ততাঁত, বস্ত্রশিল্প আৰু ৰেচম বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হস্ততাঁত বিভাগে বৰপেটা জিলাত যোৱা বিত্তীয় বৰ্ষত বিভিন্ন আঁচনিৰ অধীনত ৬৭৬.০৬ লাখ টকা আৱন্টন দিয়া হৈছিল। উক্ত ধন তলত দিয়া আঁচনি সমূহৰ জৰিয়তে ব্যয় কৰা হৈছিল। (চ)

কেন্দ্রীয় চৰকাৰৰ আঁচনি ঃ

১) সংহত হস্ততাঁত উন্নয়ন আঁচনি।

২) সংহত হস্ততাঁত উন্নয়ন আঁচনিৰ অধীনত বাণিজ্যিক উদগণি আঁচনি।

ৰাজ্যিক পর্য্যায়ৰ আঁচনি ঃ

১) মুখ্যমন্ত্রীৰ নিয়োগ নিশ্চিতকৰণ আঁচনি।

২) গোট ভিত্তিক শিপিনীৰ অর্থনৈতিক উন্নয়ন আঁচনি।

৩) দুখীয়া শিপিনীলৈ ১ বান্দিলকৈ কপাহী সূতা যোগান।

৪) দৰিদ্র সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়াললৈ একোখন কম্বল বিতৰণ।

৫) হস্ততাঁত প্রতিক্ষণ কেন্দ্র আঁচনি।

৬) বয়ন সম্প্রসাৰণ সেৱা কেন্দ্র আঁচনি।

চলিত ২০১১-১২ বৰ্ষত পুঁজি আবন্টন দিয়া বর্তমানে হোৱা নাই। পৰিকল্পনা শিতানৰ ধন মঞ্জুৰ হোৱাৰ পিছত আঁচনি ৰূপায়ন কৰাৰ লগে লগে পুঁজিৰ আবন্টন দিয়া হব। চলিত বৰ্ষত প্রস্তাৰিত আঁচনি সমূহ তলত দেখুওৱা হ'ল—

(ক) গামোচা উৎপাদন।

(খ) দুখীয়া শিপিনীলৈ বিনামূলীয়া শাল- সূতা যোগান।

(গ) সংহত হস্ততাঁত উন্নয়ন আঁচনি।

(ঘ) সংহত হস্ততাঁত উন্নয়ন আঁচনিৰ অধীনত বাণিজ্যিক উদগণি আঁচনি।

(খ) হস্ততাঁত বস্ত্রশিল্প আৰু ৰেচম বিভাগৰ অধীনৰ হস্ততাঁত আৰু বস্ত্রশিল্প সঞ্চালকালয়ৰ আৰু ৰেচম সঞ্চালকালয়লৈ আৱন্টিত পুঁজিৰ পৰিমাণ আৰু গৃহীত আঁচনিৰ নাম তলত উল্লেখ কৰা হ'ল—

<u>হস্ততাঁত বস্ত্রশিল্প সঞ্চালকালয়—</u>

প্রশ্নোত্তৰ 'ক' ত উল্লেখ কৰা হ'ল।

<u>ৰেচম সঞ্চালকালয়—</u>

ৰৰপেটা জিলাত যোৱা ২০১০-১১ বিত্তীয় বর্ষত ৰেচম বিভাগে তলত উল্লেখ কৰা ধৰণে পুঁজি আৱন্টন দিছিল —

১) কেন্দ্রীয় সাহায্য পুঁজি আঁচনি— অনুঘটকীয় উন্নয়ন আঁচনি (Catalytic Development Programme) মুঠ — ৫৩.০২ লাখ

২) ৰাজ্যিক পৰিকল্পনা - শিতানৰ আঁচনি মুঠ — ১০.৬৫৯৫ লাখ

সর্ব্ব মুঠ — ৬৩.৬৭৯৫ লাখ

<u>গ্রহণ কৰা আঁচনি সমূহ—</u>

(ক) <u>কেন্দ্রীয় সাহায্য পুঁজি আঁচনি—</u>

১) মুগা-এড়ী আৰু পাট পলুৰ খাদ্য বৃক্ষ বর্দ্ধিত কৰণ আঁচনি।

২) এড়ী আৰু পাট পলুৰ গৃহ নির্মাণ।

৩) ব্যক্তিগত মুগা সঁচ উৎপাদনকাৰীলৈ সাহায্য।

৪) ৰেচম পালকৰ মাজত সজাগতা শিবিৰ।

(খ) ৰাজ্যিক পৰিকল্পনা আঁচনি—

১) ৰেচম হিতাধিকাৰীলৈ ৰেচম শিল্পৰ সম্প্রসাৰণৰ বাবে আর্থিক সাহায্য।

২) এড়ি আৰু মুগা সূতা কটাৰ প্রশিক্ষণ।

৩) ৰেচম পাম সমূহত খাদ্যবৃক্ষ বর্দ্ধিত কৰণ।

(গ) চলিত বিত্তীয় বর্ষত জিলাখনত আবন্টিত পুঁজিৰ পৰিমাণ আৰু গৃহীত আঁচনি সমূহৰ নাম তলত উল্লেখ কৰা হ'ল—

হস্ততাঁত বস্ত্রশিল্প সঞ্চালকালয়—

চলিত বর্ষত (২০১১-১২) পুঁজি আবন্টন বর্তমান দিয়া হোৱা নাই। প্রস্তাৱিত আঁচনি সমূহ তলত দেখুওৱা হ'ল—

(ক) গামোচা উৎপাদন।

(খ) দুখীয়া শিপিনীলৈ বিনামূলীয়া শাল-সূতা যোগান।

(গ) সংহত হস্ততাঁত উন্নয়ন আঁচনিৰ অধীনত বাণিজ্যিক উদ্গণি আঁচনি।

ৰেচম সঞ্চালকালয়—

চলিত বিত্তীয় বর্ষত (২০১১-১২) ৰৰপেটা জিলালৈ তলত উল্লেখ কৰা ধৰণে পুঁজি আবন্টন দিয়া হৈছে—

(ক) কেন্দ্রীয় সাহায্য পুঁজি আঁচনি (Catalytic Development Programme)	মুঠ —	৭৫.৫১ লাখ
(খ) ৰাজ্যিক পৰিকল্পনা শিতান	মুঠ —	১৫.৬৪২৯ লাখ
সর্ব্ব মুঠ	—	৯১.১৫২৯ লাখ

আঁচনি সমূহ

(ক) কেন্দ্রীয় সাহায্য পুঁজি আঁচনিৰ অধীনত— (Catalytic Development Programme)

১) এড়ী আৰু মূগা আৰু খাদ্যবৃক্ষ বৰ্দ্ধিতকৰণ আঁচনি।

২) এড়ী পলু পালনৰ গৃহ নিৰ্মাণ।

৩) ব্যক্তিগত মূগা সচঁ উৎপাদন কৰিবলৈ— আৰ্থিক সাহায্য।

(খ) ৰাজ্যিক পৰিকল্পনা শিতান

১) এড়ী মূগা আৰু পাট-পলুৰ খাদ্যৰ বাবে নাৰ্চাৰী স্থাপন।

২) চৰকাৰী পামত কেচুসাৰ উৎপাদন আৰু পলুপালনৰ সা-সজুলি যোগান।

৩) ৰেচম পলু পালকলৈ আৰ্থিক সাহায্য প্ৰদান।

৪) সূতা কটা প্ৰশিক্ষণ।

Mr. Speaker : Now, Short Notice Question No. 79, Hon'ble Member, Shri Sherman Ali Ahmed.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

৭৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শিক্ষকৰ যোগ্যতা নিৰুপণ পৰীক্ষাৰ প্ৰতিখন আবেদন পত্ৰৰ বাবে কিমান টকা মাচুল হিচাপে আদায় কৰা হৈছে আৰু এই আবেদন পত্ৰ বিতৰণৰ জৰিয়তে সৰ্বমুঠ কিমান টকা সংগৃহীত হৈছে? এই পৰীক্ষাৰ যোগেদি সৰ্বমুঠ কিমান নিবনুৱাক চাকৰী দিয়া হব?

(খ) অনগ্রসৰ অসম ৰাজ্যৰ দৰিদ্ৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতী সকলৰ বাবে আবেদন পত্ৰৰ নামত ধাৰ্য্য কৰা এই মাচুল অত্যাধিক হোৱা নাইনে আৰু ইয়ে গাৱলীয়া দৰিদ্ৰ শিক্ষিত যুৱক-যুৱতী সকলৰ ওপৰত মাত্ৰাধিক অৰ্থনৈতিক চাপ সৃষ্টি কৰা নাইনে? যদি কৰিছে, অনাগত দিনবোৰত আবেদন পত্ৰৰ এই মাত্ৰাধিক মাচুল চৰকাৰে হ্ৰাস কৰাৰ প্ৰয়াস কৰিবনে?

(গ) উক্ত পৰীক্ষাৰ উত্তৰবহীত উত্তৰবোৰ কাঠ পেঞ্চিলেৰে চিহ্নিত কৰাটো বাধ্যতামূলক কৰা হৈছেনে? যদি হৈছে, তেন্তে কাঠ পেঞ্চিলেৰে চিহ্নিত উত্তৰবোৰ টেম্পাৰিং (Temparing) কৰাৰ সম্ভাৱনীয়তাক নুই কৰিব পাৰিনে? যদি নোৱাৰি, তেন্তে উত্তৰবোৰ কাঠ পেঞ্চিলৰ সলনি বল পইন্ট কলমেৰে (Ball point pen) চিহ্নিত কৰাৰ ব্যৱস্থা কৰিবনে? (এই সংক্ৰান্তত অনুমোদিত বিভাগীয় নীতি নিৰ্দ্দেশনাৰ প্ৰতিলিপি সদনৰ মজিয়াত দাখিল কৰিব)

(ঘ) তুলনামূলকভাৱে নগৰীয়া অঞ্চলতকৈ গাৱলীয়া অঞ্চলৰ শিক্ষিত যুৱক-যুৱতীৰ পাৰদৰ্শিতাৰ মানদণ্ড শিক্ষাৰ গুণগত দিশ নিম্ন মানৰ হোৱা বাবে আৰু অসমৰ শতকৰা ৮০ জন মানুহ গাৱত বাস কৰা হেতুকে এই পৰীক্ষাৰ যোগেদি ৰাজ্যখনৰ গৰিষ্ঠ সংখ্যক নিবনুৱা যুৱক-যুৱতী, যি সকলে গাৱত বাস কৰে, তেওঁলোকক বঞ্চিত কৰাৰ পথ প্ৰশস্ত কৰা নহ'বনে? যদি হয়, তেন্তে সমষ্টি ভিত্তিক খালী পদৰ বিপৰীতে এই পৰীক্ষা সমষ্টি ভিত্তিক অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰিবনে?

ডঃ হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) শিক্ষকৰ যোগ্যতা নিৰূপণ পৰীক্ষাৰ প্ৰতিখন আবেদন পত্ৰৰ বাবে ৩৫০.০০ টকা মাছুল হিচাপে সৰ্ব্বমুঠ ১১,৬৩,৩২,২০০.০০ টকা সংগৃহীত হৈছে। টেট পৰীক্ষাত অৰ্হতা লাভ কৰা মুঠ পৰীক্ষাৰ্থীৰ ওপৰত নিৰ্ভৰ কৰি চৰকাৰে পদৰ সংখ্যা নিৰূপণ কৰিব।

(খ) কেন্দ্রীয় চৰকাৰে সৰ্বভাৰতীয় পৰ্যায়ত Central TET ৰ বাবে নিৰ্দ্ধাৰণ কৰা আবেদন পত্ৰৰ মাচুল ৫০০/- টকাৰ পৰিবৰ্তে অসমৰ দৰিদ্ৰ শিক্ষিত নিৰনুৱা যুৱক-যুৱতী সকলৰ ওপৰত পৰিব পৰা আৰ্থিক হেঁচাৰ প্ৰতি লক্ষ্য ৰাখি এই পৰীক্ষাৰ Empower Committee য়ে ৩৫০/- টকালৈ হ্ৰাস কৰে। এই মাচুলৰ ভিতৰত পৰীক্ষাৰ্থীৰ আবেদন পত্ৰ জমা দিয়াৰ ডাক মাচুলো অন্তৰ্ভুক্ত কৰা আছে। TET পৰীক্ষা বাবদ চৰকাৰে কোনো খৰছ বহন নকৰে। পৰীক্ষাটো Empower Committee ৰ নিজৰ উপাৰ্জিত আয়ৰ দ্বাৰা চলাব লাগে। অনাগত দিনবোৰত এই মাচুল সম্পৰ্কত চৰকাৰে সময়ত সিদ্ধান্ত গ্ৰহণ কৰিব।

(গ) হোৱা নাই। Empower Committee ৰ সিদ্ধান্ত মৰ্মে কাঠ পেঞ্চিলৰ সলনি Ball point pen ৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) নগৰাঞ্চল আৰু গ্ৰাম্যাঞ্চলৰ ব্যৱধান নাবাখি সমগ্ৰ অসমতে এই পৰীক্ষাটো উমৈহতীয়া ভাৱে চলোৱাৰ বাবে প্ৰস্তুতি চলি আছে। উপযুক্ত শিক্ষক নিযুক্তি নহলে আমাৰ ভবিষ্যত প্ৰজন্মও পিছ পৰি থাকিব আৰু নগৰ আৰু গাৱৰ শৈক্ষিক পাৰ্থক্য কেতিয়াও দুৰ কৰিব পৰা নাযাব। গাৱৰ ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যতৰ বাবেই গুণগত আৰু উচ্চ মানদণ্ডৰ শিক্ষকৰ প্ৰয়োজনীয়তা আছে।

Mr. Speaker : Now, Short Notice Question No. 80, Hon'ble Member, Shri Sherman Ali Ahmed.

Sub : Assam Forest Service Rule.

Shri Sherman Ali Ahmed asked:

80. Will the Minister of Environment and Forests be pleased to state :

(a) Is it a fact that the Forest Rangers of the Department of

Environment of Forests are accorded class-I gazetted status vide Govt. Circular No. FRE.112/2005/19, dated 30-11-05?

(b) Is it also a fact that Assam Forest Service (Class-I) has been restructured incorporating Forest Ranger into it is as class-I Junior Grade?

(c) Is it true that although Forest Ranger had been accorded Class-I Gazetted status, they have not been provided with befetting pay-structure as yet? (If yes, the reasons there of may please be stated).

(d) Is it true that Assam Forest Service, a premier service under the Govt. of Assam, since pre-independence period, is being regulated by the age old & obsolete "Assam Forest Service (Class-I) Rules, 1942"?

(e) Is it also true that the Revision Committee on Assam Forest Manual was entrusted with the task of revising the existing Assam Forest Service, (Class I) Rules, 1942 long back in 1987?

(f) If so, whether the Assam Forest Service (Class I) Rules, 1942 has been revised & notified?

(g) If not, why the same has not been revised even after a lapse of 24 years? The reasons there of, in details, may please be stated.

(h) Is it a fact that a draf/service Rules in the names and style of "Assam Forest Service (Class I) Rules, 2006" which was later on renamed as AFS (Cl.I) Rules, 2010 in pursuance of Govt. Notification no. FRE.-42/79/156, dated 18-08-87,

Govt. circular No. FRE.112/2005/19 dtd. 30-11-2005 and Govt. Notification No. FRE.9/2001/Pt/92 dt. 14-06-2010 was almost in the final stage for Notification after the same had been concurred by personnel Department, APSC, Judicial Department etc.

(i) Is it also a fact that as many as 77 nos. of Forest Rangers were promoted to the rank of ACF on the basis of Rule 10(6) of the said Draft Service rule, 2006 in 2009?

(j) Is it also true that the said Draft Service rule has been turned down all of a sudden i.e. 2011 merely because the PCCF, Assam had raised objection about the same? If so, the reasons thereof may please be stated.

(k) Is it true a new service Rule in the name & style of " The Confined Assam Forest Service Rules" is now under process?

(l) Is it also true that the post of Forest Ranger has been taken out of the fold of "Assam Forest Service" in the said a new service Rule under process in violation of Govt. Notification No. FRE.42/79/156 dated 18/08/87. Govt. circular No. FRE.112/2005/19 dated 30/11/05 and Govt. Notification No. FRE.9/2001/Pt./92 dated 14/06/2010? If so, the reasons, thereof may please be stated.

Sri Rockybul Hussain (Minister of Environment & Forests) replied :

(a) The Circular No. FRE.112/2005/19 dated 30/11/2005 has been issued conferring Class-I gazetted status to Forest

Rangers without giving them the benefit in the ROP. The Government has concluded that the circular has been issued without following the due process of law and are ab initio void. The leave of the Hon'ble High Court has been sought to cancel above Notification.

(b) A circular was issued to classify/restructure, the Assam Forest Service (Class I) vide No. FRE.9/2001/83 dated 08/02/2006. The Government has concluded that this circular too has been issued without following the due process of law.

(c) As stated in (a) and (b) above. The Forest Rangers have been classified under group-B category in the present ROP. The concept of Class-I & Class- II and Gazetted Officers are abolished after the adoption of 6th Pay Commission report.

(d) The Assam forest Service is governed by the Assam Forest Service (Class-I) Rule which came into existence in 1942.

(e) Yes.

(f) The committee as mentioned in the Notification vide No. FRE.42/79/156 dated 18/08/1987 did not submit any draft within the period of its validity.

(g) The revision of Rules is under process in accordance with the Constitutional provision of late, the process of revision is delayed because of various Court cases filed by the Forest Rangers and Assam Forest Ranger's Association.

(h) It is not true that any draft was in the final stage of Notification because no draft can be said in final stage of

Notification unless it has been passed by the Cabinet/ Assembly.

(i) 77 nos. of Forest Rangers were promoted to the rank of ACF by wrongly quoting draft Service Rule for which the Accountant General Assam refused to issue pay slips to the Assistant Conservator of Forest promoted on the basis of Draft Service Rule and accordingly a Corrigendum has been issued vide Govt. of Assam, Environment & Forest Department's No. FRE.110/2005/152 dated 09/09/2011. The Corrigendum has been challenged by the Assam Forest Ranger's Association by filing W.P.(C) No. 5126/2011 in Hon'ble Gauhati High Court. The Hon'ble High Court has ordered for status quo and hence, the matter is sub-judice.

(j) It is not true.

(k) The Environment and Forest Department is in the process of drafting the Rules.

(l) The Rules are in the drafting stage by the Department.

Mr. Speaker : Now, Short Notice Question No. 81. Hon'ble Member, Shri Sherman Ali Ahmed.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৮১।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

৮১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বাঘবৰ সমষ্টিৰ অন্তৰ্গত বৰদলনী উপ-স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণৰ বাবে কেতিয়া আৰু কিমান টকা মঞ্জুৰ কৰা হৈছিল?

(খ) উক্ত উপ-স্বাস্থ্য কেন্দ্র নির্মাণত বিলম্ব হোৱাৰ বিতং তথ্য জনাবনে?

(গ) উক্ত উপ-স্বাস্থ্য কেন্দ্রৰ স্থান নির্দ্ধাৰণ সম্পর্কে বৰদলনী অঞ্চলৰ সমূহ ৰাইজ তথা স্থানীয় বিধায়কৰ আবেদনক উপেক্ষা কৰি ঠিকাদাৰ আৰু বিষয়া সকলে মইমতালী ভাৱে যোগাযোগ বিচিন্ন আৰু ভেলেঙী নদীৰ খহনীয়া প্ৰৱণ এটি অতি আওঁহতীয়া অঞ্চলত ভেলেঙী নদীৰ নিচেই কাষত উক্ত উপ-স্বাস্থ্য কেন্দ্রটো নির্মাণৰ উদ্যোগ লোৱা সম্পর্কে চৰকাৰ অৱগতনে? যদি অৱগত, তেন্তে ঠিকাদাৰ আৰু এই নির্মাণ কার্য্যৰ লগত জড়িত বিষয়া সকলৰ বিৰুদ্ধে উপযুক্ত শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰিবনে?

(ঘ) ৰাইজৰ অভিযোগ তথা স্থানীয় বিধায়কৰ অনুৰোধমর্মে স্থানীয় মহকুমা স্বাস্থ্য বিষয়াজনে উপৰোক্ত উপ-স্বাস্থ্য কেন্দ্রৰ নির্মাণ কার্য্য আৰম্ভ হোৱাৰ দিনাই (২৫-৫-২০১১ ইং) ঠিকাদাৰ জনক ৰাইজৰ মতৰ বিপৰীতে গৈ উক্ত বিতর্কিত স্থানত উপ-স্বাস্থ্য কেন্দ্রটো নির্মাণ কৰিবলৈ নিষেধ কৰিছেনে? যদি কৰিছিল তেন্তে স্থানীয় স্বাস্থ্য বিষয়াৰ নিষেধকো আওঁকাণ কৰি কাৰ নির্দেশত আৰু কেনেকৈ উক্ত উপ-স্বাস্থ্য কেন্দ্রৰ নির্মাণ কার্য্য চলাই নিবলৈ দিয়া হৈছিল? এই ক্ষেত্রত দোষী ব্যক্তিৰ বিৰুদ্ধে চৰকাৰে উপযুক্ত শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰিবনে?

(ঙ) উক্ত উপ-স্বাস্থ্যকেন্দ্রৰ স্থান নির্দ্ধাৰণ সম্পর্কে ডঃ গুণজিত পটোৱাৰীয়ে ভুল তথ্য সম্বলিত প্রতিবেদন দাখিল কৰি উর্ধতন কতৃপক্ষক ভুলপথে পৰিচালিত কৰা সত্যনে? যদি সত্য, তেন্তে ভুলতথ্যৰে কতৃপক্ষক বিপথে পৰিচালিত কৰা তথা বিতর্কিত স্থানত উক্ত-স্বাস্থ্যকেন্দ্র নির্মাণৰ নামত চৰকাৰী ধন অপচয় কৰা বাবে উক্ত ডঃ পাটোৱাৰীৰ বিৰুদ্ধে উপযুক্ত শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰিবনে?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বাঘবৰ সমষ্টিৰ অন্তর্গত বৰদলনী উপ-স্বাস্থ্য কেন্দ্রৰ নির্মাণৰ কাম ২০১০-

১১ বৰ্ষত লোৱা হৈছিল আৰু উপ-স্বাস্থ্য কেন্দ্রটোত ৮.৬৩ লাখ টকা মঞ্জুৰ কৰা হৈছিল NRHM, Assam ৰ পৰা।

(খ) উপ-স্বাস্থ্য কেন্দ্রটো ২০% নির্মাণ কার্য্যৰ সম্পূর্ণ হোৱাৰ পিছতে স্থানীয় বিধায়কে কামটো বন্ধ কৰিছিল। আৰু কামটো বন্ধ কৰাৰ পিছত ঠিকাদাৰজনে Joint Director of Health Services, Barpeta লৈকে আবেদন কৰিছিল উক্ত বন্ধ কৰা কামটোৰ বিষয়ে। তাৰ পিছত Joint Director of Health Services, Barpeta য়ে বিভাগীয় তদন্ত কৰি উপায়ুক্তৰ আদেশ মর্মে কামটো পুনৰ আৰম্ভ কৰায় (চিঠি নং JDHSB/SS/BAR/10/2011/2426, dtd. 20th July, 2011) আৰু কামটো ৩৫% সম্পূর্ণ হোৱাৰ পিছত একাংশ ৰাইজে ৩১-৭-২০১১ তাৰিখে নির্মিত ঘৰটো ভাঙি দিয়ে আৰু এতিয়ালৈকে ঘৰটো ভগ্ন অৱস্থাত আছে।

(গ) উপ-স্বাস্থ্য কেন্দ্রটোৰ স্থান/নির্দ্ধাৰণৰ ক্ষেত্রত সমূহ সচেতন ৰাইজ আৰু মন্দিয়া প্রাথমিক স্বাস্থ্য কেন্দ্রৰ ভাৰপ্রাপ্ত বিষয়াৰ লগত আলোচনা মর্মে সিদ্ধান্ত লোৱা হৈছিল আৰু নির্মাণ কার্য্য আৰম্ভ কৰা হৈছিল। স্থানটো যদিও ভেলেঙ্গী নদীৰ দাঁতিকাষৰীয়া কিছুমান অন্যান্য সুবিধাৰ প্রতি লক্ষ্য ৰাখি উক্ত স্থানটো উপযুক্ত বুলি ধার্য্য কৰা হৈছিল। বিতং তথ্য স্থানীয় ভাবে কৰা তদন্ত প্রতিবেদন প্র-পত্র ক'ত সংলগ্ন কৰি দিয়া হ'ল। তদুপৰি জিলা পৰিষদৰ সদস্যৰ আবেদন মর্মে ঠাই ডোখৰ খহনীয়া প্রৱণ নহয় আৰু দাঁতিকাষৰীয়া নদীখন খৰশ্রোতা নহয় আৰু উক্ত স্থানত বাঁহৰ Spar প্রদানৰ প্রতিশ্রুতি দিয়ে।

(ঘ) মন্দিয়া প্রাথমিক স্বাস্থ্য কেন্দ্রৰ মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়াই উপ-স্বাস্থ্য কেন্দ্রটেৰ নির্মাণ কার্য্য কৰিবলৈ কোনো ধৰণৰ নিষেধ কৰা নাছিল।

(ঙ) সত্য নহয়, প্রযোজ্য নহয়।

Mr. Speaker : Now, Short Notice Question No. 82, Hon'ble Member, Shri Sherman Ali Ahmed.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং চ২৭ ঃ

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

চ২৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ প্ৰতিটো খণ্ড উন্নয়ন কাৰ্য্যালয়ে কিমানটা গাওঁ পঞ্চায়ত আৰু কিমান জনসংখ্যা সামৰি লৈছে, Block Dev. Office wise ৰিতং তথ্য সদনত দাখিল কৰিবনে?

(খ) মন্দিয়া খণ্ড উন্নয়ন কাৰ্য্যালয়ে সামৰি লোৱা পঞ্চায়তৰ সংখ্যা (২৭ খন) আৰু জনসংখ্যা (২০০১ ইং চনৰ লোকপিয়ল অনুসৰি ২,১৮,৬৫৭ জন) তথা চৰাঞ্চলৰ আহুকলীয়া যাতায়ত ব্যৱস্থালৈ লক্ষ্য ৰাখি মন্দিয়া খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ অধীনস্থ চৰাঞ্চলৰ পাচোঁখন গাওঁ পঞ্চায়ত ক্ৰমে আলোপতি মাজৰচৰ, বাঘমাৰা, ধৰ্মপুৰ-ভাতনাপাইতি, কদমতলা ছয়সীমানা আৰু উজীৰবচৰ গাওঁ পঞ্চায়তক সামৰি বাঘমাৰা বজাৰত এটি নতুন খণ্ড উন্নয়ন কাৰ্য্যালয় স্থাপন কৰি দীৰ্ঘদিনীয়া সমস্যা এটিৰ অচিৰে সমাধান কৰিবনে?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ প্ৰতিটো উন্নয়ন খণ্ডই সামৰি লোৱা গাওঁ পঞ্চায়ত আৰু জনসংখ্যাৰ ৰিতং তথ্য Annexure- 'A' ত গাঠি দিয়া হ'ল।

(খ) আবেদন পালে চৰকাৰে বিচাৰ-বিবেচনা কৰিব।

Mr. Speaker : Now, Short Notice Question No. 83. Hon'ble Member, Shri Sherman Ali Ahmed.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৮৩।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

৮৩। মাননীয় সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বৰ্তমানৰ ৱাকফ্ (Wakf) সমিতিখন কেতিয়া গঠন হৈছিল আৰু ইয়াৰ কাৰ্য্যকাল কিমান? বৰ্তমানৰ ৱাকফ্ সমিতি গঠনৰ বাবে জাৰি কৰা চৰকাৰী জননীখনৰ প্ৰতিলিপি সদনৰ মজিয়াত দাখিল কৰিব)।

(খ) বৰ্তমানৰ ৱাকফ্ সমিতিখনৰ সভাপতি আৰু সদস্য সমন্বিতে পূৰ্ণ তালিকাখন সদনৰ মজিয়াত দাখিল কৰিবনে?

(গ) বৰ্তমান বিধান সভাৰ সদস্য নোহোৱা সত্তেও জনীয়াৰ প্ৰাক্তন বিধায়ক আব্দুল খালেকে ২০১১ চনৰ মে মাহৰ পৰা বৰ্তমানলৈ নীতি-বহিৰ্ভূত ভাৱে সমিতি খনৰ সভাপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰি থকা কথাটো সত্যনে? যদি সত্য, কোন নিয়ম আইনৰ অধীনত আব্দুল খালেকক সমিতিখনৰ সভাপতিৰূপে কাৰ্য্যনিৰ্বাহ কৰিবলৈ কতৃত্ব প্ৰদান কৰা হৈছে, বিতং তথ্য সদনৰ সজিয়াত দাখিল কৰিবনে?

(ঘ) ম্যাদ উকলি যোৱা সমিতি খন চৰকাৰে অতি সোনকালে পূনৰ গঠন কৰিবনে, যদি কৰে, কিমান দিনৰ ভিতৰত কৰিব তাৰ নিদিষ্ট সময় সীমা সদনৰ মজিয়াত দাখিল কৰিবনে?

(ঙ) যোৱা তিনিটা বিত্তীয় বৰ্ষত ২০০৮-০৯,২০০৯-১০, ২০১০-১১ সমিতি খনলৈ কিমান চৰকাৰী ধন আবন্টন দিয়া হৈছিল আৰু সেই ধনৰাশি কোন শিতানত কি কি কামৰ বাবে খৰচ কৰা হ'ল আৰু প্ৰতিটো কামৰ বৰ্তমানলৈ হোৱা অগ্ৰগতি সম্পৰ্কে বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

ডাঃ নজৰুল ইছলাম (সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ বৰ্তমানৰ ৱাকফ্ (Wakf) সমিতিখন যোৱা ২০০৭ চনৰ ২ এপ্রিলৰ চৰকাৰী জাননী নং WMD.71/99/210 মৰ্মে ৫ বছৰ কাৰ্য্যকালৰ বাবে গঠন কৰা হৈছিল। (চৰকাৰী জাননীৰ প্রতিলিপি ইয়াৰ লগত গাঁঠি দিয়া হল)

(খ) বৰ্তমানৰ ৱাকফ্ সমিতিখনৰ সভাপতি ও সদস্য সকলৰ নাম তলত দিয়া হ'ল ঃ

১.	জোনাব আব্দুল খালেক	—	সভাপতি
২.	জোনাব আজিজুল বাৰী চৌধুৰী, অধিবক্তা	—	সদস্য
৩.	জোনাব আকদাছ আলী মীৰ, মোতাৱাল্লী	—	সদস্য
৪.	জোনাব জাকিৰ হুছেইন, সম্পাদক, অসম ৱাজ্যিক সংখ্যালঘু সমিতি	—	সদস্য
৫.	মৌলানা আব্দুল হামিদ	—	সদস্য
৬.	উপ-সচিব, অসম চৰকাৰৰ সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগ	—	সদস্য
৭.	জোনাব আনোৱাৰ হুছেইন, প্রাক্তন সাংসদ	—	জোনাব আনোৱাৰ হুছেইন বৰ্তমান বোৰ্ডৰ সদস্য আছিল যদিও যোৱা লোকসভা নিৰ্বাচনত জয়ী হব নোৱাৰিলে আৰু তেওঁৰ স্থানত নতুন সদস্য নিযুক্ত হোৱা নাই।

(গ) সত্য। অসম ৱাকফ্ এক্টৰ ১৯ নং ধাৰা অনুযায়ী অসম চৰকাৰৰ সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ যোৱা ২৯ জুন, ২০১১ তাৰিখৰ জাননী (Notification) নং WMD. 11/06/Pt/127 অনুযায়ী জোনাব আব্দুল খালেক, প্ৰাক্তন বিধায়ক, জনীয়া সমষ্টি, বোৰ্ডৰ সভাপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছে। (চৰকাৰী জাননীৰ প্ৰতিলিপি ইয়াৰ লগত গাঁঠি দিয়া হ'ল)

(ঘ) বৰ্তমান সমিতিখনৰ কাৰ্য্যকাল অহা ২ এপ্ৰিল, ২০১২ তাৰিখে শেষ হ'ব। নতুন সমিতি গঠনৰ বাবে অসম বোৰ্ড অফ্ ৱাকফ্ কাৰ্য্যালয়ৰ ২১-১১-২০১১ তাৰিখৰ চিঠি নং ABW. II-63/2011/201 যোগে চৰকাৰৰ সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগক অনুৰোধ কৰা হৈছে।

(চিঠিৰ প্ৰতিলিপি ইয়াৰ লগত গাঁঠি দিয়া হ'ল)

(ঙ) যোৱা তিনিটা বৰ্ষত চৰকাৰে আবন্টন দিয়া ধনৰ পৰিমাণ ঃ

বৰ্ষ	আবন্টিত ধনৰ পৰিমাণ
১। ২০০৮-০৯	২৫.০০ লাখ
২। ২০০৯-১০	২৫.০০ লাখ
৩। ২০১০-১১	এই বৰ্ষত আবন্টিত ধনৰ পৰিমাণ ২৫.২৫ লাখ আছিল যদিও বোৰ্ডে মোকলাই আনিবলৈ সক্ষম নহল, কাৰণ হিচাপ পৰীক্ষকৰ প্ৰতিবেদন সময়ত পোৱা নগল তদুপৰি যোৱা সাধাৰণ নিৰ্বাচনৰ নিৰ্বাচনী বিধি যোৱা ১ মাৰ্চ, ২০১১ তাৰিখৰ পৰা প্ৰযোজ্য হোৱাত ধনৰাশি মোকলাই আনিব পৰা নগল।

ওপৰত উল্লেখ কৰা ধনৰাশি বোৰ্ডৰ কৰ্মচাৰীৰ বেতন আৰু কার্য্যালয়ৰ যাৱতীয় খৰছৰ বাবদ খৰছ হয়।

Mr. Speaker : Now, Short Notice Question No. 84, Hon'ble Member, Shri Sherman Ali Ahmed.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

৮৪। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১১ ইং চনৰ ফেব্ৰুৱাৰী মাহত বাঘবৰ সমষ্টিৰ অন্তৰ্গত আলোপাতি চৰত অনুষ্ঠিত এক জন সভাত মাননীয় মন্ত্ৰী মহোদয়ে বাঘবৰ সমষ্টিৰ চৰাঞ্চলত বৈদ্যুতিকৰণৰ বাবে জনসাধাৰণক আশ্বাস দিয়াটো সত্যনে?

(খ) যদি সত্য, মাননীয় মন্ত্ৰী মহোদয়ে উক্ত আশ্বাস কার্য্যত পৰিণত কৰিবনে? যদি কৰে, কেতিয়া আৰু কিমান দিনৰ ভিতৰত কার্য্যকৰী কৰিব জনাবনে?

(গ) চৰাঞ্চলত বৈদ্যুতিকৰণৰ বাবে প্ৰয়োজনীয় টাৱাৰ লাইন (Tower line) ৰ বাবে পর্য্যাপ্ত ধন আৱন্টন দিয়া হৈছেনে? যদি হোৱা নাই, মাননীয় মন্ত্ৰী মহোদয়ে নিজে দিয়া আশ্বাস কার্য্যকৰী কৰিবলৈ অতি শীঘ্ৰে পর্য্যাপ্ত ধন আৱন্টন দিবনে?

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (বিদ্যুৎ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সত্য।

(খ) আলোপতি চৰক Grid Connectivity দিবৰ বাবে প্ৰাক্কলন (Estimate) তৈয়াৰ কৰি বিস্তৃত প্ৰকল্প প্ৰতিবেদন RECL ৰ মাধ্যমেৰে

ভাৰত চৰকাৰৰ শক্তি মন্ত্রালয়ৰ ওচৰত দাখিল কৰা হৈছে। অনুমোদন পালেই এবছৰৰ ভিতৰত কাম শেষ কৰা হব।

(গ) বৰ্তমানলৈ দিয়া হোৱা নাই। প্রকল্প অনুমোদন হলেই গ্রাম্য বৈদ্যুতিকৰণ নিগমে ধন আৱন্টন দিব।

Mr. Speaker : Now, Short Notice Question No. 85. Hon'ble Member, Shri Sherman Ali Ahmed.

বিষয় ঃ বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ নিযুক্তি সন্দর্ভত।

শ্রীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

৮৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ত নিয়োজিত বিষয়া, ডাক্তৰ, নার্চ আৰু তৃতীয় তথা চতুর্থ শ্রেণীৰ কর্মচাৰীৰ সম্পূর্ণ তালিকাখন সদনত দাখিল কৰিবনে?

(খ) ধর্মীয় আৰু ভাষিক সংখ্যালঘু চাকৰিয়ালৰ সংখ্যা আৰু অনুপাত অনুগ্রহ কৰি জনাবনে?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ত নিয়োজিত বিষয়া, ডাক্তৰ, নার্চ, তৃতীয় আৰু চতুর্থ শ্রেণীৰ কর্মচাৰীৰ বিস্তৃত তালিকা (Annexure- I, II, III আৰু IV) ত সংলগ্ন কৰি সদনৰ মজিয়াত দাখিল কৰা হৈছে।

(খ) উত্তৰ (ক) অনুসৰি। চৰকাৰে ধৰ্মীয় বা ভাষিক সংখ্যালঘু হিচাবে নিয়োগ নকৰে। মাত্ৰ অনুসূচীত জাতি, জনজাতি আৰু O.B.C ৰ বাবেহে সংৰক্ষণৰ ব্যৱস্থা আছে।

Mr. Speaker : Now, Short Notice Question No. 86. Hon'ble Member, Shri Sherman Ali Ahmed.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ঃ ৮৬।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

৮৬। মাননীয় পাৰ্চনেল বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বাঘবৰ সমষ্টিত অৱস্থিত বিভিন্ন চৰকাৰী কাৰ্য্যালয়ৰ মূৰব্বী বিষয়াকে আদি কৰি বিভিন্ন বিষয়া-কৰ্মচাৰীৰ স্থায়ী নিযুক্তি নোহোৱা সম্পৰ্কে চৰকাৰ অৱগতনে?

(খ) উক্ত বিষয়া-কৰ্মচাৰীৰ স্থায়ী নিযুক্তি নোহোৱাত বিভিন্ন চৰকাৰী উন্নয়নমূলক কাম-কাজ স্থবিৰ হৈ পৰাৰ বিষয়ে চৰকাৰ অৱগতনে?

(গ) যদি অৱগত, উক্ত বিষয়া-কৰ্মচাৰী সকলক অতিশ্ৰীঘ্ৰে স্থায়ী নিযুক্তি দি চৰকাৰী উন্নয়নমূলক কাম-কাজ খৰতকীয়া কৰিবনে?

শ্ৰীপৃথিৰী মাঝি (ৰাজহ আৰু দুৰ্য্যোগ প্ৰশমন আদি বিভাগৰ মাননীয় মন্ত্ৰী)য়ে মুখ্যমন্ত্ৰী, শ্ৰীতৰুণ গগৈ দেৱৰ হৈ উত্তৰ দিছে ঃ

(ক) বাঘবৰ সমষ্টিত অৱস্থিত কোনো কোনো চৰকাৰী কাৰ্য্যালয়ত বিষয়া-কৰ্মচাৰী নিযুক্তি নোহোৱা বিষয়ে চৰকাৰ অৱগত।

(খ) বিভিন্ন চৰকাৰী উন্নয়নমূলক কাম-কাজ স্থবিৰ হৈ পৰাৰ বিষয়ে চৰকাৰ অৱগত নহয়।

(গ) প্ৰশ্ন নুঠে।

Mr. Speaker : Now, Short Notice Question No. 87. Hon'ble Member, Shri Sherman Ali Ahmed.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

৮৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাত্ৰাধিক যান-বাহন চলাচলৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী- হাজো- দৌলাশাল-বৰপেটা ৰাস্তাটো অতি সোনকালে Double laning কৰাৰ ব্যৱস্থা কৰিবনে?

(খ) উক্ত ৰাস্তাটোত মুঠ কিমানটা Speed breaker আছে?

(গ) উক্ত Speed breaker সমূহ Indian Road Congress ৰ Specification মতে হৈছেনে?

(ঘ) যদি হোৱা নাই, চৰকাৰে অনতি পলমে বিহীত ব্যৱস্থা লবনে?

শ্ৰীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটী-হাজো-দৌলাশাল-বৰপেটা পথটো Double lane কৰাৰ বাবে আঁচনি ইতিমধ্যে লোৱা হৈছে।

(খ) উক্ত পথটোত মুঠতে ৫৭ টা Speed breaker আছে।

(গ) Speed breaker সাধাৰণতে IRC Specification মতে নিৰ্মাণ কৰা হয়। কিন্তু কিছুমান স্থানত ৰাইজ তথা বিভিন্ন সংগঠনৰ জোৰদাৰ দাবী অনুসৰি Speed Breaker দিব লগা হয়।

(ঘ) বিভাগীয় কাৰ্যবাহী অভিযন্তাক উক্ত পথত থকা Speed breaker সমূহ নিৰীক্ষণ কৰি IRC Specification অনুসৰি নিৰ্মাণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

Mr. Speaker : Now, Short Notice Question No. 88, Hon'ble Member, Shri Prasanta Phookan.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

৮৮। মাননীয় হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ ৰেচম বিভাগে তিতাবৰত থকা ৰেচম মহাবিদ্যালয়ত নিবনুৱা স্নাতক সকলক কোন চনৰ পৰা ৰেচমৰ উন্নতিকল্পে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছিল আৰু চৰকাৰে এই প্ৰশিক্ষণ ব্যৱস্থাটো কোন চনত প্ৰত্যাহাৰ কৰিছিল?

(খ) ৰেচম বিভাগত প্ৰশিক্ষণ লোৱা নিবনুৱা স্নাতকৰ সংখ্যা বৰ্তমান কিমান?

(গ) ইতিমধ্যে বয়সৰ সীমা ৩৮ বছৰ অতিক্ৰম কৰা ৰেচম প্ৰশিক্ষিত স্নাতক নিবনুৱা সকলক মানৱীয়তাৰ খাতিৰত অতিশীঘ্ৰে মকৰলৰ ব্যৱস্থা ল'বনে? এনেকুৱা প্ৰশিক্ষিত স্নাতক নিবনুৱাৰ সংখ্যা কিমান?

(ঘ) বৰ্তমানৰ চৰকাৰে ৰেচমৰ উন্নতিকল্পে কি কি উন্নয়নমুখী আঁচনি ৰূপায়ণৰ ব্যৱস্থা লৈছে?

শ্ৰীমতী প্ৰণতি ফুকন (হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰৰ ৰেচম বিভাগৰ অধীনত তিতাবৰত কোনো ৰেচম মহাবিদ্যালয় নাই। ইয়াত থকা ৰেচম প্ৰশিক্ষণ প্ৰতিষ্ঠানত স্নাতক নহয়, প্ৰৱেশিকা/ উচ্চতৰ মাধ্যমিক পৰীক্ষা (বিজ্ঞান শাখা) উত্তীৰ্ণ যুৱক- যুৱতী সকলকহে ১৯৫৬

চনৰ পৰা ৰেচম উন্নতিকল্পে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছিল। চৰকাৰে এই ব্যৱস্থা প্ৰত্যাহাৰ কৰা নাই। ইয়াত উল্লেখ কৰিব পাৰি যে উক্ত প্ৰতিষ্ঠানত ১৯৫৬ চনৰ পৰা ১৯৫৮ চনলৈকে ইণ্টাৰমেডিয়েট (বিজ্ঞান) উত্তীৰ্ণ হোৱা প্ৰাৰ্থীক ৰেচমৰ ডিপ্লোমা পাঠ্যক্ৰমৰ ১৮ মাহৰ প্ৰশিক্ষণ দিয়া হৈছিল। বৰ্তমান উক্ত প্ৰশিক্ষণ ব্যাহত হৈ আছে।

(খ) ৰেচম বিভাগত এবছৰীয়া প্ৰশিক্ষণ প্ৰাপ্ত প্ৰশিক্ষাৰ্থীৰ ৪৮৯ জন বৰ্তমানলৈ নিবনুৱা হৈ আছে।

(গ) বিভাগীয় নীতি নিৰ্দেশনাৰ ভিত্তিত বিষয়টো পৰীক্ষা কৰি চোৱা হ'ব। ৩৮ বছৰ অতিক্ৰম কৰা প্ৰশিক্ষিত নিবনুৱাৰ নিৰ্দিষ্ট পৰিসংখ্যা বিভাগত নাই।

(ঘ) বৰ্তমান চৰকাৰে ৰেচম বিভাগৰ উন্নয়নকল্পে কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰিকল্পনা শিতানৰ অধীনত ৰূপায়ণ কৰা আঁচনিসমূহ তলত উল্লেখ কৰা হ'ল ঃ

১) পলুৰ খাদ্যবৃক্ষ বৰ্ধিতকৰণ আঁচনি।

২) পলু পোহাৰ গৃহ নিৰ্মাণ আৰু সাঁ-সজুলি যোগান।

৩) মহিলাসকলৰ স্বাস্থ্য বীমা আঁচনি।

৪) ব্যক্তিগত খণ্ডত সঁচ উৎপাদন ব্যৱস্থা।

৫) ৰেহাই মূল্যত সূতাকটা যন্ত্ৰ যোগানৰ ব্যৱস্থা।

৬) আৰ্থিকভাৱে দুৰ্বল পলুপালকলৈ আৰ্থিক অনুদান।

৭) NABARD অধীনৰ RIDF (Rural Infrastructure Development Fund) ৰ যোগেদি অসমত থকা ৰেচম পাঁমসমূহৰ আধুনিকীকৰণৰ ব্যৱস্থা।

Mr. Speaker : Now, Short Notice Question No. 89, Hon'ble Member, Shri Sherman Ali Ahmed.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

৮৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে কোন শিক্ষাবৰ্ষৰ পৰা কলেজত থকা উচ্চতৰ মাধ্যমিক শ্ৰেণী দুটা পৃথক কৰিব?

(খ) মন্দিয়া আঞ্চলিক কলেজৰ উচ্চতৰ মাধ্যমিক (কলা) শাখাত অধ্যয়ন কৰি থকা ৪০০ (চাৰিশ) ছাত্ৰ-ছাত্ৰীৰ পঢ়াশুনাৰ সুবিধাৰ্থে চৰকাৰে মন্দিয়া উচ্চতৰ মাধ্যমিক (বিজ্ঞান) বিদ্যালয়, মন্দিয়া ছোৱালী হাইস্কুল আৰু বাঘবৰ হাইস্কুলক উচ্চতৰ মাধ্যমিক (কলা) শাখালৈ উন্নীত কৰিবনে?

ডঃ হিমন্ত বিশ্ব শৰ্মা (উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) বিষয়টো ৰাজ্য চৰকাৰৰ সিদ্ধান্ত (Policy) ৰ ওপৰত নিৰ্ভৰ হব।

Mr. Speaker : Now, Short Notice Question No. 90, Hon'ble Member, Shri Sherman Ali Ahmed.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৯০।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

৯০। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বাঘবৰ সমষ্টিৰ পশ্চিম মন্দিয়া, বাঘবৰ আৰু ফুলৰা চতলা গাওঁ পঞ্চায়ত

সমবায় সমিতি সমূহৰ মুঠ ১৫,৩২১ জন হিতাধিকাৰীৰ নামত বিভাগীয় পঞ্জীয়নকৃত ছাৱ-হ'লছেলাৰ জনৈক হীৰেণ দাসে প্ৰতি মাহে ৬৮,১৫৭ লিটাৰ কেৰাচিন তেল বিতৰণৰ বাবে লাভ কৰাটো সচানে?

(খ) উক্ত ছাৱ-হ'লছেলাৰজনে ১৪ জন ৰিটেইলাৰ আৰু বাক-কনজিউমাৰৰ (Bulk consumer) নামত প্ৰায় ৪,৫৭৪ লিটাৰ সুলভ মূল্যৰ কেৰাচিন বিতৰণৰ বাবে পায়নে?

(গ) উক্ত ছাৱ-হ'লছেলাৰজনে উল্লেখিত সমবায় সমিতিসমূহক নিৰ্ধাৰিত কোটাতকৈ প্ৰতি মাহে ১৭ হাজাৰ লিটাৰ কেৰাচিন তেল কমকৈ দি ক'লা বজাৰত বিক্ৰী কৰাটো সচানে? তেওঁ ৰিটেইলাৰ আৰু বাক-কনজিউমাৰৰ কোটাৰ তেল বিতৰণতো দুৰ্নীতিৰ আশ্ৰয় লোৱাটো সঁচানে?

(ঘ) যদি সঁচা নহয়, ২০১১ চনৰ জালুকবাৰীৰ পৰা নবেম্বৰ মাহলৈ উল্লেখিত সমবায় সমিতিৰ ১৪ জন ৰিটেইলাৰ আৰু বাক-কনজিউমাৰক প্ৰতিমাহে কিমান লিটাৰকৈ তেল দিয়া হৈছে জনাবনে?

(ঙ) বিষয়টো তদন্ত কৰি ছাৱ-হ'লছেলাৰ জনৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সচা নহয়। বাঘবৰ সমষ্টিৰ পশ্চিম মন্দিয়া বাঘবৰ আৰু ফুলৰা চতলা সমবায় সমিতিৰ মুঠ ১৫,৩১৯ টা পৰিয়ালৰ নামত ছাৱ-হ'লছেলাৰ (Sub Wholesaller) হীৰেনদীপ দাসে যোৱা জুন, ২০১১ মাহত সৰ্বমুঠ ৬৩,৪২৮ লিটাৰ কেৰাচিনতেল বিতৰণৰ বাবে লাভ কৰিছিল।

উক্ত চাব ডিপোত সংলগ্ন ১৪ জন ৰিটেইলাৰ আৰু বাক-কনজুমাৰৰ

নামত ৪১৪৮ লিটাৰৰ সৈতে সৰ্বমুঠ ৬৭,৫৭৬ লিটাৰ কেৰাচিন তেল আবন্টন দিয়া হৈছিল।

(খ) উক্ত ছাব-হ'লছেলাৰ ১৪ জন ৰিটেইলাৰ আৰু ৰাক-কনজিউমাৰৰ নামত যথাক্ৰমে ৩৯৯৮ লিটাৰ আৰু ১৫০ লিটাৰ সৰ্বমুঠ ৪১৪৮ লিটাৰ কেৰাচিন বিতৰণৰ বাবে আবন্টন পাইছিল।

(গ) সচা নহয়। তেনে ধৰণৰ তেল কমকৈ দি ক'লা বজাৰত বিক্ৰী কৰাৰ কোনো তথ্য পোৱা নাই।

(ঘ) ২০১১ চনৰ জানুৱাৰীৰ পৰা এপ্ৰিল মাহলৈ উল্লেখিত সমবায় সমিতিৰ ১৪ জন ৰিটেইলাৰ আৰু ৰাক-কনজিউমাৰক প্ৰতিমাহে আবন্টন দিয়া কেৰাচিন তেলৰ হিচাপ পৰিশিষ্ট-ক (Annexure-I) দেখুৱা হৈছে।

(ঙ) বাৰ্তৰি কাকতত প্ৰকাশিত ৰাজহুৱা অভিযোগৰ ওপৰত ভিত্তি কৰি যোৱা মাহত ছাব-হ'লছেলাৰ জনৰ দুৰ্নীতি সম্পৰ্কে এক দন্দাধীশ পৰ্য্যায়ৰ তদন্ত কৰোৱা হৈছিল। তদন্ত প্ৰতিবেদনত ছাব-হ'লছেলাৰ জনৰ বিৰুদ্ধে আইনী ব্যৱস্থা লব পৰাকৈ কোনো অভিযোগ/ দুৰ্নীতি প্ৰমাণিত হোৱা নাই।

অভিযোগ পালে পৰবৰ্তী সময়ত তদন্ত কৰি বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

Mr. Speaker : Now, Short Notice Question No. 91, Hon'ble Member, Shri Sherman Ali Ahmed.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

৯১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা বাঘবৰ ৰাস্তাৰ বৰপেটা মন্দিয়া অংশৰ ভকতপাৰা অংশটো জহিখহি

গৈ গাড়ীমটৰ চলাচলৰ অনুপযোগী হৈ পৰাৰ বিষয়ে চৰকাৰ অৱগতনে? উক্ত ৰাস্তাৰ চাকলা কুঁৰ আৰু পাথলিকুছি পথাৰৰ দলং দুখন সম্পূৰ্ণ নকৰাকৈ পেলাই থোৱাৰ কাৰণ কি? যথেষ্ট গাড়ীমটৰ চলাচল কৰা উক্ত ৰাস্তাটো অতি ঠেক বুলি বিভাগ অৱগত নে?

(খ) উক্ত ৰাস্তাটো অনতিপলমে মেৰামতি আৰু দলং দুখন সম্পূৰ্ণ কৰি ৰাস্তাটো ডবল লেন (Double lane) কৰাৰ ব্যৱস্থা লবনে?

শ্রীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

উক্ত ৰাস্তাটো সহ দুখন দলং, চাকলাপুৰ আৰু পাথাৰিকুছিত থকা কামটো PMGSY ৰ পেকেজ নং AS-01-60 ৰ অন্তর্গত। উক্ত কামটো ঠিকাদাৰ, শ্রীৰাজীৱ আহমেদক আবন্টন দিয়া হৈছিল। কিন্তু তেখেতে যোৱা বিধান সভা নির্ব্বচনত প্রতিদন্দিতা কৰাৰ বাবে তেখেতৰ লগত থকা নিবিদা চুক্তি বাতিল কৰা হয়। সেয়েহে কামটো আধৰুৱা হৈ আছে। বর্ত্তমানে নতুনকৈ বাকী থকা কামটো আবন্টনৰ বাবে নিবিদা প্রক্রিয়া চলি আছে।

প্রাক্কলন প্রস্তুত কৰাৰ সময়ত Traffic density পৰীক্ষা কৰি Single Lane হিচাবে ৰাস্তাটো নির্মাণ কৰা হৈছে। বর্তমান Traffic density ৰ ওপৰত Double lane ৰ প্রয়োজন হোৱা নাই।

(খ) পথটো Double Lane নহয়, কিন্তু দলংসহ পথটো ২০১৩ চনৰ মার্চ মাহৰ ভিতৰত সম্পূর্ণ কৰা হব।

Mr. Speaker : Now, Short Notice Question No. 92, Hon'ble Member, Shri Sherman Ali Ahmed.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ঃ ৯২।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

৯২। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অন্তোদয় অন্ত যোঁজনা মুখ্যমন্ত্ৰীৰ অন্নসুৰক্ষা যোঁজনা দৰিদ্ৰ সীমাৰেখাৰ তলৰ আৰু ওপৰৰ হিতাধিকাৰী সকলে প্ৰতিমাহে সুলভ মুল্যৰ দোকানৰ জৰিয়তে কিমান পৰিমাণৰ আৰু কি কি খাদ্য সমগ্ৰীৰ লগতে অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী লাভ কৰে তাৰ বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিবনে?

(খ) উপৰোক্ত সামগ্ৰী সমূহৰ চৰকাৰী নিৰ্দ্ধাৰিত মুল্যৰ নিৰিখ জনাবনে?

(গ) অন্তোদয় অন্ত যোঁজনা আৰু মুখ্যমন্ত্ৰীৰ অন্ন সুৰক্ষা যোঁজনাৰ অধীনত হিতাধিকাৰী সকলক কোনে কি নিয়মৰ আধাৰত বাছনি কৰে তাৰ বিতং তথ্য দাখিল কৰিবনে?

(ঘ) উক্ত আঁচনি দুটাৰ অন্তৰ্গত বাঘবৰ সমষ্টিৰ হিতাধিকাৰী সকলৰ নাম ঠিকনা সহ সম্পূৰ্ণ তালিকা সদনৰ মজিয়াত দাখিল কৰিবনে? (গাওঁ আৰু গাওঁ পঞ্চায়ত হিচাপে হিতাধিকাৰীৰ তালিকা দাখিল কৰিব)

(ঙ) বাঘবৰ সমষ্টিত অন্তোদয় অন্ত যোঁজনা, মুখ্যমন্ত্ৰীৰ অন্ন সুৰক্ষা যোঁজনা আৰু দৰিদ্ৰ সীমাৰেখাৰ তলত হিতাধিকাৰী সকলৰ নিৰ্দ্ধাৰিত নিৰিখতকৈ কম পৰিমাণৰ সামগ্ৰী তথা চৰকাৰী নিৰ্দ্ধাৰিত মূল্যতকৈ অধিক মূল্য আদায় লোৱা সম্পৰ্কে চৰকাৰ অৱগতনে? যদি অৱগত, এই অনিয়ম তথা দুৰ্নীতি বন্ধ কৰিবলৈ চৰকাৰে বিহীত ব্যৱস্থা হাতত লবনে?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অন্তোদয় অন্নযোজনা, মুখ্যমন্ত্রীৰ অন্ন সুৰক্ষা যোজনা, দৰিদ্র সীমাৰেখাৰ তলৰ আৰু ওপৰৰ হিতাধিকাৰী সকলে প্রতিমাহে সুলভ মূল্যৰ দোকানৰ জৰিয়তে পোৱা খাদ্য সামগ্রী সমূহৰ নাম আৰু পৰিমাণ পৃথকে পৃথকে তলত উল্লেখ কৰা হ'ল—

১) অন্তোদয় অন্ন যোজনা —

চাউল — ৩৫ কেজি

চেনী — ৩.১৭৫ কেজি

কেৰাচিন তেল ৪ লিটাৰ (বিদ্যুৎ সংযোজিত এলেকাত)

৪.১৪০ লিটাৰ (বিদ্যুৎ বিহীন এলেকাত)

আটা — ৪.২০ কেজি

২) মুখ্যমন্ত্রীৰ অন্ন সুৰক্ষা যোজনা —

চাউল — ২০ কেজি

৩) দৰিদ্র সীমাৰেখাৰ তলৰ (BPL) হিতাধিকাৰী—

চাউল — ৩৪.৭৭৬ কেজি

চেনী — ৩.১৭৫ কেজি

কেৰাচিন তেল— ৪ লিটাৰ (বিদ্যুৎ সংযোজিত এলেকাত)

৪.১৪০ লিটাৰ (বিদ্যুৎ বিহীন এলেকাত)

আটা — ৪.২০ কেজি

৪) দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ (APL) হিতাধিকাৰী—

চাউল — ৬.৮৫০ কেজি প্ৰতি কার্ডত (Monthly APL)

৫.০৭৫ কেজি প্ৰতি কার্ডত (Adhoc APL)

চেনী — ৩.১৭৫ কেজি

কেৰাচিন তেল ৪ লিটাৰ (বিদ্যুৎ সংযোজিত এলেকাত)

৪.১৪০ লিটাৰ (বিদ্যুৎ বিহীন এলেকাত)

আটা — ৪.২০ কেজি

(খ)

১) অন্ত্যোদয় অন্ন যোজনাৰ চাউল — ৩.০০ টকা

২) দৰিদ্ৰ সীমাৰেখাৰ তলৰ হিতাধিকাৰী

(BPL) চাউল — ৬.৫৯ — ৭.০০ টকা

৩) দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ

(APL) চাউল — ৯.১৩ — ১০.০০ টকা

৪) চেনী — ১৩.৫০ টকা প্ৰতি কেজি

৫) কেৰাচিন — ১৩.৭২ — ১৪.২৫ টকা

৬) আটা — ৮.৫৭ — ৮.৮৯ টকা

১১.১৯ — ১১.৫১ টকা

(গ) অন্ত্যোদয় অন্ন যোজনা আঁচনিৰ হিতাধিকাৰী সকলক গ্ৰাম্যাঞ্চলত উন্নয়ন খণ্ড পৰ্য্যায়ত গঠন কৰা নিৰ্বাচক কমিটিয়ে আৰু চহৰ অঞ্চলত চক্ৰ বিষয়া পৰ্য্যায়ত গঠন কৰা নিৰ্বাচক কমিটিয়ে চৰকাৰী নীতি অনুসৰি BPL হিতাধিকাৰী সকলৰ মাজৰ পৰা নিৰ্বাচন কৰিছিল।

বৰ্তমান পঞ্চায়ত প্ৰতিনিধিৰ দ্বাৰা গঠিত গ্ৰাম সভাই এই

হিতাধিকাৰী পৰিয়াল সমূহৰ অযোগ্য পৰিয়াল কৰ্ত্তন আৰু তাৰ স্থলত নতুন যোগ্য পৰিয়াল বাচি অন্তর্ভূক্ত কৰাৰ বাবে উন্নয়ন খণ্ড পর্য্যায়ৰ তথা চক্র বিষয়া পর্য্যায়ৰ কমিটিৰ জৰিয়তে প্রস্তাৱ দাখিল কৰে। তেনে প্রস্তাৱৰ ভিত্তিত উপায়ুক্ত/ মহকুমাধিপতি কার্যালয়ে (খাদ্য, অসামৰিক যোগান আৰু গ্রাহক পৰিক্রমা শাখা) হিতাধিকাৰীৰ নাম সংশোধনী কাম কৰে।

মুখ্যমন্ত্রীৰ অন্ন সুৰক্ষা যোজনাৰ হিতাধিকাৰী সকলক গ্রাম্যাঞ্চলত উন্নয়ন খণ্ড পর্য্যায়ত খণ্ড উন্নয়ন বিষয়াৰ সভাপতিত্বত চৰকাৰে অধিসূচনা যোগে গঠন কৰি দিয়া নির্বাচক কমিটিৰ দ্বাৰা আৰু চহৰ অঞ্চলত চক্র বিষয়াৰ যোগে চৰকাৰৰ দ্বাৰা গঠিত নির্বাচক কমিটিয়ে চৰকাৰী নীতি অনুসৰি হিতাধিকাৰী পৰিয়াল সমূহ বাচনি কৰিছে।

(ঘ) উক্ত অন্তোদয় অন্ন যোজনা আৰু মুখ্যমন্ত্রীৰ অন্ন সুৰক্ষা যোজনাৰ অধীনৰ বাঘ বৰ সমষ্টিৰ হিতাধিকাৰী সকলৰ নামৰ তালিকা সংগ্রহ কৰি থকা হৈছে।

(ঙ) বাঘ বৰ সমষ্টিত অন্তোদয় অন্ন যোজনা, মুখ্যমন্ত্রীৰ অন্ন সুৰক্ষা যোজনা আৰু দৰিদ্র সীমাৰেখাৰ তলৰ হিতাধিকাৰী সকলক নির্দ্ধাৰিত নিৰিখতকৈ কম পৰিমাণৰ সামগ্রী তথা চৰকাৰী নির্দ্ধাৰিত মূল্যতকৈ অধিক মূল্য আদায় লোৱাৰ কোনো অভিযোগ পোৱা নাই। তেনে অভিযোগ পালে অথবা তেনে অনিয়ম ধৰা পৰিলে তদন্ত সাপেক্ষে বিহিত ব্যৱস্থা লোৱা হব।

Mr. Speaker : Now, Short Notice Question No. 93, Hon'ble Member, Shri Sherman Ali Ahmed.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন নং ঃ ৯৩।

শ্রীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

৯৩। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বাঘবৰ সমষ্টিৰ অন্তর্গত সমবায় সমিতি সমূহৰ নামৰ বিপৰীতে প্রতিটো

সমবায় সমিতিৰ লগত সংলগ্ন পৰিয়াল পৰিচয় পত্ৰৰ সংখ্যাৰ লগতে বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিবনে?

(খ) প্ৰতিটো সমবায় সমিতিৰ অন্তৰ্গত সুলভ মূল্যৰ দোকানৰ গৰাকীৰ নাম ও ঠিকনা সহ পূৰ্ণ তালিকা সদনৰ মজিয়াত দাখিল কৰিবনে?

(গ) উপৰোক্ত প্ৰতিটো সুলভ মূল্যৰ দোকানে সামৰি লোৱা হিতাধিকাৰীৰ (পৰিয়াল পৰিচয় পত্ৰৰ গৰাকীৰ) নাম ঠিকনা সহ ও সম্পূৰ্ণ তালিকা সদনৰ মজিয়াত দাখিল কৰিবনে? (প্ৰতিটো সমবায় আৰু সুলভ মূল্যৰ দোকানৰ বিপৰীতে তথ্য দাখিল কৰিব)।

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বাঘবৰ সমষ্টিৰ অন্তৰ্গত সমবায় সমিতি সমূহৰ নাম আৰু সংলগ্ন হৈ থকা পৰিয়াল পৰিচয় পত্ৰৰ সংখ্যা তলত দেখুওৱা হ'ল—

ক্ৰমিক নং	সমবায় সমিতিৰ নাম	পৰিয়াল পৰিচয় পত্ৰৰ সংখ্যা		
		APL	BPL	AAY
১)	বাঘবৰ সমবায়	৩১৬৫	১৪৬২	৮১৭
২)	পূৱ মন্দিয়া সমবায়	৩৯৩২	১৮৭২	১০৩৪
৩)	পশ্চিম মন্দিয়া সমবায়	৩০৮৭	১৫১১	৮৫১
৪)	ফুলৰা চতলা সমবায়	২৪৬৫	১৩৯৩	৭৭৫
৫)	মইনবৰী সমবায়	১৯১২	১৪১৭	৮০০
৬)	বাঘমাৰা চৰ সমবায়	৫৫৬৪	১৪৫৮	৭৯২

(খ) ওপৰোক্ত সমবায় সমিতি সমূহৰ অন্তর্গত সুলভ মূল্যৰ দোকানীৰ নাম আৰু ঠিকনা সংলগ্ন ১ ৰ পৰা ৭ লৈ দিয়া হ'ল।

(গ) ওপৰোক্ত সমবায় সমিতি সমূহে সামৰি লোৱা হিতাধিকাৰী পৰিয়াল পৰিচয় পত্রৰ গৰাকীৰ নাম ও ঠিকনাৰ তালিকা বিচাৰি থকা হৈছে। তালিকা প্রাপ্তিৰ লগে লগে সদনত দাখিল কৰা হব।

Mr. Speaker : Now, Short Notice Question No. 94, Hon'ble Member, Shri Sherman Ali Ahmed.

Sub : Short Notice Question No. 94.

Shri Sherman Ali Ahmed asked.

94. Will the Hon'ble Minister of Social Welfare be pleased to state :

(a) The details of the schemes implemented during the financial year i.e. 2008-09, 2009-10 and 2010-11 in Barpeta district as a whole and Baghbor LAC in particular specifically mentioning the following points may kindly be stated :-

(i) Name of the scheme/ project.

(ii) Particulars of works done.

(iii) Location (Village/G.P.)

(iv) Physical and financial target.

(v) Physical and financial achievement.

(vi) Implementing Agency/Name of the contractor.

(vii) The list of beneficiaries in case of individal beneficiary scheme, if any implemented in Baghbor LAC may kindly be enclosed.

(b) The allocation of fund/materials during 2011-12 for Barpeta District and also the scheme with financial allocation and materials with physical target proposed to be undertaken in Baghbor LAC during 2011-12 may also kindly be furnished.

(c) Guidelines of each scheme/project may also kindly be furnished.

Shri Akon Bora (Minister of Social Welfare) replied :

(a) The following schemes are implemented in the Barpeta District.

Year	Schemes
2008-09	1. Scholarship to the Disabled Student.
	2. Rehabilitation Grants to Disabled Persons.
	3. Supplementary Nutrition Programme.
	4. Jivan Jyoti Bima Achoni.
	5. Health Care for aged.
2009-10	1. Scholarship to the Disabled Student.
	2. Rehabilitation Grants to Disabled Persons.
	3. Supplementary Nutrition Programme.
	4. Jivan Jyoti Bima Achoni.
	5. Health Care for aged.

2010-11 1. Scholarship to the Disabled Student.

2. Rehabilitation Grants to Disabled Persons.

3. Supplementary Nutrition Programme.

4. Jivan Jyoti Bima Achoni.

5. Health Care for aged.

6. Unemployment allowance to the disabled persons.

7. Assistance to the family with disabled children.

8. Baideu-Nabow.

9. Na-Bowari.

10. Assistance to contract labour.

11. Mukhya Mantrir Mahila Samriddhi Yojna.

12. Aam-Aadmi Bima Yojna.

13. Integrated Child Protection scheme.

(i) Schemes under Baghbar LAC-

No schemes LAC wise in 2008-09 & 2009-10. Scheme in 2010-11.

(a) Financial Assistance to girls belonging to BPL Family who marry after attaining the age of 20 years (Na-Bowari).

(b) Empowerment of unmarried and unemployed single women and widows (Baidew/ Nabow) ongoing.

(ii) Financial help to the poor widow and unmarried women/ BPL girl who marry after attaining 20 years of age.

(iii) Covering all villages of LAC.

(iv) Scheme-wise physical & Financial target is given below :

Scheme	Physical	Financial
Na-Bowari	70	Rs. 7,00,000/-
Baideu/ Nabow	392	Rs. 39,20,000/-

(v) Fund not utilized. Kept in Bank A/C.

(vi) The Implementing agency is District Social welfare Office, Barpeta.

(vii) Fund not released to beneficiaries. District Social Welfare Officers are instructed to release the fund within 15th January, 2012.

(b) For the year 2011-12 no fund is allocated LAC wise.

(c) Guidelines of Baideu & Na-Bowari are enclosed at Annexure-A.

Mr. Speaker : Now, Short Notice Question No. 95, Hon'ble Member, Shri Anjan Dutta.

বিষয় ঃ মাননীয় বিধায়ক, শ্রীঅঞ্জন দত্ত দেৱে ২০১১ চনৰ ডিচেম্বৰ অধিবেশনত সোধা তাকৰীয়া সময়ৰ প্রশ্নৰ জাননী ঃ

শ্রীঅঞ্জন দত্তই সুধিছে ঃ

৯৫। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিধায়ক এলেকা উন্নয়ন পুঁজি আৱন্টনৰ ক্ষেত্রত কি কি নীতি নিয়ম আছে?

(খ) বিধায়ক এলেকা উন্নয়ন পুঁজিৰ নামত আৱন্টিত ধন ব্যয় কৰিবৰ বাবে জিলা উপায়ুক্তই গঠন কৰি দিয়া কমিটিখনৰ সভাপতি আৰু সম্পাদক কিহৰ ভিত্তিত বাছনি কৰা হয়?

(গ) বিধায়ক এলেকা উন্নয়ন পুঁজিৰ নামত আৱন্টিত ধন ব্যয় কৰিবৰ বাবে জিলা উপায়ুক্তই গঠন কৰি দিয়া কমিটিসমূহৰ সভাপতি পদত সমষ্টিটোৰ বিধায়ক গৰাকী অধিষ্ঠিত হব পাৰে নেকি?

(ঘ) ২০০৬ চনৰ মে, মাহৰ পৰা ২০১১ চনৰ এপ্রিল, মাহলৈ এই সময়ছোৱাত আমগুৰি সমষ্টিত, বিধায়ক এলেকা উন্নয়ন পুঁজিৰ নামত আৱন্টিত ধন ব্যয় কৰিবৰ বাবে জিলা উপায়ুক্তই গঠন কৰি দিয়া কমিটিসমূহৰ সভাপতি কোন আছিল?

(ঙ) বিধায়ক এলেকা উন্নয়ন পুঁজিৰ ধন, বন্ধু-বান্ধৱ অথবা দলীয় কর্মীক গাড়ী কিনিবলৈ মার্জিন মানি হিচাপে দিব পৰা যায় নেকি? এই ধনেৰে হাঁহ-কুকুৰা, ছাগলী আদি কিনি বন্ধু বান্ধৱ অথবা দলীয় কর্মীৰ মাজত বিতৰণ কৰিব পাৰি নেকি। যদি আমগুৰি সমষ্টিত বিধায়ক এলেকা উন্নয়ন পুঁজিৰ

ধন গাড়ী কিনিবলৈ মার্জিন মানি হিচাপে দিয়া হৈছে। তেনেহলে কাক কিমান টকাকৈ দিয়া হৈছে, নাম ঠিকনাসহ জনাবনে? যদি আমগুৰি সমষ্টিত বিধায়ক এলেকা উন্নয়ন পুঁজিৰ ধনেৰে হাঁহ, কুকুৰা, ছাগলী আদি কিনি বিতৰণ কৰা হৈছে, তেনেহলে গোটে প্ৰতি কিমান টকাকৈ হাঁহ, কুকুৰা আৰু ছাগলী ক্ৰয় কৰা হৈছে?

(চ) যদি বিধায়ক এলেকা উন্নয়ন পুঁজিৰ ধন গাড়ী কিনিবলৈ মার্জিন মানি হিচাপে দিব পৰা নাযায় আৰু এই ধনেৰে হাঁহ, কুকুৰা, ছাগলী আদি বিতৰণ কৰিব নোৱাৰি, তেনেহলে বিধায়ক এলেকা উন্নয়ন পুঁজিৰ ধন গাড়ী কিনিবলৈ মার্জিন মানি হিচাপে দিয়াটো আৰু এই ধনেৰে হাঁহ, কুকুৰা, ছাগলী আদি কিনি বিতৰণ কৰাটো অপৰাধ নহয়নে? যদি কোনো বিষয়াই অসম চৰকাৰৰ পৰিকল্পনা আৰু উন্নয়ন বিভাগে নির্দ্ধাৰণ কৰি দিয়া নীতি নির্দেশনা (গাইড লাইন) উলংঘা কৰি এনেধৰণৰ অপৰাধত লিপ্ত হৈছে তেওঁৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি অথবা হব নেকি? যদি হয়, কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব?

শ্ৰীটংক বাহাদুৰ বায় (পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বিধায়ক এলেকা উন্নয়ন পুঁজি অসমৰ সকলো সমষ্টিতে সমভাৱে বিতৰণ কৰাৰ নীতি অৱলম্বন কৰা হৈছে আৰু আৱন্টনৰ ক্ষেত্ৰত অসম চৰকাৰৰ পৰিকল্পনা আৰু উন্নয়ন বিভাগে প্ৰকাশ কৰা নিয়মাৱলীৰ আধাৰত আৱন্টন কৰা হয় (নির্দেশনাৱলী 'ক' ত সংলগ্ন কৰা হ'ল)।

(খ) বিধায়ক এলেকা উন্নয়ন পুঁজিৰ নামত আৱন্টিত ধন ব্যয় কৰিবৰ বাবে জিলা উপায়ুক্তই গঠন কৰি দিয়া কমিটিসমূহৰ সভাপতি আৰু সম্পাদকক পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ দ্বাৰা প্ৰকাশিত

নির্দেশনাৱলীৰ ৩.৪ নং দফাৰ ভিত্তিত বাছনি কৰা হয়।

(গ) বিধায়ক এলেকা উন্নয়ন পুঁজিৰ নামত আৱন্টিত ধন ব্যয় কৰিবৰ বাবে জিলা উপায়ুক্তই গঠন কৰি দিয়া কমিটিসমূহৰ সভাপতি পদত সমষ্টিটোৰ বিধায়ক গৰাকী অধিষ্ঠিত হোৱাৰ কোনো নির্দেশনা নাই।

(ঘ) ২০০৬-০৭, ২০০৯-১০ আৰু ২০১০-১১ বর্ষৰ আমগুৰি সমষ্টিৰ বিধায়ক এলেকা উন্নয়ন পুঁজিৰ অনুমোদিত আঁচনি সমূহ গ্রাম্য উন্নয়ন অভিকৰণ আৰু খণ্ড উন্নয়ন বিষয়াৰ দ্বাৰা ৰূপায়ণ কৰা হৈছিল। ২০০৭-০৮ আৰু ২০০৮-০৯ বর্ষৰ আঁচনি সমূহ ৰূপায়ণৰ নির্মাণ কমিটিৰ সভাপতি সকলৰ নামৰ তালিকা পৰিশিষ্ট 'খ' ত সংলগ্ন কৰা হ'ল।

(ঙ) আৰু (চ) বিধায়ক এলেকা উন্নয়ন পুঁজিৰ আঁচনি সমূহ মাননীয় বিধায়ক সকলৰ পৰামর্শ মতে নীতি নির্দেশনাৰ ভিত্তিত জিলা উপায়ুক্তই অনুমোদন জনায়। প্রশ্নত উল্লেখ কৰা ধৰণৰ কোনো ব্যাক্তি বিশেষক ব্যক্তিগত লাভালাভৰ কাৰণে কোনো আঁচনি অনুমোদনৰ নীতি নির্দেশনা নাই। ২০০৯-১০ বর্ষত আত্মসহায়ক গোটৰ আন্তঃ গাঠনি উন্নয়নৰ বাবে খণ্ড উন্নয়ন বিষয়াৰ জৰিয়তে মার্জিন মানি হিচাবেহে ধনৰ আৱন্টন দিয়া হৈছে। আঁচনিৰ সবিশেষ তথ্য পৰিশিষ্ট 'গ' ত সংলগ্ন কৰা হ'ল।

যোৱা ২৬-১১-২০১১ তাৰিখে শিৱসাগৰ জিলাৰ ভাৰপ্রাপ্ত মন্ত্রী মহোদয়াৰ সভাপতিত্বত অনুস্থিত হোৱা পর্য্যালোচনা সভাত আমগুৰি সমষ্টিৰ মাননীয় বিধায়ক মহোদয়ৰ অনুৰোধমর্মে এই বিষয়ে উজনি অসমৰ আয়ুক্ত মহোদয়ৰ দ্বাৰা তদন্ত কৰিবৰ বাবে প্রস্তাৱ গ্রহণ কৰা হয়। এই সভাৰ কার্য্যবিৱৰণী অনুমোদনৰ বাবে মাননীয় মন্ত্রী মহোদয়ালৈ প্রেৰণ কৰা হৈছে। এই ক্ষেত্রত প্রস্তাৱিত তদন্তৰ প্রতিবেদন পোৱাৰ পাছত বিষয়টো স্পষ্ট হ'ব।

Mr. Speaker : Now, Short Notice Question No. 96, Hon'ble Member, Shri Sherman Ali Ahmed.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

৯৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) NLCPR আঁচনি যোগে বাঘবৰ সমষ্টিৰ বাঘমাৰা আৰু গোৱালপাৰা পূৰ সমষ্টিৰ শিমলীতোলা সংযোগী জলজলী নদীৰ ওপৰত RCC দলং নিৰ্মাণৰ বিষয়টো বিবেচনা কৰিবনে?

(খ) উক্ত আঁচনিত অন্তৰ্ভুক্ত কৰিব পৰাকৈ প্ৰয়োজনীয় Plan and estimate প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়া হৈছেনে?

শ্ৰীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) দলং খন NLCPR ত অন্তৰ্ভুক্ত কৰাৰ কাৰণে কাৰ্যবাহী অভিযন্তাক নিৰ্দেশ দিয়া হৈছে।

(খ) 'ক' উত্তৰত দিয়া হৈছে।

Mr. Speaker : Now, Short Notice Question No. 97, Hon'ble Member, Shri Sherman Ali Ahmed.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ঃ ৯৭।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

৯৭। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আলোপতি থানা, বাঘবৰ থানা আৰু মন্দিয়া আৰক্ষী চকীৰ প্ৰয়োজনীয় কাৰ্য্যালয় গৃহ আৰু আবাস গৃহ নথকাৰ বিষয়ে চৰকাৰ অৱগত নে?

(খ) উক্ত থানা দুখন আৰু আৰক্ষী চকীখনৰ প্ৰয়োজনীয় কাৰ্য্যালয় আৰু আবাস গৃহ ৰেতিয়া নিৰ্মাণ কৰা হব।

(গ) আইন শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰনৰ সুবিধাৰ্থে চৰকাৰে ৰাঘবৰ সমষ্টিৰ মৌখোৱা উজীৰৰ চৰত আৰক্ষী চকী স্থাপনৰ ব্যৱস্থা হাতত লবনে?

শ্ৰীৰকিবুল হুছেইন (বন আৰু অন্যান্য বিভাগৰ মন্ত্ৰী) গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) আলোপতি থানাত বৰ্তমানলৈকে কাৰ্য্যালয় গৃহ আৰু আবাসগৃহ নাই বাবে এটি অস্থায়ী গৃহত কাম-কাজ চলাই থকা হৈছে। অন্যহাতে, ৰাঘবৰ থানাত স্থায়ী কাৰ্য্যালয় গৃহ আৰু আবাসগৃহ আছে। মন্দিয়া আৰক্ষী চকীৰ স্থায়ী কাৰ্য্যালয় গৃহ নাই যদিও আবাসগৃহ আছে আৰু ইয়াৰে এটি আবাসগৃহত কাৰ্য্যালয়ৰ কাম-কাজ চলাই থকা হৈছে।

(খ) উক্ত থানা দুখন আৰু আৰক্ষী চকীখনৰ কাৰ্য্যালয় গৃহ আৰু আবাসগৃহ পৰ্য্যায়ক্ৰমে নিৰ্মাণৰ ব্যৱস্থা লৈ থকা হৈছে।

(গ) মৌখোৱা উজীৰৰ চৰত আৰক্ষী চকী স্থাপনৰ বৰ্তমান কোনো প্ৰস্তাৱ এতিয়ালৈকে নাই।

Mr. Speaker : Now, Short Notice Question No. 98, Hon'ble Member, Shri Prasanta Phukan.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ঃ ৯৮।

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

৯৮। মাননীয় শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমানে নিৰনুৱাৰ সংখ্যা কিমান?

(খ) ২০১১ ইং চনৰ পৰা বৰ্তমানলৈ কিমান সংখ্যক নিৰনুৱাক কোন কোন বিভাগত নিযুক্তি দিলে?

(গ) নিযুক্তিৰ বাবে কোন কোন বাতৰি কাকতত সৰ্বমুঠ কিমান সংখ্যক পদৰ বাবে বিজ্ঞাপন দিয়া হৈছিল।

(ঘ) বাতৰি কাকতৰ যোগেদি বিজ্ঞাপন নিদিয়াকৈ কিমান সংখ্যক পদ কোন কোন বিভাগত পূৰণ কৰা হৈছিল?

শ্রীপৃথিবী মাঝি (শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমান অসমত বিভিন্ন নিয়োগ বিনিময় কেন্দ্রত পঞ্জীয়নভুক্ত হোৱা নিবনুৱাৰ সৰ্বমুঠ সংখ্যা হ'ল ১৭,৯১,২৮৩ জন (৩১ আগষ্ট, ২০১১ চনলৈ)।

(খ) শ্রম আৰু নিয়োগ বিভাগৰ অধীনত নিয়োগ আৰু কাৰিকৰী প্রশিক্ষণ সঞ্চালকালয়ে ২০১১ ইং চনৰ পৰা বৰ্তমানলৈ ৫২ জন প্রার্থীৰ নিযুক্তি দিয়া হৈছে। অন্যান্য বিভাগৰ নিজাববীয়াকৈ দিয়া নিযুক্তিৰ তথ্য শ্রম আৰু নিয়োগ বিভাগত নাথাকে।

(গ) ২০১১ ইং চনৰ পৰা বৰ্তমানলৈ শ্রম আৰু নিয়োগ বিভাগে নিযুক্তিৰ বাবে ২৯ জানুৱাৰী, ২০১১ তাৰিখে ২২ টা ৩ য় শ্রেণী আৰু ৪ র্থ শ্রেণীৰ পদৰ বাবে বাতৰি কাকতত বিজ্ঞাপন দিয়া হৈছিল। অন্যান্য বিভাগৰ তথ্য শ্রম আৰু নিয়োগ বিভাগত নাথাকে।

(ঘ) শ্রম আৰু নিয়োগ বিভাগে ২০১১ ইং চনত বাতৰি কাকতত বিজ্ঞাপন নিদিয়াকৈ কোনো পদ পূৰণ কৰা নাই। অন্যান্য বিভাগৰ তথ্য শ্রম আৰু নিয়োগ বিভাগত নাথাকে।

Mr. Speaker : Now, Short Notice Question No. 99, Hon'ble Member, Shri Sherman Ali Ahmed.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ঃ ৯৯।
শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

৯৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ প্ৰতিটো বিভাগতে চলি থকা ব্যাপক দুৰ্নীতি সম্পৰ্কে চৰকাৰ অবগতনে?

(খ) যদি অৱগত, তেন্তে এই দুৰ্নীতি ৰোধ কৰিবলৈ চৰকাৰে ফলপ্ৰসূ ব্যৱস্থা হাতত লবনে? যদি লয়, তেন্তে কেনেদৰে এই ব্যৱস্থা লব বিতং জনাবনে?

(গ) দুৰ্নীতি ৰোধ কৰিবলৈ সমষ্টি ভিত্তিক Vigilance and Monitoring Committee সমূহ অতি সোনকালে গঠন কৰি এই কমিটি সমূহক অধিক ক্ষমতা প্ৰদান কৰিবনে?

শ্ৰীৰকিবুল হুছেইন (বন ও পৰিবেশ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) আৰু (খ) - দুৰ্নীতি ৰোধ কৰিবৰ বাবে চৰকাৰে ইতিমধ্যে প্ৰতিখন জিলাতে মান্দলিক আয়ুক্তৰ সভাপতিত্বত জিলা তদাৰকী পৰিষদ (District Vigilance Council) গঠন কৰিছে আৰু এই তদাৰকী পৰিষদ এতিয়াও বাহাল আছে। দুৰ্নীতি সম্পৰ্কত নিৰ্দ্দিষ্ট অভিযোগৰ সাপেক্ষে 'তদাৰকী আৰু দুৰ্নীতি বিৰোধী বিভাগ, মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষ (C. Ms Special vig. Cell) আৰু অপৰাধ অনুসন্ধান বিভাগৰ (C.I.D.) জৰিয়তে বিধিগত ভাবে ব্যৱস্থা লৈ থকা হৈছে।

(গ) "State Vigilance Commission Bill 2010" খন ভাৰতৰ ৰাষ্ট্ৰপতি মহাশয়াৰ পৰা অনুমোদন পোৱাৰ লগে লগে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা লোৱা হব।

Mr. Speaker : Now, Short Notice Question No. 100, Hon'ble Member, Shri Anjan Dutta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ঃ ১০০।

শ্ৰীঅঞ্জন দত্তই সুধিছে ঃ

১০০। মাননীয় গৃহ আৰু ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম মানৰ অধিকাৰ আয়োগক অসম চৰকাৰে যথাযোগ্য গুৰুত্ব দিছেনে? আয়োগৰ অধ্যক্ষ আৰু সদস্য সকলক আন ৰাজ্যত দিয়াৰ দৰে সা-সুবিধা প্ৰদান কৰা হৈছে নে? The Protection of Human Rights Act. 1993. As amended in 2006 ৰ ২৬ নং ধাৰাটো অসম চৰকাৰে সম্পূৰ্ণৰূপে পালন কৰিছেনে?

(খ) অসম মানৰ অধিকাৰ আয়োগত এতিয়ালৈকে কিমান সংখ্যক গোচৰ পঞ্জীভুক্ত হৈছে? ইয়াৰে কিমান সংখ্যক গোচৰত আয়োগে বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে চৰকাৰক অনুমোদন জনাইছে আৰু এই অনুমোদনৰ ভিত্তিত চৰকাৰে কিমান সংখ্যক গোচৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে এই কথা তথ্য সহকাৰে জনাব নেকি?

(গ) ১৯৯৬ চনৰ পৰা বৰ্তমানলৈকে অসম মানৰ অধিকাৰ আয়োগৰ নামত কিমান টকা আৱন্টন দিয়া হৈছে? বছৰি হিচাপত এই তথ্য জনাবনে?

(ঘ) অসম চৰকাৰে অসম মানৱ অধিকাৰ আয়োগৰ সদস্য দুজনৰ কাৰণে প্ৰস্তুত কৰা নীতি "Assam Human Rights Commission (Salaries and allowances and other terms and conditions of services of the members) Amendment Act. 2008 " ত কি কি term and

conditions ৰ কথা উল্লেখ আছে? নে ইয়াত কোনো term and conditions ৰ কথা উল্লেখ নাই?

(ঙ) অসম মানৱ অধিকাৰ আয়োগত বৰ্তমান প্ৰয়োজন অনুসৰি বিষয়া কৰ্মচাৰী আছেনে? আয়োগত বৰ্তমান কিবা পদ খালী হৈ আছে নেকি? যদি আছে, তেনেহলে খালী পদৰ সংখ্যা কিমান? এই সমূহ কিয় পূৰণ কৰা হোৱা নাই? কেতিয়া পূৰণ কৰাৰ আশা আছে?

(চ) অসম মানৱ অধিকাৰ আয়োগৰ নিজা গৃহ নিৰ্মাণৰ বাবে ড'নাৰ মন্ত্ৰালয়ে ২০০৮ চনতে ১৮.৮১ কোটি টকাৰ অনুমোদন জনোৱাৰ পিছতো আজি পৰ্যন্ত এই কাম হৈ উঠা নাই কিয়? চৰকাৰে আয়োগৰ গৃহ নিৰ্মাণৰ বাবে কেতিয়া ভূমিৰ আৱন্টন দিব। নে এনেধৰণৰ কামৰ বাবে চৰকাৰী মাটি নাই বুলি ঘোষণা কৰিব?

(ছ) অসম মানৱ অধিকাৰ আয়োগৰ বৰ্তমানৰ কাৰ্য্যালয়টো অস্বাস্থ্যকৰ পৰিবেশত চলি থকাৰ বিষয়ে চৰকাৰ জ্ঞাত নে? কাৰ্য্যালয়টোলৈ অহা যোৱা কৰা লোকৰ ক্ষেত্ৰত ইয়াৰ দ্বাৰা মানৱ অধিকাৰ ভংগ হোৱা নাইনে? মানৱ অধিকাৰ আয়োগৰ দ্বাৰাই এনেদৰে মানৱ অধিকাৰ ভংগ হোৱাৰ বাবে দায়ী কোন?

(জ) অসম মানৱ অধিকাৰ আয়োগৰ সদস্য দুজনৰ বাবে দুখন গাড়ী কিনিবৰ বাবে বিত্ত বিভাগে যাৱতীয় অনুমোদন জনোৱাৰ পিছতো দুখন গাড়ীৰ নামত আৱন্টিত ধনেৰে এখনহে গাড়ী কিনাটো সঁচা নেকি? যদি সঁচা, ইয়াৰ দ্বাৰা वित्तीय নিয়ম শৃংখলা ভংগ হোৱা নাইনে? এনে অনিয়মত লিপ্ত হোৱা জনৰ বিৰুদ্ধে চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব? ক্ৰয় কৰা গাড়ী খনৰ মূল্য কিমান আৰু অনুমোদিত ধনৰ বাকী অংশ কি হল? গাড়ীখন বৰ্তমান কোনে ব্যৱহাৰ কৰি আছে?

(ঝ) The Protection of Human Rights Act. 1993. As amended in 2006 ৰ ২৭ নং ধাৰা মতে অসম মানৱ অধিকাৰ আয়োগৰ সচিব গৰাকী অসম চৰকাৰৰ সচিব পর্যায়ৰ এগৰাকী বিষয়া হোৱা উচিত যদিও ২০০৮ চনৰ পৰা এয়া কার্য্যকৰী হোৱা পৰিলক্ষিত হোৱা নাই। ইয়াৰ কাৰণ জনাবনে?

শ্রীৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্রী) য়ে গৃহ আৰু ৰাজনৈতিক বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) হয়, অসম মানৱ অধিকাৰ আয়োগক অসম চৰকাৰে The Protection of Human Rights Act.1993, (as amended in 2006) অনুসৰি যথাযোগ্য গুৰুত্ব দিছে। আয়োগৰ অধ্যক্ষ আৰু সদস্য সকলক The Protection of Human Rights Act.1993. (as amended in 2006) ৰ ৪১ নং ধাৰা অনুসৰি সা-সুবিধা প্রদান কৰা হৈছে। The Protection of Human Rights Act.1993. (as amended in 2006) ৰ ২৬ নং ধাৰাটো অসম চৰকাৰে একেখন আইনৰ ৪১ নং ধাৰা অনুসৰি জাৰি কৰা নীতিৰ অধীনত সম্পূর্ণৰূপে পালন কৰিছে।

(খ) অসম মানৱ অধিকাৰ আয়োগৰ সচিবে জনোৱামতে (১) এতিয়ালৈকে ৭৬১০ টা গোচৰ পঞ্জীভূক্ত হৈছে। (২) ইয়াৰে ১২১ টা গোচৰত আয়োগে বিহিত ব্যৱস্থা গ্রহণৰ বাবে চৰকাৰক অনুমোদন জনাইছে আৰু (৩) এই অনুমোদনৰ ভিত্তিত চৰকাৰে ইতিমধ্যে ৬৬ টা গোচৰত বিহিত ব্যৱস্থা গ্রহণ কৰিছে।

(গ) ১৯৯৬ চনৰ পৰা বর্তমানলৈকে অসম মানৱ অধিকাৰ আয়োগৰ নামত ৫০৩.১২ লাখ টকা আৱন্টন দিয়া হৈছে। বছৰি হিচাপত দিয়া আৱন্টন তলত উল্লেখ কৰা হল।

১৯৯৬-১৯৯৭ — ২২.০৯ লাখ টকা

১৯৯৭-১৯৯৮ — ১৯.৯৯ লাখ টকা

১৯৯৮-১৯৯৯ — ২৯.০৯ লাখ টকা

১৯৯৯-২০০০ — ১৯.৯৯ লাখ টকা

২০০০-২০০১ — ১৯.০০ লাখ টকা

২০০১-২০০২ — ১৪.০০ লাখ টকা

২০০২-২০০৩ — ২৩.০০ লাখ টকা

২০০৩-২০০৪ — ২৫.০০ লাখ টকা

২০০৪-২০০৫ — ২৫.৮৪ লাখ টকা

২০০৫-২০০৬ — ২৫.০০ লাখ টকা

২০০৬-২০০৭ — ৩২.৭৯ লাখ টকা

২০০৭-২০০৮ — ২৮.০০ লাখ টকা

২০০৮-২০০৯ — ৫০.০০ লাখ টকা

২০০৯-২০১০ — ৬১.১৫ লাখ টকা

২০১০-২০১১ — ৬৩.৫১ লাখ টকা

২০১১-২০১২ — ৪৪.৬৭ লাখ টকা (এতিয়ালৈকে)

(ঘ) অসম চৰকাৰে অসম মানৱ অধিকাৰ আয়োগৰ সদস্য দুজনৰ কাৰণে প্ৰস্তুত কৰা নীতি "Assam Human Rights Commission (Salaries and allowances and other terms and conditions of services of the members) Amendment Act.2008" ত বিভিন্ন term and

conditions উল্লেখ কৰিছে আৰু এই নীতি terms and conditions ৰ সৈতে অনুবন্ধ "ক" ত সংলগ্ন কৰা হ'ল।

(ঙ) অসম মানৱ অধিকাৰ আয়োগত অনুমোদিত মুঠ পদৰ সংখ্যা ২৫ টা। ইয়াৰে বৰ্ত্তমান খালী থকা পদৰ সংখ্যা ৭ টা। খালী পদ পূৰণ সম্পৰ্কত অসম মানৱ অধিকাৰ আয়োগৰ সচিবৰ পৰা প্ৰস্তাৱ বিচৰা হৈছে আৰু এই প্ৰস্তাৱ পালে খালি থকা পদ সমূহ পূৰণৰ বাবে বিহিত ব্যৱস্থা লোৱা হ'ব।

(চ) পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ পৰা অসম মানৱ অধিকাৰ আয়োগৰ গৃহ নিৰ্মাণৰ কাৰণে ডনাৰ মন্ত্ৰনালয়লৈ প্ৰস্তাৱ পঠিয়াবৰ বাবে Concept Paper ৰ সৈতে প্ৰস্তাৱ দাখিল কৰিবলৈ নিৰ্দেশনা দিছিল। কিন্তু মানৱ অধিকাৰ আয়োগৰ নামত মাটি আৱন্টন নোহোৱা কাৰণে Concept paper প্ৰস্তুত কৰি প্ৰস্তাৱ দাখিল কৰিব পৰা হোৱা নাই। এই সংক্ৰান্তত ৰাজহ বিভাগৰ পৰা পোৱা তথ্য অনুসৰি কামৰূপ (মহানগৰ) জিলাৰ উপায়ুক্তৰ পৰা ২৩-০৩-২০০৭ তাৰিখৰ চিঠি নং কে, আৰ, এচ, ১৯৯/২০০৭/৮ যোগে উলুবাৰী গাওঁৰ আৰু উলুবাৰী মৌজাৰ ১৭৫/৩৭৭ নং দাগৰ ১ বিঘা মাটিৰ প্ৰস্তাৱ অসম মানৱ অধিকাৰ আয়োগৰ কাৰ্য্যালয়ৰ বাবে পোৱা হৈছিল। উক্ত মাটি অন্য অনুষ্ঠানৰ নামত সংৰক্ষিত হৈ থকাৰ বাবে বিকল্প প্ৰস্তাৱ বিচৰা হৈছিল। সেই মৰ্মে উলুবাৰী মৌজাৰ উলুবাৰী গাওঁৰ চৰকাৰী ১৭৬ নং দাগৰ অংশ ১ বিঘা মাটিৰ বিকল্প প্ৰস্তাৱ বন্দবস্তী প্ৰাধিকাৰী গুৱাহাটীৰ ২৫-০২-২০০৮ তাৰিখৰ চিঠি নং এচ, ও, জি, আৰ, ১৭/২০০৮/৬৫৭ পোৱা হৈছিল।

উক্ত মাটি কৃষি বিভাগৰ পকী বেৰৰ ভিতৰৰ খালী অৱস্থাত আছিল। সেয়েহে কৃষি বিভাগৰ সন্মতি বিচৰাত কৃষি বিভাগে উক্ত ১৭৬ নং দাগৰ পৰিৱৰ্তে ৩৮৬ নং দাগৰ ১ বিঘাত সন্মতি প্ৰকাশ কৰে।

সেই জমি আয়োগে দ আৰু সুচল পথৰ ব্যৱস্থা নথকা বাবে পৰৱৰ্তী পর্য্যায়ত মানৱ অধিকাৰ আয়োগৰ সচিব মহোদয়ে তেখেতৰ ১৫-১২-২০০৮ তাৰিখৰ চিঠিৰ মর্মে খানাপাৰা গাওঁৰ ৬১৩ নং দাগৰ ১ বিঘা মাটিৰ বাবে আর্জি পেছ কৰাত কামৰূপ জিলাৰ উপায়ুক্তই উক্ত মাটি পশু পালন বিভাগৰ মাটি বুলি উল্লেখ কৰে। ৰাজহ বিভাগে ০৭-০৮-২০০৯ তাৰিখে সুবিধাজনক অন্য ঠাইত আয়োগৰ বাবে জমিৰ প্রস্তাৱ দিবলৈ উপায়ুক্তক জনায়। জিলা উপায়ুক্ত, কামৰূপে তেখেতৰ ২৪-০২-২০১০ তাৰিখৰ চিঠি মর্মে উলুবাৰী গাওঁৰ, উলুবাৰী মৌজাৰ ১৭৫/৭৭১ দাগত এটি নতুন প্রস্তাৱ দাখিল কৰে।

উক্ত মাটি AGCC Limited ৰ নামত আৱন্টন থকা বাবে ৰাজহ বিভাগৰ চিঠি নং ৯/১২/২০১১ যোগে Public Enterprises Department লৈ বিহিত ব্যৱস্থাৰ বাবে প্রেৰণ কৰা হয়। যিহেতু বন্ধ হোৱা Public Sector Undertaking ৰ মাটি-বাৰীৰ বিষয়টো Public Enterprises Department এ বর্তমান চাই আছে। সেয়ে বর্তমান বিষয়টো Public Enterprises Department ৰ বিবেচনাধীন হৈ আছে।

(ছ) এই সন্দর্ভত অসম মানৱ অধিকাৰ আয়োগৰ পৰা ১৮-১২-২০১১ লৈকে চৰকাৰে কোনো প্রতিবেদন পোৱা নাই। স্থায়ী গৃহ নির্মাণৰ বাবে ওপৰত উল্লেখিত ধৰণে ব্যৱস্থা লোৱা হ'ব।

(জ) অসম মানৱ অধিকাৰ আয়োগৰ বাবে দুখন গাড়ী কিনিবৰ বাবে PLA. 574/2006/28, dt. 20-03-2007 আৰু PLA. 578/2006/48, dt. 24-09-2008 জৰিয়তে অনুমোদন জনোৱা হৈছিল। এই অনুমোদনৰ ভিত্তিত আয়োগে এখন গাড়ী ক্রয় কৰিছে আৰু এই গাড়ী খনৰ মূল্য ৩.৮২ লাখ

টকা। গাড়ীখন বর্তমান আয়োগৰ সচিৱে ব্যৱহাৰ কৰি আছে। আনখন গাড়ী ক্রয় কৰা সম্পর্কত আয়োগৰ সচিবৰ পৰা প্রতিবেদন বিচৰা হৈছে।

(ঝ) পূর্বতে সচিব পর্য্যায়ৰ বিষয়াক অসম মানৰ অধিকাৰ আয়োগৰ সচিব হিচাপে নিয়োগ কৰা হৈছিল যদিও বর্তমান অসম চৰকাৰৰ সচিব পর্য্যায়ত পর্য্যাপ্ত বিষয়া নোহোৱা হেতুকে অসম মানৰ অধিকাৰ আয়োগৰ সচিব পদত এগৰাকী যুটীয়া সচিব পর্য্যায়ৰ বিষয়া নিযুক্তি দিয়া হৈছে।

Mr. Speaker : Now, Short Notice Question No. 101, Hon'ble Member, Shri Anjan Dutta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীঅঞ্জন দত্তই সুধিছে ঃ

১০১। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ ৩১ মার্চ পর্যন্ত শিৱসাগৰ জিলাত উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কিমান সহকাৰী শিক্ষকৰ পদ খালী আছিল? উক্ত সময়ত নতুনকৈ সহকাৰী শিক্ষকৰ পদ মঞ্জুৰী দিছিল নেকি? যদি দিছিল, কিমান পদ মঞ্জুৰী দিছিল?

(খ) ১৯৯৬ চনৰ এপ্রিলৰ পৰা ২০০১ চনৰ এপ্রিল মাহলৈকে District level Selection Board আছিল নেকি? যদি আছিল, তাৰ অধ্যক্ষ কোন আছিল? তেখেতৰ নাম আৰু ঠিকনা জনাবনে?

(গ) শিৱসাগৰ জিলাত অসম চৰকাৰৰ শিক্ষা বিভাগৰ নির্দেশ জাৰি কৰা W.T. No. B(3) B- 123/2001/92 dated 25/3/2001 ৰ মতে শিৱসাগৰত কিমানসংখ্যক সহকাৰী শিক্ষক নিযুক্তিৰ বাবে নির্দেশ দিয়া হৈছে।

(ঘ) অসম চৰকাৰৰ শিক্ষা বিভাগৰ দ্বাৰা প্ৰেৰণ কৰা W.T. B(3) B- 123/ 2001/92, dt. 25/3/2001 ৰ নিৰ্দেশ মৰ্মে শিৱসাগৰ জিলাত মাত্ৰ ২৪ টা সহকাৰী শিক্ষকৰ পদত নিযুক্তিৰ বাবে মঞ্জুৰ কৰা হৈছিল নেকি? যদি হৈছিল, সেই পদৰ বিপৰীতে ২১৭ জন সহকাৰী শিক্ষক-শিক্ষয়িত্ৰী নিযুক্তি দিয়াটো সত্যনে?

(ঙ) যদি সত্য, সেই নিৰ্দেশ অনুযায়ী নিযুক্তি দিয়া শিক্ষক-শিক্ষয়িত্ৰী সকলৰ নাম, ঠিকনা আৰু তেওঁলোকে নিযুক্তি পোৱা তাৰিখ আৰু কামত যোগদান কৰা তাৰিখ আৰু তেওঁলোকৰ মাহিলি পাৰিতোষিক বা দৰমহা কিমানকৈ দিয়া হৈছিল? (তথ্যসমূহ সদনত দাখিল কৰিব)

(চ) ২০০১ চনৰ এপ্ৰিল মাহত অসম বিধান সভা নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ আগমুহূৰ্ত্তত, অৰ্থাৎ মাৰ্চ মাহত ইমান লৰালৰিকৈ সহকাৰী শিক্ষক পদত নিযুক্তি দিয়াৰ কাৰণ কি আছিল?

(ছ) ২০০১ চনৰ মাৰ্চ মাহত সহকাৰী শিক্ষকৰ পদ খালী নথকা সত্বেও কিছু কিছু বিদ্যালয়ত চাকৰি কৰি থকা শিক্ষকৰ বিপৰীতে পদ খালী থকা বুলি নিযুক্তি দিয়া হৈছিল নেকি? যদি দিয়া হৈছিল , কিমান নিযুক্তি দিয়া হৈছিল? তেনে অবৈধ নিযুক্তি বাতিল কৰিবনে? District Level Selection Board ৰ সভাপতিজনৰ বিৰুদ্ধে এনে অবৈধ নিযুক্তিৰ বাবে FIR দাখিল কৰা হৈছে নেকি? যদি নাই কৰা, কেতিয়া কৰিব?

(জ) শিৱসাগৰ জিলাত উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২০০১ চনৰ মাৰ্চ মাহত নীতি বহিৰ্ভূতভাবে দিয়া নিযুক্তি বাতিল কৰিব নেকি? এই পদ সমূহৰ বিপৰীতে দৰমহা বা পাৰিতোষিক কোন শিতানৰ পৰা দিয়া হৈছে? আৰু বিত্ত বিভাগৰ অনুমোদন দিয়া হৈছে নেকি? বিত্ত বিভাগৰ অনুমোদন নোহোৱাকৈ ২,৫,০০০ টকাকৈ পাৰিতোষিক দিয়াটো সঁচা নেকি? যদি বিত্ত বিভাগে এই ক্ষেত্ৰত যাৰতীয় অনুমোদন জনাইছে তেনেহলে সেই অনুমোদনৰ নম্বৰ আৰু ফাইলৰ নম্বৰ তাৰিখসহ জনাবনে?

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০১ চনৰ ৩১ মাৰ্চ পর্যন্ত শিৱসাগৰ জিলাত উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মুঠ ২৬১ টা সহকাৰী শিক্ষকৰ পদ খালী আছিল? সেই সময়ত নতুনকৈ শিক্ষকৰ পদ মঞ্জুৰী দিয়া নাছিল।

(খ) হয়, আছিল। Destict level Selection Board ৰ অধ্যক্ষ প্রাক্তন পৰিবহন মন্ত্রী শ্রীযুত প্রদীপ হাজৰিকা আমগুৰি, জিলা শিৱসাগৰ।

(গ) W.T. No. B(3) S- 123/2001/92, dated 25/3/2001 ৰ মর্মে শিৱসাগৰ জিলাত খালী পদত সহকাৰী শিক্ষকৰ নিযুক্তি নির্দেশ দিয়া হৈছিল।

(ঘ) অসম চৰকাৰৰ শিক্ষা বিভাগৰ দ্বাৰা প্রেৰণ কৰা W.T. No. B(3) S- 123/2001/92, dt. 25/3/2001 ৰ পৰিবর্তে W.T. No. B(3) S- 123/2001/92, dt. 26/3/2001 ৰ নির্দেশ মর্মে শিৱসাগৰ জিলাত মাত্র ২৪ টা সহকাৰী শিক্ষকৰ পদত নিযুক্তিৰ বাবে বিত্ত বিভাগৰ পৰা মঞ্জুৰী পোৱা হৈছিল। সেই পদৰ বিপৰীতে মুঠ ২১৭ জন সহকাৰী শিক্ষক-শিক্ষয়িত্রী নিযুক্তি দিয়া নাছিল, ২৭১ জনকহে দিছিল।

(ঙ) উক্ত নির্দেশ অনুযায়ী নিযুক্তি দিয়া ২৭১ জন শিক্ষক-শিক্ষয়িত্রীৰ নাম, ঠিকনাৰ তালিকা সদনৰ মজিয়াত পৰিশিষ্ট 'ক' যোগে দাখিল কৰা হ'ল। সেই সকলৰ বিপৰীতে মুঠ ২১৭ জনৰ মাহিলী পাৰিতোষিক বা দৰমহা ২৫০০/- টকাকৈ দিয়া হৈছিল যদিও তাৰ ভিতৰত ২০২ জনেহে কাম কৰি দৰমহা লাভ কৰি আছে।

(চ) শিক্ষক নিযুক্তিৰ ক্ষেত্রত থকা বন্ধ প্রক্রিয়া চৰকাৰে বেঁতাৰ বার্তা নং B(3) S- 123/2001/92, dt. 25/3/2001 যোগে উঠাই দিয়াৰ ফলত শিক্ষক নিযুক্তিৰ প্রক্রিয়া পুনৰ আৰম্ভ হৈছিল।

(ছ) হৈছিল। বর্তমান ২৭১ জনৰ ভিতৰত কাম কৰি থকা ২০২ জনৰ চাকৰি

নিয়মীয়া কৰণৰ বাবে পৰীক্ষা কৰি থকা হৈছে। District Level Selection Board ৰ সভাপতিজনৰ বিৰুদ্ধে কোনো FIR দাখিল কৰা হোৱা নাই। এই বিষয়ে কোনো সিদ্ধান্ত লোৱা হোৱা নাই। ইতিমধ্যে সংশ্লিষ্ট স্কুল পৰিদৰ্শকৰ বিৰুদ্ধে বিভাগীয় ব্যৱস্থা লোৱা হৈছে।

(জ) প্ৰশ্নৰ প্ৰথম অংশৰ বাবে উত্তৰ হ'ব (ছ) ৰ মতে। দ্বিতীয় অংশৰ বাবে উত্তৰ হ'ব— " এই পদ সমূহৰ দৰমহা বা পাৰিতোষিক '২২০২' শিতানৰ পৰা দিয়া হৈছে। বিত্ত বিভাগৰ অনুমোদনৰ ভিত্তিত চিঠি নং B(3) S- 807/ 2003/Pt/22, dt. 5/4/2005 আৰু স্মাৰক নং B(3)S- 807/2003/Pt. II/25, dt. 20/4/2005 অনুসৰি ২৫০০/- টকাকৈ মাহিলী পাৰিতোষিক মুকলি কৰি দিছিল।

Mr. Speaker : Now, Short Notice Question No. 102, Hon'ble Member, Shri Anjan Dutta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীঅঞ্জন দত্তই সুধিছে ঃ

১০২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আজিৰ তাৰিখত অসমৰ কেইখন চৰকাৰী আৰু প্ৰাদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থায়ী অধ্যক্ষ আৰু উপাধ্যক্ষ আছে?

(খ) স্থায়ী অধ্যক্ষ আৰু উপাধ্যক্ষ নথকা উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহৰ প্ৰশাসনীয় আৰু বিদ্যায়তনিক দিশ কেনেদৰে পৰিচালনাৰ ব্যৱস্থা কৰা হয়?

(গ) কি অৰ্হতাৰ ভিত্তিত একোজন শিক্ষকক ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰা হয়।

(ঘ) যদি উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত জ্যেষ্ঠতাৰ ভিত্তিত ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰা হয়, এনে জ্যেষ্ঠতা নিৰূপনৰ ক্ষেত্ৰত বৰ্তমান বিধিগত বা আইনগত নীতি নিৰ্দেশনা আছে নেকি?

(ঙ) বিদ্যালয় সমূহত অধ্যক্ষৰ পদ খালী হলে চলিত বৰ্ষৰ জানুৱাৰীলৈকে সংশ্লিষ্ট বিদ্যালয়খনত স্নাতকৰ নিৰিখত দৰমহা পোৱা তাৰিখৰ ওপৰত ভিত্তি কৰি নিৰূপিত জ্যেষ্ঠতাৰ ওপৰত নিৰ্ভৰ কৰি সহকাৰী শিক্ষক আৰু বিষয় শিক্ষকৰ মাজৰ পৰা ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব ন্যস্ত কৰা হৈছিল। পিছে যোৱা ফেব্ৰুৱাৰী মাহৰ পৰা অসমৰ বহুকেইখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষকৰ জ্যেষ্ঠতাক অগ্ৰাহ্য কৰি কেৱল মাথো বিষয় শিক্ষকৰ মাজৰ পৰা এনে দায়িত্ব দিয়া কথাটো সঁচা নেকি? শিক্ষা বিভাগে এই সন্দৰ্ভত কিবা আইনগত সংশোধনৰ ব্যৱস্থা কৰিছে নেকি? যদি কৰিছে, এই সংশোধন কেনেধৰণৰ?

(চ) ইতিমধ্যে দীৰ্ঘদিন ধৰি খালী হৈ থকা উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰ স্থায়ী নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হৈছে। শিক্ষা বিভাগে একেদৰেই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষ পদৰ স্থায়ী নিযুক্তিৰ ব্যৱস্থা কৰিবনে? এই সন্দৰ্ভত কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে?

ডঃ হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ২৬ খন চৰকাৰী আৰু ৫০৫ খন প্ৰাদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থায়ী অধ্যক্ষ আৰু উপাধ্যক্ষ নাই।

(খ) ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু উপাধ্যক্ষৰ দ্বাৰা পৰিচালনা কৰাৰ ব্যৱস্থা কৰা হৈছে।

(গ) ২০০৩ চনৰ সেৱা বিধিৰ নির্দ্ধাৰিত চর্ত আৰু অর্হতা সাপেক্ষে নিযুক্তি দিয়া হয়।

(ঘ) ২০০৩ চনৰ অসম মাধ্যমিক শিক্ষা (প্ৰাদেশীকৃত) সেৱা বিধিত অধ্যক্ষ আৰু উপাধ্যক্ষ নিযুক্তিৰ অর্হতা আৰু চর্ত সন্নিবিষ্ট কৰা আছে।

(ঙ) উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ষেত্ৰত অধ্যক্ষৰ অৱসৰৰ পিছত ভাৰপ্ৰাপ্ত অধ্যক্ষ নিযুক্তি দিয়া হয়। অসম মাধ্যমিক শিক্ষা (প্ৰাদেশীকৃত) সেৱা বিধি ২০০৩ ৰ ৩ (১) বিধিত শিক্ষক সকলৰ শ্ৰেণী আৰু কেডাৰ নির্দ্ধাৰণ কৰি দিয়া আছে। সেই মর্মে অধ্যক্ষ পদ Class- II (Sr) Grade-I ত, প্ৰধান শিক্ষক, বিষয় শিক্ষক সকলক Class-II (Sr) Grade-II আৰু স্নাতক শিক্ষকক Class-II (Jr) Grade-IV Cadre ত অন্তর্ভূক্ত কৰা হৈছে। এজন বিষয় শিক্ষক কেডাৰৰ বিধিমতে স্নাতক শিক্ষকতকৈ জ্যেষ্ঠ।

সেৱা বিধি ২০০৩ ৰ ধাৰা ১২ (ঘ) (১) মতে এজন বিষয় শিক্ষক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৫ বছৰ আৰু এজন স্নাতক শিক্ষক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৭ বছৰ শিক্ষকতা কৰিলে অধ্যক্ষ পদৰ বাবে যোগ্য হব। জ্যেষ্ঠতা নির্দ্ধাৰণ কৰাৰ পিছতহে ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব দিয়া হয়।

(চ) মহামান্য আদালতত চলি থকা গোচৰৰ সন্দর্ভত আইনি বাধা আতৰিলে স্থায়ী অধ্যক্ষৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিব পৰা যাব।

মাননীয় অধ্যক্ষ ঃ শূণ্যকালীন ঘন্টা।

তলত উল্লেখ কৰা মাননীয় সদস্য সকলৰ পৰা সৰ্বমুঠ ৯ খন শূণ্যকালীন ঘন্টাৰ জাননী প্ৰাপ্তি হৈছে।

১। শ্ৰীদিলীপ মৰাণ

২। শ্ৰীকমল সিং নাৰ্জাৰী

৩। শ্ৰীচন্দন কুমাৰ সৰকাৰ

৪। শ্ৰীদ্বীপেন পাঠক

৫। শ্ৰীকেশৰ মহন্ত

৬। শ্ৰীঅঞ্জন দত্ত

৭। শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত

৮। শ্ৰীআমিনুল ইছলাম,

শ্ৰীহাফিজ বচিৰ আহমেদ,

গুল আখতাৰা বেগম

৯। শ্ৰীৰনজিৎ কুমাৰ দাস।

উক্ত জাননী সমূহৰ পৰা নিয়মানুসৰি মই ৩ খন শূণ্যকালীন ঘন্টাৰ জাননী উপস্থাপন কৰিবলৈ অনুমতি প্ৰদান কৰিলো।

১। এতিয়া মই, মাননীয় সদস্য শ্ৰীৰণজিৎ কুমাৰ দাসক ইং ২৩-১২-২০১১ তাৰিখৰ "অসমীয়া প্ৰতিদিন" বাতৰি কাকতত প্ৰকাশিত—

"বৰপেটাৰ গণককুছি সত্ৰৰ অলংকাৰ চুৰি"

শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

শ্ৰীৰণজিৎ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা জিলাত সংঘটিত চুৰিকাৰ্য্য সম্পৰ্কত ২২ ডিচেম্বৰ, প্ৰতিদিন কাকতত প্ৰকাশিত দৈনিক বাতৰিৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো, আৰু এই সম্পৰ্কত কি ব্যৱস্থা লোৱা হৈছে জানিব

বিচাৰিছো। বাতৰিত প্ৰকাশ পোৱা মতে, মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ স্থাপিত প্ৰায় ৪৭৬ বছৰীয়া ইতিহাস বিজৰিত গণককুছি সত্ৰত কালি নিশাৰ ভাগত সংঘটিত হয় চুৰি কাৰ্য্য। ১৫৩৫ চনত স্থাপিত মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ দ্বিতীয় খন সত্ৰ, গণককুছি সত্ৰৰ মনিকুট গৃহত কালি নিশা চোৰ সোমাই মনিকুট গৃহত থকা মদনমোহন বিগ্ৰহৰ হাতত থকা সোণৰ বাহী মূৰত থকা সোণৰ মুকুট আৰু বিগ্ৰহৰ গাত থকা সোণৰ আ-অলংকাৰকে ধৰি কেবা লাক্ষ টকাৰ সম্পত্তি আৰু প্ৰণামীৰ বাকচত থকা প্ৰায় নগদ বিশ হাজাৰ টকা চুৰি কৰে। সত্ৰ খনত চুৰিৰ ঘটনাৰ খবৰ আজি পুৱাই পোহৰলৈ আহে। উল্লেখযোগ্য যে আজি পুৱা নিত্য প্ৰসঙ্গৰ বাবে সত্ৰৰ মূল কীৰ্তন ঘৰত ভকত সকলে প্ৰবেশ কৰাৰ পিচত মনিকুট গৃহত এখন মুখ্য দ্বাৰ ভাঙি থকা দেখা পায়। লগে লগে ভকত সকলে কীৰ্তন ঘৰটোৰ ভিতৰচৰা আৰু মনিকুট গৃহটোৰ ভিতৰ চৰা তন্ন তন্নকৈ পৰীক্ষা কৰি উল্লেখিত সম্পদ সমূহ আৰু নগদ ধনখিনি চুৰি হোৱাতো নিশ্চিত কৰে। ইপিনে এই ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে লগে বৰপেটাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। আনহাতে, ঘটনাৰ খবৰ পোৱাৰ লগে লগে বৰপেটা জিলাৰ আৰক্ষী অধীক্ষক, অতিৰিক্ত আৰক্ষী অধীক্ষক ৰবি কলিতা, বৰপেটা সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, বৰপেটা চহৰ আৰক্ষী উপ-পৰিদৰ্শক সমন্বিতে আৰক্ষী দল এটা ঘটনাস্থলিত উপস্থিত হয়। প্ৰণিধানযোগ্য যে ৰাজ্যখনৰ বিভিন্ন সত্ৰৰ লগতে বৰপেটা জিলাৰ জনীয়া সত্ৰ, পাটবাউসী স্থিত শংকৰদেৱ থান, সৰভোগৰ তেতেলীয়া গোসাইৰ থান, হাউলীৰ ৰাস মন্দিৰ আদিত বিগত সময়চোৱাত চুৰি হোৱাৰ পিছত কালি গণককুছি সত্ৰত সংঘটিত চুৰিকাৰ্য্য শেহতীয়াকৈ বৃহৎ চুৰিকাৰ্য্য বুলি বিবেচিত হৈছে। ইপিনে সত্ৰনগৰীৰ স্থানীয় ৰাইজে এই ঘটনাৰ গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে আৰক্ষী প্ৰশাসনৰ ভূমিকাৰ ক্ষুৰধাৰ সমালোচনা কৰিছে। ৰাইজে আক্ষেপ কৰিছে যে বৰপেটা সদৰ থানাৰ পৰা মাত্ৰ কিছুদূৰ নিলগত অৱস্থিত সত্ৰ খনৰ মনিকুট গৃহত প্ৰবেশ কৰি দুৰ্বৃত্তই চুৰি কৰিব পৰাটো দুৰ্ভাগ্যজনক। চহৰখনৰ বিভিন্ন মহলে আৰক্ষী প্ৰশাসনৰ নিস্ক্ৰিয় ভূমিকা এই ঘটনাই প্ৰতিপন্ন কৰিছে। গণককুছি সত্ৰ পৰিচলনা সমিতিৰ সভাপতি হিৰণ্য নাথ দাস আৰু সম্পাদক অনন্ত কুমাৰ দাসে এই ঘটনাৰ তীব্ৰ নিন্দা কৰিছে। বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া বশিষ্ঠ শৰ্মা,

ডেকা সত্রিয়া নবজিৎ পাঠকে এই ঘটনাক তীব্র গৰিহণা দিয়াৰ লগতে দূৰ্বৃত্তক অতি শীঘ্রে আটক কৰাৰ দাবী জনাইছে। বি, জে, পি বৰপেটা জিলা সমিতিয়ে আজিৰ এই ঘটনাৰ তদন্তৰ ব্যৱস্থা কৰি দোষীক শাস্তি বিহিবলৈ উপায়ুক্তক স্মাৰকপত্র প্রদান কৰে। আনহাতে, জিলাৰ ছাত্র সস্থা, অখিল ভাৰতীয় বিদ্যার্থী পৰিষদৰ বৰপেটা জিলা গোট, হিন্দু যুৱ ছাত্র পৰিষদৰ বৰপেটা জিলা সমিতিয়ে এই ঘটনাৰ তীব্র নিন্দা কৰে। একেদৰে অসম সত্র মহাসভা শাখা, অসম যুৱ তীর্থৰ সাংগঠনিক সম্পাদক অপূর্ব অধীকাৰীয়ে কয় যে ৰাজ্য চৰকাৰৰ নিস্ক্রীয় ভূমিকা আৰু সত্রৰ মঠ-মন্দিৰ সমূহৰ প্রতি দেখুৱাই অহা উদাসীনতাৰ বাবেই ৰাজ্যখনৰ সত্র মঠ-মন্দিৰ সমূহ এক প্রতিক্রিয়াশীল চক্রৰ ধাৰাবাহিক আক্রমণৰ লক্ষ্য হৈ পৰিছে। এই আক্রমণৰ অংশবিশেষ হিচাপে কালি গণককুছি সত্রত লুটপাত চলোৱা হয়। এই ঘটনাৰ তদন্ত চি, আই, দিৰ পৰা হব লাগে বুলি দাবী জনাইছে। এই ঘটনাৰ তীব্র গৰিহণা দিছে বৰপেটা জিলাৰ কংগ্রেছৰ সাধাৰণ সম্পাদক জহৰউদ্দিন আহমেদে আৰু কয় জিলাখনত সত্র, মঠ, মন্দিৰ আদি পবিত্র স্থান সমূহত ধাৰাবাহিক ভাবে চুৰি ডকাইতি আদি ঘটি অহা ঘটনাই জিলাখনত আৰক্ষী প্রশাসনৰ নিস্ক্রীয়তা প্রতিপন্ন কৰিছে। ঘটনা সংক্রান্তত সত্রৰ পৰিচালনা সমিতিৰ তৰফৰ পৰা বৰপেটা থানাত এজাহাৰ দাখিল কৰা হৈছে। যদিও এই পর্য্যন্ত ঘটনা সংক্রান্তত কোনো শুংসূত্র আৰক্ষীয়ে উলিয়াব পৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, আৰক্ষীৰ নিস্ক্রীয়তাৰ কাৰণে যোৱা জুন মাহৰ পৰা এতিয়ালৈকে ৭ মাহৰ ভিতৰত ৭ টা চুৰিকার্য্য সংঘটিত হৈছে। এই চুৰি কার্য্য বৰপেটা জিলাত, দৰঙত, শোণিতপুৰত, ওদালগুৰিত বিভিন্ন ঠাইত সংঘটিত হৈছে। যদি ৭ মাহত ৭ টা চুৰি কার্য্য হয়, ৬০ মাহত ৬০ টা চুৰি কার্য্য হব। অসমৰ এই সত্র সমূহ অসমীয়া জাতিৰ কেৱল ধর্মানুস্থানে নহয়, ই অসমীয়া জাতিৰ সংস্কৃতিৰ বাহক স্বৰূপ। আমি যদি এই সত্র খনকে নিৰাপত্তা দিব নোৱাৰো তেতিয়াহলে আমি দেশৰ অন্য কাম কি কৰিম। ইয়াৰোপৰিও আমি কিছুমান অভিযোগ দেখি আহিছো যে বৰপেটা জিলাত বিভিন্ন ঠাইত বিশেষকৈ সত্র আৰু মঠ-মন্দিৰ সমূহৰ কাষত ব্যাপকভাৱে বেদখল হৈ আছে। গতিকে এই বিষয়ে চৰকাৰে

বিশেষ নজৰ দিব লাগে আৰু আৰক্ষীক নিৰ্দ্দেশ দিব লাগে আৰু এটা কথা মনকৰিবলগীয়া বৰপেটা আৰক্ষী থানাৰ যি সকল কনিষ্টবল আছে সেইসকল নায়ক হৈ হাবিলদাৰৰ পৰা প্ৰমোচন পাই আহি আছে। একেৰাহে ১৫ বছৰ ধৰি একেখন থানাতে কাৰ্য্যনিৰ্বাহ কৰি আছে। গতিকে তেওঁলোকৰ কাৰ্য্যপৰিচালনাতো বিশেষ চকু দিবলগীয়া হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, এই কামৰ বাবে আৰক্ষী বিভাগক কঠোৰভাৱে নিৰ্দ্দেশ দিব লাগে। কাৰণ আৰক্ষীৰ ব্যৰ্থতাৰ কাৰণে এই চুৰি কাৰ্য্য হব ধৰিছে। এই চুৰি কাৰ্য্যত কোন জড়িত আছে সেহটো তদন্ত কমিটি গঠন কৰি তদন্ত কৰিব লাগে আৰু কঠোৰ শাস্তি দিব লাগে। মই মন্ত্ৰী মহোদয়ে সত্ৰ সমূহক ৰক্ষণাবেক্ষণ দিয়াৰ ক্ষেত্ৰত দৃঢ় পদক্ষেপ লব বুলি আশা কৰিছো, তেতিয়াহে আমাৰ সত্ৰ সমূহৰ অস্তিত্ব ৰক্ষা পৰিব।

শ্ৰীমতী প্ৰণতি ফুকন (সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি ২৩ ডিচেম্বৰ ২০১১ তাৰিখে 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত 'বৰপেটাৰ গনককুছি সত্ৰৰ অলংকাৰ চুৰি' শীৰ্ষক বাতৰিটোৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষিত হৈছে।

পৰিত্ৰ সত্ৰ বা অন্য কোনো ধৰ্মীয় অনুষ্ঠানৰ চুৰি কাৰ্য্য অতিকৈ দুৰ্ভাগ্যজনক। এনে নিন্দনীয় কাৰ্যক আমি একমুখে গৰিহনা দিও।

চুৰি ডকাইতিৰ দৰে কাৰ্য্যৰ নিয়ন্ত্ৰণৰ ওপৰত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৰোক্ষভাবে কোনো নিয়ন্ত্ৰণ নাথাকে। দুৰ্ভাগ্যজনক কথা যে বিভিন্ন সময়ত এনেবোৰ কাৰ্য্য আন কিছু সত্ৰ সমূহতো মাজে সময়ে সংঘটিত হোৱাৰ দৃষ্টান্ত আছে। সন্মানীয় বিধায়ক সকলে বোধহয় আমাৰ সতে একমত হ'ব যে ধৰ্মীয় অনুষ্ঠান সমূহত যাতে এনে দুস্কাৰ্য্য নঘটে তাৰবাবে সংশ্লিষ্ট বিভাগ সমূহৰ উপৰিও সমাজৰ সকলো স্তৰতে সজাগতা আৰু সচেতনতা প্ৰয়োজন। সত্ৰ সমূহৰ দায়িত্বত থকা পৰিচালনা সমিতি বা ভকত সকলৰো এই দিশত নিৰন্তৰ সচেতনতা থকা বাঞ্ছনীয়।

গনককুছি সত্রত কি পৰিস্থিতিত, কোনে এই ঘৃণনীয় কার্য্য সংঘটিত কৰিলে, সেই বিষয়ে আৰক্ষীৰ তদন্ত শেষ হলেহে গম পোৱা যাব।

কিন্তু সত্র বা মঠ মন্দিৰ সমূহৰ প্রতি চৰকাৰৰ নিস্ক্রীয় ভূমিকা বা উদাসীনতা প্রদর্শিত হৈছে বুলি অনা অভিযোগ সত্য হ'ব নোৱাৰে আৰু ই সত্য নহয়। এই চৰকাৰৰ দিনতে আৰু বিগত দুটা কার্য্যকালৰ ভিতৰত সত্রসমূহৰ উন্নয়ন আৰু সংৰক্ষণৰ বাবে পর্যায়ক্রমে আর্থিক সাহায্য প্রদান কৰা হৈছে। বর্তমানলৈকে ১৩৩ খন সত্রক মুঠ ৯ কোটি টকাৰ অর্থ সাহায্য প্রদান কৰা হৈছে। চলিত বিত্তীয় বর্ষত নতুনকৈ ৯৮ খন সত্রলৈ ১০ কোটি টকাৰ আর্থিক সাহায্যৰ প্রস্তাৱ আছে। তাৰোপৰি মাজুলীত অৱস্থিত ৯ খন সত্রত সত্রসংস্কৃতিৰ সম্পদসমূহৰ সংৰক্ষণৰ বাবে ৯ টা যাদুঘৰ নির্মাণৰ কার্য্য চলি আছে। এই নির্মাণ কার্য্যৰ বাবে ২ কোটি টকা ধার্য কৰা হৈছে।

সত্র সমূহত সংঘটিত এনে দুস্কার্য্য ৰোধ কৰিৱৰ বাবে সংশ্লিষ্ট জিলা আৰু আৰক্ষী প্রশাসনক সাংস্কৃতিক পৰিক্রমা বিভাগৰ পৰা টানি অনুৰোধ জনোৱা হ'ল আৰু দুস্কার্য্য সংঘটিত কৰা ব্যক্তিক আইনমতে দণ্ড দিবৰ বাবে অনুৰোধ কৰা হ'ল।

সত্র বা অন্য ধর্মীয় অনুষ্ঠান সমূহৰ পৱিত্রতা সংৰক্ষণৰ বিষয়ে চৰকাৰ সম্পূর্ণ সচেতন।

এই দুস্কার্য্যৰ পৰা পৰিত্রাণ পাবৰ কাৰণে আৰক্ষী মহলক নির্দ্দেশ দিয়া হৈছে। পুনৰ যাতে এই দুস্কার্য্য সংঘটিত নহয় আৰু আমাৰ সত্রসমূহৰ পৱিত্রতা ৰক্ষা কৰিব পৰা যায় তাৰ ব্যৱস্থা লবলৈ নির্দ্দেশ দিয়া হৈছে।

মাননীয় অধ্যক্ষ ঃ একে বিষয়ৰ দুখন জাননী প্রাপ্ত হোৱাত মই জাননী দুখন একেলগে আলোচনা কৰিবলৈ অনুমতি প্রদান কৰিলো। এতিয়া মই মাননীয় সদস্যদ্বয়, শ্রীচন্দন সৰকাৰ আৰু শ্রীআমিনুল ইছলাম, শ্রীহাফিজ বছিৰ আহমেদ, গুল আখতাৰা বেগমক ইং ২১/১২/২০১১ তাৰিখৰ 'দৈনিক বাতৰি' কাকতত প্রকাশিত বিধায়কৰ সমষ্টি উন্নয়ন পুঁজি এক কোটি টকালৈ বৃদ্ধিৰ দাবী শীর্ষক বিষয়টো উৎত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

* **শ্রীচন্দন কুমাৰ সৰকাৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়,আমাৰ বিধায়কসকলক উন্নয়ন কৰিবলৈ ৪০ লাখ টকা দিয়া হৈছে। উল্লেখযোগ্য যে দিল্লীৰ বিধায়কসকলে উন্নয়নৰ কাৰণে প্ৰায় ২ কোটিৰ পৰা ৪ কোটি, উৰিষ্যাত ১ কোটিৰ পৰা ২ কোটি, বিহাৰত ১ কোটি তাৰ পিচত সেইটো ২ কোটি কৰা হয়, অৰুণাচলত ১ কোটি কৈ টকা দিছে। চাৰ, আপোনাৰ মাধ্যমেদি চৰকাৰক অনুৰোধ জনাওঁ যাতে ডেৰ কোটি দিয়াৰ ডিক্লেয়াৰেশ্যন দিয়ে। আমি এইটো আশা ৰাখিলো।

* **শ্রীপ্রশান্ত ফুকন** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধীৰ ফালৰ পৰাওঁ কৈছো বঢ়াব লাগে।

* **শ্রীচিৰাজুদ্দিন আজমল** ঃ চাৰ ২ কোটি।

মাননীয় অধ্যক্ষ ঃ জিৰো আৱাৰত (ডিবেট) নহয়।

ইং ২১-১২-২০১১ তাৰিখৰ দৈনিক বাতৰি কাকতত প্ৰকাশিত বিধায়ক সমষ্টি উন্নয়ন পুঁজি এক কোটি টকালৈ বৃদ্ধি দাবী শীৰ্ষক বাতৰিটো সন্দৰ্ভত মাননীয় মন্ত্ৰী, শ্রীটংক বাহাদুৰ ৰাই দেৱক কবলৈ অনুৰোধ কৰিলো।

শ্রীটংক বাহাদুৰ ৰাই (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ইং ২১-১২-২০১১ তাৰিখত দৈনিক বাতৰি কাকতত প্ৰকাশিত শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৪-১৯৯৫ ৰ পৰা বিধায়ক উন্নয়ন পুঁজি আমি চাৰিবাৰ বঢ়ালো। প্ৰথমতে, ১৯৯৪-৯৫ চনত বিধায়কৰ সমষ্টি উন্নয়ন পুঁজি পাঁচ লাখ আছিল। ১৯৯৫-৯৬ চনত দহ লাখ টকালৈ বৃদ্ধি কৰা হ'য়। ১৯৯৭-১৯৯৮ চনত বিশ লাখ টকা হ'ল। এইদৰে ২০০৩-২০০৪ চনত ৩০ লাখলৈ বৃদ্ধি হ'ল। ২০০৭-২০০৮ চনত ৪০ লাখলৈ বৃদ্ধি কৰা হ'ল। আমি এতিয়া ২০১২-২০১৩ চনত বিধায়ক সমষ্টিৰ পুঁজি বঢ়াবৰ কাৰণে বিবেচনা কৰি চাম বুলি কৈছো। আমাৰ

* Speech not Corrected

মাননীয় বিধায়ক ফুকন ডাঙৰীয়া আৰু কেইজনমান বিধায়কে কৈছে আপোনাৰ দিনতে আমাৰ পেঞ্চন আৰু দৰমহা বাঢ়িছে। এইবাৰ আপুনি এম, এল, এৰ ৰেডিয়াচ বঢ়াব লাগে। বিধায়কৰ সমষ্টি উন্নয়ন পুঁজি ৪০ লাখৰ পৰা আমি বঢ়াব পৰা যায় নেকি বিবেচনা কৰি চাব লাগিব। গতিকে মই মাননীয় বিধায়ক সকলক কব বিচাৰিছো বিষয়টোত আমি চিৰিয়াচলি লব লাগিব আৰু কেবিনেটত মাননীয় মন্ত্রী সকলৰ লগত আলোচনা কৰি আৰু মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ দিহা পৰামর্শ অনুসাৰে কিমান বঢ়াব পৰা যায় চাব লাগিব। আমি চেষ্টা কৰিম।

২২-১২-২০১১ তাৰিখে অসমীয়া প্রতিদিন কাকতত প্রকাশিত নগাওঁ কাগজ কলত 'মৃত্যু ঘন্টা', কার্বিভূমিতো বাঁহ গতালে 'আৰ এচ গান্ধীক' শীর্ষক বাতৰিটোৰ বিষয়ে মাননীয় সদস্য, শ্রীকেশৰ মহন্তক বক্তব্য দাঙি ধৰিবলৈ অনুৰোধ কৰা হ'ল।

* **শ্রীকেশৰ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত যি কেইটা উদ্যোগ আছে তাৰ ভিতৰত আট্যইতকৈ ডাঙৰ উদ্যোগ হৈছে জাগিৰোডস্থিত নগাওঁ কাগজ কলৰ বিষয়ে মই মাননীয় মন্ত্রী মহোদয়ক কব বিচাৰিছো নগাওঁ কাগজ কলত মৃত্যু ঘন্টা হোৱা উপক্রম হৈছে। অসমৰ আৰু এটা পেপাৰ মিল আছে সেইটো হৈছে অশোক পেপাৰ মিল। এই মিল কেইটা সক্ষম কৰি তুলিবৰ বাবে অসম চুক্তিত অন্তর্ভুক্ত হৈছিল। অসমৰ কাগজ কল কেইটা পুনৰ উদ্ধাৰ নহলে মৃত্যু মুখলৈ ঠেলি দিয়াৰ দৰে হ'ব। কাছৰৰ পেপাৰ মিলটো মৃত্যু মুখলৈ যোৱাৰ অৱস্থা। হিন্দুস্থান পেপাৰ মিল, অশোক পেপাৰমিল আৰু জাগিৰোডস্থ পেপাৰ মিল কেইটা ১৯৮০ চনত ৩০ বছৰৰ কাৰণে চুক্তি হৈছিল। এই চুক্তিখন ত্রিপাক্ষিক আছিল। কার্বি আংলং স্বায়ত্ত পৰিষদ খন আৰু হিন্দুস্থান পেপাৰ মিলৰ পৰিষদখনো আছিল আৰু আছিল অসম চৰকাৰ। গভর্ণৰৰ দ্বাৰা প্রতিস্থিত হৈছিল। পেপাৰ মিলকেইটাত ৩০ বছৰৰ কাৰণে কেঁচা মাল হিচাপে বাঁহৰ যোগান ধৰা হৈছিল কার্বি আংলংৰ পৰা। প্রায় ৪ শতাংশ কার্বিআংলংৰ পৰা যোগান ধৰা বাঁহৰ সময় বা চুক্তি পূর্ণ হোৱাত মিল

* Speech not Corrected

কেইটা কার্য্যক্ষম কৰি তুলিবৰ বাবে পুনৰ ম্যাদ বৃদ্ধি কৰিব লাগে। কাগজকলৰ সৈতে থকা ত্রিপাক্ষিক চুক্তিখনত নবীকৰণ জৰুৰী হৈ পৰিছে। জয়ৰাম ইংলেং নেতৃত্বাধীন কার্বি স্বায়ত্ব পৰিষদখনে সমস্ত বাঁহৰ কর্তৃত্ব বিতর্কিত বাঁহ ব্যৱসায়ী আৰ, এচ, গান্ধীক দিয়া হৈছিল। আৰ, এচ, গান্ধীৰ নামত কিমান যে কেলেংকাৰী আছিল আপোনালোকে জানে, সেয়ে আৰ, এচ, এচ গান্ধী বুলি কোৱাটোৱে যথেষ্ট নহয়। কার্বি আংলং স্বায়ত্ব পৰিষদে বিতর্কিত আৰ, এচ, গান্ধী মালিকানাধীন মেচার্চ, হিলচ হিলচ ট্রেড এজেন্সিৰ সৈতে বাঁহৰ চুক্তি হৈছিল। এতিয়া সেইখন চুক্তি নাই। এইটো ঠিক যে নগাওঁ কাগজ কল চৰকাৰক নিদি ব্যক্তিগত মালিকানাধীন আৰ, এচ, গান্ধীক গতাই দিলে মৃত্যু মুখত পৰা সম্ভাৱনা আছে। চৰকাৰে এই কাগজকলবোৰ লব লাগে। এই বিষয়ে যথেষ্ট যোগাযোগ হৈছে। কতৃপক্ষ সকলৰ লগতো যোগাযোগ কৰা হৈছে। এখেত সকলৰ লগত যোগাযোগ কৰা হৈছে যদিও তেওঁলোকে দিব নোৱাৰো বুলি জনাইছে। এই কাগজকলত প্রায় ৮০ শতাংশ থলুৱা ওৱৰ্কাৰ্ছ আৰু অফিচাৰ আছে বাকী অলপহে বাহিৰৰ পৰা অহা লোক।

(Mr. Speaker vacated the chair and Dy. Speaker occupied the Chair)

উপাধ্যক্ষ মহোদয়, জাগীৰোড পেপাৰ মিলটোৰ শতকৰা ৮০ ভাগ বিষয়া কর্মচাৰী থলুৱা। হিন্দুস্থান পেপাৰ কৰপোৰেশ্বন বাহিৰৰ পৰা আহিছে। মিনিষ্ট্রি অফ হেভী ইন্ডাষ্ট্রিছ এণ্ড পাবলিক এন্টাৰপ্রাইজ, গভর্নমেন্ট অফ ইণ্ডিয়াৰ প্রফুল পেটেলে চিঠি দিছে, ইয়াত লিখা আছে Shri Praful Patel, Minister of Heavy Industries & Public Enterprises, Govt. of India wrote a D.O. letter to Chief Minister, Assam Shri Tarun Gogoi Quote Keeping in vew the role of this Mill of National importance in the Brahmaputra Valley and the Livelihood of the people of the region who are either directly or indirectly dependent on the mill. May I request you to intervene for renewal of this Tripartite Agreement by using your special dispensation..... গতিকে এতিয়া ৰাজ্য চৰকাৰৰ মুখ্য ভূমিকা

* Speech not Corrected

কেন্দ্রীয় চৰকাৰে বিচাৰিছে। ৰাজ্য চৰকাৰৰ মুখ্য ভূমিকাক লৈ যদি ট্ৰাইপাৰটিক আলোচনা হয় হিন্দুস্থান পেপাৰ কৰপোৰেশ্বনৰ অন্তৰ্ভূক্ত এই মিলটো চলাবলৈ সকাহ হব বুলি ৰাজ্য চৰকাৰক কোৱা হৈছে। এজন ব্যক্তিগত মালিক যাৰ অসমত বিভিন্ন কথাত সুনাম নাই তেখেতক এই মিলটো চমজাই দিয়া হৈছে। কেন্দ্রীয় চৰকাৰক অনুৰোধ জনাইছে, বিভিন্ন ধৰণে তেখেতে মতামত ব্যখ্যা কৰিছে। মই আশা কৰিছো মন্ত্রী ডাঙৰীয়াই গোটেই বিষয়টো বিবেচনা কৰি ৰাজ্য চৰকাৰে যাতে দৃঢ় পদক্ষেপ গ্রহণ কৰে। ব্যক্তিগত মালিকজনক কেঞ্চেল কৰি ত্রিপাক্ষিক আলোচনা যাতে ২০১২ চনৰ মাৰ্চ মাহত সম্পূৰ্ণ হয়। হিন্দুস্থান পেপাৰ কৰপোৰেশ্বনৰ অধীনৰ পৰা অসম চৰকাৰৰ নিয়ন্ত্রণত আনে তাৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

CALL ATTENTION NOTICE

মাননীয় উপাধ্যক্ষ ঃ অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্যপৰিচালনাৰ নিয়মাৱলী ৫৪ নম্বৰ নিয়মৰ অধীনত ২০১১ চনৰ ৩০ নবেম্বৰ তাৰিখৰ 'দৈনিক জনমভূমি' কাকতত প্রকাশিত "মন্ত্রীৰ হুংকাৰক পৰোৱাই নকৰে অসাধু ব্যৱসায়ীয়ে——— কেৰাচিনৰ ক'লা ব্যৱসায়— ১৩ টকাৰ তেল বিক্রী হয় ৪০-৫০ টকাত" শীৰ্ষক বাতৰিটোৰ প্রতি খাদ্য, অসামৰিক যোগান মন্ত্রী আৰু উপভোক্তা পৰিক্রমা মন্ত্রীৰ মনোযোগ আকর্ষণ কৰিব মাননীয় সদস্য, শ্রীপ্রফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই।

*** শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই ২০১১ চনৰ ৩০ নবেম্বৰ তাৰিখৰ 'দৈনিক জনমভূমি' কাকতত প্রকাশিত বাতৰিটো বিভাগীয় মন্ত্রী ডাঙৰীয়াৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। যোৱা কালি এই সদনত যথেষ্ট আলোচনা হৈছে, আজি এই বিষয়টোৰ ওপৰত আলোচনা হোৱাৰ স্কোপ কম। আমি ভাল পাইছো দুয়োজন মন্ত্রী একেলগে বহিছে, এজন বিজুলী মন্ত্রী আৰু এজন খাদ্য মন্ত্রী। অসমৰ কিছু অঞ্চলত বিজুলী নাথাকিলে কেৰাচিনৰ দৰকাৰ হয়। কেৰাচিন নাথাকিলে বিজুলীৰ দৰকাৰ হয়। বিজুলী নহলে বেটাৰী লগাই টি, ভি, চায়। পৰীক্ষা আহিলে ছাত্র-ছাত্রী সকলে চাকি ৰেডি ৰাখিব লাগে, তেতিয়া কেৰাচিন তেলৰ দৰকাৰ

* Speech not Corrected

হয়। বিভাগীয় মন্ত্রী ডাঙৰীয়া ডাক্তৰ মানুহ, তেখেতে বেচিকৈ ফিজ লৈ চিকিৎসা কৰে। মাননীয় সদস্য, ডাঃ ভূমিধৰ বৰ্মণ ডাঙৰীয়াও ডাক্তৰ আছিল। তেখেতে ৰোগী চিকিৎসা কৰোতে ফিজ লোৱা নাছিল। (ভইচ- মইও নলওঁ) আপুনি লগাতকৈ বেছিকৈহে ফিজ লয়।

উপাধ্যক্ষ মহোদয়, যদি বিজুলী নাথকে, কেৰাচিন তেলো পোৱা নাযায় ৰাইজে যথেষ্ট কষ্টৰ সন্মুখীন হবলগা হয়। ১৩ টকা মূল্যৰ কেৰাচিন ৪০/৬০/৮০ টকালৈকে বিক্রী কৰা হয়। তাকো সময় মতে পোৱা নাযায়। পি, ডি, এচ, চিষ্টেমত কেৰাচিন তেল অন্যতম, কেৰাচিন তেলৰ যথেষ্ট চাহিদা আছে। কেৰাচিন তেল নহলে ছাত্র-ছাত্রী সকলে মমবাতি লৈ পঢ়া আৰম্ভ কৰে। ইয়াৰ চাহিদা পূৰণ কৰিবলৈ যাওঁতে মধ্যভোগী সকলে কেৰাচিনৰ দাম অধিক বঢ়াই দিছে। মুকলি বজাৰত অধিক দামত কিনিব লগা হৈছে। এই ক্ষেত্রত ৰাইজে হাৰাশাস্তি ভূগিছে। যদি পি, ডি, এচ, চিষ্টেমত অধিক দাম দিব লগা হয়, তেতিয়া হলে ৰাইজে কেনেকৈ চলিব। আমাৰ ছাত্র-ছাত্রী সকল পঢ়াৰ ক্ষেত্রত কেনেকৈ আগ বাঢ়িব পাৰিব। বাতৰি কাকতত ওলাইছে যে চাকিৰ পোহৰত যি সকলে পঢ়িছে তেওঁলোকেহে মেধাৰ পৰিচয় দিছে। সেই কাৰণে মই ভাবো, এই বিভাগে এই বিষয় বিলাকৰ ওপৰত এটা ভাল তদন্ত কৰিব লাগে আৰু সেই মতে ব্যৱস্থা কৰিব লাগে। ডাক্তৰ হিচাবে তেওঁ ফিজটো কম কৰিব লাগে। যাতে সর্বসাধাৰণ ৰাইজে তেওঁক বিশ্বাস কৰিব পাৰে। সুলভ মূল্যৰ দোকান বঢ়াওক চহৰত বিজুলী আছে গাওঁ অঞ্চলত ইয়াৰ কোটা বঢ়াবলৈ অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*** ডাঃ নজৰুল ইছলাম (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী) ঃ**

মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ পক্রিয়া আৰু কার্য্য পৰিচালনাৰ ৫৪ নং নিয়মৰ অধীনত ২০১১ চনৰ ৩০ নবেম্বৰ তাৰিখৰ 'দৈনিক জনমভূমি' কাকতত প্রকাশিত 'মন্ত্রীৰ হংকাৰক পৰোৱাই নকৰে অসাধু ব্যৱসায়ীয়ে

* Speech not Corrected

কেৰাচিনৰ ক'লা ব্যৱসায় ১৩ টকা মূল্যৰ তেল বিক্রী হয় ৪০-৬০ টকা' শীর্ষক বাতৰিটোৰ প্রতি মোৰ দৃষ্টি আকর্ষণ কৰিছে। উপাধ্যক্ষ মহোদয়, বিষয়টো মোৰ দৃষ্টিগোচৰ হৈছে। উপাধ্যক্ষ মহোদয়, অসমক যিমান পৰিমাণৰ কেৰাচিন তেলৰ প্রয়োজন সিমানখিনি কেৰাচিন তেল আমি এলোটমেন্ট নাপাওঁ। অসমৰ ৩ কোটি ১১ লাখ জনসংখ্যাৰ বিপৰীতে আমাক ২১ হাজাৰ ৩০০ মেট্রিক টন হে এলোটমেন্ট দিয়ে। অর্থাৎ প্রায় আধাহে তেল পাওঁ। আজিৰ এই বাতৰিটোত গুৱাহাটীৰ কথাহে কৈছে গাওঁৰ কথা কোৱা নাই। কম আৱন্টন পোৱা কাৰণে ব্লেকমার্কেটিং হৈছে। যথেষ্ট পৰিমাণৰ তেল পোৱা হলে এনে অৱস্থা নহলহেতেন। তথাপি চৰকাৰৰ স্পষ্টিকৰণটো এনে ধৰণৰ..... (পটি দিছে, পৃষ্ঠা ২ আৰু ৩ আছে)

প্রশ্নত উল্লেখ থকা 'দৈনিক জনমভূমি' কাকতৰ ৩০ নবেম্বৰ সংখ্যাত প্রকাশিত বাতৰি আমাৰ দৃষ্টিগোচৰ হৈছে। এই সংক্রান্তত আমাৰ বক্তব্য তলত দিয়া ধৰণৰ—

১) কামৰূপ মহানগৰ জিলাত বর্তমান প্রতিখন পৰিয়াল পৰিচয় প্রত্রৰ বিপৰীতে গাওঁ এলেকাত প্রতি মাহে ৪ লিটাৰ, মহানগৰ এলেকাত ৩ লিটাৰকৈ কেৰাচিন তেল আবন্টন কৰি থকা হৈছে। প্রত্যেক হোকাৰৰ জৰিয়তে গাওঁ এলেকাত মাহে ২০০ লিটাৰ আৰু মহানগৰ এলেকাত ৪০০ লিটাৰকৈ তেলৰ আবন্টন দিয়া হৈছে। খুচুৰা বিক্রেতাৰ জৰিয়তে প্রতি মাহে ১০০ লিটাৰকৈ গাওঁ আৰু মহানগৰ এলেকাত আবন্টন কৰি থকা হৈছে।

২) ক'লা বজাৰত বে-আইনী ভাবে অধিক মূল্যত তেল বিক্রী কৰা ব্যৱসায়ী সকলৰ ওপৰত চকু ৰাখিবলৈ বিভাগীয় পৰিদর্শকক লৈ দণ্ডাধীশ পর্য্যায়ৰ তদন্তকাৰী গোট গঠন কৰা হৈছে। উক্ত গোটে সময়ে সময়ে বিভিন্ন ঠাইত অভিযান চলাই বে-আইনী ভাবে বিক্রী কৰা তেল জব্দ কৰিছে আৰু এনে ব্যৱসায়ৰ লগত জড়িত ব্যক্তিৰ ওপৰত আইন সংগত ব্যৱস্থা লৈছে।

চলিত বর্ষত কামৰূপ মহানগৰ জিলাত খাদ্য, অসামৰিক যোগান আৰু গ্রাহক পৰিক্রমা বিভাগে মহানগৰৰ বিভিন্ন ঠাইত যেনে- নুনমাটি,

*** Speech not Corrected**

ভঙাগড়, ছয়মাইল, বশিষ্ঠ, চান্দমাৰী, পাথৰকুৰৰী, ভূতনাথ, নাৰেংগী, মালিগাঁও, বৰাগাওঁ আদি অঞ্চলত বে-আইনী ভাবে ক'লা বজাৰত বিক্রী কৰা তেল জব্দ কৰাৰ লগতে ইয়াৰ লগত জড়িত ব্যক্তিৰ ওপৰত আইনগত ব্যৱস্থা লৈছে। চলিত বছৰত কামৰূপ মহানগৰ জিলাৰ বিভিন্ন ঠাইত জব্দ কৰা তেলৰ হিচাপ সংলগ্ন 'ক' ত দিয়া হ'ল।

এতিয়ালৈকে তদন্তকাৰী বিষয়া সকলৰ পৰা নীলা কেৰাচিন তেল লিটাৰত ৪০-৬০ টকা দৰত বিক্রী হোৱা সম্পর্কত কোনো প্রতিবেদন পোৱা হোৱা নাই আৰু এই সংক্রান্তত কোনো ৰাজহুৱা অভিযোগো পোৱা হোৱা নাই।

বিভিন্ন জিলাত বে-আইনী কার্য্যত জড়িত ব্যৱসায়ী, বিভাগীয় বিষয়া কর্মচাৰীৰ ওপৰত সময়ে সময়ে আইনগত ভাবে শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰি থকা হৈছে।

* **শ্রীপ্রফুল্ল কুমাৰ মহন্ত** ঃ কোটাটো বঢ়াই দিব লাগে বুলি ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰক।

ডাঃ নজৰুল ইছলাম (মন্ত্রী) ঃ চেষ্টাটো আমি কৰিয়েই আছো। মাননীয় সদস্য সকলে জানে, আমি সর্ব্বদলীয় টিম এটা গৈয়ো হেচা দিছো। কিন্তু কেন্দ্রৰ এটাই কথা। যিহেতুকে এতিয়া গেছ প্রবর্তণ হৈছে। সেয়ে তেওঁলোকে নীলা কেৰাচিন তেলৰ পৰিমাণ বঢ়াব নোৱাৰে। আমি যিখিনি দিছো সেইখিনিকে গাওঁ অঞ্চলত বেছিকৈ দিছো। চেন্টাৰৰ পলিচি হ'ল সকলো ৰাজ্যকে সমানে কোটা দিব। আমাৰ ইয়াত বিজুলীৰ অভাৱ বুলি বাৰে বাৰে কৈ আছো, কিন্তু কেন্দ্রই নামানে। তেওঁলোকে কয় আপোনালোকে বগা কেৰাচিন তেলৰ কাৰণে আবেদন কৰক আমি দিব পাৰিম। কিন্তু বগা কেৰাচিন তেলৰ প্রতি লিটাৰৰ দাম ৪০ টকা। কোনো ডিপুৰে বগা কেৰাচিন তেল আৰম্ভন নিবিচাৰে। তেওঁলোকে কৈছে এপিএল, বিপিএল লোকক পি ডি এচৰ যোগেদি দিয়ক।

*** Speech not Corrected**

সংলগ্ন 'ক'

ক্রঃ নং	তাৰিখ	স্থান	জব্দ কৰা তেল (লিটাৰ)
১	১১-৫-২০১১	খানাপাৰা	২২০ (অটো নং এ এচ ০১ এ চি ৬৭৮৯)
২	১৯-৫-২০১১	খানাপাৰা	২০০ (অটো নং এ এচ ০১ ডি চি ১১৩৫)
৩	১৬-৭-২০১১	ভঙাগড়	১৬০
৪	১৯-৭-২০১১	ভুতনাথ	৮৫
৫	২৫-৭-২০১১	পাঠৰকুঁৱৰী	৪০
৬	২৬-৭-২০১১	বশিষ্ঠ	৩৩
৭	২৮-৭-২০১১	লালমাটি	৫০
৮	২৮-৭-২০১১	লাখটকীয়া	৩৬
৯	১-৮-২০১১	ছয়মাইল	১১০
১০	১৩-৮-২০১১	ছৰাবভাটি	২০
১১	১৪-৮-২০১১	ছয়মাইল	১০৩
১২	১৩-৯-২০১১	ভঙাগড়	২০
১৩	১৫-৯-২০১১	নাৰেংগী	২৫
১৪	১৬-৯-২০১১	ভুতনাথ	৪৫
১৫	১৬-৯-২০১১	চাটলগেট	৪০
১৬	২৯-১০-২০১১	ভুতনাথ	৪০
১৭	২৯-১০-২০১১	চলাপাৰাৰোড	৩০
১৮	২১-১০-২০১১	ছয়মাইল	১০০
১৯	২-১১-২০১১	বামুনিমৈদাম	২০
২০	১৮-১১-২০১১	বশিষ্ঠ	৩৩
২১	২৩-১১-২০১১	ভুতনাথ	২০
২২	২৪-১১-২০১১	ভুতনাথ	২২
২৩	১৫-১২-২০১১	বশিষ্ঠ	১০০
২৪	১৫-১২-২০১১	ছয়মাইল	৪২

Mr. Dy. Speaker: Now, Item No. 3 (Mr. Speaker occupied the Chair)

* **শ্ৰীৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নম্বৰ নিয়মৰ অধীনত "ৰৰপেটাৰ পৰা কলগেছিয়া লৈ স্থানান্তৰিত কৰা ৰৰপেটা অসামৰিক চিকিৎসালয় সম্পৰ্কে" বিষয়টো উৎথাপনৰ জৰিয়তে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি দু-আষাৰ কব বিছাৰিছো। যোৱা কালিও এই বিষয় বিলাক আলোচনা হৈছিল। ৰৰপেটা চিভিল হস্পিতেলৰ আন্তঃগাঠনিৰ কথা কৈছে। ৰৰপেটা জনীয়া ময়নবৰী, লেংটিচিঙা এই এটা বৃহৎ অঞ্চলৰ পৰা ৰাইজে কলগাছিয়া চিভিল হস্পিতেলৰ পৰা বহুত আশা কৰিছে। উক্ত হস্পিতেলক ফকৰুদ্দিন চিভিল হস্পিতেল কৰিবলৈ বিছৰাত আমি আনন্দিত হৈছো। কিন্তু উক্ত হস্পিতেলখনত ডাক্তৰ নার্চ বা অন্যান্য আন্তঃগাঠনি নথকাৰ কাৰণে ৰোগী বিলাকে বেয়াকৈ চাফাৰ কৰিবলগা হৈছে। আপোনালোক সকলোৱে জানে যে দুখীয়া নিচলা বেমাৰী লোক সকলেহে চিভিল হস্পিতেলত চিকিৎসা কৰিবলৈ যায়। কিন্তু যথেষ্ট পৰিমাণৰ ডাক্টৰ নার্চ নাথাকিলে তেওঁলোকে ঘূৰি আহিব লগা হয়। আজি আমি সকলোৱে স্বীকাৰ কৰিব লাগিব। বর্তমানৰ স্বাস্থ্য মন্ত্ৰীৰ দিনত স্বাস্থ্য খণ্ডত যথেষ্ট উন্নতি হৈছে। তেখেতে আমাৰ ফালে চাই হাঁহি এটা মাৰি দিলে নিশ্চয় আৰু বেচি উন্নতি হব। ৰৰপেটা চিভিল হাস্পিতেলত ২৩ জন ডাক্টৰ, ৩১ জনী নার্চ আৰু ফার্মাচিষ্ট ৭ জন আছে। কলগাছিয়াত বহুত কম আছে মাত্ৰ ৬ জন ডাক্তৰহে আছে। ই যথেষ্ট নহয়। চিভিল হস্পিতেল হিচাপে তাত বেমাৰীৰ প্ৰেচাৰ বেচি যি জন অধীক্ষক থাকে তেওঁ অন্য কামতে ব্যস্ত থাকে। চিকিৎসা কৰিবলৈ সময় নাপায়। কাৰণ চিভিল হস্পিতেল এখনত বিভিন্ন ধৰণৰ প্ৰশিক্ষনকে আদি কৰি বিভিন্ন প্ৰগ্ৰেম থাকে। যোৱা কালিও এই বিষয়ে মই কৈছিলো। তেখেতে কলগাছিয়াত পূৰ্ণাঙ্গ হস্পিতাল কৰিবলৈ তিনি বছৰ সময় লাগিব বুলি কৈছে।

* Speech not Corrected

কিন্তু ময়নবৰী, সৱভোগ, লেংটিচিঙা আদি ঠাইত দুখীয়া মানুহৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি ২০১২ চনৰ ভিতৰত ইয়াক পূৰ্ণাঙ্গ কৰিবলৈ অনুৰোধ জনালো। মন্ত্ৰী মহোদয়ে ইচ্ছা কৰিলে সোনকালে হব বুলি আমি আশা কৰিলো। তাত দুটা অ'টি আছে। কিন্তু এতিয়ালৈকে তাত অপাৰেচন হোৱা নাই। গাইনোকোলোজীৰ ডাক্টৰ নাই। যাৰ কাৰণে দুখীয়া মানুহখিনিয়ে মাটি বিক্ৰী কৰি হলেও ২০/৩০ হাজাৰ টকা খৰছ কৰি বঙাইগাওঁ, গুৱাহাটী-লৈ আহিব লগা হয়। তাকো চিজাৰিয়েন কেচ। কিন্তু কলগাছিয়াত যদি এই সুবিধাটো পোৱা যায়, এটা বৃহৎ অঞ্চলৰ মানুহে সুবিধা পাব। আনহাতে, চকুৰ কাৰণে এটা অ'টি আছে, সেইটোও মন্ত্ৰী মহোদয়ে ইচ্ছা কৰিলে অতি সোনকালে কাৰ্য্যক্ষম কৰি তুলিব পাৰে। আন্তঃ গাঠনি খিনি ঠিক কৰি দিলে কৰিব পৰা যাব। কিন্তু যি ৫ জন ডাক্তৰ দিছে সিও ঠিকা ভিত্তিত কাম কৰে। গতিকে ডাক্তৰ, নার্চৰ সংখ্যা বঢ়াই দি আন্তঃ গাঠনিৰ উন্নয়ন কৰি দিলে তেওঁলোকে ঠাইতে চিকিৎসা কৰিব পাৰিব। অপাৰেচন থিয়েটাৰ দুটাত কিছু সা-সৰঞ্জামৰ সা-সুবিধা আছে। কিন্তু কাৰ্য্যক্ষম নোহোৱা কাৰণে গুদাম ঘৰত পৰিণত হৈছে। তাত কিছু আৰু সা-সৰঞ্জাম দি সুবিধা কৰি দিলে অপাৰেচন কৰিব পাৰিব। এতিয়া ১৬ জন ডাক্তৰৰ ঠাইত ২ জন ডাক্তৰ আৰু ৫ জনী নার্চ আৰু দুজন ফার্মাচিষ্ট আছে। কিন্তু সংখ্যা অনুপাতে ডাক্তৰ নার্চ নাই। সেই কাৰণে মই স্বাস্থ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো, তেখেতে তিনি বছৰলৈ অপেক্ষা নকৰি ২০১২ চনৰ ভিতৰত কাম খিনি সমাপ্ত কৰিব লাগে। এই খিনিকে কৈ মই বক্তৃতা সামৰণি মাৰিলো।

*** ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বৰপেটা জিলাৰ কলগাচিয়া চিভিল হস্পিতেল খন সোনকালে দিব লাগে বুলি মাননীয় সদস্যজনে বিচাৰিছে যদিও, চিভিল হস্পিতাল নিয়ম মতে জিলাৰ সদৰত হ'ব লাগে। সেই মতে কলগাচিয়াত চিভিল হস্পিতেলখন নহৈ বৰপেটাৰোড বা হাউলীত হব লাগিছিল। কিন্তু সেই সময়ৰ বিধায়ক আব্দুল খালেক ডাঙৰীয়াৰ

*** Speech not Corrected**

লগতে কলগাচিয়াৰ ৰাইজৰ দাবীত আমি তাত চিভিল হস্পিতেলখন দিব লগীয়া হ'ল। কিন্তু সম্পূৰ্ণ চিভিল হস্পিতেল এখন হবলৈ তাত এটা বিলডিং লাগিব। কিন্তু এটা বিলডিং আঢ়ৈবছৰত হ'ব নোৱাৰে। মিনিমাম তিনিবছৰ লাগিব, বিলডিং সম্পূৰ্ণ হওতে চাৰে তিনিবছৰ হব পাৰে, কিন্তু আঢ়ৈ বছৰ হ'ব নোৱাৰে। এটা বিলডিং বনাবলৈ গড়কাপ্তানী বিভাগে প্ৰথমতে প্লেন এষ্টিমেট বনাব লাগিব, তাৰ পিচত টেন্ডাৰ আহ্বান কৰিব লাগিব। তাৰ পিচত কনট্ৰেকটৰে বিলডিং বনাব তাৰ পিচতহে চিভিল হস্পিতেল হ'ব। এইটো মই এবছৰতে কৰি দিব নোৱাৰো। আৰু তাত ১৬ জন ডাক্তৰ বিচাৰিছে, মই এতিয়াই তাত ১৬ জন ডাক্তৰ বহুৱাই ৰাখিব নোৱাৰো। আমাৰ বহুত মাননীয় সদস্যই ডাক্তৰ নাৰ্চ বিচাৰি আছে। এতিয়াই তাত ১৬ জন ডাক্তৰ দিলে তেওঁলোকে চাৰিজনকৈ ৰটেশ্যন ডিউটি কৰিব। গতিকে এতিয়া তাত যিমান ডাক্তৰ প্ৰয়োজন সিমানেই ৰাখিছো। বাকী ডাক্তৰ সকলক বিভিন্ন অঞ্চলত কামত লগাইছো। যেতিয়া চিভিল হস্পিতেলখন সম্পূৰ্ণ হ'ব, তেতিয়া তাত অধিক ডাক্তৰ দিয়া হ'ব। মাননীয় সদস্যজনে এজন 'গাইনী' ডাক্তৰৰ কথা কৈছে, মই তাত এজন 'গাইনী' ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিম। কলগাচিয়াৰ কথা পেপাৰে-পত্ৰই লিখি আছে, পেপাৰৰ সাংবাদিকেটো বিলডিং বনাই দিব নোৱাৰে। কেতিয়াবা এটা বিলডিং সম্পূৰ্ণ হওঁতে ৬ বছৰো লাগে। আপুনি কলগাচিয়াৰ ৰাইজক ক'ব, তাত নোহোৱা কাম এটা হৈছে, চিভিল হস্পিতেল জিলা সদৰৰ বস্তু কলগাচিয়াত হৈছে। আমি কাম হাতত লৈছো যিমান সোনকালে পাৰি কৰিবলৈ চেষ্টা কৰিম। আৰু ক'ব কলগাচিয়াত এজন 'গাইনকলজীৰ' ডাক্তৰ দিয়া হ'ব। মন্ত্ৰীয়ে মোৰ সকলো কথা শুনিছে সেই মতে ব্যৱস্থা লব।

STATEMENT BY MINISTER

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় বিধায়ক, শ্ৰীচিৰাজউদ্দিন আজমল ডাঙৰীয়াই দৃষ্টি আকৰ্ষণ কৰা "শৰণাৰ্থীৰ আত্মজাহ" সন্দৰ্ভত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে এটা বিবৃতি দিব।

* **শ্রীপৃথিৱী মাঝি (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা মন্ত্রী) ঃ** মাননীয় বিধায়ক, শ্রীচিৰাজউদ্দিন আজমল ডাঙৰীয়াই যোৱা ২২/১২/২০১১ ইং এজন ব্যক্তিয়ে আত্মজাহৰ চেষ্টা কৰা বিষয়ৰ উদ্ধৃতি দি চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিছে। এই সম্পর্কে মই মাননীয় সদনক অৱগত কৰিব বিচাৰিছোঁ যে বিগত ১৯৯৩, ১৯৯৬ আৰু ১৯৯৮ চনত অবিভক্ত কোকৰাঝাৰ জিলা (বর্তমানৰ কোকৰাঝাৰ আৰু চিৰাং জিলা) আৰু বঙাইগাওঁ জিলাত সংঘটিত হোৱা গোষ্ঠী সংঘর্ষত এক বৃহৎ সংখ্যক পৰিয়াল ক্ষতিগ্রস্ত হৈছিল। চৰকাৰে সেই সংঘর্ষত ক্ষতিগ্রস্ত হোৱা পৰিয়াল সমূহক শৰণার্থী শিৱিৰত ৰখাৰ ব্যৱস্থা কৰে। পৰিস্থিতি শান্ত কটাত পৰৱর্তী সময়ত চাৰিটা পর্য্যায়ত এই ক্ষতিগ্রস্ত পৰিয়াল সমূহক পুনৰ সংস্থাপন অনুদান প্রদানৰ বাবে ব্যৱস্থা কৰে।

প্রথম পর্য্যায় ঃ যি সকলৰ পট্টা মাটি আছিল বা বনগাঁৱত বসবাস কৰিছিল আৰু নিৰাপত্তাৰক্ষী নোহোৱাকৈ নিজৰ গৃহলৈ যাব পৰা অৱস্থাত আছিল তেওঁলোকক এই পর্য্যায়ত অন্তর্ভূক্ত কৰা হৈছিল।

দ্বিতীয় পর্য্যায় ঃ যি সকলৰ পট্টা মাটি আছিল বা বনগাঁৱত বসবাস কৰিছিল আৰু সামান্য নিৰাপত্তাৰ ব্যৱস্থাৰে নিজৰ গৃহলৈ যাব পৰা অৱস্থাত আছিল তেওঁলোকক এই পর্য্যায়ত অন্তর্ভূক্ত কৰা হৈছিল।

তৃতীয় পর্য্যায় ঃ যি সকলৰ পট্টা মাটি আছিল বা বনগাঁৱত বসবাস কৰিছিল আৰু বিশেষ নিৰাপত্তা ব্যৱস্থাৰে নিজৰ গৃহলৈ যাব পৰা অৱস্থাত আছিল তেওঁলোকক এই পর্য্যায়ত অন্তর্ভূক্ত কৰা হৈছিল।

চতুর্থ পর্য্যায় ঃ যি সকলৰ ম্যাদী পট্টা নাছিল বা বনগাওঁৰ বাসিন্দা নাছিল তেওঁলোকক এই পর্য্যায়ত অন্তর্ভূক্ত কৰা হৈছিল।

উক্ত চাৰিটা পর্য্যায়ত অন্তর্ভূক্ত হোৱা ১১,৬৭৪ টা পৰিয়ালক প্রতিটোকে ১০,০০০/- টকাকৈ পুনৰ সংস্থাপনৰ বাবে আর্থিক সাহায্য প্রদান কৰা হৈছিল।

পৰৱর্তী সময়ত বর্তমানৰ চিৰাং, বঙাইগাওঁ আৰু কোকৰাঝাৰ জিলাত

ক্ষতিগ্রস্ত পৰিয়ালক পুনৰসংস্থাপনৰ বাবে পর্য্যাপ্ত পৰিমাণৰ ভূমি নথকাত কিছু সংখ্যক লোক শৰণার্থী শিৰিৰত থাকি যায়। গোষ্ঠী সংঘর্ষৰ ফলত আশ্রয় শিৰিৰত থকা শৰণার্থীসকলক মানৱতাৰ খাতিৰত চৰকাৰে বিভিন্ন সময়ত পাৰিতোষিক সাহায্য যেনে— খাদ্য সামগ্রী, আঠুৰা, কম্বল আদি প্রদান কৰি থকা হৈছিল। চৰকাৰে এই সমস্যা গভীৰ আন্তৰিকতাৰে সমাধান কৰাৰ বাবে প্রচেষ্টা অব্যাহত ৰাখে।

এই প্রচেষ্টাৰ লগত সংগতি ৰাখি তদানীন্তন ৰাজহ মন্ত্রী মাননীয় ডাঁ ভূমিধৰ বর্মণৰ অধ্যক্ষতাত এটা কেবিনেট উপ-সমিতি গঠন কৰি দিছিল। সেই সমিতিয়ে অসমৰ মাননীয় মুখ্যমন্ত্রীৰ পৌৰহিত্যত "The Society for Rehabilitation of Violence affected Families living in the Relief Camps of Bongaigaon and erstwhile Kokrajhar District who were affected during the period of ethnic violence in 1993, 1996 and 1998." নামেৰে এটি সমিতি গঠন কৰাৰ পৰামর্শ দিছিল আৰু চৰকাৰে এই পৰামর্শ মানি লৈ এই চছাইটি গঠন কৰিছিল। শৰণার্থী সমূহক প্রতিনিধিত্ব কৰিব পৰাকৈ শৰণার্থী সকলৰ মাজৰ পৰা প্রতিনিধিও সদস্য হিচাপে উক্ত চছাইটিত অন্তর্ভুক্ত কৰা হৈছিল। সেই সমিতিয়ে তিনিখন জিলাৰ উপায়ুক্তৰ পৰা প্রতিবেদন পাই যে কোকৰাঝাৰ জিলাত ৬৫৪৬ টা পৰিয়াল, চিৰাং জিলাত ২০৮৬, বঙাইগাওঁ জিলাত ২১৪২ টা পৰিয়াল বিভিন্ন শৰণার্থী শিৰিৰত আশ্রয় লৈ আছিল। চছাইটিয়ে আশ্রয় শিৰিৰত থকা পৰিয়াল সমূহে যাতে পুনৰ সংস্থাপনৰ বাবে নিজাববীয়াকৈ ব্যৱস্থা ল'ব পাৰে আৰু সাহায্য শিৰিৰ যাতে বন্ধ হয় এই কথা লক্ষ্য ৰাখি শৰণার্থী পৰিয়ালবোৰক প্রত্যেককে ৫০,০০০/- টকাকৈ পুনৰ সংস্থাপনৰ বাবে এক্কালীন অনুদান দিয়াৰ সিদ্ধান্ত গ্রহণ কৰে। চছাইটিৰ অনুমোদনৰ আধাৰত চৰকাৰে সর্বমুঠ ৬০.০০ কোটি টকা সংশ্লিষ্ট উপায়ুক্ত সকলক প্রদান কৰে আৰু উপায়ুক্ত সকলে হিতাধিকাৰী সকলৰ মাজত এই ধনৰাশি শৰণার্থী শিৰিৰত থকা সকলো পৰিয়ালক বিতৰণ কৰি দিয়ে আৰু শৰণার্থী শিৰিৰ বন্ধ কৰি দিয়ে। সেই বাবে বর্তমান কোনো চৰকাৰী স্বীকৃত শৰণার্থী শিৰিৰ নাই।

মাননীয় সদস্য গৰাকীয়ে যিটো বিষয় চৰকাৰৰ ওচৰত দৃষ্টিগোচৰ কৰিছে সেই বিষয়ত চৰকাৰে গভীৰ আশ্চর্য্য প্রকাশ কৰিছে আৰু কোনো স্বার্থান্বেষী দুষ্ট চক্রই চৰকাৰৰ ভাৱমুর্ত্তি বিনষ্ট কৰাৰ অপচেষ্টা বুলি অনুভৱ কৰিছে। যিটো গভীৰ বিষয় ইতিমধ্যে চৰকাৰে অতি আন্তৰিকতাৰে অশেষ প্রচেষ্টাৰ অন্তত এটা সন্তোষজনক সমাধান কৰিছে। তেনেস্থলত চৰকাৰৰ শলাগ নলৈ এনে নতুন অপচেষ্টাৰ অৱতাৰণাৰে জনগণক বিভ্রান্ত কৰা কার্য্যক চৰকাৰে ৰাজনৈতিক অভিসন্ধি আৰু ৰাইজক বিপথে পৰিচালিত কৰাৰ এটা নতুন কৌশল বুলিহে বিশ্বাস কৰে। সংশ্লিষ্ট সকলো পক্ষকে এনেধৰণৰ অপচেষ্টাক প্রশ্রয় নিদি ইয়াক উৎখাত কৰাৰ বাবে চৰকাৰে আহ্বান জনাইছে।

MISCELLANEOUS

Shri Sirajuddin Ajmal: Mr. Speaker Sir, I would like to raise a very important point.

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য, আজমল ডাঙৰীয়া আপুনি এতিয়া বহক। বিধিমতে আপোনাক কবলৈ দিব নোৱাৰিম, আপুনি বহক।

Shri Sirajuddin Azmal: Sir, this is not fair, injustice is being done here.

(All the Members of AIUDF were on there feet and requested Hon'ble Speaker to allow them to speak, but Hon'ble Speaker did not allow them to speak. As a result, there was pandemonium in the House.)

Mr. Speaker: I request you to take your seat. Rule does not permit any discussion.

* শ্রীনীলমনি সেন ডেকা (মন্ত্রী, সংসদীয় পৰিক্রমা) ঃ মাননীয়

* Speech not Corrected

অধ্যক্ষ মহোদয়, ৰুল ৫৫ ত আছে মাননীয় মন্ত্রীয়ে কোনো এটা বিষয়ত ষ্টেটমেন্ট দিয়াৰ পিছত প্রশ্ন কৰিব নোৱাৰে ইয়াত লিখা আছেই পঢ়ি দিছো—

I quote from Rules of procedures and Conduct of Business in Assam Legislative Assembly, Section-55.

"55. A statement may be made by a Minister on a matter of public importance with the consent of the Speaker but no question shall be asked at the time the statement is made."

* **Dr. Himanta Biswa Sarma (Minister Eduation etc.):** Mr. Speaker Sir. they have also said that they will commit suicide. Here Sir, Sikshamitras also often resort to some sort of agitation. That does not mean I will bow down to all their demands. Student is my paramount interest. I am waiting for a detailed discussion. I know sir Hon'ble Member, Shri Sirajuddin Ajmal is one of the learned men in this Assembly. If you raise any question in regard to sikshamitra I will definitely reply. I am not that sort to escape from any reply.

The issue is that who is our most paramount interest? Mr. Sirajuddin Ahmed will give me a guideline, who should be a teacher. Hon'ble Member, you are an educated man, I will go by what you say, you have to give me an assurance that your son will not study in English school....., in Assamese..... Saranarthi is a different issue, our Hon'ble Minister is here and there is a procedure for which he has given a statement. ....., Whenever Mr. Speaker will give time we will give reply. House has to be conducted as per wishes of the Speaker.

---

* Speech not Corrected

* **শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কটোৰ বিষয়ত এটা আলোচনাৰ প্ৰয়োজন। ই এটা স্পৰ্শকাতৰ সমস্যা, এইটো নতুন সমস্যা নহয়। ২০ বছৰৰ আগৰ পৰাই এই সমস্যাটোৰে দেখা দিছে। মাননীয় মুখ্য মন্ত্রী, শ্রীতৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত এই সমস্যাটোৰ বিষয়ে আমি আন্তৰিকতাৰে আলোচনাত বহিম। এইটো এটা জলন্ত সমস্যা ভূমি হীনক মাটি দিয়াৰ ব্যৱস্থা, গৃহ হীনক ইন্দিৰা আবাস যোজনাৰ গৃহ দিয়াৰ ব্যৱস্থা আৰু আৰ্থিক সাহায্য দিব পৰা যাব নেকি আমি বিতং ভাবে আলোচনা কৰিব লাগিব। তেতিয়াহে এই সমস্যাৰ সমাধান হব।

* **ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অনুমতি দিয়ক তেতিয়া অসুবিধা নহলে আলোচনা কৰা হব। ইয়াত ইউ ডি এফৰ প্ৰতিনিধি থাকিব এই সপ্তাহৰ ভিতৰতে আলোচনা কৰিব পৰা যাব।

We will sit together in a meeting in this connection, in the 1st week, of January, 2012.

CONSIDERATION AND PASSING OF GOVERNMENT BILLS

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ৪ (ক)।

এতিয়া মাননীয় শিক্ষা মন্ত্রীয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত প্রস্তাৱ উত্থাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয় "দি কটন কলেজ ষ্টেট ইউনিভাৰচিটি (এমেন্ডমেন্ট) বিধেয়ক, ২০১১" বিবেচনাৰ বাবে লোৱা হওঁক।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱটো সদনৰ মজিয়াত দাঙি ধৰিলো।

*Speech not Corrected

প্ৰস্তাৱটো হ'ল—

"The Cotton College State University (Amendment) Bill, 2011"

বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই

প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া কার্য্যসূচী নং ৪ (খ)।

বিধেয়কখনৰ ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, ১১, ১২, ১৩, আৰু ১৪ নং দফাকেইটাত সংশোধনীৰ প্ৰস্তাৱ নাই,

এতিয়া মই দফাকেইটা সদনৰ মজিয়াত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল—

২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, ১১, ১২, ১৩, আৰু ১৪ নং দফাকেইটা বিধেয়কখনৰ অংশ হব।

যিসকল মাননীয় সদস্য/সদস্যাই

দফাকেইটাৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, ১১, ১২, ১৩, আৰু ১৪ নং দফাকেইটা বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ

সদনৰ মজিয়াত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল—

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হব।

যিসকল মাননীয় সদস্য/সদস্যাই

সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া কার্য্যসূচী নং ৪ (গ)।

এতিয়া মাননীয় শিক্ষা মন্ত্রীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, "দি কটন কলেজ ষ্টেট ইউনিভাৰচিটি (এমেন্ডমেন্ট) বিধেয়ক, ২০১১" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনৰ মজিয়াত দাঙি ধৰিলো।

প্ৰস্তাৱটো হ'ল—

"The Cotton College State University (Amendment) Bill, 2011"

পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই

প্রস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্রস্তাৱটো পাৰিত কৰা হ'ল।

বিধেয়কখনো পাৰিত কৰা হ'ল।

এতিয়া কার্য্যসূচী নং ৫ (ক)।

এতিয়া মাননীয় আইন মন্ত্রীয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত প্রস্তাৱ উত্থাপন কৰিব।

Shri Tanka Bahadur Rai (Minister, Judicial etc.): Sir, I beg to move that "The National Law School and Judicial Academy Assam (Amendment) Bill, 2011" be taken into consideration.

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্রস্তাৱটো হ'ল—

"The National Law School and Judicial Academy, Assam (Amendment) Bill, 2011"

বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই

প্রস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্রস্তাৱটো গৃহীত হ'ল।

এতিয়া কার্য্যসূচী নং ৫ (খ)।

বিধেয়কখনৰ ২, ৩, ৪, ৫, ৬ আৰু ৭ নং দফাকেইটাত সংশোধনীৰ প্রস্তাৱ নাই। এতিয়া মই দফাকেইটা সদনৰ মজিয়াত দাঙি ধৰিলো।

প্রশ্নটো হ'ল—

২, ৩, ৪, ৫, ৬ আৰু ৭ নং দফাকেইটা বিধেয়কখনৰ অংশ হব।

যিসকল মাননীয় সদস্য/সদস্যাই দফাকেইটাৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

২, ৩, ৪, ৫, ৬ আৰু ৭ নং দফাকেইটা বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় আইন মন্ত্রীৰ নামত ৮ নং দফাত থকা চৰকাৰী সংশোধনীটো উত্থাপন কৰিবলৈ আহ্বান জনালো।

Shri Tanka Bahadur Rai (Minister): Sir, I beg to move that in the National Law School and Judicial Academy (Amendment) Bill, 2011 (1) in Clause 8, in sub-clause (iii) in the new clause (xv) to be inserted, the following shall be deleted, namely "President."

মাননীয় অধ্যক্ষ ঃ মই এতিয়া সংশোধনীটো সদনত দাঙি ধৰিলো।

In Clause 8, in sub-clause (iii), in the new clause (xv) to be inserted, the following shall be deleted, namely:- "President."

যিসকল মাননীয় সদস্য/সদস্যাই

সংশোধনীটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

চৰকাৰী সংশোধনীটো গ্ৰহণ কৰা হ'ল।

সংশোধনী সৈতে ৮ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৯ নং দফাটোত সংশোধনীৰ প্ৰস্তাৱ নাই।

এতিয়া মই বিধেয়কখনৰ ৯ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল—

৯ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যাই

দফাটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

৯ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় আইন মন্ত্ৰীৰ নামত ১০ নং দফাত থকা চৰকাৰী সংশোধনীটো উত্থাপন কৰিবলৈ আহ্বান জনালো।

Shri Tanka Bahadur Rai (Minister, Judicial etc.): Sir, in Clause 10, in sub-clause (ii), for the existing provisions, the following shall be substituted, namely : "(ii) the existing provisions, of Clause (viii) shall be deleted and clause (ix), (x), (xi), (xii), (xiii), (xiv), (xv) and (xvi) shall be re-numbered respectively as (viii), (ix), ((x), (xi), (xii), (xiii), (xiv) and (xv)."

মাননীয় অধ্যক্ষ ঃ মই এতিয়া সংশোধনীটো সদনত দাঙি ধৰিলো—

In Clause 10, in sub-clause (ii), for the existing provisions, the following shall be substituted, namely :-"(ii) the existing provision of clause (viii) shall be deleted and clauses (ix), (x), (xi), (xii), (xiii), (xiv), (xv) and (xvi) shall be renumbered respectively as (viii), (ix), (x), (xi), (xii), (xiii), (xiv) and (xv)."

যিসকল মাননীয় সদস্য/সদস্যাই

সংশোধনীটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

চৰকাৰী সংশোধনীটো গ্ৰহণ কৰা হ'ল।

সংশোধনীৰ সৈতে ১০ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

মাননীয় অধ্যক্ষ ঃ বিধেয়কখনৰ ১১, ১২ আৰু ১৩ নং দফাকেইটাত সংশোধনীৰ প্ৰস্তাৱ নাই, এতিয়া মই দফাকেইটা সদনৰ মজিয়াত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল—

১১, ১২, আৰু ১৩ নং দফাকেইটা বিধেয়কখনৰ অংশ হব।

যিসকল মাননীয় সদস্য/সদস্যাই

দফাকেইটাৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

১১, ১২, আৰু ১৩ নং দফাকেইটা বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১৪ নং দফাত মাননীয় সদস্য, শ্রীআমিনুল ইছলামৰ নামত এটা সংশোধনী আছে।

এতিয়া মই মাননীয় সদস্য, শ্রীআমিনুল ইছলামক তেখেতৰ সংশোধনী প্রস্তাৱটো উত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

Shri Aminul Islam : Mr. Speaker Sir, I beg to move that "In sub-clause (4) of Section 35 of the principal Act. sought to be amended by clause 14 (ii) of the proposed Bill the words "professor of Law" shall be substituted by the words "professor of a recognised Law College."

* **শ্রীটংক বাহাদুৰ ৰাই (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, ইয়াত 'প্রফেচাৰ অব ল' বুলি যিটো আছে সেইটো স্পেচিফিক হৈ আছে। যদি 'প্রফেচাৰ অব এ ৰিক'গনাইজ ল' কলেজ কৰা হয়, তেতিয়াহলে খেলিমেলি হৈ যাব। কাৰণ, ৫ বছৰীয়া ল' কলেজত অকল ল' বিষয়টোৱে নাথাকে। বেলেগ বেলেগ বিষয়ৰো প্রফেচাৰ থাকে। এইটো কৰিলে ল' ডিগ্রী নথকা প্রফেচাৰো ইয়াৰ ভিতৰত সোমাই যাব। গতিকে অৰিজিনেল এমেন্ডমেন্টত আপুনি যিটো কৈছে সেইটো সোমাই আছে। গতিকে আপোনাৰ সংশোধনীটো উঠাই লোৱাৰ বাবে মই আপোনাক অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য, শ্রীআমিনুল ইছলাম আপুনি আপোনাৰ সংশোধনীটো প্রত্যাহাৰ কৰিব নে?

শ্রীআমিনুল ইছলাম ঃ ছাৰ, মই প্রত্যাহাৰ কৰিলো।

মাননীয় অধ্যক্ষ ঃ সংশোধনীটো প্রত্যাহাৰ কৰাৰ বাবে সদনৰ সন্মতি আছেনে?

*** Speech not Corrected**

(Voice "Yes", "Yes")

সদনৰ সন্মতি সাপেক্ষে সংশোধনীটো প্ৰত্যাহাৰ কৰা হ'ল।

দফা নং ১৪ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনৰ মাজিয়াত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল—

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হব।

যিসকল মাননীয় সদস্য/সদস্যাই

সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

কার্য্যসূচী নং ৫ (গ)।

এতিয়া মাননীয় আইন মন্ত্ৰীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

শ্ৰীটংক বাহাদুৰ ৰাই (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এতিয়া মই বিধেয়কখন পাৰিতকৰণৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো।

প্ৰস্তাৱটো হ'ল—

"The National Law School and Judicial Academy, Assam (Amendment) Bill, 2011"

পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই

প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্ৰস্তাৱটো পাৰিত কৰা হ'ল।

বিধেয়কখনো পাৰিত কৰা হ'ল।

সদন আবেলি ৩ বজালৈ স্থগিত ৰখা হ'ল।

(The House reassembled at 3.00 P.M.)

মাননীয় অধ্যক্ষ ঃ কার্য্যসূচী নং ৬ (ক)।

এতিয়া মই স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰীক 'দি আসাম মেডিকেয়াৰ চাৰ্ভিচ পাৰচন্চ এণ্ড মেডিকেয়াৰ চাৰ্ভিচ ইনষ্টিটিউশ্বনচ (প্ৰিভেনচন অফ ভায়োলেঞ্চ এণ্ড দেমেজ টু প্ৰপাৰটি) বিধেয়ক, ২০১১ সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, 'দি আসাম মেডিকেয়াৰ চাৰ্ভিচ পাৰচনচ এণ্ড মেডিকেয়াৰ চাৰ্ভিচ ইনষ্টিটিউশ্বনচ (প্ৰিভেনচন অফ ভায়োলেঞ্চ এণ্ড দেমেজ টু প্ৰপাৰটি) বিধেয়কখন সদনত। দফাই দফাই বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

* **শ্রীফণীভূষন চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিধেয়কখনত আছে —

* Speech not Corrected

The Minister has moved that The Assam Medicare Service Persons and Medicare Service Institutions (Prevention of Violence and Damage to Property) Bill, 2011 be taken into consideration. Thus the Govt. has proposed to enact a law in this regard to prohibit violence against Medicare service persons and damage to property of Medicare Service Institutions in the State of Assam and matters connected there with and incidental there to.

অধ্যক্ষ মহোদয়, মই এইবিলখন সম্পর্কে দুটামান কথা কব বিচাৰিছোঁ। এই বিলখন একপক্ষীয়ভাবে অনা হৈছে। একপক্ষীয় বুলি এই কাৰণেই কৈছোঁ যে ইয়াত স্বাস্থ্য বিভাগৰ লগত জড়িত যিসকল ডাক্তৰ, নার্চ আৰু অন্যান্য কর্মচাৰী সকলৰ বাবে এই বিলখন অনা হৈছে। ৰোগী বা এটেনডেন্ট সকলৰ সুৰক্ষাৰ বাবে এই বিলখনত একো উল্লেখ নাই। যিবিলাক ঘটনাৰ কাৰণে এই বিলখন অনা হৈছে সেই ঘটনা বিলাকৰ আচলতে কাৰণ কি? যিবিলাকে ভায়োলেঞ্চ কৰিব তেওঁলোকক জেললৈ পঠোৱাৰ কথাও আছে। এই ক্ষেত্রত ইতিমধ্যে ভাৰতীয় আইনত আই পি চি, চি আৰ পি চি আদি প্রভিজন আছেই। যিবিলাক ঘটনাৰ বাবে এইবোৰ হৈছে সেই ঘটনাবিলাক আমি ভালদৰে ফহিয়াই চাব লগিব। ঘটনাবিলাকৰ বাবে অকল জনসাধাৰণেই দায়ী হব নেকি? অধ্যক্ষ মহোদয়, আজি কিছুদিন আগতে কলকাতাৰ আমৰি হস্পিতালত যিটো ঘটনা সংঘটিত হ'ল সেইটো আমি সকলোৱে জানো। তাত জুই লগাৰ কাৰণে দায়ী কোন? জুই নুমুৱাৰ বাবে হস্পিতালখনত ব্যৱস্থা আছিল নে নাই? জুই লগাৰ ফলত তাত শতাধিক ৰোগী নিহত হৈছিল। অধ্যক্ষ মহোদয়, এনেকুৱা ঘটনা যদি চৰকাৰী হস্পিতালত সংঘটিত হয়। তেতিয়াহলে প্রশাসনে হস্পিতাল কতৃপক্ষক দায়ী নকৰি অকল ৰোগী বা এটেনডেন্টক দায়ী কৰিব নেকি?

* Speech not Corrected

অধ্যক্ষ মহোদয়, ডাক্তৰ বা কর্মচাৰী বিলাকক নিৰাপত্তা দিব লাগিব, তাৰ লগে লগে ৰোগী আৰু এটেনডেন্ট সকলকো নিৰাপত্তা দিব লাগিব। এই বিলখনত ৰোগী আৰু এটেনডেন্টৰ নিৰাপত্তাৰ ব্যৱস্থা নাই।

মাননীয় অধ্যক্ষ ঃ সেই বুলি আপুনি আইন হাতত তুলি লব নেকি?

***শ্রীফণীভূষণ চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ বাবে আই পি চি, চি ৰ পি চি আদি ব্যৱস্থা আছে। অধ্যক্ষ মহোদয়, আজি কেইমাহমান আগতে অসম চিকিৎসা মহাবিদ্যালয়ত আৰু সৌসিদিনা গোলাঘাট চিভিল হস্পিতালত যি ঘটনা সংঘটিত হৈ গ'ল, তাৰ বাবে যদি ডাক্তৰ দায়ী হয়, তেন্তে ডাক্তৰৰ ওপৰত শাস্তি হব লাগে। মই ডাক্তৰ সকলক জেনেৰাইজেচন কৰিব বিচৰা নাই। অধ্যক্ষ মহোদয়, ইয়াৰ আগতে কটন কলেজ বিশ্ববিদ্যালয় বিলখন অনাৰ সময়ত আমি কৈছিলো যে বিলখন ইমান তাতাতৈয়াকৈ আনিব নালাগিছিল। সকলোৰে লগত আলোচনা বিলোচনা কৰি বিলখন অনাটো ভাল আছিল। পিছত আকৌ বিলখনৰ সংশোধনী আনিব লগা হ'ল। এই বিলখনৰ জৰিয়তে ডাক্তৰক নিৰাপত্তা দিয়াৰ লগতে ৰোগী আৰু এটেনডেন্ট সকলোকো নিৰাপত্তা দিয়াৰ ব্যৱস্থা কৰি বিলখন চিলেক্ট কমিটিলৈ পঠোৱাৰ ব্যৱস্থা কৰিব লাগে বুলি মই অনুৰোধ জনালো।

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ মাননীয় সদস্য, শ্রীফণীভূষণ চৌধুৰী ডাঙৰীয়াই এই বিলখন চিলেক্ট কমিটিলৈ পঠাবৰ বাবে অনুৰোধ কৰিছে। তেখেতে কৈছে যে ৰোগী বা এটেনডেন্ট সকলৰ নিৰাপত্তাৰ কথা এই বিলখনত নাই। অধ্যক্ষ মহোদয়, যদি আমি বহল দৃষ্টিভঙ্গীৰে চাও এই বিলখন ৰোগীৰ সুৰক্ষাৰ কাৰণেই অনা হৈছে। যদি এজন ৰোগীৰ মৃত্যু হয় তেতিয়াহলে বহুত মানুহ আহি হস্পিতালৰ ক্ষতি সাধন কৰে। গোলাঘাট চিভিল হস্পিতালত আজি কিছুদিন আগতে এনেকুৱা হৈছে। এটেনডেন্ট আহি হস্পিতালৰ গছ ভাঙিছে। গছ ডাল ভাঙিলে অকল কি ডাক্তৰৰ গাতে পৰিব নেকি? ৰোগীৰ

---

* Speech not Corrected

গাতো পৰিব। অধ্যক্ষ মহোদয়, এইখন মহাত্মা গান্ধীৰ দেশ, ইয়াত হিংসা প্ৰতিৰোধ কৰাটো নিয়মেই। মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী সকলে যদি ভাবে তেন্তে আমি আকৌ অইন এখন বিল অহা সদনত আনিম। মই স্বাস্থ্য মন্ত্ৰী হিচাবে কৈছো প্ৰতিবাদ বা বিৰোধ এইবোৰ হব পাৰে।

* **শ্ৰীফণীভূষণ চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, Under-Clouse (b) use of threatening or abusive language against any medicare service persons. আচলতে কথাখিনি ইয়াত সৃষ্টি হোৱা নাই।

* **ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি এখন সভ্য দেশৰ সভ্য নাগৰিক, এখন সভ্য দেশত আছো। গতিকে মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি চেষ্টা কৰিছো যাতে ইয়াত কোনেও কাকো থ্ৰেটেন নকৰে। আজি কালি মানুহবোৰৰ মুখত প্ৰায়ে দেখা যায় বেয়া ভাষা আৰু থ্ৰেটেনিং তোৰ দেউতাক চাই লম, তোৰ মাক চাই লম। কেইজনমান লৰা-ছোৱালী একে লগে লগ হলে সিহঁতৰ মাজতো দেখা যায় তোক চাই লম ধৰণৰ কথা ইত্যাদিবোৰ। গতিকে এই ক্ষেত্ৰত আমাৰ ৰাজ্যত এই বিলৰ অতিকৈ প্ৰয়োজন আছে। ভৰতবৰ্ষৰ সকলো ৰাজ্যতে এইটো হৈছে। মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোকে এইবোৰ আন্দোলন কৰি কৰি লৈছে। ১০৮ এম্বুলেঞ্চৰ ক্ষেত্ৰত ১০ শতাংশই ভাঙি দিয়া হৈছে। আমি এই গাড়ী সমূহ বহুত যত্ন কৰি যোগাৰ কৰিছিলো। এই গাড়ীবিলাক প্ৰত্যেক অঞ্চলতে একোখনকৈ দিয়া হৈছে। গতিকে এখন গাড়ীয়ে যদি পেচেন্ট লৈ যায় আৰু ইতিমধ্যে কিবা ইমাৰজেঞ্চি আহি যায়, তেন্তে অইন ঠাইৰ পৰা এম্বুলেঞ্চ আনিব লগা হয় আৰু আহি পাওঁতে কিছু পলম হয় এই অজুহাততে ১০৮ গাড়ীবোৰ ভাঙি দিয়া হয়। ইয়াৰ ফলত মানুহে কাম কৰিবলৈ ইচ্ছা নকৰে। এই গাড়ী খিনিৰ কাৰণে বহুতো নিৰনুৱা লোক সংস্থাপিত হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, এটা সময়ত ডক্তৰ সকলে গাওঁত কাম কৰিব যাব বিছৰা নাছিল। এতিয়া আমি তেওঁলোকক

*** Speech not Corrected**

গাওঁ অঞ্চলত কাম কৰিবৰ বাবে উৎসাহিত কৰিছো আৰু গাওঁত কাম কৰিবৰ কাৰণে বাধ্যতা মূলক কৰা হেছে। এতিয়া ডাক্তৰ সকলে গাওঁত কাম কৰিবলৈ ভাল পায়, অধ্যক্ষ মহোদয়, কিছুদিন আগতে মোৰ ওচৰলৈ এজন ডাক্তৰ আহি কলে যে মোক লক্ষীমপুৰত পোষ্টীং লাগে, তেখেতে নিজে খুজি পোষ্টিং লৈছে। এই ক্ষেত্রত আমি যিখিনি চেষ্টা চলাইছো আৰু লাভবানো হৈছো। আমি জানুৱাৰীৰ ১ তাৰিখত ৩০০ জন ডক্তৰ পোষ্টিং দিম। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ফণীভূষণ চৌধুৰী ডাঙৰীয়াই অকল ডাক্তৰ সকলক প্রটেকচন দিয়াৰ কথা কৈ হাউচক মিচলিড্ কৰিছে। তেখেতে কটন কলেজৰ বিলৰ ক্ষেত্রটো কৈছিল। কিন্তু এইখন এখন গণতান্ত্রিক দেশ, এখন গণতান্ত্রিক চৰকাৰ আছে। ইয়াত ইচ্ছা কৰিলে বা দৰকাৰ হলে আইন সংশোধন কৰিব পাৰো, বিল পাচঁ কৰিব পাৰো। প্রয়োজন সাপেক্ষে আমি দুই-তিনি মাহৰ মুৰে মুৰে বিল পাচঁ কৰিব পাৰো। মাননীয় অধ্যক্ষ মহোদয়, আমি বিৰোধী দলক বহুত গুৰুত্ব দি আছো, তেখেত সকলে আমাক ভালহে পাব লাগে।

* **শ্রীস্বপন কৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে, তিনি মাহৰ মুৰে মুৰে বিল পাচঁ কৰিব পাৰে বুলি কৈছে। দুই মাহৰ ভিতৰত এখন কৰক।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, পেচেন্ট প্রটেকচন, ৰং ট্রিটমেন্ট এইবোৰ কাৰণে এখন বিল আছে। প্রয়োজন সাপেক্ষে আমি আৰু এখন আইন কৰিম।

শ্রীৰণজিৎ কুমাৰ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, আসাম মেডিকেয়াৰ চার্ভিছ পাৰচনচ এণ্ড মেডিকেয়াৰ চার্ভিছ ইনষ্টিটিউশ্চনচ (প্রিভেনচন অফ ভায়োলেঞ্চ এণ্ড দেমেজ টু প্রপাৰটি) বিধেয়ক, ২০১১ খনৰ জৰিয়তে মেডিকেল চার্ভিছৰ লোক সকলক প্রটেকচন দিয়াৰ কাৰণে যিখন বিল আনিছে, তাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো। আপোনালোকে জানে, গোলাঘাটত যিটো কাণ্ড ঘটিল, তাৰোপৰি ৰৰপেটাতো দুগৰাকী চিকিৎসকক প্রহাৰ কৰিছে, আনকি দাঁত ভাঙি গৈছে।

* Speech not Corrected

আজি এই বিলখনৰ জৰিয়তে ডাক্তৰ বা মেডিকেল চাৰ্ভিছৰ মানুহে বহুখিনি প্ৰটেকচন পাব। কিন্তু মই এটা কথা ভাবিছো, মই নিজে ডাক্তৰ নহয় বা আইনজ্ঞও নহওঁ। বিলখনত সন্নিবিষ্ট যিবিলাক ধাৰা দিয়া হৈছে, সেইবিলাকৰ ক্ষেত্ৰত আইনৰ আই, পি, চি ৩২৩ আৰু অন্যান্য ধাৰা আছে তাৰ লগত কন্ট্ৰাডিক্ত হব পাৰে। সেই আইনৰ মতে ননবেইলেবুল হয় আৰু ৫০ হাজাৰ টকা ফাইন হব পাৰে। গতিকে এই বিলখন প্ৰিপিয়াৰ কৰোতে আইনজ্ঞৰ লগত আলোচনা কৰিলে বেছি ভাল হব নেকি? এবিউজিভ লেংগুৱেজ ব্যৱহাৰ কৰা আৰু ভাবুকি দিয়া লোকৰ ক্ষেত্ৰত বেইলেবুল Section ৰ ব্যৱস্থা আছে। গতিকে উক্ত দফাটো উঠাই ললে ভাল হয়।

শ্ৰীঁ ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ সেইটো পৰীক্ষা নিৰীক্ষা কৰি উঠাই দিয়াৰ ব্যৱস্থা কৰা হব।

Mr. Speaker : I, now, put the Motion before the House. The Motion is that "The Assam Medicare Service Persons and Medicare Service Institutions (Preventian of Violence and Damage to Property) Bill, 2011" be to taken into consideration.

যিসকল মাননীয় সদস্য/সদস্যাই

প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত হ'ল।

কাৰ্য্যসূচী নং ৬ (খ)।

বিধেয়কখনৰ ২ নং দফাত মাননীয় সদস্য, শ্ৰীআব্দুৰ ৰহিম খানৰ

*** Speech not Corrected**

নামত এটা শ্রীকেশৱ মহন্তৰ নামত এটা আৰু শ্রীআমিনুল ইছলামৰ নামত এটা সংশোধনী আছে। এতিয়া মই মাননীয় সদস্য, শ্রীআব্দুৰ ৰহিম খান, শ্রীকেশৱ মহন্ত আৰু শ্রীআমিনুল ইছলামক তেখেতসকলৰ সংশোধনী প্রস্তাৱকেইটা উৎথাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

Shri Abdur Rahim Khan : Sir I would like to move amendment of the following: In Sub-clause (a) of clause 2 of the proposed Bill after the words 'mind' occuring in last line the following shall be added as – Any service pertaining to the health related investigations and tests.

In Sub-clause (b) of clause 2 of the proposed Bill after the words 'convalescent home' occuring in last line the following shall be added as – also a clinic, poly clinic or a mobile clinic even the patients home.

Shri Keshab Mahanta : Sir, after sub-clause (c) (v) of clause 2 of the proposed Bill a new sub-clause shall be added as–

"(c) (vi) Patients including their relatives, attendents and well wishers."

Shri Aminul Islam : Sir, after sub-clause 2 (c) (iv) of the proposed Bill the following shall be inserted as – "(v) Laboratory technicians" and original sub-clause (v) shall be renamed as (vi).

চিৰিয়েল চাবক্লজটো চাব লাগে।

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** এইখন এখন স্পেচিয়েল আইন। হস্পিতাল খনত যাতে ঘৰুৱা কাম-কাজ লৈ কাজিয়া হব নোৱাৰে, ফার্মাচী বিলাকত

* Speech not Corrected

তেনেকুৱা হৈ থাকে। আমি কিন্তু হস্পিটেল খনতে এইটো আৱদ্ধ কৰি ৰাখিব বিচাৰিছো। পলিক্লিনিক বা মৱাইল ক্লিনিক বিলাকত এইটো ব্যৱহাৰ কৰিব নোৱাৰি। মাননীয় সদস্য, কেশৱ মহন্ত ডাঙৰীয়াই কৈছে — Patients including their relatives, attendents and well wishers. এইটো কৰিলে দীঘলীয়া হৈ যাব। সেইকাৰণে এইটোৰ প্রয়োজন নাই। Laboratory technicians সকলোকো সামৰি লোৱা হব। গতিকে তিনি গৰাকী মাননীয় সদস্যকে সংশোধনীটো প্রত্যাহাৰ কৰিবলৈ অনুৰোধ জনালো।

*** শ্রীকেশৱ মহন্ত ঃ** ইয়াৰ আগতে মাননীয় সদস্য, ফণীভূষণ চৌধুৰীয়ে কৈ গৈছে— ইয়াত যিটো দেখা গৈছে যে মেডিকেল চার্ভিচৰ লোক আৰু ডাক্তৰ সকলক প্রটেকচন দিয়াৰ কাৰণেহে বিধেয়ক খনৰ ব্যৱস্থা আছে। কিন্তু বেমাৰীৰ ক্ষেত্রত বা বেমাৰীৰ লগত অহা অথবা বেমাৰীৰ খবৰ লবলৈ অহা লোকৰ কাৰণে কোনো প্রটেকচন নাই। এতিয়া কথা হ'ল যিকোনো ঘটনা সংঘটিত হলে, সেই ঘটনাটোৰ উৎসটোওঁ চাব লগিব। কি কাৰণত ভুল বুজা বুজি হয়, হয়তো বেমাৰীৰ আৰু বেমাৰীৰ খবৰ লবলৈ অহা মানুহৰ মিচবিহেভ কৰা কাৰণেও ঘটনা সংঘটিত হব পাৰে। মেডিকেল চার্ভিচৰ মানুহেও বেমাৰীক অপদস্ত কৰিব পাৰে। কেতিয়াবা ৰং ট্রিটমেন্ট বা সময় মতে ডাক্তৰ নহা, বা ঔষধ যোগান দিয়া ইত্যাদিৰ ক্ষেত্রত গাফিলতি হব পাৰে। তেতিয়াওঁ এনে ঘটনা সংঘটিত হয়। সেই কাৰণে বেমাৰী আৰু বেমাৰীৰ লগত অহা মানুহৰো প্রটেকচন দিয়াৰ ব্যৱস্থা থাকিব লাগে।

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** বহু সময়ত আমি দেখিছো, বেমাৰীৰ আৰু বেমাৰীৰ লগত অহা মানুহৰ খং উঠে। যেতিয়া ডাক্তৰ সময়মতে নাপায়, কেতিয়াবা মৃত্যু মুখতো পৰিব লগা হয়। কিন্তু সেই বুলি পেচেন্টক প্রটেকচন দিবলৈ গলে, এনেকুৱা এটা ধাৰণা হব, বা তেনেকুৱা এটা মেচেজ দিয়াৰ নিচিনা হব যে— অসমত ডাক্তৰ সকলেও মাৰপিট কৰে। গতিকে, সেইটো নকৰি আমি

* Speech not Corrected

পেচেন্ট সকলক বা এটেনডেন্ট সকলক বা খবৰ লবলৈ অহা শুভাকাংক্ষীক প্ৰটেকচন দিয়াৰ কাৰণে সুকীয়াকৈ এখন বিধেয়ক আনিব পাৰিলে বেছি ভাল হব। পেচেন্টক ৰক্ষণাবেক্ষণ দিয়াৰ কাৰণে আন এখন বিধেয়ক আমি আনিব বিচাৰো।

* **শ্ৰীকেশৰ মহন্ত ঃ** মই আপত্তি কৰিবলৈ যোৱা নাই, কিন্তু আমাৰ মাননীয় প্ৰাক্তন বিধায়িকা শ্ৰীসুশীলা হাজৰিকাৰ ক্ষেত্ৰত তেনে ধৰণৰ ঘটনা ঘটিছিল। আনকি গাড়ীও ভাঙি পেলাইছিল।

* **ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** সাধাৰণতে আমি দেখিছো ডাক্তৰে কেতিয়াও এগ্ৰেচিভ নহয়। কোনো কোনো ঠাইত কেতিয়াবা কেতিয়াবা ঘটনা সংঘটিত হব পাৰে। কিন্তু চৰকাৰে এই ক্ষেত্ৰত কঠোৰ ব্যৱস্থা লয়। জুনিয়ৰ ডাক্তৰ সকলে যেতিয়া আন্দোলন কৰিছিল আৰু উৎপাত কৰিছিল তেতিয়া তেওঁলোকক আমি থানালৈ পঠিয়াইছিলো। গতিকে মই মাননীয় কেশৰ মহন্ত ডাঙৰীয়াক পেচেন্টৰ প্ৰটেকচনৰ ক্ষেত্ৰত প্ৰটেকচন দিয়াৰ কাৰণে এখন সুকীয়াকৈ বিধেয়ক অনাৰ ক্ষেত্ৰত কাৰ্য্যকৰী কৰিবৰ কাৰণে সহযোগ কৰিবলৈ অনুৰোধ জনালো।

* **শ্ৰীকেশৰ মহন্ত ঃ** মাননীয় মন্ত্ৰী মহোদয়ে যিহেতু পেচেন্টৰ প্ৰটেকচনৰ কাৰণে এটা ব্যৱস্থা কৰিব বুলি আশ্বাস দিলে, মই সংশোধনীতো উঠাই ললো।

* **শ্ৰীআব্দুৰ ৰহিম খান ঃ** ১ নং আৰু ২ নং সংশোধনী উঠাই লৈছো।

এম্বুলেঞ্চ- ১০৮ টো প্ৰটেকচন দিব লাগে।

* **ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** ১০৮ ৰ মানুহখিনিৰ প্ৰটেকচন দিয়া হব। এক্টে কভাৰ নকৰিলেও আইনখনৰ সংশোধনী আনি হলেও এইটো ব্যৱস্থা কৰিব পৰা হব।

*** Speech not Corrected**

শ্রীআমিৰুল ইছলাম ঃ যিহেতু লেবেৰেটৰী টেকনিছিয়ান সামৰি লোৱা হব, মই সংশোধনীতো উঠাই লৈছো।

মাননীয় অধ্যক্ষ ঃ সংশোধনী কেইটা প্ৰত্যাহাৰ কৰাৰ বাবে সদনৰ সন্মতি আছে নেকি?

(Voice – "Yes", "Yes")

সদনৰ সন্মতি সাপেক্ষে সংশোধনী কেইটা উঠাই লোৱা হ'ল।

২নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৩ নং দফাত মাননীয় সদস্য, শ্ৰীৰঞ্জিত কুমাৰ দাসৰ নামত এটা সংশোধনী আছে, এতিয়া মই মাননীয় সদস্য, শ্ৰী ৰঞ্জিত কুমাৰ দাসক তেখেতৰ সংশোধনী প্ৰস্তাৱটো উৎথাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

Shri Ranjit Kumar Das : Sir, In Sub-Clause (b) of clause 3 of the proposed Bill the words or abusive language : shall be deleted.

Dr. Himanta Biswa Sarma (Minister) : Hon'ble Speaker Sir, I propose that the entire Clause (b) should be deleted.

মাননীয় অধ্যক্ষ ঃ মই এতিয়া সংশোধনী প্ৰস্তাৱটো সদনৰ মজিয়াত দাঙি ধৰিলো।

In Sub-Clause (b) of clause 3 of the proposed Bill, the words "or abusive language: shall be deleted."

যিসকল মাননীয় সদস্য/সদস্যাই

সংশোধনী প্রস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

সংশোধনী প্রস্তাৱটো গৃহীত হ'ল।

দফা নং ৩ সংশোধনীসহ বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৪ আৰু ৫ নং দফা দুটাত সংশোধনীৰ প্রস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ৪ আৰু ৫ নং দফাদুটা সদনৰ মজিয়াত দাঙি ধৰিলো।

প্রশ্নটো হ'ল— ৪ আৰু ৫ নং দফাদুটা বিধেয়ক খনৰ অংশ হব।

যিসকল মাননীয় সদস্য/সদস্যাই

প্রস্তাৱটোৰ দফাদুটাৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

৪ আৰু ৫ নং দফা দুটা বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৬ নং দফাত মাননীয় সদস্য, শ্রীআমিনুল ইছলামৰ নামত এটা সংশোধনী আছে।

এতিয়া মই মাননীয় সদস্য, শ্রীআমিনুল ইছলামক তেখেতৰ সংশোধনীটো উৎথাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

*** Shri Aminul Islam :** Sir, in Sub-Clause (1) of Clause 6 of the proposed Bill in between the words 'Person' and 'to pay' occurring in line 3 the words 'or accused Persons' shall be inserted.

*** Speech not Corrected**

ইয়াত স্বাস্থ্যৰ কথা আহিছে যেতিয়া ডাক্তৰৰ সুৰক্ষাৰ লগে লগে ৰোগীৰ সুৰক্ষাও থাকিব লাগিব। এই বিলখনত শব্দ প্ৰয়োগৰ ক্ষেত্ৰত কিছু অসুবিধা আছে। সেইটো চালিজাৰি চোৱাৰ আৱশ্যক আছে বুলি মই অনুভৱ কৰো।

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** এই বিলাক Legislative language. এইটো যি মিন কৰিছে মই মানি লৈছো।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য, শ্রীআমিনুল ইছলাম, আপুনি আপোনাৰ সংশোধনীটো প্ৰত্যাহাৰ কৰিবনে?

শ্রীআমিনুল ইছলাম ঃ সংশোধনীটো প্ৰত্যাহাৰ কৰা হ'ল।

মাননীয় অধ্যক্ষ ঃ সংশোধনীটো প্ৰত্যাহাৰ কৰাৰ বাবে সদনৰ সন্মতি আছেনে?

(Voice: "Yes", "Yes")

সদনৰ সন্মতি সাপেক্ষে সংশোধনীটো প্ৰত্যাহাৰ কৰা হ'ল।

৬ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৭ নং দফাটোত সংশোধনীৰ প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ৭ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো,

প্ৰশ্নটো হ'ল—

৭ নং দফাটো বিধেয়কখনৰ অংশ হব।

যিসকল মাননীয় সদস্য/সদস্যাই

প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

৭ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত মাননীয় সদস্য, শ্ৰীকেশৱ মহন্তৰ নামত তিনিটা সংশোধনী আছে। এতিয়া মাননীয় সদস্য, শ্ৰীকেশৱ মহন্তক সংশোধনী প্ৰস্তাৱ তিনিটা উৎথাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

*** Shri Keshab Mahanta :** Sir, in the long title and the short title of the proposed Bill shall be substituted by 'The Assam Medicare Service Persons and Medicare service Institutions (Prevention of Violence, damage to property and to ensure quality Health Service) Bill, 2011.

The words ' to ensure responsibility for rendering, quality and timely Health Service, and' shall be prefxed in the long little of the Proposed Bill.

The proposed preamble of the Bill shall be substituted by the following.

"Where as it expedient to provide quality health service and to prohibit violence against Medicare service institutes in the State of Assam and for matters connected there with and incidental there to."

কোৱালিটি হেলথ চার্ভিচত এই কথা মই সংযোজন কৰিব বিচাৰিছো। এই বিলখনত কোৱালিটি হেলথ দিবৰ কাৰণে প্ৰটেকচন দিয়া হৈছে।

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই কেইটা হৈছে ১১/১২/১৩। ১২ অবশ্যে ইয়াৰ লগত আনিব লাগিব। ১১/১৩ মানি লোৱাত আপত্তি নাই। এইটো সাধাৰণতে বিল খনত আনিছে। শব্দবিলাক লগাই দিয়া আছে, তেওঁলোকে চার্ভিচ বেনিফিট নাপালে লাইনটো লগাই দিলে দেখাত

*** Speech not Corrected**

ভাল লাগিব। কোৱালিটি হেলথ চার্ভিচ দেখাত ভাল লাগে। ইয়াত পৰামর্শ আহিছে যেতিয়া এই বিলখনত পাছত দুটা এটা সংশোধনী আনিব লগা হব। পিছৰ বিধান সভাত এই শব্দ আনি দিব পৰা যাব।

*** শ্রীকেশৰ মহন্ত ঃ** মন্ত্রী ডাঙৰীয়াই বিষয়টো গ্রহণ কৰিছে যদিও লিগেল কথাত অসুবিধা আছে বুলি কৈছে। আকৌ এবাৰ বিলখন অধ্যয়ন কৰি কোৱালীটি হেলথ প্রটেকচন দিয়াৰ কাৰণে চেষ্টা কৰিব লাগে। মই লিগেল কথাবিলাক নাজানো। পিছৰ সংশোধনী অনাৰ সময়ত এই শব্দবিলাক লব লাগে। মই এতিয়া মোৰ সংশোধনী উঠাই ললো।

মাননীয় অধ্যক্ষ ঃ সংশোধনীকেইটা প্রত্যাহাৰ কৰাৰ বাবে সদনৰ সন্মতি আছেনে ?

(Voice: "Yes", "Yes")

সদনৰ সন্মতি সাপেক্ষে সংশোধনীকেইটা প্রত্যাহাৰ কৰা হ'ল।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্রস্তাৱ উৎথাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Medicare Service Persons and Medicare Service Institutions (Prevention of Violence and Damage to Property) Bill, 2011" পাৰিত কৰাৰ বাবে মই সদনত প্রস্তাৱ উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো।

প্রস্তাৱটো হ'ল—

*** Speech not Corrected**

"The Assam Medicare Service Persons and Medicare Service Institutions (Prevention of Violence and Damage to Property) Bill, 2011" পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই প্রস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্রস্তাৱটো পাৰিত কৰা হ'ল।

বিধেয়কখনো পাৰিত কৰা হ'ল।

মাননীয় অধ্যক্ষ ঃ কার্য্যসূচী নং ৭ (ক)।

There is a message from Governor of Assam.

Raj Bhawan, Guwahati
December 18, 2011.

ORDER

"Under the provision of Article 207(3) of the Constitution of India, I, Shri Janaki Ballav Patnaik, Governor of Assam recommended that the "The Assam Venture Madrassa Educational Institutions (Provincialisation of Services) Bill 2011" be taken into consideration by the Assam Legislative Assembly.

Sd/-

(Shri Janaki Ballav Patnaik)
Governor of Assam."

এতিয়া মাননীয় শিক্ষা মন্ত্রীয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উৎথাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Venture Madrassa Educational Institutions (Provincialisation of Service) Bill, 2011" বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্ৰস্তাৱটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল—

"The Assam Venture Madrassa Educational Institutions (Provincialisation of Service) Bill, 2011" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

এতিয়া কার্য্যসূচী নং ৭ (খ)।

বিধেয়কখনৰ ২ নং দফাটোত সংশোধনীৰ প্ৰস্তাৱ নাই।

এতিয়া মই বিধেয়কখনৰ ২ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল—

২ নং দফাটো বিধেয়কখনৰ অংশ হব।

যিসকল মাননীয় সদস্য/সদস্যাই
প্রস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়';
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়';
মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।
২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৩ নং দফাত মাননীয় সদস্য, শ্রীআব্দুৰ ৰহিম খানৰ নামত চাৰিটা, শ্রীআতাউৰ ৰহমান মাঝাৰ ভূইয়াৰ নামত দুটা, শ্রীআব্দুৰ ৰহমান আজমলৰ নামত এটা আৰু শ্রীআলী হুছেইনৰ নামত এটা মুঠ আঠটা সংশোধনী আছে।

এতিয়া মই মাননীয় সদস্য, শ্রীআবদুৰ ৰহিম খান, শ্রীআতাউৰ ৰহমান মাঝাৰভূইয়া, শ্রীআব্দুৰ ৰহমান আজমল আৰু শ্রীআলী হুছেইন আপোনালোকৰ সংশোধনী কেইটা উৎথাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো,

Shri Abdur Rahim Khan : Hon'ble Speaker Sir, I beg to move that in Sub-Clause (d) of Clause 3 of the proposed Bill in between the word 'therein' and punctuation mark 'semicolon' the words 'including all required infrastructure of the venture Madrassa Educational institutions' shall be inserted.

In Sub-Clause (e) of Clause 3 of the proposed Bill in between the word 'Act' and punctuation mark 'semicolon' the words 'including all required infrastructure' shall be inserted.

In Sub-Clause (i), (n), (o), (p) and (q) of Clause 3 of the proposed Bill in between the words 'before' and 'and' in line 9,10,9,12 and '8' respectively the figures '1.1.2006' shall be substituted by the figures '1.1.2011.'

In Sub-Clause (k) of Clause 3 of the proposed Bill in between the word 'Act' and punctuation mark 'semicolon' occurring in last line the words 'including all required infrastructure' shall be inserted.

Mr. Speaker : Shri Ataur Rahman Mazarbhuiya to move:

Shri Ataur Rahman Mazarbhuiya : Hon'ble Speaker Sir, I beg to move that in Sub-Clause (e) of Clause 3 of the proposed Bill in line 8 the words "before first day of January, 2011" shall be deleted.

Mr. Speaker : Shri Ataur Rahman Mazarbhuiya to move:

Shri Ataur Rahman Mazarbhuiya : Sir, I beg to move that in Sub-Clause (i), (n), (o), (p) and (q) of Clause 3 of the proposed Bill the figures "1.1.2006" shall be substituted by the figures "1.1.2007".

Mr. Speaker : Shri Abdur Rahman Ajmal to move:

Shri Abdur Rahman Ajmal : Sir, I beg to move that in Sub-Clause (i) of Clause 3 of the proposed Bill the figures '1.1.2006' occurring in line 9 shall be substituted by the figures '1.1.2011' and the figures '1.1.2006' wherever occur in subsequent clauses shall be substituted accordingly.

Mr. Speaker : Shri Ali Hussain to move :

Shri Ali Hussain : Sir, I beg to move that in Sub-Clauses (i), (o), (p) and (q) of Clause 3 of the proposed Bill occurring in line 9.9.12 and '8' respectively the figures '1.1.2006' shall be substituted by the figures '1.1.2011'.

*** মউলানা আতাউর রহমান মাঝারভুইয়া ঃ** কারণ আছে। অধ্যক্ষ

*** Speech not Corrected**

মহাশয়, "Before Ist of January, 2011." এই অংশটো Delete করা উচিৎ। এর জন্যই আমরা সংশোধনীটা এনেছি। তার কারণ হলো যে একটা মাদ্রাসায় শিক্ষকের পদ খালি হলে সেই পদ পূরণের জন্য প্রথমে Director এর Permission লাগে, তারপর Committee Selection হয়, তারপর Advertise করা হবে, তার পরে শুরু হবে নিয়োগ প্রক্রিয়া। এইভাবে এই Process টা শেষ করতে বেশ কয়েকমাস সময় লাগে। অতএব যেসব Post 1st Day of January, 2011 এ খালি হয়েছে, সেইসব Post এ যে সমস্ত শিক্ষকদের Managing Committee নিয়োগ করেছে, তাদের নিয়োগে দেরী হয়েছে Department এর দীর্ঘসূত্রী নিয়ম পালন করার জন্য। এখন এই নিয়মরে জন্য এরা এই সুযোগ থেকে বঞ্চিত হবে এবং তার জন্য আমরা এই সংশোধনী এনেছি। মহোদয়, আপনার মাধ্যমে মাননীয় শিক্ষামন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করে বলতে চাই যে মূল Bill এৰ Clause 3 Sub Clause-(i) (n) (o) (p) (q) তে উল্লেখ করা হয়েছে যে "১-১-২০১১", সেক্ষেত্রে একটা অসুবিধার ব্যাপারে মাননীয় মন্ত্রী মহোদয় নিশ্চয় অবগত আছেন যে বিগত ৪ বৎসর যাবত Madrassa Board ছিলনা, আর এই Board না থাকার জন্য এদের Recognition ও Permission পেতে অসুবিধা হয়েছে এবং এরজন্য এই মাদ্রাছা গুলি দায়ী নয়। সুতরাং এই ১-১-২০০৬ এর পরিবর্তে-(২০০৭-এটা Printing Mistake) 1.1.2011 হওতা উচিত। কারণ এই অৱস্থার জন্য মাদ্রাসা গুলি দায়ী নয় আর এজন্যই আমার এই সংশোধনীটা গ্রহণ করে আরো ৪ বৎসর Add করার জন্য আমি শিক্ষামন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করছি।

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই কাৰণে কৈছো কোনোবা বিধায়কৰ কবলগীয়াখিনি একেলগে কৈললে ভাল হয়। কাৰণ উত্তৰ দি থকা সময়ত কোনোবাই কলে আমাৰ কোৱাত অসুবিধা হয়।

মাননীয় অধ্যক্ষ মহোদয়, স্কুলবিলাক Provincialise হলে গভর্ণমেন্টৰ হৈ

* Speech not Corrected

যাব তেতিয়া গভর্ণমেন্টে বনাব লাগিব আইন থাকক বা নাথাকক। আগতে যিয়ে নাথাকক ২ টা ৩ টা ৰুমৰ বিদ্যালয় হ'ব আৰু ইয়াৰ Infrastructure ৰ দায়িত্ব বহন কৰিম বা নকৰিম এই ক্ষেত্ৰত মাননীয় সদস্য, শ্ৰীআব্দুল ৰহিম খান ডাঙৰীয়াই ক্লজ ৩ কেইটাত মোভ কৰাত প্ৰত্যাহ্বান কৰা কাৰণে মই তেখেতক অনুৰোধ জনাম।

মাননীয় অধ্যক্ষ মহোদয়, বিদ্যালয় নিৰ্মাণৰ কৰাণে উপযুক্ত ভূমিৰ প্ৰয়োজন। আৰু এটা হৈছে এক্তত আছে যে ২০১১ চনৰ ১ জনুৱাৰীলৈকে নিযুক্তি পাবলগীয়া শিক্ষক সকলেহে প্ৰভিন্সিয়েলাইজত পৰিব। আমি আগৰ প্ৰভিন্সিয়েলাইজ বিল চাওঁ। দুবছৰৰ আগত যিটো আছিল আজি আমাৰ ডিচেম্বৰতে আছে আৰু ২০১১ চনৰ পৰা হলে হব। গতিকে এইটো ৰাইজৰ সুবিধা হব বুলি ভাবি ২ বছৰত প্ৰাইমাৰী বিদ্যালয় বিলাকক প্ৰভিন্সিয়েলাইজ কৰা হব। মেনেজিং কমিটিয়ে জুনিয়ৰ বিদ্যালয় খনক চিনিয়ৰ কৰি লোৱা অভিযোগ মাননীয় বিধায়ক সকলে পাব। চিনিয়ৰ বিদ্যালয়ক গুচাই জুনিয়ৰ কৰাও দেখা যায়। সেই জুনিয়ৰ বিদ্যালয় কেইখনে ২০১১ চনৰ জানুৱাৰী মাহত প্ৰদেশিকৰণ কৰিবৰ বাবে বেক ডেট দিব লাগিব। সেইকাৰণে মই ক্লজ ২ ত ইনচিষ্ট নকৰিবৰ কাৰণে মৌলানা আটাউৰ ৰহমান মাজাৰ ভূঞাক অনুৰোধ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, এই ক্লজটো আনিছে যদিও এথিকেল পজিচনত আছে, আইনখনত আছে ২০০৬ চনৰ আগতে ৰিকগনাইজ হব লাগে। ২০০৬ চনৰ আগতে যিবিলাক বিদ্যালয় ৰিকগনাইজ হোৱা নাছিল তেওঁলোকে কৈছে যে আমাক বিপিএল এ এপ্ৰোভ কৰিছে, আমাক কিয় নিদিয়ে? মাননীয় অধ্যক্ষ মহোদয়, ইয়াত মানবীয় দিশ এটা সোমাই আছে। ২০০২ চনত যিমান স্কুল আছে সকলো ননগভর্ণমেন্ট। আমাৰ ৰিপূণ ববা ডাঙৰীয়াই শিক্ষা মন্ত্ৰী হোৱা অৱস্থাত ২০০৬ চনৰ পিচত যিমান স্কুল ৰিকগনাইজ হল সেইবোৰ অসমৰ ননগভর্ণমেন্ট ৰিকগনাইজ স্কুল হব। ঠিক সেইদৰে ডনবস্কো, জাতীয় বিদ্যালয়কে আদি কৰি কিছুমান ভেন্সাৰ স্কুল আছে। এখনক কৰিলে আনখনে কব আমাকো প্ৰভিন্সিয়েলাইজ কৰক।

যি কেইখন বিদ্যালয় সংশোধন কৰি চৰকাৰে বিধান সভালৈ আনি দিছে আমি সেইকেইখনক হাউচত পাছ কৰি দিছো।

মাননীয় অধ্যক্ষ মহোদয়, আমি মুখ্য মন্ত্রী মহোদয়ক কৈছো। পাচ হেজাৰ স্কুল আমি প্রভিনচেলাইজ কৰিম। কোনবোৰ ১৯৯০ চনৰ পৰা নহল, সেইটো পূৰণ কৰিব নোৱাৰি। এই ক্ষেত্রত আইন আছে, আইনৰ কথাটো চাব লাগিব। এই মানুহখিনিৰ প্রতি সহানুভূতি আছে। ২০০৬ চনত কিবা কাৰণত ৰেকগনাইজ নহব পাৰে, সেই বিলাক ৰেকগনাইজ কৰিবলৈ চাব লাগিব। ৬০৩৩ খন ৰেকগনাইজ মাদ্রাছা স্কুল আছে। তেনেকৈ এল, পি, স্কুল আছে, এম, ই, স্কুল আছে। ইউনিফৰ্ম স্থিতি লব লাগিব। কিছুমানক ডেফিচিত গ্রেন্ট দিয়া হৈছে। এইবিলাক কামৰ কাৰণে চৰকাৰখনৰ ৭ মাহ সময় যথেষ্ট নহয়, ইমান দিনৰ সমস্যা এটা ৭ মাহৰ ভিতৰতে শেষ কৰিব লাগে, নহলে আত্ম হত্যা কৰিব। চেক্রেটাৰী প্রেচিডেন্টে নকৰিলে, শিক্ষকজনেহে আত্ম হত্যা কৰিব। সেই শিক্ষক জনে কেনেকৈ ছাত্র-ছাত্রীক শিক্ষা দিব, কি বুজাব। প্রভিনচেলাইজ কৰিলে আত্ম হত্যা নকৰে আৰু প্রভিনচেলাইজ নকৰিলে আত্ম হত্যা কৰিব। চাকৰি নেপালে আত্ম হত্যা কৰিব। যি সকলে আত্ম হত্যাৰ কথা কব তেওঁলোকে ভৱিষ্যতে উন্নতি কৰিব নোৱাৰিব। যি জনে আত্ম হত্যা কৰাৰ ভাবুকি দিয়ে তেওঁ শিক্ষক নহয়। আজি এজনে কৈছে ব্রহ্মপুত্র নদীত জপিয়াম, তেওঁ ব্রহ্মপুত্রত জপিয়াব পাৰে, কিন্তু ভালকৈ পঢ়ি বি, এড, টেট কিয় পাছ কৰিব নেৱাৰে। ২০০৬ চনৰ আগত স্কুল এষ্টাব্লিষ্ট হ'ল, প্রভিনচেলাইজ কিয় নহল, এইটো চাব লাগিব। সেই বিলাক স্কুল প্রভিনচেলাইজ কৰাৰ চেষ্টা কৰা হব। ডুমডুমা কলেজখন ২০০৬ চনৰ আগত আছিল বুলি কৈছে। তেনেকুৱা এল, পি, এম, ই, স্কুলো আছে। এইটো আমি এপ্রিল মাহত গম পাম অর্থনৈতিক পুঁজি কিমান হব। মই অনুৰোধ কৰিছো যি সকলে কয় আমাক প্রভিনচেলাইজ নকৰিলে, তাৰ বাবে যে আত্ম হত্যা কৰিব লাগে সেইটো নহয়। যদি তেওঁলোকে আত্ম হত্যা কৰিম

বুলি ভাবুকি দি থাকে নতুন প্ৰজন্ম বেমাৰী হব। এইখন লাচিতৰ দেশ, বীৰৰ দৰে কথা কব লাগিব। মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিদিলেও আমি আদায় কৰিম। এই স্কুল কলেজক আমি হাতত লৈ ডেফিচিত বন্ধ কৰিম, যিখন ডেফিচিত বিদ্যালয় সেইখনৰ ক্ষেত্ৰত আমি নিশ্চয় বক্তব্য দিম।

